# প্ৰবাহিনী

শিৱসাগৰ ছোৱালী কলেজ (Model Degree College)

বাৰ্ষিক আলোচনী, ২০১৪-১৫ বৰ্ষ




সম্পাদিকা ঃ বৰ্ণালী গগৈ



# কলেজ সংগীত

কথা ঃ অধ্যাপিকা কৰবী ডেকা হাজৰিকা
ডিব্ৰুগড় বিশ্ববিদ্যালয়
সুৰঃ প্ৰবীণ হাজৰিকা, শিৱসাগৰ

আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী
পোহৰৰ দিশে উৰা মাৰি যোৱা
যেন এজাক পখীৰ কাকলি
আমি এজাক সপোন সোণালী।।
দূৰৰ আকাশে মাতে আশা ছটিয়াই
জ্ঞান আৰু বিজ্ঞানে মাতে ৰিঙিয়াই
নিত্য নতুন এই মহাবিশ্বত
পোহৰৰ কণিকা লওঁ বুটলি।।
শিক্ষাৰ সাধনাৰ বন্তি জ্বলাওঁ
নিজেও উজ্বলি উঠো দেশকো উজ্জ্বলাওঁ
গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচীৰ কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক
শ্ৰদ্ধাৰে অঞ্জলি জনালো তোমাক
দেশৰ মাটিত তুমি সিঁচি দিলা
জ্ঞানৰ জোনাক
প্ৰণামো তোমাক
শ্ৰদ্ধাৰে অঞ্জলি জনালো তোমাক।।

# প্ৰৱাহিনী

## শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

২০১৪-১৫ বৰ্ষ

तमसो मा ज्योतिर्गमय

শিৱসাগৰ ছোৱালী কলেজ

*সশ্ৰদ্ধ প্ৰীতি আৰু শুভেচ্ছাৰে*

শ্ৰীযুত/শ্ৰীযুতা ..............................................................................................

......................................................................................................................

বৰ্ণালী গগৈ

সম্পাদিকা

*Sibsagar Girls' College Annual Magazine, edited by Bornali Gogoi published by Sibsagar Girls' College on behalf of College Students Union 2014-15.*




## সম্পাদনা সমিতি

<u>সভাপতি</u>
ড° হেমন্ত ফুকন

<u>উপ সভাপতি</u>
ড° লীলা মহন্ত বৰচেতিয়া

<u>শিক্ষক তত্ত্বাৱধায়ক মণ্ডলী</u>
জাকিৰ হুছেইন
প্ৰবীণ শৰ্মা

<u>সম্পাদিকা</u>
বৰ্ণালী গগৈ

<u>অংগ সজ্জা</u>
পলাশ বুঢ়াগোহাঁই

<u>অক্ষৰ বিন্যাস</u>
পলাশ বুঢ়াগোহাঁই
পংকজ গগৈ

<u>মুদ্ৰণ</u>
বিনায়ক অফচেট
শংকৰ মন্দিৰ পথ, শিৱসাগৰ
ফোন ঃ ৯৮৫৪০ ৩২৮১৪

# শ্ৰদ্ধাঞ্জলি

ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি,
মহান বিজ্ঞানী,
গান্ধীবাদী, মিচাইল মেন,
ভাৰতৰত্ন
ড° এ.পি.জে. আব্দুল কালাম ডাঙৰীয়াকে
প্ৰমুখ্য কৰি
ভাৰত তথা অসমৰ
যিসকল সু-সন্তানক যোৱা বছৰটোত আমি হেৰুৱালো ......

# উৎসৰ্গা

'নৱপ্ৰজন্মৰ প্ৰতিজনৰ হাতত
যিসকলে
এখন শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ অসম বিচাৰে ...'

# কৃতজ্ঞতা স্বীকাৰ

মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া,
উপাধ্যক্ষা, শিক্ষক, কৰ্মচাৰীবৃন্দ,
'প্ৰবাহিনী'ৰ
জন্মৰ আঁৰৰ প্ৰতিজন ব্যক্তি
আৰু
বিনায়ক অফচেটৰ প্ৰতিজন কৰ্মকৰ্তালৈ .....

**বিশেষ কৃতজ্ঞতা ঃ** বুদ্ধীন মিশ্ৰ ছাৰ, ৰঞ্জিত ৰঞ্জন তামুলী ছাৰ,
প্ৰবীণ শৰ্মা ছাৰ, জাকিৰ হুছেইন ছাৰ,
ড° ৰণ্টু গোহাঁই ছাৰ ৰাজকুমাৰ শ্ৰী কনচেং ছাৰ,
অভিজিৎ বৰপূজাৰী ছাৰ, সঞ্জায় দাস ছাৰ, ড° কিশোৰ কুমাৰ দেউৰীছাৰ।

---

*বিঃদ্ৰঃ এই আলোচনীত প্ৰকাশিত লেখাসমূহ লেখক-লেখিকাসকলৰ নিজা অভিমত বা উপলব্ধি। প্ৰকাশিত যিকোনো মন্তব্যৰ বাবে সম্পাদনাকক্ষ দায়ী নহয়।*




ড° লীলা মহন্ত বৰচেতিয়া

ভাৰপ্ৰাপ্ত অধ্যক্ষা



ড° নাজৰিণ আহমেদ, ভাৰপ্ৰাপ্ত উপাধ্যক্ষা

# কলেজৰ জিলিকনি- ২০১৪-১৫ বৰ্ষ



চিমি কোঁৱৰ
বৰ্ষ শ্ৰেষ্ঠ সাহিত্যিক



ময়ুৰপংখী চেতিয়া
বৰ্ষশ্ৰেষ্ঠ গায়িকা



জুমি দত্ত
বৰ্ষ শ্ৰেষ্ঠ খেলুৱৈ



মুৰ্ছনা চুতীয়া
বৰ্ষ শ্ৰেষ্ঠ অভিনেত্ৰী



প্ৰিয়ংকা চুতীয়া
কাশী হিন্দু বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃবিশ্ববিদ্যালয়
বেডমিণ্টনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হৈ অংশ গ্ৰহণ (২০১৪-১৫)

# পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু/সতীৰ্থৰ সোঁৱৰণত

যোৱা দুটা বছৰত আমি কলেজ পৰিয়ালৰ যি কেইজন আমাৰ সুহৃদ, আদৰ্শবান, কৃতী শিক্ষাগুৰুক হেৰুৱালো, তেখেতসকলৰ প্ৰতি আমাৰ অশ্ৰু অঞ্জলি

- শিৱসাগৰ ছোৱালী কলেজ পৰিয়াল



প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ তালুকদাৰ
প্ৰাক্তন অধ্যক্ষ
চাকৰিত যোগদান ঃ ১৯৬৫
অৱসৰ ঃ ২০০১
জন্ম ঃ ১৯৩৮ চন
মৃত্যু ঃ ১০ নৱেম্বৰ, ২০১৫



প্ৰয়াত দ্ৰোণকান্ত কলিতা
প্ৰাক্তন মূৰব্বী
অধ্যাপক, অসমীয়া বিভাগ
চাকৰিত যোগদান ঃ ১৯৬৬
অৱসৰ ঃ ১৯৯৭
জন্ম ঃ ১৯৩২ চন
মৃত্যু ঃ ২ জুন, ২০১৫



প্ৰয়াত অৰুণ চন্দ্ৰ বৈৰাগী
প্ৰাক্তন মুৰব্বী অধ্যাপক
ভূগোল বিভাগ
চাকৰিত যোগদান ঃ ১৯৬৮
জন্ম ঃ ১৯৩৯ চন
অৱসৰ ঃ ২০০১
মৃত্যু ঃ ১১ মাৰ্চ, ২০১৪



প্ৰয়াত দুগ্ধ শৰ্মা
মূৰব্বী অধ্যাপক
ভূগোল বিভাগ
চাকৰিত যোগদান ঃ ১৯৮৬
জন্ম ঃ ১৯৫৮ চন
মৃত্যু ঃ ৩০ অক্টোবৰ ২০১৫



প্ৰয়াত অজন্তা বৰা
অধ্যাপিকা অৰ্থনীতি বিভাগ
চাকৰিত যোগদান ঃ ১৯৯১
জন্ম ঃ ১৯৬৬ চন
মৃত্যু ঃ ২৬ জানুৱাৰী ২০১৫

# প্ৰৱাহিনীৰ সম্পাদনা কক্ষ ২০১৪-১৫ বৰ্ষ



ড° হেমন্ত কুমাৰ ফুকন (প্ৰাক্তন অধ্যক্ষ)
সভাপতি



ড° লীলা মহন্ত বৰচেতিয়া
উপ-সভাপতি



জাকিৰ হুছেইন
তত্ত্বাৱধায়ক



প্ৰবীন শৰ্মা
তত্ত্বাৱধায়ক



বৰ্ণালী গগৈ
সম্পাদিকা

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: alakkrburagohain@gmail.com

Ref. No.DU/VC/M/073/15/ 695

Date:09.09.2015

শুভেচ্ছা বাণী

প্ৰতি

শ্ৰী বৰ্ণালী গগৈ
আলোচনী বিভাগৰ সম্পাদিকা
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়
শিৱসাগৰ

মৰমৰ বৰ্ণালী,

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰৱাহিনী'ৰ ২০১৪-১৫ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি আনন্দিত হৈছোঁ।

এখন মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ লেখা প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিহিত হৈ থকা সৃজনীমূলক প্ৰতিভাসমূহ বিকশিত কৰাত সহায় কৰাৰ উপৰিও অনুষ্ঠানখনৰ বিভিন্ন তথ্যপাতি লিপিবদ্ধ কৰিব পাৰে।

মই আশা কৰিছো **শিৱসাগৰ ছোৱালী** মহাবিদ্যালয়ৰ আলোচনীখনত ছাত্ৰীসকলৰ লেখা প্ৰকাশৰ লগতে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও ছাত্ৰীসকলৰ মানসিক, বৌদ্ধিক, সামাজিক তথা নৈতিক চৰিত্ৰ গঢ় লোৱাত সহায় কৰিব পৰা লেখাৰে আলোচনীখন প্ৰকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

'প্ৰৱাহিনী'ৰ ২০১৪-১৫ বৰ্ষৰ সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশ পাওক, এই কামনাৰে —

অলক কুমাৰ বুঢ়াগোঁহাই

অলক কুমাৰ বুঢ়াগোঁহাই

## সু-সাহিত্যিক, সাংবাদিক - অনুৰাধা শৰ্মা পূজাৰীৰ শুভেচ্ছা

"প্ৰবাহিনী"ৰ

স্ৰোত প্ৰবাহ শিৱসাগৰ

ছোৱালী মহাবিদ্যালয়ৰ

গৌৰৱ চিৰযুগমীয়া হওক।

শুভেচ্ছাৰে —

অনুৰাধা শৰ্মা পূজাৰী

৩ সেপ্তেম্বৰ/২৫/ শিৱসাগৰ

## অৰণ্যমানৱ, পদ্মশ্ৰী যাদৱ পায়েং দেৱৰ শুভেচ্ছা

প্ৰীতি

শিৱসাগৰ জেৱালী কলেজৰ সৌন্দৰ্য্য বৃদ্ধিৰ বাবে প্ৰাকৃতিক পৰিৱেশ বহু প্ৰয়োজনীয় হৈ পৰিছে। লগতে কলেজৰ আলোচনী ব্ৰহ্মপুত্ৰ নদীৰ প্ৰবল সোঁতত লগতে হাবমান পাতিৰে পাতি কাটি "চিৰ প্ৰবাহিনী"ক থাকিব বুলি কামনাৰে।

শ্ৰীযাদৱ পায়েং

কোকিলামুখ [illegible]

২৯।৮।২০২৫

OFFICE OF THE PRINCIPAL

# SIBSAGAR GIRLS' COLLEGE

SIVASAGAR :ASSAM

*(Re-Accredited by NAAC)*

*MODEL DEGREE COLLEGE (RUSA)*

Dr.(Mrs.) L.M. Borchetiya, M.A.,Ph.D.
Principal i/c & Secretary

Phone No. 03772-232778
e-mail:principalsgc@yahoo.co.in
Fax No. : 03772-222385



Date- 23/11/2015

## *Few words from the Principal(i/c), Sibsagar Girls' College, Sivasagar.*

The College Magazine **"Probahini"** presents to the reading people the flow of thoughts and ideas of its various contributors. These thoughts and ideas, fruits of the thinking human mind, often crystallize into theories and forms of logic, beauty and durability. This in turn sets in motion the process of human growth and development. As long as the human mind can think and imagine, mankind will always be enriched with a rejuvenating energy. Thus the flow of ideas is essential. And I am happy that our College Magazine **"Probahini"** is a platform that helps in the flow of ideas and subsequent growth of humanity.

(Dr. Leela Mahanta Borchetiya)

# তত্ত্বাৱধায়কৰ একলম

একোখন মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশৰ উন্নতি বিষয়ে জানিবলৈ হ'লে, মহাবিদ্যালয়ৰ আলোচনীখনেই অন্যতম আহিলা হৈ পৰে। আলোচনীখনতেই প্ৰকাশ হয় মহাবিদ্যালয়খনৰ বৌদ্ধিক বিকাশ, আৰু ভৱিষ্যতৰ সপোন। অৱশ্যে সেয়া নিৰ্ভৰ কৰে মহাবিদ্যালয়খনৰ আলোচনীখনৰ সম্পাদিকাৰ ওপৰত। সম্পাদকগৰাকীৰ সুৰুচিবোধ নাথাকিলে, আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ পোৱাতো কঠিন।

অৱশ্যে এইবাৰ শিৱসাগৰ ছোৱালী কলেজৰ আলোচনী সম্পাদিকা গৰাকী পূৰ্বৰ দৰে দক্ষ আৰু সুৰুচিবোধ সম্পন্না। নিজৰ পঢ়া শুনাৰ লগতে, ছাত্ৰী একতা সভাৰ দায়িত্বও সুচাৰুৰূপে পালন কৰিছে। আলোচনীখনৰ বাবে যাৱতীয় ব্যৱস্থা তেওঁ গ্ৰহণ কৰিছে।

আমি উপদেষ্টাদ্বয় সম্পাদিকা গৰাকীৰ বিভাগীয় কাম কাজত সুখী। ভৱিষ্যতে তেওঁ অধিক সফলতাৰে আগুৱাই যাওক। যিসকল লেখক-লেখিকাই আমাক কৃতাৰ্থ কৰিলে সেইসকলৰ প্ৰতি আমাৰ ধন্যবাদ।

আলোচনীখন সৰ্বাঙ্গ সুন্দৰ হৈ উঠক।

এই কামনাৰে—

তত্ত্বাৱধায়ক
জাকিৰ হুছেইন
প্ৰবীণ শৰ্মা

# সম্পাদকীয়....................

নমস্কাৰ, সম্পাদকীয়ৰ আৰম্ভণিতে সেইসকল মহান মনীষিক সশ্রদ্ধ সোঁৱৰণ কৰিছো, যিসকলৰ আশাশুধীয়া প্রচেষ্টাত ঐতিহাসিক শিৱসাগৰৰ মাজমজিয়াত নাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে 'শিৱসাগৰ ছোৱালী কলেজ' প্রতিষ্ঠা হ'ল। প্রতিষ্ঠাকালৰে পৰা বর্তমানলৈকে কলেজখনলৈ বিভিন্ন ক্ষেত্রত বিভিন্ন অৱদান আগবঢ়োৱা প্রত্যেকজন প্রয়াত অথবা জীৱিত ব্যক্তিক শ্রদ্ধাৰে স্মৰণ কৰিছো। মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যক্ষ মহোদয়, ভাৰপ্রাপ্ত অধ্যক্ষা বাইদেউ, উপাধ্যক্ষা, প্রতিটো বিভাগৰ শ্রদ্ধাৰ শিক্ষক-শিক্ষয়িত্রী, ছাত্রী একতা সভাৰ (২০১৪-১৫ বর্ষ) সমূহ বিষয়ববীয়া, 'প্রৱাহিনী'ৰ জয়যাত্রাত জড়িতসকল, আলোচনীখনৰ সম্পাদনাৰ গধূৰ দায়িত্বত আমাক পথ প্রদর্শক হিচাপে আগুৱাই নিয়া শ্রদ্ধাৰ শর্মা ছাৰ, বিনায়ক অফচেট প্রেছৰ সমূহ কর্মকতা, কলেজৰ সমূহ কর্মচাৰী, সহপাঠী তথা ছাত্রীসকলোলৈকে আমাৰ আন্তৰিক শ্রদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

'সাহিত্য সমাজৰ দাপোন।' এই দাপোনত প্রতিখন সমাজৰ নৈতিক, আধ্যাত্মিক, বৌদ্ধিক, মানসিকতাৰ প্রতিফলন ঘটে। সাহিত্যত আলোচনীৰ গুৰুত্ব 'অৰুণোদয়' জন্মৰ সময়ৰ পৰা আজিলৈকে অক্ষত অৱস্থাত আছে। এটা অনুষ্ঠানৰ মুখপত্র হিচাপে প্রাধান্য লাভ কৰা, অসমৰ বিভিন্ন ঠাইৰ ভিন্ন ভাষা-ভাষীৰ অনেক ছাত্রী আৰু শিক্ষাগুৰুসকলৰ চিন্তাধাৰাৰ প্রতিফলন ঘটে 'শিৱসাগৰ ছোৱালী কলেজ'ৰ বার্ষিক আলোচনী 'প্রৱাহিনী'ত। আত্মোৎকর্ষৰ প্রেক্ষাপট হিচাপে কম পৰিসৰৰ হ'লেও প্রৱাহিনীত বিচিত্র চিন্তা-ধাৰাৰ সমাবেশ ঘটোৱা হয়। এই ক্ষুদ্র প্রেক্ষাপটত বিশ্বক সামৰি লোৱাটো 'হাতী মাৰি ভুৰুকাত ভৰোৱা' সদৃশ। সমসাময়িক বিশ্বত দেখা দিয়া বিভিন্ন ঘটনা, সমস্যা, আলোচনা সকলোখিনি অন্তর্ভুক্ত সম্ভৱ নহ'লেও কিছু আভাস পোৱা যায়।

সমসাময়িক দৃষ্টিকোণৰ পৰা ব্যস্ততাপূর্ণ পৃথিৱীত বিভিন্ন ধৰণৰ সমস্যাৰ সূত্রপাত হয়। যিবোৰ দিশত চিন্তা-চর্চা কৰিবলৈ মানুহে একোখন আলোচনীক উৎকৃষ্ট মাধ্যম হিচাপে গ্রহণ কৰে। যিহেতু, সীমিত পৰিসৰত বিস্তৃত আলোচনাই মানুহক অধিক আকর্ষণ কৰে। সাম্প্রতিক অসমত এনে ধৰণৰ বিভিন্ন আলোচনা, গণ মাধ্যমসমূহত দেখা যায়। সাহিত্যত প্রাধান্য পোৱা অসমৰ এটা প্রধান সমস্যা হ'ল 'অসমীয়া কোন'? এই বিষয়ত 'অসম সাহিত্য সভা'ত যি প্রশ্নৰ অৱতাৰণা হৈছিল সেই বিষয়টোৱে পৰৱর্তীকালত আনুসংগিক বহুতো বেমেজালিৰ সৃষ্টি কৰিলে। সাহিত্যৰ ক্ষেত্রত অদিক গুৰুত্ব লাভ কৰা আন এটা অভাৱনীয় ঘটনা অসমৰ প্রেক্ষাপটত পৰিলক্ষিত হ'ল। 'দাগ্রি কাণ্ড'ক আধাৰ কৰি কেইবাজনো আগশাৰীৰ সাহিত্যিকে 'সাহিত্য অকাডেমী'ৰ সন্মানীয় বঁটা ঘূৰাই দিয়া দেখা যায়। এনে ধৰণৰ বিভিন্ন বিষয় ভাৰতবর্ষ তথা অসমৰ প্রেক্ষাপটত পৰিলক্ষিত হয়, শেহতীয়াকৈ উদ্ভৱ হোৱা সাম্প্রদায়িকতাবাদৰ প্রৱল জোঁৱাৰে অসমীয়া সাহিত্যক চুই গ'ল। গণ মাধ্যম, আলোচনী আদি সকলোতে সাম্প্রদায়িকতাবাদে বিচ্ছিন্নতাবাদৰ সূত্রপাত কৰিছে। ধর্ম, ভাষা, বর্ণ, লিঙ্গভেদে সম অধিকাৰেৰে ভাৰতবর্ষ গণতান্ত্রিক ৰাষ্ট্র যদিও সাহিত্যত দেখা দিয়া এই সমস্যাবোৰে একতাৰ দোলডাল শিথিল কৰিছে। যি কি নহওক, এখন মহাবিদ্যালয়ৰ আলোচনীয়ে এনে বিচ্ছিন্নতাবাদী স্পর্শকাতৰ বিষয় বিলাক সাধাৰণতে এৰাই চলা দেখা যায়। জ্ঞান মন্দিৰৰ পৱিত্রতাও তাতেই নিহিত হৈ থাকে। জ্ঞানৰ কঠিয়াতলিত সকলো কর্ষক ধর্ম, লিঙ্গ, বর্ণ, ভাষাভেদে সকলোৰে লক্ষ্য মাথো আত্মোৎকর্ষণ। সাম্প্রদায়িকতাবাদৰ দৰে সমস্যাসমূহ নির্মূলৰ ক্ষেত্রত শিক্ষানুষ্ঠানৰ আদর্শ সমগ্র বিশ্বই গ্রহণ কৰা উচিত।

সর্বশেষত সকলোলৈকে পুনৰবাৰ শ্রদ্ধা আৰু কৃতজ্ঞতা জনাইছো। আলোচনীখনত অজানিতে ৰৈ যোৱা ত্রুটিৰ বাবে অনভিজ্ঞ সম্পাদকে ক্ষমা ভিক্ষা কৰাৰ লগতে ভুল-ত্রুটিবোৰ আঙুলিয়াই দি পাছৰ প্রজন্মক উৎসাহিত কৰিব তাৰেই আশা ৰাখিলো।

ধন্যবাদ —

বর্ণালী গগৈ
সম্পাদিকা, আলোচনী বিভাগ

# ঃঃ সূচীপত্ৰ ঃঃ

➢ অৰণ্য মানৱ পদ্মশ্ৰী শ্ৰী যাদৱ পায়েঙৰ সৈতে সাক্ষাৎকাৰ ✍ বৰ্ণালী গগৈ /১৩

**প্ৰৱন্ধ**

➢ ডিজিটেল পদ্ধতিৰে পাণ্ডুলিপি সংৰক্ষণৰ প্ৰয়োজনীয়তা ✍ অভিজিত বৰপুজাৰী /১৭
➢ শ্ৰেণী সংৰক্ষণ ব্যৱস্থা আৰু ভাৰতৰ ভৱিষ্যত ✍ চিমি কোঁৱৰ/২১
➢ দেশৰ অখণ্ডতা, সংহতি আৰু যুৱপ্ৰজন্ম ✍ টুলুমণি গগৈ/২৪
➢ PEACE EDUCATION : AND OVERVIEW ✍ Bornali Lahkar/২৬
➢ অসমীয়াৰ সংজ্ঞা ঃ অসমীয়া কোন? ✍ বৰ্ণালী গগৈ/২৮
➢ চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু গৰীয়সী ✍ অনিন্দিতা কটকী/৩০
➢ পৰিৱেশিক অধ্যয়ন হিচাপে ভূগোল ✍ স্বাগতা বৰুৱা/৩২
➢ Burnt not scarred ✍ Nawab Tabassum Yasmin/৩৩
➢ মাতৃ সেৱা ঃ বিশ্বৰ সবাতোকৈ শ্ৰেষ্ঠ ধৰ্ম ✍ ভাগ্যলক্ষী নেওগ/৩৪
➢ জীৱন জীৱন বৰ অনুপম ✍ সুনীতা বৰগোহাঁই /৩৫
➢ ইটো সিটো বহুতো অবুজন মনক বুজাও কেনেকৈ? ✍ নিকুমণি দিহিঙ্গীয়া/৩৭
➢ WOMEN IN INDIA - Vaishali Das/৩৯
➢ ভাৰতীয় ৰাজনীতিত মহাত্মা গান্ধী ✍ পল্লৱী শইকীয়া/৪০
➢ নিঃসংগতা আৰু আমি ✍ শোভালক্ষ্মী দিহিঙ্গীয়া/৪২
➢ নাৰী ঃ তুমি যুগজয়ী ✍ ডিম্পী সোনোৱাল/৪৩
➢ My inspiration A.P.J. Abdul Kalam ✍ Richika Borah/৪৪
➢ সাম্প্ৰতিক সময়ত বানপানীৰ সমস্যা আৰু সজাগতা ✍ বিস্মিতা বৰগোঁহাই/৪৫
➢ নোবেল বটা বিজয়ী কৈলাশ সত্যাৰ্থী মানুহজন ...... ✍ অন্বেষা ৰাজকুমাৰী/৪৭
➢ বন্ধুত্ব ✍ অপৰাজিতা চুতীয়া/৪৯
➢ The life of Mahatma Gandhi ✍ Rubi Dehingia/৫১
➢ মানৱীয় মূল্যবোধৰ হ্ৰাস ✍ দৰদী গোহাঁই/৫৩
➢ শিক্ষা, জনপ্ৰতিনিধি আৰু ভাৰতৰ ৰাজনীতি ✍ বেবি বৰগোঁহাই/৫৪
➢ শেলাইৰ বিষয়ে কিছু কথা ✍ ডিম্পী চন্দ/৫৬

**ভ্ৰমণ**

➢ Manipur at a glance ✍ Dipshikha Sharma/৫৯
➢ সাধাৰণ হৈও অসাধাৰণ এজন ব্যক্তিৰ কথাৰে ✍ মণিষা বৰাল/৬১
➢ বড়ো সকলৰ বৈসাগু বা বসন্ত উৎসৱ ✍ হেমা বসুমতাৰী/৬৪
➢ স্বচ্ছ ভাৰত অভিযান.....✍ জিতা শইকীয়া/৬৫

**অনুভৱৰ দলিচাত**

➢ বন্ধুত্বৰ পৰা লাভ কৰা অনুভৱ ✍ গৈৰিকা দেৱী ভট্টাচাৰ্য/৬৬
➢ শৰতৰ বতৰা তোমালৈ ✍ ৰুমী হাতীমূৰীয়া/৬৮
➢ শিৱসাগৰ ছোৱালী কলেজ আৰু মোৰ একাঁজলি জীয়া স্মৃতি ✍ জুমি ভূঞা/৭০
➢ আহে জানো বসন্ত ধুমুহাৰ শেষত ✍ নীলাক্ষী বৰগোহাঁই/৭২

➢ তোমালৈ বুলি... ডায়েৰীৰ পৃষ্ঠাৰ পৰা ✍ অনন্যা খাৰঘৰীয়া/৭৪
➢ এক আমেজভৰা অভিজ্ঞতা ✍ প্ৰিন্সী মহন্ত/৭৬

## কবিতা কানন ঃ ৭৮-১০২

❖ঢৌ জিলমিল দিছে নৈ ✍ ড° কিশোৰ কুমাৰ দেউৰী, ❖অপেক্ষা ✍ ৰুমী হাতীমূৰীয়া, ❖সৰাপাতৰ কাহিনী ✍ যামিনী মহন্ত, ❖জীৱন ✍ অনন্যা খাৰঘৰীয়া, ❖তোমাক নিমন্ত্ৰণ জনোৱাৰ সময় পাৰ হ'ল... ✍ চিমি কোঁৱৰ, ❖বন্ধই কাঢ়ি নিছিল সেইদিনা ✍ মূৰ্চ্ছনা চুতীয়া, ❖জেৰেঙা ✍ বৰ্ণালী গগৈ, ❖মালৈ মনত পৰিছে.... ✍ কস্তুৰি শৰ্মা, ❖ভাবতৃষ্ণাৰ একাঁজলি ✍ হিমাদ্ৰী ফুলকোঁৱৰ, ❖জীৱন স্বনামধন্য ✍ অনিন্দীতা কটকী, ❖তোমাৰ সৈতে....✍ সুদিষ্ণা নেওগ, ❖অবিনাশী তুমি ৰহস্যময়ী ✍ শোভালক্ষ্মী দিহিঙ্গীয়া, ❖অবাঞ্চিত সত্য ✍ ৰাণীমা বৰপাত্ৰ গোহাঁই, ❖প্ৰতিবিম্ব ✍ মঞ্জুৰী শইকীয়া, ❖এবুকু আশালৈ ✍ বুদ্ধিপ্ৰিয়া কোঁৱৰ, ❖Wrong Number ✍ জিতা শইকীয়া, ❖প্ৰকৃতি আৰু মন ✍ বেবী নায়ক, ❖অপ্ৰকাশ্য বেদনা ✍ ৰিছা গগৈ, ❖শান্তি বিচাৰি ✍ দৰদী গোহাঁই, ❖অৰ্ধ অংকিত এখন কেনভাছ ✍ শতাব্দীশিখা কোঁচ, ❖তুমি তুমি ভাৱনাত.... ✍ ৰশ্মিৰেখা বৰগোহাঁই, ❖মোৰ সোণালী শৈশৱ ✍ বেবী বৰগোহাঁই, ❖অতীতক সুঁৱৰি ✍ অনুসূয়া বৰুৱা, ❖এন্ধাৰ যেতিয়া আহে ✍ বনশ্ৰী বৰগোহাঁই, ❖অনুভৱৰ চাকনৈয়াত মই তোমাৰ অবিহনে ✍ মল্লিকা গগৈ, ❖In the Rays ✍ Nabab Tabssum Yasmin, ❖বিষাদৰ এপৃষ্ঠা ✍ গায়ত্ৰী দুৱৰা, ❖বিধ্বস্ত জীৱন ✍ মৌতৃষা কোঁৱৰ, ❖তোমাক ভালপাওঁ বুলি কোৱা নহ'ল ✍ বেবী বৰগোহাঁই, ❖অনুতপ্ত হৃদয়ৰ উচুপনি ✍ জুমি ভূঞা, ❖জীৱন এক সংগ্ৰাম ✍ পল্লৱী শইকীয়া, ❖তুমি জানা বা নাজানা ✍ সুদিষ্ণা নেওগ, ❖Time and life ✍ Richa Borthakur, ❖সপোনৰ পালতৰা ✍ বিপাশা চুতীয়া

## গল্প....

➢ বাঁহীৰ মাত- সংগীতা দাস বৰুৱা/১০৩
➢ সম্বন্ধ - চিমি কোঁৱৰ/১০৬
➢ দাবাগ্নি ঃ অস্তাচলত আশাৰ ৰেঙণি - নিকুমণি দিহিঙীয়া/১০৯
➢ সেন্দুৰ - গীতাশ্ৰী ওজা/১১২
➢ বাহিৰে ৰংৰহইচ, ভিতৰি কোৱা ভাতুৰী - চিমি কোঁৱৰ/১১৪
➢ হৃদয়ত ঢৌ তোলা এজাক ধুমুহা .... - কস্তুৰী শৰ্মা/১১৬
➢ অতীতৰ হেৰাই যোৱা স্মৃতি - পূৰবী ৰাজখোৱা/১১৯
➢ জোনাকলৈ বুলি খোজ - মঞ্জুৰী শইকীয়া/১২১
➢ শেষৰ জাক বৰষুণ - অন্বেষা ৰাজকুমাৰী/১২০
➢ লক্ষ্যহীন জীৱনত আশাৰ সঞ্চাৰ - জুৰী বৰগোহাঁই/১২৫
➢ অবুজ ক্ৰন্দন - মল্লিকা গগৈ/১২৭
➢ যি কাৰণে তেওঁৰ নামত সেন্দুৰ নল'লো - পাপৰি শেনচোৱা/১৩০
➢ অসমৰ বন্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণত জনসাধাৰণৰ ভূমিকা - স্বপ্নালী গগৈ/১৩৫
➢ ছক্ৰেটিছেনো মানুহক কি শিক্ষা দিছিল? - ঋতুপৰ্ণা বৰ্মণ/১৩৭

## চিঠি

➢ ভোগালী বিহুৰ উদ্‌যাপন সম্পৰ্কে জনাই বিদেশী বন্ধুলৈ...... -নিকুমণি দিহিঙ্গীয়া/১৩৮
➢ মৰমৰ সোণপাহী-ৰূপাহ - জুৰী বৰগোহাঁই/১৪০

## নাটক

➢ ডাঃ সুনীতা - নাট্যকাৰ ঃ মধুস্মিতা বৰগোহাঁই/১৪১
➢ প্ৰতিবেদন/১৫১-১৭৩

# অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙৰ সৈতে সাক্ষাৎকাৰ

সাক্ষাৎ গ্ৰহণ ঃ বৰ্ণালী গগৈ



"গছে মোক কাপোৰ পিন্ধাইছে
চৰাইয়ে মোক বহু দূৰলৈ নি
বিদেশ পোৱাইছে।"
"চৰাইয়ে গছ ৰুৱে
নদীয়ে গছ ৰুৱে
বতাহে গছ ৰুৱে
হাতীয়ে গছ ৰুৱে
মানুহে কেৱল
গছ কাটে..।"

*তথ্য ঃ*

*'পদ্মশ্ৰী', 'ভাৰতৰ অৰণ্য মানৱ' যাদৱ পায়েং।*

*১। বৰ্তমান বাসস্থান ঃ যোৰহাট নগৰৰ পশ্চিম দিশে ৬ কি.মি. আঁতৰত ককিলামুখ ২ নং মিচিং গাঁও।*

*২। অৰণ্যখনৰ অৱস্থান ঃ বাসস্থানৰ পৰা এৰাসুঁতি (১৫০০ মিটাৰ) এটা পাৰ হৈ ঔৰনা চাপৰিটোত অৰণ্যখন আছে।*

*৩। অৰণ্যখনৰ বিভিন্ন নামকৰণ ঃ 'মূলাই কাঠনি', 'মূলাই হাবি', 'অৰণ্য মানৱৰ ৰিৰ্জাভ' আদি।*

*৫। পিতৃৰ নাম ঃ লক্ষীৰাম পায়েঙ*

*৬। অৰণ্যৰ আৰম্ভণি ঃ ১৯৭৯ চনত*

*৭। চাপৰিৰ মাটিকালি ঃ প্ৰায় ৫০০ হেক্টৰ*

*৮। গণ মাধ্যমেৰে পৰিচয় ঃ ২০১০ চনৰ ২৫ জানুৱাৰী (দৈনিক জনমভূমি কাকতত)*

*৯। পদ্মশ্ৰী ঃ ২০১৫ চনৰ গণতন্ত্ৰ দিৱসত প্ৰদান কৰে।*

*দুষ্প্ৰাপ্য প্ৰজাতিৰ শগুন, নল, খাগৰি, বিৰিণা, তৰা, ঢেকীয়া,*

*"সাপক মৃত্যু মুখৰ পৰা বচাবলৈ যাওঁতে বাঁহগছ ৰোৱাৰ পৰাই বনানিকৰণৰ কাম আৰম্ভ হোৱা বুলি ক'ব পাৰি। কিন্তু মই ভাৱিলো, সাপৰ লগতে অন্যান্য জীৱবোৰৰ ক্ষেত্ৰতো অস্তিত্বৰ সংকটে দেখা দিছে। সেইবাবে মই অন্যান্য গছ-গছনিও ৰোবলৈ ধৰিলো। লাহে লাহে মোৰ হাবিখন ডাঙৰহৈ পৰিল। ওচৰৰ মানুহে "মুলাই কাঠনি" নাম দিলে। লাহে লাহে চৰাই-চিৰিকটিৰ পৰা আৰম্ভ কৰি হাতী, গঁড় আদি ডাঙৰ জীৱ-জন্তুৰেও আশ্ৰয় ল'বলৈ আহিল। মইও নিজৰ পৰিকল্পনা আৰু অভিজ্ঞতাৰে অৰণ্যখনত পৰিস্থিতি তন্ত্ৰ এটা গঢ়ি তুলি, জীৱ-জন্তুবোৰক সুস্থ জীৱন যাপনৰ সুবিধা কৰিবলৈ চেষ্টা চলালো।*

*কহুৱা, বনৌষধ গছ - মাণিমুনি, যমালুখুটি, লাইজাবৰি, কেঞ্জাবন, আকাশীলতা, বনৰীয়া হালধী, পানীকদম, ৰঘুমলা, বিহলঙনী।*

*আন গছ ঃ আম, শিমলু, অৰ্জুন, ডিমৰু, মদাৰ, অমৰা আদি।*

***দুষ্প্ৰাপ্য চৰাই ঃ উৰিকলা, শামুকভঙা, তেলীয়া সাৰেং, হাড়গিলা, মাহডলা, বটা চৰাই, কাম চৰাই, হাইঠা, ৰাজভাটৌ, পলমণিকা, মৌপিয়া, সখীয়তী, পাহাৰী, বুলবুলি আদি।***

"বুৰঞ্জী প্ৰসিদ্ধ এখন ঠাই, ১৮২৬ চনত ব্ৰিটিছ আৰু মানৰ শেষ ৰণভূমি, উজনী অসমৰ প্ৰথম ৰেল লাইন আৰু এটা জাহাজঘাট ....." লাহে লাহে সোঁৱৰণিৰ পথাৰখনলৈ আমাক লৈ গৈছে সেই অসাধাৰণ হৈও সাধাৰণ মানুহ হিচাপে জীয়াই থকা "ভাৰতৰ অৰণ্য মানৱ" অৰ্থাৎ সকলোৰে পৰিচিত (মুলাই) শ্ৰীযুত যাদৱ পায়েঙ। সময় প্ৰায় ১২.৩০ মান হৈছে। প্ৰচণ্ড ৰ'দ আৰু গৰমত আটোমটোকাৰিকৈ সজা সৰু চাংঘৰ এটাৰ ওপৰত বহি আছিল দূৰদৰ্শী সেই মানুহজন। আমাৰ তিনিজনীয়া দলটিক আদৰি নিছিল চাংঘৰৰ ওপৰলৈ। বহাৰ পিছতেই ছাৰে আমাক সুধিছিল, কলেজত বিশ্ব পৰিবেশ দিৱস পালন কৰাৰ কথা, কেনেদৰে কেইটা গছপুলি ৰোৱা হ'ল ইত্যাদি, ইত্যাদি। তাৰ পিছত আমাৰ উদ্দেশ্য দাঙি ধৰিলো ছাৰৰ আগত। তেখেতে প্ৰথমে ইণ্টাৰনেটত উপলব্ধ তথ্যসমূহৰ কথা ক'লে। কিন্তু আমি ক'লো যে আপোনাক লগ পোৱাৰ দুৰ্বাৰ হাবিয়াসৰ বাবে আপোনাৰ ওচৰত উপস্থিত হৈছো। তেখেতে আমাক নিৰাশ নকৰিলে। বৰঞ্চ আমি ভৰাতকৈ দুগুণ উৎসাহেৰে আৰম্ভ কৰি গ'ল অৰণ্য জন্মৰ ইতিহাসৰ পৰা বৰ্তমানলৈকে....। সেইজন প্ৰকৃতি প্ৰেমী, আমাৰ গৌৰৱ ড° যাদৱ পায়েঙৰ এটি সাক্ষাতকাৰ পাঠকৰ আগত দাঙি ধৰা হৈছে।

১৮৬৫ চন, এটা অস্থিৰ অৱস্থাই বিৰাজ কৰিছিল অসমত, বানপানী, গৰাখহনীয়া, দুৰ্ভিক্ষই ছানি ধৰিছিল। মহাবাহু ব্ৰহ্মপুত্ৰইও ভয়ঙ্কৰ ৰূপ ধাৰণ কৰি খহাই নিছিল জন্মভূমিৰ ১০ কি.মি. মান এলেকা। অতীতৰ যেন এটা দুখলগা সপোনৰ কথা মানুহজনে আমাক কৈ আছে। আমিও বিভোৰ হৈ শুনি আছো। সৰুৰে পৰাই মেধা গুণৰ অধিকাৰী যাদৱ পায়েঙৰ সোণালী শৈশৱৰ এইয়া কিছু মিঠা কথা। মোৰ প্ৰথম প্ৰশ্নটোৰ উত্তৰ। কোনো প্ৰশ্ন নকৰাকৈ এটা এটাকৈ প্ৰশ্নৰ উত্তৰ পাইগৈ আছো। মই সুধিব খুজিছিলো, তেখেতৰ শৈশৱৰ বিষয়ে কিছু কথা....

বালিগাঁও দিচৈকাঠ ব্ৰাহ্মণ গাঁৱত জৰ্জ কৰ্টৰ পেস্কাৰ অনিল বৰঠাকুৰৰ ঘৰত থাকি প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। তাৰ পৰাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ হৈছিল। শৈশৱতে তেখেতৰ ড° যদু বেজবৰুৱা নামৰ কৃষি বিজ্ঞানীজনৰ প্ৰভাৱ পৰিছিল। পায়েঙৰ সৰুৰে পৰাই প্ৰকৃতিৰ লগত সম্পৰ্ক আছিল, হয়তো সেইয়ে তেওঁ প্ৰকৃতিৰে সন্তান আছিল। বৰঠাকুৰৰ ঘৰতে প্ৰথম ৰোৱা পাণ পুলিবোৰ লহ্পহ্কৈ বাঢ়ি আহিছিল। এইয়া তেওঁৰ প্ৰথম বৃক্ষ ৰোপন। ইয়াৰ পিছতে, তেখেতে মাধ্যমিক শিক্ষা গ্ৰহণ কৰা জে.বি.আৰ্য কলেজত মুৰাজি দেশাই প্ৰধানমন্ত্ৰী হোৱাৰ দিনা নাৰিকল গছৰ পুলি এটা ৰুইছিল। এনেদৰে প্ৰকৃতিৰ সন্তানক প্ৰকৃতিয়ে আকোৱালি লৈছিল।

➢ **পুনৰ মই সুধিলো আপোনাৰ শৈশৱৰ স্মৰণীয় মুহূৰ্ত এটা কওকচোন, যিটোৱে আপোনাক পৰিবেশ সম্পৰ্কে সজাগ কৰিলে।**

"১৯৭৯ চনত অসমত যি ডাঙৰ বানপানী হৈছিল,

তাৰ পিছতে ২৩ খৰ মাৰিছিল। প্ৰচণ্ড ৰ'দ আৰু গৰমত মানুহ, জীৱ-জন্তু সকলোৰে থাকিবলে ঠাই নোপোৱা হৈছিল। পানী, মাটি উভয়তে তাপমাত্ৰা বাঢ়ি গৈছিল। তেনে এটা দিনতেই মই ব্ৰহ্মপুত্ৰৰ বালিচৰত কেইটামান সাপ মৰি পৰি থকা দেখিছিলো। মোৰ খুউব দুখ লাগিছিল। সেইয়ে ওচৰতে থকা দেউৰী সম্প্ৰদায়ৰ এজন মানুহক সুধিছিলো দেউতি, সাপবোৰ মৰি গৈছে, সিহঁতক বচাবলৈ মই কি কৰিব লাগিব?" তেতিয়া সেই মানুহজনে ক'ল, "তুমি পৃথিৱীৰ আটাইতকৈ ওখ ঘাঁহজোপা ৰোৱা।" সেইটো কথাই মোক শৈশৱতে বৃক্ষ ৰোপণৰ বাবে প্ৰেৰণা যোগালে। সাপক জীৱন দিবলৈ বাঁহগছ ৰোৱাৰে পৰাই মোৰ অৰণ্যপ্ৰীতি, জীৱ-জন্তু প্ৰীতি, প্ৰকৃতি প্ৰীতি বাঢ়িবলৈ ধৰিলে। গতিকে, মোৰ জীৱনৰ আটাইতকৈ স্মৰণীয় ঘটনা এইটোৱেই।"

ড° যাদৱ পায়েঙে কৈ গৈছে তেখেতৰ অৰণ্য (মুলাই হাবি/কাঠনি) জন্মৰ কাহিনী আৰু তাৰ আনুসংগিক অনেক ঘটনা। তাৰপিছত মই প্ৰশ্ন কৰিলো, "আপুনি বনানিকৰণৰ কাম কেনেদৰে আৰম্ভ কৰিছিল?"

"সাপক মৃত্যু মুখৰ পৰা বচাবলৈ যাওঁতে বাঁহগছ ৰোৱাৰ পৰাই বনানিকৰণৰ কাম আৰম্ভ হোৱা বুলি ক'ব পাৰি। কিন্তু মই ভাৱিলো, সাপৰ লগতে অন্যান্য জীৱবোৰৰ ক্ষেত্ৰতো অস্তিত্বৰ সংকটে দেখা দিছে। সেইবাবে মই অন্যান্য গছ-গছনিও ৰোবলৈ ধৰিলো। লাহে লাহে মোৰ হাবিখন ডাঙৰহৈ পৰিল। ওচৰৰ মানুহে "মুলাই কাঠনি" নাম দিলে। লাহে লাহে চৰাই-চিৰিকটিৰ পৰা আৰম্ভ কৰি হাতী, গঁড় আদি ডাঙৰ জীৱ-জন্তুৱেও আশ্ৰয় ল'বলৈ আহিল। মইও নিজৰ পৰিকল্পনা আৰু অভিজ্ঞতাৰে অৰণ্যখনত পৰিস্থিতি তন্ত্ৰ এটা গঢ়ি তুলি, জীৱ-জন্তুবোৰক সুস্থ জীৱন যাপনৰ সুবিধা কৰিবলৈ চেষ্টা চলালো। কিছুমান জীৱৰ বাবে খাদ্য সামগ্ৰীৰো যোগান ধৰিব লগা হ'ল। ব্ৰহ্মপুত্ৰ ঔৱানমুখ চাপৰিত আৰম্ভ কৰা মোৰ হাবিখনত উঁই পৰুৱা, আমৰলি আদি নিজে সংগ্ৰহ কৰি মেলি থৈ আহিব লগীয়া হৈছিল। এনেদৰে বনানিকৰণ আৰম্ভ হৈছিল।"

অৰণ্য জন্মৰ কথা কৈ থাকোতে যাদৱ পায়েঙৰ জীৱনত অহা কিছুমান প্ৰত্যাহ্বান আৰু তাক মোকাবিলা কৰাৰ কথাও ক'লে। তেখেতৰ অৰণ্যখন আৰম্ভ হোৱাৰ কিছু দিনৰ পাছত এপাল হাতী আহিছিল। হাতীৰ পালটো তেওঁলোকৰ গাঁৱতো সোমাইছিল আৰু জনসাধাৰণ আতংকিত হৈছিল। তাৰ বাবে তেওঁলোকে যাদৱ পায়েঙক জগৰীয়া কৰিছিল। কাৰণ, গাঁৱৰ ওচৰতে হাবি পাতি তেওঁ জীৱ-জন্তুৰ বাসস্থান প্ৰস্তুত কৰিছিল। কিছুমানে তেখেতক মৃত্যুৰ ভাবুকি দিছিল। এবাৰ গাঁৱৰ মানুহে দা-কুঠাৰ লৈ তেখেতৰ হাবিৰ গছ-গছনিবোৰ কাটিবলৈ আহোঁতে, তেখেতে নিৰ্ভীকতাৰে গছ কটাৰ বিৰোধিতা কৰিছিল। তেখেতে কৈছিল, "মোক কাটিহে গছ কাটিব পাৰিবি।" তাৰোপৰি গছ কাটিবৰ বাবে চৰকাৰী বন বিষয়া, মন্ত্ৰী আদিৰ অনুমতি লৈহে কাটিব পাৰিব বুলি কৈছিল। এনেধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈও দুৰ্দান্ত সাহসিকতা আৰু অধ্যৱসায়েৰে ড° যাদৱ পায়েঙে এখন অৰণ্য সৃষ্টি কৰিছিল। ২০০৯ চনৰ ২৫ জানুৱাৰীত অসমৰ ৭ জন সাংবাদিকে তেখেতৰ অৰণ্যত পদাৰ্পণ কৰিছিল আৰু তেখেত প্ৰচাৰ মাধ্যমত পৰিচিত হৈছিল। ২০১২ চনত 'ধৰিত্ৰী দিৱস'ৰ দিনা দিল্লীৰ জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ে "Forest Man of India" সন্মান প্ৰদান কৰিছিল। যিটো সন্মানে তেখেতক এটা নতুন পৰিচয় প্ৰদান কৰিলে।

**➢ পুনৰ এটা প্ৰশ্ন কৰিলো, "অৰণ্য সৃষ্টিৰ কিবা আঁচনি হাতত লৈছিল নেকি? বৰ্তমান এনেধৰণৰ আঁচনিৰ প্ৰয়োজনীয়তা আছেনে?"**

"প্ৰথমে মই আঁচনি প্ৰস্তুত কৰিছিলো। ৩ৰ পৰা ৮ কিলোমিটাৰ আঁতৰে আঁতৰে সৰু সৰু বাৰী সাজিছিলো। তাত গছ পুলিবোৰ শাৰী শাৰীকৈ ৰোৱাৰ কাম আৰম্ভ কৰিছিলো। ভালদৰে চোৱা-চিতা কৰি যেতিয়া গছপুলিবোৰ ডাঙৰ হয়, এটা সময়ত সেই ঠাই বাদ দি আকৌ অন্য এঠাইত বাৰী সাজিছিলো। এনেদৰে বহুকেইখন বাৰীৰে হাবিখন গঢ়ি তুলিছিলো। বৰ্তমান সময়ত এনেধৰণৰ বহুত আঁচনিৰ প্ৰয়োজনীয়তা আহি পৰিছে।" তাৰোপৰি, তেখেতে ক'লে যে বৰ্তমান অসমৰ এটা ভয়াবহ সমস্যা হ'ল গৰাখহনীয়া। এই সমস্যাটোৰ সমাধানৰ বাবে নদী কাষৰীয়া মানুহৰ প্ৰত্যেকঘৰতে অন্ততঃ ৫-১০ টা নাৰিকলৰ পুলি চৰকাৰে প্ৰদান কৰা আঁচনি গ্ৰহণ কৰিব লাগে। কাৰণ, মাটিৰ খহনীয়তা ৰোধ কৰাত নাৰিকল গছে বিশেষ ভূমিকা লয়।

**➢ "আপোনাৰ ব্যক্তিগত জীৱনত হাবিখনৰ প্ৰভাৱ ইতিবাচক বুলি ভাবেনে?"**

"ব্যক্তিগত জীৱনত হাবিখনৰ ভূমিকা ইতিবাচক।

কিয়নো, প্ৰকৃতিয়ে মোক বহু কথা শিকাইছে। হাবিখনে মোক বাহিৰৰ পৃথিৱীৰ লগত পৰিচয় কৰাইছে। তাৰোপৰি, মোৰ শস্যৰ ক্ষুদ্ৰ অংশ এটাও কোনো জীৱই নষ্ট কৰা নাই। বাঘে কেতিয়াবা মোৰ গৰু এটা খাইছে, তাত মোৰ কোনো দুখ নাই। কাৰণ, মাংসহাৰী প্ৰাণীয়ে মাংস খাবলৈ বিচাৰিবই। গতিকে, হাবিখনৰ কোনোধৰণৰ নেতিবাচক দিশ মোৰ চকুত নপৰে।"

**➢ "আপোনাৰ হাবিত থকা জীৱ-জন্তুৰ এটা হিচাপ।"**

"মোৰ হাবিত এতিয়া বহুত জীৱ-জন্তু আছে। সঠিক হিচাপ দিব নোৱাৰিম। কিন্তু ১৫০টা মান হাতী, ৩টা গড়, ৫টা বাঘ, হাজাৰৰ অধিক হৰিণা আদি অন্যান্য বহু জীৱ-জন্তু, চৰাই-চিৰিকটি আছে।

**➢ "চলচিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আপুনি আগ্ৰহী নে?"**

"বহুত মানুহ আহে, দেশ-বিদেশৰ। মোৰ হাবিখনৰ ওপৰত চলচ্চিত্ৰ নিৰ্মাণৰ বাবে। আৰতী শ্ৰী বাস্তৱ নামৰ চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে "Forest life" নামেৰে Docomantry Flim এখন আৰু কানাডাৰ এটা সংস্থাই "Forest Man" নামেৰে এখন Documentary Flim নিমাৰ্ণ কৰিছে আৰু পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে।"

**➢ "কোনো প্ৰকৃতি প্ৰেমীক অনুকৰণ কৰে নেকি?"**

"নাই, কোনো প্ৰকৃতি প্ৰেমীক অনুকৰণ কৰা নাই। প্ৰকৃতিৰ পৰাই যি শিকিছো, তাকে কাৰ্যতঃ কৰি গৈ আছো।"

**➢ "আপোনাৰ জীৱনৰ লক্ষ্য কি আছিল?"**

"মোৰ নিৰ্দিষ্ট কোনো ডাঙৰ লক্ষ্য নাছিল। প্ৰকৃতিৰ মাজত থকাটোৱেই মোৰ ইচ্ছা আছিল আৰু সেইয়ে প্ৰকৃতিৰ বাবে প্ৰথমে কাম আৰম্ভ কৰিছিলো।"

**➢ "আপোনাৰ অধ্যবসায়ৰ বাবে লাভ কৰা বঁটা, সন্মান আদিৰ বিষয়ত আপোনাৰ মতামত?"**

"মোৰ কামৰ বাবে প্ৰদান কৰা বঁটা, সন্মানবোৰক লৈ মই সিমান আগ্ৰহী নহয়। মই পৃথিৱীৰ গোলকীয় উষ্ণতা হ্ৰাস হোৱাৰ লগতে মানুহ আৰু জীৱ-জন্তুৰ জীৱন ৰক্ষাৰ্থে গছ ৰোৱাৰ ওপৰতহে গুৰুত্ব দিছো। এনে কাৰণতে বিভিন্ন দেশ-বিদেশলৈ যাওঁ, মানুহৰ মাজত সজাগতা বৃদ্ধিৰ বাবে, মোৰ আৰ্হিৰে অনুপ্ৰাণিত কৰিবলৈ। বঁটা-সন্মানৰ আশাত নহয়।" তেখেতে "Forest Man of India" "পদ্মশ্ৰী" (ভাৰত চৰকাৰ), বস্বেত "বিজ্ঞান হীৰক জয়ন্তী" দিৱসত অলপতে প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালামে বিশ্বৰ আটাইতকৈ ভাল কামৰ বাবে, "Dimonds Award" প্ৰদান কৰে। তাৰোপৰি, বিভিন দেশত তেখেতে বিভিন্ন সন্মিলনত ভাগ লৈছিল। U.N. Global conferenceতো তেখেতে অংশগ্ৰহণ কৰিছে। এই সন্মিলনবোৰত ভাগ লৈ তেখেতে পৰিবেশ সজাগতা বৃদ্ধি কৰাৰ লগতে বৃক্ষ ৰোপণ কাৰ্যসূচীও সম্পাদন কৰিছে। গামোচা পিন্ধোৱাতকৈ গছপুলি এটা হাবিখনলৈ উপহাৰ দিলে তেখেত বহুত সুখী হয়।

**➢ মোৰ একেবাৰে শেষ প্ৰশ্ন, "সমগ্ৰ বিশ্ববাসীক পৰিৱেশ বিষয়ক এটা বাৰ্তা দিয়ক।"**

ভাৰতৰ অৰণ্য মানৱ, ড° যাদৱ পায়েঙে এটা বাৰ্তা' দিলে বিশ্ববাসীলৈ, "প্ৰাথমিক বিদ্যালয় পৰ্যায়ৰ পৰা পৰিৱেশ বিষয়টো পাঠ্যক্ৰম দিয়াৰ লগতে ব্যৱহাৰিক কাৰ্যও সন্নিবিষ্ট কৰিব লাগে। কাৰণ, সৰুৰে পৰাই বৃক্ষ ৰোপণৰ শিক্ষা দিলে, ভৱিষ্যত প্ৰজন্ম সচেতন হ'ব, পৃথিৱীও ভৱিষ্যত ধ্বংসমুখৰ পৰা উদ্ধাৰ হ'ব। তাৰোপৰি, তেওঁলেকে নিজে ৰোৱা গছক নিৰাপত্তাও দিব।"

অধ্যৱসায়েৰে, নীৰৱে প্ৰকৃতিৰ বুকুত বিশ্বক প্ৰাণ দিবলৈ আপ্ৰাণ চেষ্টা কৰা অৰণ্য মানৱ ড° যাদৱ পায়েঙ আমাৰ বাবে অনুকৰণীয়। তেখেতে "উপদেশতকৈ আৰ্হি ভাল" কথাষাৰৰ সত্যতা প্ৰমাণ কৰিলে। "গছ থাকিলেহে মানুহ থাকিব" আপ্ত বাক্যশাৰী সাৰোগত কৰি, তেখেতে বহু কাম কৰি গৈছে। কিন্তু বৰ্তমানেও বহুতে নাজানে যে এইজন প্ৰকৃতি প্ৰেমীয়ে ব্ৰহ্মপুত্ৰৰ কাষৰীয়া ঔৰনামুখ চাপৰিত এখন অৰণ্য প্ৰস্তুত কৰি বিশ্বৰ বাবে আশাৰ ৰেঙণি কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। জন্মভূমিৰ প্ৰতি থকা অত্যন্ত প্ৰেমেৰে উদ্বুদ্ধ ড° পায়েঙে অসমক চিৰ সেউজ কৰাৰ ইচ্ছা পুহি ৰাখিছে আৰু সাধ্যনুসৰি কাম কৰি গৈছে। এইজন মহান ব্যক্তি সঁচাকৈ অতুলনীয়। নৱ-প্ৰজন্মই এনে ব্যক্তিক জনাটো অতি আৱশ্যক।

# ডিজিটেল পদ্ধতিৰে পাণ্ডুলিপি সংৰক্ষণৰ প্ৰয়োজনীয়তা

**অভিজিত বৰপুজাৰী**
**মুখ্য গ্ৰন্থাগাৰিক**

*পাণ্ডুলিপি বিলাক হ'ল আমাৰ সাংস্কৃতিক ঐতিহ্যৰ স্বাক্ষৰ বহনকাৰী সম্পদ। এখন দেশৰ সাংস্কৃতিক বুৰঞ্জীৰ পুনৰ উদ্ধাৰৰ ক্ষেত্ৰত এই পাণ্ডুলিপি সমূহে গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। সমসাময়িক সমাজ ব্যৱস্থাত ইতিহাস আৰু জ্ঞানৰ বিকাশৰ ক্ষেত্ৰত অতি মূল্যৱান উৎসৰূপে পৰিগণিত হৈছে এই পাণ্ডুলিপিসমূহ। এই খিনিতে এটা কথা আমি মন কৰিব লাগিব যে পাণ্ডুলিপি সমূহ কেৱল সংৰক্ষণ কৰিবৰ বাবেই নহয় ইয়াক পঢ়ুৱৈৰ বাবে মুকলি কৰি দিব লাগিব। তেতিয়াহে এই পাণ্ডুলিপি সমূহত অন্তৰ্ভূক্ত হৈ থকা জ্ঞানৰ সুবাস সকলোৱে লাভ কৰিব পাৰিব। মানৱ জাতিৰ ইতিহাস আৰু সংস্কৃতিক বুজাৰ বাবে পাণ্ডুলিপিতকৈ উত্তম তথ্য আৰু আন একোৱেই হ'ব নোৱাৰে। আমাৰ সমাজ ব্যৱস্থাত পৰম্পৰাগতভাৱে চলি অহা সামাজিক প্ৰথা, অন্ধবিশ্বাস আদিয়ে বিভিন্নসময়ত সামাজিক ব্যাধিৰ ৰূপ লোৱা দেখা গৈছে। সমাজৰ এই ব্যৱধান সমূহ দূৰ কৰাৰ অৰ্থে প্ৰাণ্ডুলিপিসমূহত লিপিবদ্ধ হৈ থকা জ্ঞানে আমাক যথেষ্ট সহায় কৰিব পাৰে।*

সাম্প্ৰতিক কালৰ গ্ৰন্থাগাৰসমূহৰ সন্মুখত দেখা দিয়া এটা প্ৰধান সমস্যা হৈছে পুৰণি পাণ্ডুলিপি সমূহৰ সংৰক্ষণ। মানুহে যেতিয়াৰে পৰাই লিখিব জনা হ'ল তেতিয়াৰে পৰাই লিখনিসমূহৰ স্থায়িত্বতা থকাতো অনুভৱ কৰিবলৈ ল'লে আৰু ইয়াৰ ফলশ্ৰুতিতে বিভিন্ন প্ৰকাৰৰ মাটি, শিল, গছৰ পাত আৰু কাগজৰ আৱিস্কাৰৰ পিছত কাগজত নিজৰ লেখনিবিলাক সংৰক্ষণ কৰিবলৈ ল'লে। কিন্তু বৈজ্ঞানিক জ্ঞানৰ অভাৱেই বোলক বা উপযুক্ত পৰিৱেশৰ অভাৱৰ ফলতেই এই সমূহ সংৰক্ষণ কৰাটো তেওঁলোকৰ বাবে যথেষ্ট জটিল হৈছিল। পৰৱৰ্তী সময়ছোৱাত বিশ্বৰ বিভিন্ন গ্ৰন্থাগাৰত এই পাণ্ডুলিপি সমূহ সংৰক্ষণ কৰাৰ বাবে দি দিয়া হৈছিল আৰু তেতিয়াৰ পৰাই এইসমূহ সংৰক্ষণ কৰি ৰখাটো গ্ৰন্থাগাৰিকসকলৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান ৰূপে দেখা দি আহিছে। এই পাণ্ডুলিপি সমূহ সংৰক্ষণৰ ক্ষেত্ৰত গ্ৰন্থাগাৰসমূহে বিভিন্ন প্ৰকাৰৰ জৈৱিক বা ৰাসায়নিক পদ্ধতি ব্যৱহাৰ কৰাৰ চেষ্টা কৰিছে যদিও এইসমূহ সঠিকভাৱে সংৰক্ষণ কৰাত সফলতা লাভ কৰিছে বুলি ক'ব নোৱাৰি।

বৰ্তমান যুগত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ অভুতপুৰ্ব উন্নতিৰ ফলত পাণ্ডুলিপি আৰু গ্ৰন্থৰ সংৰক্ষণৰ ক্ষেত্ৰখনত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা হ'ল। তথ্যৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ ক্ষেত্ৰত নতুন নতুন পদ্ধতিৰ আৱিষ্কাৰ হ'বলৈ ধৰিলে। এই আধুনিক তথ্য প্ৰযুক্তিৰ যুগান্তকাৰী পৰিৱৰ্তন বিলাকে গ্ৰন্থাগাৰৰ পৃথিৱীখনকো চুই গ'ল। গ্ৰন্থাগাৰসমূহৰ প্ৰতিটো কাৰ্যকলাপতে কাৰিকৰি প্ৰযুক্তিৰ ব্যৱহাৰ হ'বলৈ আৰম্ভ কৰিলে। লগে লগে পাণ্ডুলিপিসমূহত লিপিবদ্ধ থকা মূল্যৱান তথ্যসমূহ বৈদুতিন মাধ্যমৰ দ্বাৰা অধিক ক্ষিপ্ৰতাৰে তথা দীৰ্ঘস্থায়িকৈ সংৰক্ষণ কৰি ৰখাৰ ব্য ৱস্থা ল'বলৈ ধৰিলে। পাণ্ডুলিপি বিলাকৰ মাজত আমাৰ ঐতিহ্য, পৰম্পৰা আৰু পূৰ্বপুৰুষৰ বিজয় গাথা লিপিবদ্ধ হৈ থাকে। এই পাণ্ডুলিপিসমূহ হৈছে আমাৰ গৱেষকসকলৰ বাবে গৱেষণাৰ প্ৰথম আৰু প্ৰধান উৎস। বিভিন্ন কাৰণত বৰ্তমান এই পাণ্ডুলিপি সমূহৰ যথেষ্ট সংখ্যকেই নষ্ট হৈ গৈছে আৰু কিছুমান অতি উদ্বগজনক

অৱস্থাত আছে। এই সমূহ উপযুক্তভাৱে বৈজ্ঞানিক পদ্ধতিৰে সংৰক্ষণ কৰাতো গ্ৰন্থাগাৰিকসকলৰ অন্যতম কৰ্তব্য হিচাপে সাম্প্ৰতিক সময়ত বিবেচিত হৈছে।

**পাণ্ডুলিপিৰ প্ৰয়োজনীয়তা ঃ**

পাণ্ডুলিপি বিলাক হ'ল আমাৰ সাংস্কৃতিক ঐতিহ্যৰ স্বাক্ষৰ বহনকাৰী সম্পদ। এখন দেশৰ সাংস্কৃতিক বুৰঞ্জীৰ পুনৰ উদ্ধাৰৰ ক্ষেত্ৰত এই পাণ্ডুলিপি সমূহে গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। সমসাময়িক সমাজ ব্যৱস্থাত ইতিহাস আৰু জ্ঞানৰ বিকাশৰ ক্ষেত্ৰত অতি মূল্যৱান উৎসৰূপে পৰিগণিত হৈছে এই পাণ্ডুলিপিসমূহ। এই খিনিতে এটা কথা আমি মন কৰিব লাগিব যে পাণ্ডুলিপি সমুহ কেৱল সংৰক্ষণ কৰিবৰ বাবেই নহয় ইয়াক পঢ়ুৱৈৰ বাবে মুকলি কৰি দিব লাগিব। তেতিয়াহে এই পাণ্ডুলিপি সমুহত অন্তৰ্ভূক্ত হৈ থকা জ্ঞানৰ সুবাস সকলোৱে লাভ কৰিব পাৰিব। মানৱ জাতিৰ ইতিহাস আৰু সংস্কৃতিক বুজাৰ বাবে পাণ্ডুলিপিতকৈ উত্তম তথ্য আৰু আন একোৱেই হ'ব নোৱাৰে। আমাৰ সমাজ ব্যৱস্থাত পৰম্পৰাগতভাৱে চলি অহা সামাজিক প্ৰথা, অন্ধবিশ্বাস আদিয়ে বিভিন্নসময়ত সামাজিক ব্যাধিৰ ৰূপ লোৱা দেখা গৈছে। সমাজৰ এই ব্যৱধান সমূহ দুৰ কৰাৰ অৰ্থে প্ৰাণ্ডুলিপিসমূহত লিপিবদ্ধ হৈ থকা জ্ঞানে আমাক যথেষ্ট সহায় কৰিব পাৰে। গতিকে এই অমূল্য পাণ্ডুলিপিসমূহ সঠিক ৰূপত, সঠিক পদ্ধতিৰে সংৰক্ষণ কৰি ভৱিষ্যত প্ৰজন্মৰ এইসমূহৰ দ্বাৰা জ্ঞানৰ বিতৰণ কৰাতো আমাৰ গ্ৰন্থাগাৰিকসকলৰ লগতে সমাজৰ প্ৰতিজন ব্যক্তিৰ কৰ্তব্য।

এখন পাণ্ডুলিপি ধ্বংস হোৱা মানে কেইটামান শব্দ বা কেইটামান বাক্য ধ্বংস নহয় ইয়াৰ লগতে ধ্বংসপ্ৰাপ্ত হয় আমাৰ বহুযুগীয়া সভ্যতা-সংস্কৃতিও। যি কাহানিও উদ্ধাৰ হ'ব নোৱাৰে। গৱেষকসকলে গৱেষণাৰ কালত এটা এটা যুগত পাণ্ডুলিপি লিখনিত ব্যৱহৃত বিভিন্ন সামগ্ৰী যেনে গছৰ পাত, চিয়াঁহী, কলম ইত্যাদিৰ বিষয়েও জ্ঞান আহৰণ কৰে। ই তথ্যসমুহৰ দ্বাৰা সেইসময়ৰ মানুহৰ জ্ঞানৰ নমুনাৰ বিষয়ে অৱগত হ'ব পাৰে।

**জ্ঞান সংৰক্ষণৰ বিভিন্ন প্ৰকাৰসমূহ ঃ**

পাণ্ডুলিপিসমূহ বিভিন্ন প্ৰাকৰত লিপিবদ্ধ হৈছে আছে। ইয়াৰ ভিতৰত তামৰ ফলি, গছৰ বাকলি, জন্তুৰ চাল আৰু সাঁচিপাতেই প্ৰধান। এই সমুহ পৰিবৰ্তন তথা প্ৰাকৃতিক দুৰ্যোগ আদিৰ দ্বাৰা সহজেই ধ্বংসপ্ৰাপ্ত হোৱাৰ সম্ভাৱনা থাকে। পৌৰাণিক পদ্ধতিমতে এইসমূহ প্ৰস্তুত কৰাৰ বাবে বিভিন্ন পন্থা অৱলম্বন কৰা দেখা যায়। এইবোৰৰ ভিতৰত ফিটকিৰি আৰু জৈৱিক ৰাসায়নিক দ্ৰব্যৰ দ্বাৰা জন্তুৰ ছাল লিখনিৰ বাবে প্ৰস্তুত কৰা হয় একদৰেই সাঁচিপাত প্ৰস্তুত কৰাৰ বেলিকাও বিভিন্ন পৰম্পৰাগত ৰাসায়নিক পদাৰ্থৰ ব্যৱহাৰ কৰা হয় যিবিলাকে পৰৱৰ্তি অৱস্থাত এই পাণ্ডুলিপি সমুহৰ ধ্বংসৰ মূল কাৰণ হৈ পৰে। সময় সলনি হোৱাৰ লগে লগে নতুন নতুন পদ্ধতিৰে জ্ঞানৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ল। ফটোষ্টেট মেচিনৰ আৱিষ্কাৰৰ ফলত এই পাণ্ডুলিপি কৰিব পৰা হ'ল। কেমেৰা আৰু স্কেনাৰৰ আৱিষ্কাৰৰ দ্বাৰা এইসমূহ বৈদ্যুতিন ৰূপত সংৰক্ষণ কৰিব পৰা হ'ল।

**ডিজিটেইলাজেশ্যন?**

ডিজিটেইলাজেশ্যন হ'ল এনে এক পদ্ধতি যাৰ দ্বাৰা যিকোনো ছপা মাধ্যমৰ তথ্য পাতি অত্যাধুনিক স্কেনাৰ বা কেমেৰাৰ সহায়েৰে প্ৰতিচ্ছবি তৈয়াৰ কৰা হয় আৰু কম্পিউটাৰৰ সহায়ৰ দ্বাৰা লোকেল এৰিয়া নেটৰ্ৱক তথা ইন্টাৰনেটত ইয়াক উপলব্ধ কৰোৱা হয়। পৰিবৰ্তনৰ ধাৰণা হল বিজ্ঞানৰ এক মহত্বপূৰ্ণ দিশ। এই পৰিবৰ্তন হ'ল প্ৰতিস্থিত তথ্য সংৰক্ষণৰ ক্ষেত্ৰত প্ৰয়োগাত্মক পৰিবৰ্তন, নিৰিক্ষণৰ পৰিবৰ্তন, তাত্বিক আৰু পদ্ধতিগত পৰিবৰ্তন আৰু তাৰ লগে লগে সমগ্ৰ দৃষ্টিভংগীৰ পৰিবৰ্তন ইত্যাদি। এই পৰিবৰ্তন প্ৰক্ৰিয়া ইয়াত কোনো বস্তুৱেই স্থিৰ নহয়। সেইদৰে ভাৰতীয় গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ মহান মনিষি এছ. আৰ. ৰংগনাথনৰ পঞ্চশীল নীতি অনুসৰি গ্ৰন্থাগাৰ সংবৰ্দ্ধনশীল জীৱ। অৰ্থ্যাৎ গ্ৰন্থাগাৰৰ আকাৰ, প্ৰকৃতি আদি সদায়েই বাঢ়ি গৈ থাকিব। ইয়াত একো স্থিৰ হৈ নাথাকে। সেইদৰেই গ্ৰাম্থাগাৰৰ তথ্য সংৰক্ষণৰ ব্যৱস্থাসমূহৰো পৰিবৰ্তন হোৱাটো স্বাভাৱিক। বিজ্ঞানৰ কালজয়ী অৱদানৰ প্ৰভাৱ গ্ৰন্থাগাৰসমূহতো পৰিলক্ষিত হৈছে। আৰু তাৰেই ফলশ্ৰুতিতেই এই ডিজিটাইজেশ্যন প্ৰক্ৰিয়া।

যোৱা কেইবা শতিকাযুৰি কাগজেই আছিল পাৰম্পৰিক গ্ৰন্থাগাৰৰ অন্যতম আৰু প্ৰধান মাধ্যম। তথ্যপাতি সংগ্ৰহ,সংৰক্ষণ আৰু যোগাযোগৰ ক্ষেত্ৰত উদ্ভাৱন হোৱা নতুন নতুন কাৰিকৰী পদ্ধতিবোৰে গ্ৰাম্থাগাৰৰ পৰম্পৰাগত ধাৰণাটিক প্ৰভাৱিত কৰিছে। কিয়নো এই নতুন মাধ্যমবোৰ কাগজৰ মাধ্যমতকৈ বহু গুণে সুবিধাজনক আৰু খৰতকিয়া। কাগজৰ মাধ্যমৰ সামগ্ৰীসমূহতকৈ

নিম্নতম স্থানতেই এই নতুন মাধ্যমৰ সামগ্ৰীসমূহ ৰাখিব পৰা হয়। সেয়েহে এনে ধৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰান্থাগাৰিকসকলেও এই মাধ্যমক আকোৱালি ল'বলৈ দ্বিধাবোধ কৰা নাই।

**ডিজিটাইজেশ্যনৰ প্ৰয়োজনীয়তা ঃ**

মুখ্যতঃ স্থানৰ অভাৱ আৰু সময়ৰ তাগিদাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই ডিজিটাইজেশ্যন প্ৰক্ৰিয়া আৰম্ভ হৈছে। ছপা মাধ্যমৰ তথ্যপাতিসমূহ সংৰক্ষণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাৰ সমাধানৰ বাবে এই ডিজিটাইজেশ্যন পদ্ধতি অতিকে ব্যৱহাৰযোগ্য। একো একোটা ডিজিটেল গ্ৰন্থাগাৰত যি কোনো ছপা মাধ্যমৰ গ্ৰন্থাগাৰতকৈ অতি কম সময়ৰ ভিতৰত প্ৰয়োজনীয় তথ্য বিচাৰি উলিয়াব পাৰি। মাথো তাৰ বাবে লাগিব কম্পিউটাৰ পৰিচালনাৰ প্ৰাথমিক জ্ঞান। আগতেই উল্লেখ কৰি আহিছো যে পুৰণি পাণ্ডুলিপি সমূহ অক্ষত অৱস্থাত ৰখাটো এটি অতি কষ্টকৰ কাৰ্য। আৰু এই পাণ্ডুলিপি সমূহ উপযুক্তভাৱে সংৰক্ষণ কৰি ৰাখিবৰ বাবে এই ডিজিটাইজেশ্যন প্ৰক্ৰিয়াৰ সহায় লোৱাৰ বাদে গত্যন্তৰ নাই। পাণ্ডুলিপিয়েই হওঁক বা অন্যান্য বিৰল গ্ৰন্থসমূহেই হওঁক সংৰক্ষণ কৰাটো অতি প্ৰয়োজনীয়। এই গ্ৰন্থসমূহ সঘনাই ব্যৱহাৰ কৰাৰ ফলত ইবিলাক প্ৰায়েই ব্যৱহাৰৰ অনুপযোগী হৈ পৰাও দেখা যায়। এই গ্ৰন্থসমূহৰ পুনৰ মুদ্ৰনো পাবলৈ নাথাকে। তেনেস্থলত এই গ্ৰন্থসমূহৰ ডিজিটেল সংস্কৰণ ব্যৱহাৰৰ বাবে মুকলি কৰি দিলে মৌলিক সংস্কৰণটো সুৰক্ষিত কৰি ৰখাত সহায়ক হয়। বহুতো পুৰণি পাণ্ডুলিপি সংগ্ৰাহালয়, গ্ৰন্থাগাৰ, মন্দিৰ, মছজিদ আদিত সংৰক্ষণ কৰি ৰখা হয় কিন্তু ইয়াক পঢুৱৈৰ বাবে মুকলি কৰি দিয়া নহয়। ফলত এই পাণ্ডুলিপি সমূহত মজুত থকা অমূল্য তথ্যসম্ভাৰ প্ৰকাশ নোহোৱাকৈ থাকি যোৱাৰ সম্ভাৱনা অধিক সেয়েহে এই সমস্যাৰ সমাধানৰ কাৰণে এই পাণ্ডুলিপি সমূহত ডিজিটাইজড কৰি ইয়াক বৈদ্যুতিন ৰূপত পঢুৱৈৰ আগত মুকলি কৰি দিলে এই সমূহ অমূল্য গ্ৰন্থত থকা অমূল্য সমপদৰ জ্ঞান পৃথিৱীয়ে লাভ কৰিব পাৰিব।

**ডিজিটেল সংৰক্ষণ ঃ**

কম্পিউটাৰ, চফ্‌টৱেৰ আৰু ষ্টৰেজ মেডিয়াৰ সহযোগত কোনো মূল্যবান ঐতিহাসিক তথ্য বিনষ্ট নোহোৱাকৈ বৈদুতিন মাধ্যমৰ জৰিয়তে পঢ়িব পৰাকৈ উপলব্ধ কৰোৱা ব্যৱস্থাটোকেই ডিজিটেল সংৰক্ষণ ব্যৱস্থা বুলি কোৱা হয়। দুটা প্ৰকাৰৰ ডিজিটেল সংৰক্ষণ ব্যৱস্থা দেখা পোৱা যায়। এটা হ'ল আজন্ম ডিজিটেল তথ্যৰ সংৰক্ষণ আৰু আনটো হ'ল ছপা সামগ্ৰী আৰু পাণ্ডুলিপিসমূহৰ ডিজিটেল সংৰক্ষণ। ইয়াৰে এটা পদ্ধতিত তথ্য সমূহ ছবি আকাৰে সংৰক্ষিত কৰা আনটো পদ্ধতিত OCRৰ দ্বাৰা পঠনযোগ্য অৱস্থালৈ পৰিবৰ্তন কৰি সংৰক্ষণ কৰা হয়।

**ডিজিটেল সংৰক্ষণৰ বাবে প্ৰয়োজনীয় আহিলা ঃ**

তথ্য পাতিৰ ডিজিটেল সংৰক্ষণৰ প্ৰক্ৰিয়াটো কিছু ব্যয়বহুল। ইয়াৰ বাবে কিছুমান আহিলাৰ নিশ্চিতভাৱে প্ৰয়োজন হয়। তলত সেই আহিলাসমূহৰ কিছু আভাষ দাঙি ধৰা হৈছে। সৰ্বপ্ৰথমে ডিজিটেলল সংৰক্ষণৰ বাবে আটাইতকৈ প্ৰয়োজনীয় আহিলাবিধ হ'ল কম্পিউটাৰ। এটা চাৰ্ভাৰ কম্পিউটাৰ আৰু কেইবাটাও ক্লায়েন্ট কম্পিউটাৰৰ লগতে বিদ্যুৎ শক্তিৰ অবিৰত যোগানৰ বাবে লাগিব Online UPS দ্বিতীয়তে প্ৰয়োজন হয় কেইবাটাও ডিজিটেলাইজেশ্যন প্ৰক্ৰিয়াৰ বাবে এটি চফ্‌টৱেৰৰ। এই চফ্‌টৱেৰসমূহৰ ভিতৰত GSDL, DSpace, KOHA ইত্যাদি প্ৰধান। লগতে প্ৰয়োজনীয় নেটৱৰ্কিংৰ সুবিধাখিনি যেনে LAN, WAN ইত্যাদি থকাটো প্ৰয়োজন। তৃতীয়তে প্ৰয়োজন হয় স্কেনাৰ বা কেমেৰা। ছপা তথ্যসমূহক ডিজিটেল ৰূপলৈ পৰিবৰ্তন কৰাৰ বাবে এই স্কেনাৰৰ প্ৰয়োজন। উচ্চ মানবিশিষ্ট কেমেৰা দ্বাৰাও এই ব্যৱস্থাৰ ফলপ্ৰসূ ৰূপ দিব পাৰি। বজাৰত উপলব্ধ এই স্কেনাৰসমূহৰ ভিতৰত প্ৰধানকৈ বিভিন্ন প্ৰকাৰৰ Scan Jet, Flatbed scanner, Sheet Feeder, Drum scanner, Microfilming scanner, Digital Camera ব্যৱহাৰ কৰা হয়। চতুৰ্থতে প্ৰিন্টাৰৰ ব্যৱহাৰ কৰাটো ডিজিটেল লাইব্ৰেৰীৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। কেইবা প্ৰকাৰৰো প্ৰিন্টাৰ যেনে Laser Printer, Desk Jet, Dot Matrix, Digital Graphic Printer ইত্যাদি ডিজিটেল সংৰক্ষণৰ বাবে প্ৰয়োজন হয়। ইয়াৰোপৰি ডিজিটেলাইজেশ্যনৰ জৰিয়তে ৰূপান্তৰ ঘটোৱা তথ্যসমূহে সংৰক্ষিত কৰি ৰাখিবৰ বাবে প্ৰয়োজন হয়। এইবোৰৰ ভিতৰত Optical storage device, CD ROM, DVD, Juke box প্ৰধান। দৃশ্য শ্ৰাব্য ব্যৱস্থা উপলব্ধ কৰাবলৈ হ'লে আন কিচুমান আহিলা যেনে T.V, DVD, Sound box আদিৰো প্ৰয়োজন হয়। গতিকে দেখা যায় যে ডিজিটেল সংৰক্ষণৰ এই প্ৰক্ৰিয়াটোত এক যান্ত্ৰিক পৰিক্ৰমাৰ মাজেদি গতি কৰি পঢুৱৈ সমাজৰ আগত প্ৰয়োজনীয় সমলখিনি প্ৰতফলিত কৰাৰ প্ৰয়াস কৰা হয়। আমাৰ সমাজত এই প্ৰযুক্তিবিদ্যাক সচৰাচৰ জনা যায় Digital Imaging

Technology বুলি।

**ভাৰতবৰ্ষত ডিজিটেল সংৰক্ষণ ঃ**

পাণ্ডুলিপি অথবা বিৰল ছপা গ্ৰন্থসমূহৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিয়েই ভাৰতবৰ্ষৰ বিভিন্ন অনুষ্ঠান প্ৰতিস্থানৰ উদ্যোগত ডিজিটেল সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২০০০ চনৰ জুলাই মাহৰ পৰা ভাৰতৰ ৰাষ্ট্ৰীয় সংগ্ৰাহালয়ৰ উদ্যোগত তথা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰালয় আৰু নেশ্যনেল ইনষ্টিটিউত অৱ এডভান্স ষ্টাডিজ, বাংগালোৰৰ সহযোগত এটি প্ৰাৰম্ভিক প্ৰকল্প (Pilot Project) হাতত লোৱা হয়। এই প্ৰকল্পৰ অধীনত প্ৰথম অৱস্থাত বিৰল পাণ্ডুলিপি যেনে ভাগৱত গীতা, ৰামায়ণ, মহাভাৰত আদি ডিজিটাইজ কৰি চি.ডি আকাৰত সংৰক্ষণ কৰা হয়। ইয়াৰোপৰি ভাৰতৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ, কলকাতাইও ইয়াত মজুত থকা বিভিন্ন ভাষাৰ প্ৰায় ৩৬০০ খন ৰিল আৰু ঐতিহাসিক পাণ্ডুলিপি সংৰক্ষণ ব্যৱস্থা কৰিছে। এই গ্ৰন্থাগাৰে ১৯৯৯ চনতে Down the Memory Lane নামেৰে এক ডিজিটাইজেশ্যন প্ৰক্ৰিয়া আৰম্ভ কৰি বৰ্তমানলৈকে ২১,০০০ খন ডকুমেন্ট ডিজিটাইজ কৰি উলিয়াইছে। ইয়াৰে ভিতৰত প্ৰায় ৩,০০০ খন পাণ্ডুলিপিও আছে। ২০০১ চনত পাঞ্জাৱৰ নানকসাহি নামৰ ন্যাসটোৱে এক "Digital Sikh Reference Library" তৈয়াৰ কৰি উলিয়াই। এই ন্যাসৰ জড়িয়তে গুৰু গ্ৰন্থ চাহিব আৰু অন্যান্য পাণ্ডুলিপি সমূহৰ ডিজিটাইজেশ্যন প্ৰক্ৰিয়া সম্পন্ন কৰে। ইয়াৰোপৰি Indira Gandhi National Centre for Arts (IGNCA) ডিজিটেল সংৰক্ষণৰ ক্ষেত্ৰত ৰাষ্ট্ৰজুৰি এক অভিযান আৰম্ভ কৰে আৰু ইয়াৰ অন্তৰ্গত ভাৰতৰ বিভিন্ন প্ৰদেশত কেইবা হাজাৰ পাণ্ডুলিপি ডিজিটাইজ কৰে। পাটনাৰ Khuda Bakhsh Oriental Public Libraryয়ে এক প্ৰকল্পৰ জড়িয়তে সংস্কৃত, হিন্দি, আৰবি, পাৰ্চি, তুৰ্কি ভাষাৰ প্ৰায় ২১ হাজাৰ মান সাঁচিপাতৰ পুথি ডিজিটাইজ কৰে। এইদৰেই ভাৰতবৰ্ষত পাণ্ডুলিপিৰ ডিজিটেল সংৰক্ষণ ব্যৱস্থা চলি আহিছে আৰু বৰ্তমানেও নতুন নতুন যন্ত্ৰপাতিৰ আৱিষ্কাৰৰ জড়িয়তে অতি ক্ষিপ্ৰতাৰে আৰু পটুৱৈ সমাজৰ মাজত সহজে উপলব্ধ হোৱাকৈ ডিজিটেল সংৰক্ষণ প্ৰক্ৰিয়াই নতুন মাত্ৰা লাভ কৰিছে।

**অসমত ডিজিটেল সংৰক্ষণ ঃ**

অসমত গুৱাহাটীত থকা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাষ্ট্ৰীয় পাণ্ডুলিপি সংৰক্ষণ অভিযানৰ অন্তৰ্গত এটি ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ গৱেষণাগাৰ অস্থায়ীভাৱে ২০০৮ চনতে গঠন কৰা হৈছে। এই অনুষ্ঠানৰ জড়িয়তে শংকৰদেৱ কলাক্ষেত্ৰই সমগ্ৰ অসমজুৰি চলোৱা এক জৰিপৰ অন্তত প্ৰাৰম্ভিক অৱস্থাত প্ৰায় ৪০ হাজাৰমান পাণ্ডুলিপি ডিজিটেল সংৰক্ষণ ব্যৱস্থা কৰে। ইয়াৰোপৰি Indira Gandhi National Center for the Arts (IGNCA)ও অসমত ডিজিটেল সংৰক্ষণৰ ক্ষেত্ৰত যথেষ্ট আগভাগ লোৱা দেখা যায়। প্ৰকাশিত বাতৰি অনুযায়ী বৰ্তমানলৈকে এই সংস্থাই অসমৰ বিভিন্ন সত্ৰ তথা অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানত থকা প্ৰায় ৬,৫৪৮ খন সাঁচিপাতৰ পুথি, তালপাতৰ পুথি, বিভিন্ন কাগজৰ আপুৰুগিয়া পুথি ইতিমধ্যে ডিজিটেলি সংৰক্ষণৰ ব্যৱস্থা কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰালত প্ৰায় ৪৫০০ খন সাঁচিপাত, তুলাপাত আৰু কাগজত লিখা মূল্যৱান পাণ্ডুলিপি মজুত আছে। ইয়াৰে প্ৰায় ৭০ শতাংশ পাণ্ডুলিপিৰ ডিজিটাইজ কৰা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰালটিয়ে অসমৰ পাণ্ডুলিপি সম্পদ কেন্দ্ৰ আৰু পাণ্ডুলিপি সংৰক্ষণ কেন্দ্ৰ হিচপেও কাম কৰি আহিছে।

**সামৰণি ঃ**

আমাৰ ঐতিহাসিক পাণ্ডুলিপিসমূহৰ মাজতে লুকাই আছে আমাৰ জাতীয় ইতিহাস, সম্পদ আৰু সভ্যতা। এই পাণ্ডুলিপি সমূহৰ উপযুক্ত সংৰক্ষণ কৰি ৰখাটো আমাৰ প্ৰত্যেকৰে দায়িত্ব। কিন্তু বহুসময়ত দেখা যায় যে বৈজ্ঞানিক মানসিকতাৰ অভাৱৰ ফলত অথবা প্ৰযুক্তিবিদ্যাৰ অভাৱত এই সমলসমূহ নষ্ট হৈ যায়। কিন্তু আমাৰ লক্ষ্য জ্ঞানৰ উপযুক্ত বিতৰণ। সেয়েহে য'ত ত'ত সিঁচৰতি হৈ থকা বিভিন্ন প্ৰকাৰৰ পাণ্ডুলিপি সমূহ একগোট কৰি এই বিলাক উপযুক্ত প্ৰক্ৰিয়াৰে সংৰক্ষণ কৰি ৰাখিব পাৰিলেহে আমি আমাৰ পৰম্পৰা ৰক্ষা কৰিব পাৰিম আৰু বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত গা কৰি উঠা সামাজিক আৰু সাংস্কৃতিক ব্যৱধানৰসমূহ নাইকিয়া কৰিব পাৰিম। আধুনিক তথ্য প্ৰযুক্তিয়ে আমাক বহু আগুৱাই লৈ গৈছে সেয়েহে এই পাণ্ডুলিপিসমূহ সংৰক্ষণৰ ক্ষেত্ৰতো আমি এই নতুন তথ্য প্ৰযুক্তিৰ সহায় ল'বই লাগিব। এই আধুলিক তথ্য প্ৰযুক্তিৰ অন্যতম অৱদান হৈছে ডিজিটেইলাইজেশ্বন। এই ডিজিটেল প্ৰক্ৰিয়াৰ জড়িয়তে আমাৰ ইতিহাসক আমি ডিজিটেল ৰূপত সংৰক্ষিত কৰি ৰখাটো বৰ্তমান সম্ভৱ হৈছে লগতে অতি ক্ষিপ্ৰ আৰু সহজতে লাভ কৰিব পৰাকৈ এই জ্ঞানসমূহৰ বিতৰণৰো ব্যৱস্থা কৰা হৈছে। আশা ৰাখিছো নৱ প্ৰজন্মই এই ব্যৱস্থাক আদৰি লৈ আমাৰ ঐতিহাসিক সম্পদসমূহ ৰক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি আহিব। তেতিয়াহে আমি এক ঐক্যবদ্ধ জাতি হিচাপে সমাজত মূৰ দাঙি থাকিব পাৰিম।

# শ্ৰেণী সংৰক্ষণ ব্যৱস্থা আৰু ভাৰতৰ ভৱিষ্যত

**চিমি কোঁৱৰ**
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

**প্ৰস্তাৱনা ঃ**

নানা জাতি নানা ভাষা তথা বাৰেৰহনীয়া কৃষ্টি সংস্কৃতিৰে মহীয়ান ভাৰতীয় সভ্যতা। ভিন্ন জাতি ভিন্ন ধৰ্ম্মাৱলম্বী লোকৰ বাসভূমি হোৱা বাবে তথা ভাৰতৰ প্ৰত্যেকটো জাতি জনগোষ্ঠীৰে স্বকীয় পৰিচয় থকা বাবে প্ৰত্যেকেই জাতি,ধৰ্ম্ম, বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে সমান অধিকাৰ আৰু সমান সুযোগ সুবিধা পোৱা উচিত। কিন্তু বাস্তৱ ক্ষেত্ৰত ইয়াৰ ওলোটা ছবি এখনহে পৰিলক্ষিত হয়। ভাৰতবৰ্ষত গভীৰভাৱে শিপাই থকা জাতি ব্যৱস্থাই হ'ল ভাৰতত শ্ৰেণী সংৰক্ষণ ব্যৱস্থা উৎপত্তিৰ প্ৰধান কেন্দ্ৰবিন্দু। ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাৰ সমাজখন ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিভাগত বিভক্ত। ব্ৰাহ্মণসকলে সমাজত নিজকে উচ্চ বৰ্গৰ বা উচ্চ জাতিৰ বুলি চিনাকী দিয়াৰ বিপৰীতে শূদ্ৰসকলক সমাজত আটাইতকৈ নীচ জাতিৰ বুলি গণ্য কৰা হয়। অতীজৰে পৰা শূদ্ৰসকলক তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি অহাৰ লগতে অস্পৃশ্য হিচাপে গণ্য কৰি অহা হৈছে। ভাৰতৰ সংবিধান ৰচনা হোৱাৰ আগলৈকে এই অস্পৃশ্য সকলক স্পৰ্শ কৰিলে নিজকে অশুচি হোৱা বুলি গণ্য কৰাৰ উপৰিও তেওঁলোকক শিক্ষাৰ অধিকাৰ, ৰাজনৈতিক অধিকাৰ, অৰ্থনৈতিক অধিকাৰ তথা সামাজিক অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। অস্পৃশ্য হিচাপে গণ্য কৰা এই নিম্ন জাতিৰ ব্যক্তিসকলক ধৰ্মীয় স্বাধীনতাও দিয়া হোৱা নাছিল। নামঘৰ বা মন্দিৰত তেওঁলোকক প্ৰৱেশ কৰাতো উচ্চ বৰ্ণৰ লোকসকলক বাধা প্ৰদান কৰি আহিছিল। এনেদৰে সেই সময়ৰ ভাৰতীয় সমাজখনক সামাজিক অক্ষমতাই গা কৰি উঠিছিল। সেইবাবে ভাৰতীয় সংবিধান প্ৰণেতাসকলে বিশেষকৈ সংবিধান সভাৰ খছৰা সমিতিৰ সভাপতি ড° বি, আৰ, আম্বেদকাৰে নিজেও অস্পৃশ্য জাতিৰ লোক হিচাপে সন্মুখীন হোৱা শোষণ আৰু নিৰ্যাতনৰ কথা উপলব্ধি কৰি সমাজৰ অস্পৃশ্য তথা পিছপৰা জাতিবোৰে সন্মুখীন হোৱা শোষণ নিৰ্যাতনৰ অন্ত পেলোৱাৰ উদ্দেশ্যে ভাৰতীয় সংবিধানত শ্ৰেণী সংৰক্ষণ ব্যৱস্থাৰ বিষয়ে অন্তভুক্ত কৰা হয়। সেই সময়ৰ পাছৰ পৰা বিশেষকৈ ১৯৫০ চনৰ পাছৰ পৰা ভাৰতীয় সংবিধানত অন্যান্য সংৰক্ষণ ব্যৱস্থাসমূহ যেনে -মহিলাৰ বাবে সংৰক্ষণ, শাৰীৰিকভাৱে অক্ষম লোকৰ বাবে সংৰক্ষণ, অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ লোকৰ বাবে সংৰক্ষণ, অনুসূচিত জাতি জনজাতিৰ বাবে সংৰক্ষণ আদি অন্তভূক্ত কৰা হয়।

**শ্ৰেণী সংৰক্ষণ ব্যৱস্থা আৰু ভাৰতৰ ভৱিষ্যত ঃ**

ভাৰতবৰ্ষত শ্ৰেণী সংৰক্ষণ ব্যৱস্থা বৰ্তমান কেনে পৰ্যায়ত আছে? এইটোৱেহে ভাৰতৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিব। শ্ৰেণী সংৰক্ষণ ব্যৱস্থা জন্ম দিয়াৰ প্ৰধান কাৰণ হ'ল সমাজৰ পিছপৰা শ্ৰেণী শাৰীৰিকভাৱে অক্ষম লোক তথা মহিলাসকলৰ

উন্নয়ন সাধন কৰি সামাজিক অসমতা দূৰ কৰা। ভাৰতীয় সংবিধানৰ নং অনুচ্ছেদ অনুসৰি অস্পৃশ্যতা বৰ্জন কৰা হৈছে। সংবিধানৰ বিভিন্ন অনুচ্ছেদৰ জৰিয়তে অনুসূচিত জাতি, জনজাতি, পিছপৰা শ্ৰেণীৰ লোক, মহিলা, শাৰীৰিকভাৱে অক্ষম লোকৰ বাবে শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত বিশেষ সুবিধা আগবঢ়াই আহিছে। তেওঁলোকৰ বাবে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত নিৰ্দিষ্টকৈ আসন সংৰক্ষণৰ ব্যৱস্থা আছে আৰু কৰ্মক্ষেত্ৰত নিযুক্তিৰ ক্ষেত্ৰতো এনে আসন সংৰক্ষণৰ ব্যৱস্থ থকাৰ লগতে বয়সৰ ক্ষেত্ৰতো ৰেহাই দিয়া হৈছে। একেদৰে ৰাজনীতিৰ ক্ষেত্ৰখনতো তেওঁলোকৰ বাবে পৃথক প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰা হৈছে। স্কুল, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত অনুসূচিত জাতি, জনজাতিৰ শিক্ষাৰ্থী সকলক কৰে পৃথকভাৱে বৃত্তি প্ৰদান কৰা হৈছে। মহিলাসকলৰ বাবে ৰাজনীতিৰ ক্ষেত্ৰত ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। একেদৰে শাৰীৰিকভাৱে অক্ষম ব্যক্তিসকলকো কম নম্বৰতে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত নামভৰ্তিৰ সুবিধা দিয়া হয় আৰু নিযুক্তিৰ ক্ষেত্ৰতো তেওঁলোকৰ বাবে নিৰ্দিষ্ট সংখ্যক আসন সংৰক্ষণ কৰা হয়।

*প্ৰত্যেকজন ভাৰতীয় নাগৰিকক যি হেতু জাতি, ধৰ্ম,বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে সমান সুযোগ সুবিধা প্ৰদান কৰা হৈছে ই, তেনে ক্ষেত্ৰত নিৰ্দিষ্ট শ্ৰেণীৰ বাবে বিভিন্ন ক্ষেত্ৰত আসন সংৰক্ষণ কৰি যোগ্য ব্যক্তিক বঞ্চিত কৰাৰ কোনো যুক্তি নাই। তদুপৰি এজন যোগ্য ব্যক্তিৰ বাবে উচ্চ জাতিৰ নে নিম্ন জাতিৰ সেয়া বিচাৰ কৰিবলৈ কোনো প্ৰমাণ পত্ৰৰ প্ৰয়োজন নাই। শিক্ষা আৰু যোগ্যতাই ব্যক্তিৰ দুচকুৰ পৰা অস্পৃশ্যতাৰ অন্ধকাৰ গুচাই পেলায় আৰু মানুহৰ জীৱনলৈ পৰিবৰ্তন আনে। নিম্ন জাতিৰ প্ৰমাণ পত্ৰৰ জৰিয়তে কোনো অনুষ্ঠানত অন্তৰ্ভুক্ত হোৱাটোৱে নিজৰ যোগ্যতাক প্ৰতিপন্ন নকৰে। ই কেৱল নিজকে নিম্ন জাতিৰ ব্যক্তি হিচাপে আনৰ আগত পৰিচয় কৰাই দিয়াৰ লগতে সেই জাতিৰ বাবে সংৰক্ষিত আসনত অন্তভূৰ্ক্ত হোৱাৰ সুবিধা দিয়ে।*

কিন্তু প্ৰশ্ন হয়, ভাৰতবৰ্ষত সাম্প্ৰতিক সময়ত শ্ৰেণী সংৰক্ষণ ব্যৱস্থা থকা উচিতনে? যিহেতু ভাৰতীয় নাগৰিক হিচাপে যদি আমি সংবিধানৰ প্ৰত্যেকটো অনুছেদ বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰো তেন্তে দেখা যাব যে ভাৰতীয় সংবিধানে জাতি, ধৰ্ম বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে প্ৰত্যোকজন ভাৰতীয় লোককে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক আৰু সাংস্কৃতিক সকলো ক্ষেত্ৰতে সমান সুযোগ সুবিধা প্ৰদান কৰা হৈছে। তেনে ক্ষেত্ৰত বিশেষ শ্ৰেণীৰ লোকৰ বাবে সংৰক্ষণ ব্যৱস্থা থকাৰ যুক্তি ক'ত? বহুতৰ মতে শ্ৰেণী সংৰক্ষণ ব্যৱস্থাই ভাৰতত অসমতাৰ হে সৃষ্টি কৰিছে। যদিও শ্ৰেণী সংৰক্ষণ ব্যৱস্থাৰ এক মহৎ উদ্দেশ্য আছে, কিন্তু একাংশ ব্যক্তিয়ে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ভূৱা তথ্যৰে কৰ্তৃপক্ষক ফাঁকি দি নিজৰ স্থান নিশ্চিত কৰি আহিছে। এনে ধৰণৰ কাৰ্যই বহু উপযুক্ত প্ৰতিভাসম্পন্ন ব্যক্তিক নিজৰ অধিকাৰৰ পৰা বঞ্চিত কৰি অহা পৰিলক্ষিত হৈছে।

ভাৰতত শ্ৰেণী সংৰক্ষণ ব্যৱস্থাই নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত প্ৰত্যেকটো পিছপৰা জাতি, জনজাতিৰ লোক, শাৰীৰিকভাৱে অক্ষম লোক, অথবা নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিতা প্ৰত্যেক গৰাকী নাৰীক সামৰি ল'ব পৰা নাই কাৰণ এইখন ভাৰতবৰ্ষত এতিয়াও এনে বহু লোক আছে যি নিজৰ অধিকাৰৰ বিষয়ে সচেতন নহয়। শাৰীৰিকভাৱে অক্ষম বহু লোকে এতিয়াও নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ দুৰ্ভাগ্যৰ যন্ত্ৰণা ভুগিবলগীয়া হৈছে। মহিলাসকলেও দৈনন্দিন জীৱনতে হওঁক বা স্বামীগৃহতে হওঁক অসহনীয় যন্ত্ৰণা সহিবলগীয়া হৈছে।

ভাৰতীয় সমাজৰ কিছুমান ৰীতি-নীতি এনেদৰে প্ৰস্তুত কৰা হৈছে য'ৰ পৰিধি ভাঙি প্ৰত্যেগৰাকী ভাৰতীয় নাৰী আজিও মুক্ত হ'ব পৰা নাই। কল্পনা চাওলা, প্ৰতিভা পাটিলকে ধৰি কেইগৰাকীমান নাৰীয়ে যোগ্যতাৰ বলত নিজকে শীৰ্ষস্থানত প্ৰতিষ্ঠা কৰিব পাৰিলেও ভাৰতৰ সৰহসংখ্যক নাৰীয়ে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰতি খোজতে যুঁজ দিবলগীয়া হয়। আচৰিত হ'লেও সত্য যে ভাৰতৰ প্ৰথমগৰাকী মহিলা আই পি এচ বিষয়াই কৰ্মক্ষেত্ৰত নিজৰ সহকৰ্মীৰ পৰাই নিৰ্যাতনৰ বলি হৈছিল। তদুপৰি প্ৰতিদিনে প্ৰতিমুহূৰ্তেতে ভাৰতৰ নাৰী নিৰ্যাতনৰ ঘটনা ইমান তীব্ৰ গতিত বৃদ্ধি পাইছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে ভাৰতীয় নাৰী আজিও কি পৰ্য্যয়ত আছে। এনে ক্ষেত্ৰত কেৱল শ্ৰেণী সংৰক্ষণ ব্যৱস্থাই নাৰীসকলৰ অধিকাৰ ৰক্ষা কৰিব পাৰিবনে।

প্ৰত্যেকজন ভাৰতীয় নাগৰিকক যি হেতু জাতি, ধৰ্ম,বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে সমান সুযোগ সুবিধা প্ৰদান কৰা হৈছে ই, তেনে ক্ষেত্ৰত নিৰ্দিষ্ট শ্ৰেণীৰ বাবে বিভিন্ন ক্ষেত্ৰত আসন সংৰক্ষণ কৰি যোগ্য ব্যক্তিক বঞ্চিত কৰাৰ কোনো যুক্তি নাই। তদুপৰি এজন যোগ্য ব্যক্তিৰ বাবে উচ্চ জাতিৰ নে নিম্ন জাতিৰ সেয়া বিচাৰ কৰিবলৈ কোনো প্ৰমাণ পত্ৰৰ প্ৰয়োজন নাই। শিক্ষা আৰু যোগ্যতাই ব্যক্তিৰ দুচকুৰ পৰা অস্পৃশ্যতাৰ অন্ধকাৰ গুচাই পেলায় আৰু মানুহৰ জীৱনলৈ পৰিৱৰ্তন আনে। নিম্ন জাতিৰ প্ৰমাণ পত্ৰৰ জৰিয়তে কোনো অনুষ্ঠানত অৰ্ন্তভূক্ত হোৱাটোৱে নিজৰ যোগ্যতাক প্ৰতিপন্ন নকৰে। ই কেৱল নিজকে নিম্ন জাতিৰ ব্যক্তি হিচাপে আনৰ আগত পৰিচয় কৰাই দিয়াৰ লগতে সেই জাতিৰ বাবে সংৰক্ষিত আসনত অন্তভূৰ্ক্ত হোৱাৰ সুবিধা দিয়ে।

ভাৰতত শ্ৰেণী সংৰক্ষণ ব্যৱস্থাই বৰ্তমান গোলকীকৰণৰ যুগত শ্ৰেষ্ঠতম যোগ্যতাক প্ৰতিপন্ন কৰিব পৰা নাই। ভাৰতবৰ্ষত বিকাশৰ বাবে বৰ্তমান সময়ত কাৰ্যক্ষম তথা যোগ্য ব্যক্তিৰ প্ৰয়োজন, কিন্তু শ্ৰেণী সংৰক্ষণ ব্যৱস্থাই যোগ্য ব্যক্তিক বঞ্চিত কৰি অহা দেখা যায়। গতিকে ভাৰতবৰ্ষত ভৱিষ্যতৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰেণী সংৰক্ষণ ব্যৱস্থাৰ জৰিয়তে যোগ্য ব্যক্তিক বঞ্চিত কৰা ব্যৱস্থাৰ বিলোপ সাধন কৰিব লাগে। আমেৰিকা যুক্তৰাষ্ট্ৰতো এনে এটা সংৰক্ষণ ব্যৱস্থা আছিল যদিও বৰ্তমান সময়ত এই সংৰক্ষণ ব্যৱস্থাৰ বিলোপ সাধন কৰা হৈছে। অৱশ্যে পিছপৰা শ্ৰেণীৰ লোকৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰতশিক্ষানুষ্ঠান আৰু কৰ্মক্ষেত্ৰত নিযুক্তিৰ ক্ষেত্ৰত অন্য যুক্তিৰ সহায় লোৱা হয় যিটোৱে সামাজিক অসমতাৰ সৃষ্টি কৰা পৰিলক্ষিত নহয়।

**সামৰণি ঃ**

উচ্চ জাতিয়ে হওঁক বা নিম্ন জাতিয়ে হওঁক, পুৰুষেই হওঁক বা মহিলাই হওঁক প্ৰত্যেকৰে মাজতঅৰ্থনৈতিক অসমতা আছে বা প্ৰত্যেকজন লোকো শিক্ষিত নহয়। তাৰ পৰিৱৰ্তে বৰ্তমান সমাজখন ধনী আৰু দুখীয়া এই দুই ভাগতহে বিভক্ত।গতিকে ভাৰতীয়সমাজৰ এই অসমতা দূৰ কৰিবলৈ চৰকাৰে অৰ্থনৈতিকভাৱে দুৰ্বল ব্যক্তিসকলক শিক্ষা বা কৰ্মক্ষেত্ৰত নিযুক্তিৰ ক্ষেত্ৰত মেধাৰ ভিত্তিত প্ৰাধান্য দিয়া উচিত যাতে কোনো যোগ্য ব্যক্তি ইয়াৰ পৰা বঞ্চিত নহয়। উচ্চ জাতিৰ অৰ্থনৈতিক ভাৱে দুৰ্বল একাংশই মতপোষণ কৰিছে যে "Reservation policy is a revenge taken by our past and future" গতিকে সমাজৰ পিছপৰা সকলৰ বাবে সৃষ্টি হোৱা এই শ্ৰেণী সংৰক্ষণ ব্যৱস্থাই বৰ্তমান আৰু ভৱিষ্যতে ভাৰতবৰ্ষত অধিক অসমতাৰ সৃষ্টি কৰাৰ সম্ভাৱনাই অধিক। যেতিয়া সৰ্বভাৰতীয় চিকিৎসা সেৱা পৰীক্ষা বা কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠানৰ প্ৰৱেশ পৰীক্ষাত সাধাৰণ শ্ৰেণীৰ মেধাৱী শিক্ষাৰ্থী এজনে সৰহসংখ্যক নম্বৰ লাভ কৰিও উচ্চ শিক্ষাৰ এনে অনুষ্ঠানত নামভৰ্তি কৰিব নোৱাৰে,তাৰ বিপৰীতে তাতকৈ আধা সংখ্যক নম্বৰ লাভ কৰা পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থী এজনে যেতিয়া এনে অনুষ্ঠানত উচ্চ শিক্ষাৰ সুবিধা লাভ কৰে, তেনে ক্ষেত্ৰত মেধাৱী শিক্ষাৰ্থী এজন স্বাভাৱিকতে হতাশ হ'ব। ইয়াৰ ফলত সমাজতঅসমতাৰ সৃষ্টি হয়। বৰ্তমান সময়ত শ্ৰেণী সংৰক্ষণৰ সুবিধা থকাৰ ফলত এনে ধৰণৰ অসমতাৰ সৃষ্টি হোৱা দেখা যায়। গতিকে ভৱিষ্যতে ভাৰতত অসমতামুক্ত এখন সমাজ গঢ়িবলৈ শ্ৰেণী সংৰক্ষণ ব্যৱস্থাৰ বিলোপ সাধন কৰি অন্য ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰাসংগিকতা নিশ্চয় আছে।

*(বাৰ্ষিক কলেজ সপ্তাহৰ প্ৰবন্ধ প্ৰতিযোগিতাৰ নিৰ্বাচিত শ্ৰেষ্ঠ প্ৰবন্ধ)*

# দেশৰ অখণ্ডতা, সংহতি আৰু যুৱপ্ৰজন্ম

টুলুমণি গগৈ
অসমীয়া বিভাগ
প্ৰাক্তন ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়




"দেশৰ অখণ্ডতা আৰু সংহতিত ছচিয়েল নেটবৰ্কিং" -ছচিয়েল নেটৱৰ্কিং হৈছে এক যোগাযোগ ব্যৱস্থা। ইন্টাৰনেটৰ জৰিয়তে ইয়াক পাব পাৰি। এই অভিনৱ যোগাযোগ ব্যৱস্থাৰ সহায়ত বিশ্বৰ বিভিন্ন স্থানত থকা লোকৰ লগত যোগাযোগ স্থাপন কৰিব পাৰি। ছচিয়েল নেটৱৰ্কিং ব্যৱস্থাটো সম্প্ৰতি সৰ্বাধিক চৰ্চিত আৰু জনপ্ৰিয়। দেশৰ অখণ্ডতা আৰু সংহতি ৰক্ষাত ইয়াৰ ভূমিকা নুই কৰিব নোৱাৰি।

'ছচিয়েল নেটৱৰ্কিং'ৰ সুবিধা প্ৰদান কৰা ৱেবচাইটবোৰৰ ভিতৰত ফেচবুক, টুইটাৰ, হাই ফাইদ, লিংকড ইন আদি বৰ্তমান সময়ত অধিক জনপ্ৰিয়। যিকোনো ৱেবছাইটৰ সদস্য হৈ সেই ছাইটৰ অন্তৰ্গত অন্যান্য সদস্যসকলৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰে, ভাৱ বিনিময় কৰিব পাৰে। ইয়াৰো পৰি ইয়াৰ অন্তৰ্গত সদস্যসকলৰ সৈতে বিভিন্ন বিষয়ত আলোচনা কৰিব পাৰে, মন পছন্দৰ চাইটৰ সদস্য হ'ব পাৰে, নিজৰ একাউন্টত ভিডিঅ' এলবামৰ চাব পাৰে। প্ৰকৃত সময়ত সদস্যসকলৰ সৈতে যোগাযোগ স্থাপন কৰিব পাৰে, সাহিত্য সংস্কৃতি, চলচিত্ৰ, ব্যৱসায় বাণিজ্য আদি বিভিন্ন বিষয়ত জ্ঞান অৰ্জন কৰিব পাৰে। ইয়াৰ সদস্যসকলে আখৰ টাইপ কৰি মনৰ ভাৱ প্ৰকাশ কৰে যদিও ৱেবমেকৰ দ্বাৰা ভিডিঅ' ছবি প্ৰেৰণৰ বাবে দৃশ্য-শ্ৰব্য মাধ্যমো ব্যৱহাৰ কৰিব পাৰে। ছচিয়েল নেটবৰ্কিং ব্যৱস্থাই ভৌগোলিক পৰিসীমা নিৰ্বিশেষে এক গোলকীয় সমাজ গঢ়ি তোলাত সহায় কৰে। ইন্টাৰনেটৰ মাধ্যমত ছচিয়েল নেটবৰ্কিংৰ ছাইট সমূহৰ সদস্যৰ মাজত যি সামাজিক যোগাযোগ ব্যৱস্তাৰ সৃষ্টি হৈছে সেয়াই ছচিয়েল নেটৱৰ্ক। বৰ্তমান সময়ত ইন্টাৰনেটৰ সুবিধা গ্ৰহণ কৰা কোটি কোটি লোকৰ মাজত ছচিয়েল নেটৱৰ্কিং নামৰ ব্যৱস্থাটোৱে প্ৰায় প্ৰতিদিনেই অভিনৱ সংযোজনৰ দ্বাৰা সমৃদ্ধ হৈ উঠিছে।

'ছচিয়েল নেটবৰ্কিং'ৰ জৰিয়তে সদস্যসকল ব্যক্তিগতভাৱে লাভৱান হোৱাৰ উপৰি ইয়াৰ যোগে তেওঁলোকে সামাজিক দায়বদ্ধতাও পূৰণ কৰিব পাৰে। সুচিন্তিত আৰু ভাল মনৰ মানুহৰ দ্বাৰা গঠিত এটা ছচিয়েল নেটৱৰ্ক সদস্যসকলক আৰু সামগ্ৰিকভাৱে সমাজখনক বিভিন্ন ধৰণে সহায় কৰিব পাৰে। অভিনৱ এই যোগাযোগ ব্যৱস্থাটোৰ প্ৰতি আকৰ্ষিত হৈ ইতিমধ্যে বিশ্বৰ বিভিন্ন বৃত্তিধাৰী আৰু সমাজৰ বিভিন্ন স্তৰৰ লোক ইয়াৰ সদস্য হৈ পৰিছে। এই ব্যৱস্থাত মনে মিলা বন্ধু পাবলৈ সুবিধাজনক। ব্যক্তিগত পৰ্যায়ৰ আলাপ আলোচনাই হওঁক আজৰি পৰৰ ধেমেলীয়া কথা বাৰ্তাই হওঁক কোনো

সমস্যা সম্পৰ্কীয় আলোচনাই হওঁক, সামাজিক বিষয়ৰ আলোচনাই হওঁক, সেয়া চৰ্চা কৰিবলৈ যিকোনো সময়তে এজন সদস্য লগ পোৱা যায়েই। ইয়াৰ যোগে গঢ়ি উঠা জনজাগৰণে সমাজখনক যথেষ্ট উপকৃত কৰিছে আৰু দেশৰ অখণ্ডতা, সংহতি স্থাপনতো সহায় কৰিছে।

বৰ্তমান সময়ত ইণ্টাৰনেট ব্যৱস্থাৰ জৰিয়তে ছচিয়েল নেটৱৰ্কিংকতে বিভিন্ন অগণন লোকৰ দৈনন্দিন জীৱনযাত্ৰাত অভাৱনীয়ভাৱে প্ৰভাৱ বিস্তাৰ কৰিচে। ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত ছচিয়েল নেটৱৰ্কিংতে লক্ষণীয়ভাৱে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ছচিয়েল নেটৱৰ্ক ছাইটৰ প্ৰফাইল পঢ়িয়েই বহু নিয়োগকৰ্তাই পছন্দৰ কৰ্মীজন বাছনি কৰি নিযুক্তি দিছে। দূৰত থকা আপোনজনৰ সৈতে বিনামূলীয়াকৈ যোগাযোগ ৰক্ষা কৰাত এই যোগাযোগ ব্যৱস্থাই উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। বিশ্ব বিভিন্ন স্থানত কৰ্মৰত বন্ধু-বান্ধৱীৰ সৈতে একেলগে আড্ডা দি বন্দুত্বৰ বান্ধোন সুদৃঢ় কৰাৰ ক্ষেত্ৰটো ছচিয়েল নেটৱৰ্ক অদ্বিতীয় বুলি বিবেচিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যসূচীৰ নুবুজা কথাটো সেই বিষয়ত অভিজ্ঞ জনৰ সৈতে এই যোগাযোগ ব্যৱহাৰৰ জৰিয়তে খৰচি মাৰি বুজি ল'ব পাৰে।

বৰ্তমান সময়ত অত্যাধিক জনপ্ৰিয় এই ব্যৱস্থাই জনগণৰ মাজত সুসম্বন্ধ গঢ়ি তোলাত সহায় কৰিছে। অৱশ্যে বিচাৰিলে বৰফতো ছাগে দাগ ওলাব। সেইবাবে দেখা যায় এই ব্যৱহাৰৰ জৰিয়তে কিছুমান দুষ্ট চক্ৰৰ লোকে অনৈতিক কাৰ্যকলাপৰ যোগে এই অভিনৱ ব্যৱস্থাটোক কলুষিত কৰি তুলিছে। বৰ্তমান সময়ত যি দৰে ইয়াৰ সুপ্ৰভাৱ সমাজত পৰিছে ঠিক সেইদৰে কু-প্ৰভাৱো নপৰা নহয়। ছচিয়েল নেটৱৰ্কৰ জৰিয়তে চিনাকী হৈ পাছত সোঁশৰীৰে লগ ধৰি বহু দুৰ্বিত্তই হত্যা, লুণ্ঠন, ধৰ্ষণ, আদি অমানৱীয় ঘটনাও সংঘটিত কৰিছে। ছচিয়েল নেটৱৰ্কৰ মায়াময় আকৰ্ষণ এৰাব নোৱাৰি কমবয়সীয়া বহু ছাত্ৰ-ছাত্ৰীয়ে ঘন্টাৰ পাছত ঘন্টা বহুমূলীয়া সময় অপচয় কৰিছে। আন এচামে আকৌ প্ৰেমৰ জালেৰে সহজ-সৰল এচামক হাবু ডাবু খুৱাই মানসিকভাৱে বিধ্বস্ত কৰাৰ দৃশ্যও দেখিবলৈ পোৱা যায়। ছচিয়েল নেটৱৰ্কিংৰ বিপক্ষে এনে অলেখ অভিযোগ উত্থাপন হৈ আহিছে। কিন্তু সাৱধানীৰ মৰণ নাই। এই বাণীক সাৰোগত কৰি ক'ব পাৰি যে নিজৰ বিবেকৰ বিৰুদ্ধে নগৈ উচিত বুলি ভবা কাৰ্যহে যদি আমি এই ব্যৱস্থাৰ জৰিয়তে উপভোগ কৰোঁ তেতিয়াহে ইয়াৰ প্ৰকৃত প্ৰয়োগ হ'ব। দুই এজন বেয়া মানুহৰ অসাধু কাৰ্যত এই ফলপ্ৰসু ব্যৱস্থাটো মানুহে বাদ দিব নোৱাৰে। বৰ্তমান সময়ত ই অতি অপৰিহাৰ্য হৈ পৰিছে। বেয়া সকলোতে থাকে। নিজৰ বিচাৰেৰে বেয়া বিলাক একাষৰীয়া কৰি ভাল বিলাক গ্ৰহণ কৰি বাট বোলাটোহে প্ৰকৃত জীৱন। সেইবাবে ছচিয়েল নেটৱৰ্কিংৰ সুপ্ৰয়োগ কৰি আমি আমাৰ জীৱনটো সহজ কৰি তুলিব পাৰি। লগতে দেশৰ অখণ্ডতা, সংহতি স্থাপনত ই আগবঢ়োৱা বৰঙণিৰ কথা ভাবি ইয়াক আমি অপব্যৱহাৰ কৰা উচিত নহয়।

সেয়েহে শেষত ক'ব পাৰি বৰ্তমান মানুহৰ ব্যস্ততাময় মুহূৰ্তত মানুহৰ লগত সম্পৰ্ক স্থাপন কৰি তথা সামাজিক সম্পৰ্ক স্থাপন কৰাত ছচিয়েল নেটৱৰ্কিং যথেষ্ট সহায় কৰিছে। যি দেশৰ সংহতি অখণ্ডতা স্থাপনৰো পৰিচায়ক।।

*Peace Education some dimensions : Peace Education is a training process for developing our positive attitude and behaviours among other. It has several dimensions such as education for war control for develop tolerance in human being for establish positive willingness and unity for international society. Another dimension of Peace Education is for promotion of human right for solving the problem of social discrimination and for promotion of national as well as international understanding and environmental responsibility.*

# PEACE EDUCATION : AND OVERVIEW

**Bornali Lahkar**
Asstt. Professor,
Dept. of Education

In the era of globalisation, there are confusions, conflicts in everywhere for which the society become indiscipline. Majority of us are running behind the materialistic achievement and self happiness. No one is worried about the peace of society. The Preamble of the constitution of UNESCO beautifully emphasis the need for peace in the modern society by stating "Since war begin in the minds of men, it is in the minds of men that the defense of peace must be constituted." In keeping with its mission, UNESCO began the culture of peace programme. But the most significant way of promoting culture of peace is Peace Education which needs to be accepted in all pat of the world, in all societies and countries.

What does Peace Education mean? Peace Education does not simply mean learning about conflicts and how to resolve them peacefully. It should also involve participation of young people in expressing their own ideas and co-operating with each other in order to eliminate violence in our individual lives, in our communities and in our societies. It should be enriched by its cultural and spiritual values together with the universal human values. UNICEF defined Peace Education as "the process of promoting the knowledge, skills, attitudes and values needed to bring about behavioural change that will enable children, youth and adults to prevent conflicts and violence, both over and structural, to resolve conflict peacefully and to create and to create the conditions conducive to peace whether at an interpersonal, intergroup, national and international level."

Peace Education some dimensions : Peace Education is a training process for developing our positive attitude and behaviours among other. It has several dimensions such as education for war control for develop tolerance in human being for establish positive willingness and unity for international society. Another dimension of Peace Education is for promotion of human right for

solving the problem of social discrimination and for promotion of national as well as international understanding and environmental responsibility.

Now, let us have a look why Peace Education is needed? Peace Education is considered as an comprehensive approach to a holistic way of living or living in harmony with other as well as with the nature. It is important to foster changes, so that the world became place for living by reducing violence and universalising human dignity and equality. It is also important to inculcate positive attitude towards religious and moral values and to graps ability in developing the emotional attitude of co-existence and positive attitude toward every human being. Again Peace Education is important to develop constructive behaviour for identifying and dealing with problems effectively and minimize the chances for creating conflicts.

Keeping in view of the importance of Peace Education, National Curriculum Framework (NCF) has proposed peace education in school curriculum to nature the social skills and attitude of students needed for living in harmony with man as will as nature. The Educationists and the policy makers also suggested different methods and programmes. It can be included in the school curriculum by integrating the concept with the context of various subjects like language, science, chemistry, physics, history, geography etc. It can also be imparted to the students through various co-curricular activities like assembly sessions, games and sports, NCC, NSS, Scout& Guides, cultural meets specially music, dance, drama etc. Again the teacher should adopt some innovative methods like co-operative learning, group discussion, peer teaching, story telling, service learning, experimental teaching etc. to impart peace education in school.

We can conclude by saying that Peace is the conceptual truth and universal need for every one and we should try for this by formal and informal education. Various attempts are also taken by UNESCO-UNICEF-INEE (Inter Agency Network for Education in Emergencies) etc. to achieve peace, justice and equality in the society. Let us meet the future with hope, imagination and the willingness to forgo our old thinking and ways which hinder the blossoming of a new culture that us more peaceable.

**References :**


* Dr. Sadhana Goswami
Dr. Meena Kumari Devi : Emerging issues and Education.
* G. Koleswer Prassad &
S.Tint Barbara : Peace Education in India : Academics, Politics and Peace.
* Loreta Navarro Castro
Jasmin Nario Galace : Peace Education : A pathway to a culture of Peace.
* Shruti Anand : The contemporary issues of Peace Education in India.

# অসমীয়াৰ সংজ্ঞা ঃ অসমীয়া কোন?

বৰ্ণালী গগৈ
অসমীয়া বিভাগ
পঞ্চম ষান্মাসিক

সাম্প্ৰতিক অসমৰ প্ৰেক্ষাপটত অধিক চৰ্চিত বিষয় — "অসমীয়া কোন?" অথবা "অসমীয়াৰ সংজ্ঞা কি?" বাতৰিকাকত, দুৰদৰ্শন আদি গণ মাধ্যসমূহ, সভা-সমিতি, আলোচনা চক্ৰ, প্ৰতিবাদী সমদল আদিতো ই এটা বিৰ্তকিত বিষয়। পোন প্ৰথমে 'অসম সাহিত্য সভা'ই উক্ত বিষয়টো উত্থাপন কৰিছিল বুলি জনা যায়। কিন্তু সামগ্ৰিক ধাৰণাৰে, প্ৰতিজন সচেতন নাগৰিকে হয়তো ভাবিছিল 'অসমীয়া কোন?' যি কি নহওক, আহোমসকলৰ আগমনৰ পিছতে 'কামৰূপে' 'অসম' নাম লোৱা আজি কেইবাশ বছৰৰ পাছত, অসমৰ বাসিন্দাই নিজক 'অসমীয়া' হিচাপে পতিয়ন নিয়াবলৈ উঠি পৰি লাগিব লগা হ'ল। 'অসময়ীৰ সংজ্ঞা নিৰূপণ' বিষয়টো একাষৰীয়া কৰি, আৰম্ভ কৰিলে NRC প্ৰ-পত্ৰ পূৰণ, জমাকৰণ আৰু পৰীক্ষণ প্ৰক্ৰিয়া। অসমৰ ৰাইজৰ মাজত এটা ডাঙৰ টৌ হিচাপে NRC, লিগেচি ডাটা, গাঁওবুঢ়াৰ প্ৰমাণ ইত্যাদি শব্দবোৰে তোলপাৰ লগালে। কিন্তু কিয় আমি অসমত থাকিও নিজক প্ৰমাণসহ চিনাকী দিব লগা হ'ল 'অসমীয়া' হিচাপে? কিয় আমি অতবছৰে ভোটাধিকাৰ সাব্যস্ত কৰিও ভোটাৰ তালিকাত বংশধৰৰ নাম বিচাৰি হাবাথুৰি খাব লগা হ'ল? এনে ধৰণৰ না না আনুসংগিক প্ৰশ্নই সকলোকে চুই গ'ল।

'অসমীয়াৰ সংজ্ঞা নিৰূপণ'ৰ প্ৰমাণ উত্থাপন হওঁতে, বিভিন্নজন গণ্য-মান্য ব্যক্তিয়ে নিজস্ব মতামত আগবঢ়াইছিল। তেনে কেইটামান মন্তব্য হ'ল —

ভাষাবিদ ড° ৰমেশ পাঠকে ক'লে, "যি মাতৃভাষা নাজানে, তেওঁ পৃথিৱীৰ একো ভাষাই নাজানে।"

ভাষাবিদ, আগশাৰীৰ গৱেষক ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীৰ মতে, "মাতৃভাষাটো শিকা কালতে বাধাৰ সৃষ্টি কৰা সকলে দেশৰ কি প্ৰগতি কৰিলে?"

আগশাৰীৰ লেখিকা তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° মালিনী গোস্বামীৰ মন্তব্য, "অসমীয়া বুজিদ নোপোৱাসকলে নিজকে ধিক্কাৰ দিয়া উচিত।"

গৱেষক, অধ্যাপক, লেখক ড° উপেন ৰাভা হাকাচামে কৈছে, "এতিয়া আৰু হাত সাবটি বহি থাকিলে নহ'ব।"

উপৰোক্ত আটাইবিলাক মন্তব্যৰ ভিত্তিত 'দৈনিক জনমভূমি' কাকতে এটা সিদ্ধান্ত আগবঢ়াইছিল -"চৰকাৰে অসমীয়া ভাষাক বচাওক, অসমীয়া মাধ্যমৰ বিদ্যালয়তে ইংৰাজী বিষয়ো গুৰুত্বসহকাৰে পঢ়াওক।"

সামগ্ৰিক দৃষ্টিকোণৰ পৰা, 'অসমীয়া কোন?' বিষয়টো পৰিবৰ্দ্ধিত হৈ 'অসমীয়াৰ সংজ্ঞা নিৰূপণ', 'ভূমি পট্টা বিচৰা,' 'NRCৰ দ্বাৰা প্ৰমাণিত', 'খিলঞ্জীয়া', 'খিলঞ্জীয়া অসমীয়া' আদিৰ পৰা গৈ 'অসমীয়া ভাষা' পালেগৈ। 'অসমীয়া ভাষা কোৱা অথবা 'অসমীয়াক সন্মানীয় বিষয়' হিচাপে লোৱা সকলৈ পুতৌজনক দৃষ্টি দিয়া অসমৰ বাসিন্দাই অসমীয়া ভাষাটোৰ বিষয়ে চিন্তা কৰাৰ অৱকাশ পালে।

অসমীয়াৰ সংজ্ঞা নিৰ্দ্ধাৰিণৰ ক্ষেত্ৰত ২০১৫ চনৰ, ১৭ মাৰ্চ তাৰিখে আছুসহ যি ২৬টা জনগোষ্ঠীয় সংগঠনৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল; তাতো (অসম চুক্তিৰ ৬ নং দফা অনুসৰি) "অসমীয়া শব্দটোৱে খিলঞ্জীয়া, খিলঞ্জীয়া অসমীয়াক বুজাইছে" বুলি কোৱা হৈছিল। আকৌ, খিলঞ্জীয়া, খিলঞ্জীয়া

অসমীয়া"ৰ সন্দৰ্ভত 'সদৌ অসম ছাত্ৰ সন্থা' (আছু)ৰ উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই ১৮ জুন, ২০১৫ তাৰিখে শিৱসাগৰ নাট্য মন্দিৰৰ এক বক্তৃতানুষ্ঠানত 'যিসকলে অসমৰ চাৰিসীমাৰ ভিতৰত বাস কৰি অসমীয়া ভাষা বা যিকোনো জনজাতীয় ভাষা (বড়ো, কাৰ্বি, নেপালী, মিচিং আদি) ক'ব পাৰে, তেওঁলোকেই খিলঞ্জীয়া' বুলি স্পষ্টকৈ কয়। কিন্তু এই ক্ষেত্ৰতো প্ৰশ্ন হ'ব পাৰে যে আজি ৬/৭ বছৰ আগত অবৈধভাৱে প্ৰৱেশ কৰি অসমৰ স্থায়ী বাসিন্দা হোৱা সকলেও সল্সলিয়াকৈ 'অসমীয়া' ভাষা ক'ব পাৰে। তেন্তে প্ৰকৃত অসমীয়া কোন?

২০১৫ চনৰ ২ এপ্ৰিলত, অসম বিধানসভাৰ অধ্যক্ষ মহোদয়ৰ প্ৰতিবেদনৰ আধাৰত যি প্ৰতিক্ৰিয়া হৈছিল, তাত অধ্যক্ষ গগৈদেৱে স্পষ্টকৈ এটা কথা কয় যে, ১৯৫১ চনৰ NRC সম্পূৰ্ণকৈ নাই বুলি কিছুমানে চিঞৰি আছে। NRC শিৱসাগৰ জিলাতহে নাই আৰু কাছাৰ জিলাতহে নাই আৰু কাছাৰৰ কেইখনমান গাঁৱৰহে নাই। ইয়াক লৈ কোনো সমস্যা নহয়, কাৰণ ১৯৫২ চনৰ ভোটাৰ তালিকা আছে। কিন্তু ইয়াৰ আধাৰতো ক'ব পাৰি যে নিৰ্বাচন আয়োগৰ গুৰুত্বহীনতা অথবা সৰ্বসাধাৰণ ভোটদানৰ অসচেতনতাৰ বাবেই হওক '৫২ চনতেই ভোটাধিকাৰ সাব্যস্ত কৰা লোকেও ভোটাৰ তালিকাত নিজৰ নাম বিচাৰি নাপায় হতাশাত ভোগা দেখা যায়।

'ভূমিপুত্ৰ'ৰ দিশলৈ চালেও বিভিন্ন সময়ত, বিশেষকৈ অসমত চাহ বাগিচা পতাৰ সময়ত ব্ৰিটিছে অসমলৈ লৈ অনা হাজাৰ হাজাৰ বনুৱা স্থায়ীভাৱে থাকি গ'ল। যিসকলক ভূমি পট্টা দিয়াৰ কথা অসম বা ব্ৰিটিছ চৰকাৰ কোনেও এবাৰো নাভাবিলে, সেইসকল 'শিপাহীন' মানুহৰ দুৰ্দশা কোনে বুজিব? এই আটাইবোৰতে স্পষ্ট সুদোত্তৰ কোনেও হয়তো দিব নোৱাৰিব। গতিকে, 'অসমীয়া কোন' বিষয়টো অতি স্পৰ্শকাতৰ।

যি কি নহওক, ১৯৫১ চনৰ লোকপিয়াল, '৭১ চনৰ লোকপিয়ল বা অসম চুক্তিৰ ৬ নং দফা, ভূমিপুত্ৰৰ নীতি আদিতেই 'অসমীয়াৰ সংজ্ঞা' বিচাৰি পোৱাটো সহজ হৈ থকা নাই। অৱশ্যে, ১৯৫২ চনৰ 'অসম আন্দোলন'ত ৰাইজে সমৰ্থন আগবঢ়োৱা হ'লে হয়তো পৰিস্থিতিয়ে এনে গুৰুতৰ ৰূপ নাপালেহেতেঁন। ইয়াৰ বাবে কাকো পোনপটীয়া ভাৱে জগৰীয়া কৰিব নোৱাৰি। চৰকাৰৰ লগতে আমিও কিছু পৰিমাণে এই ক্ষেত্ৰত দোষী অনুভৱ কৰো। কিয়নো, বৰ্হি দেশৰ বহুতো লোকে অবৈধভাৱে অসমত প্ৰৱেশ কৰে। জেওৰা-জপনাহীন বাৰীৰ দৰে অসমত প্ৰৱেশ কৰা উদং (অবৈধ) জন্তুকেইটাক খেদোৱাৰ সাহসো কাৰো নাই। নৰীয়া গাৰে মোগলক পছুখেদা দিয়া, দেশৰ স্বাৰ্থত নিজৰ মোমায়েকক শিৰচ্ছেদ কৰা 'লাচিত' ইতিহাসৰ এটা চৰিত্ৰ হৈয়ে থাকিল, আদৰ্শ গ্ৰহণ কৰা মানুহ নাইকিয়া হ'ল। এজন-দুজন সাহসী এতিয়াও আছে। কিন্তু 'ৰাইজে নখ জোকাৰিলেহে নৈ বব।' তদুপৰি, একে ৰাতিতে ত্ৰি-ভূৱনৰ অধিকাৰী হোৱাৰ স্বপ্ন দেখা অসমীয়াই অসমীয়া মাধ্যমৰ স্কুলটো বাদেই দিছো ভাষাটোকে মুখত ফুটাব নিবিচাৰে। সেইসকল অসমীয়াকলৈ অনুৰোধ "ভাষাটো অন্ততঃ ক'বলৈ শিকক, নতুন প্ৰজন্মক শিকাওক।"

'অসমীয়া কোন?' বিষয়টোৰ আলোচনা অধিক বিস্তৃত। এটা শেষ নোহোৱা বিষয়। যি কি নহওক, সৰ্বশেষত, 'অসমীয়া কোন?" বুলি উত্থাপিত প্ৰশ্নৰ আগত নিজকে উত্তৰ হিচাপে থিয় কৰাব পৰাকৈ প্ৰতিজন অসমীয়া শক্তিশালী হ'বৰ হ'ল। সচেতনতা, দায়বদ্ধতাৰে নিজৰ ভাষা, মাটি, পানী, সংস্কৃতিক হেঁপাহেৰে পুনৰ আকোঁৱালি লোৱাৰ সময় সমাগত। নৱ-প্ৰজন্ম হিচাপে আমাৰ দায়িত্ব আৰু কৰণীয় আছে। নহ'লে, আমাৰ মুখৰ ভাত বিদেশীয়ে কাঢ়িব, আকৌ এদিন আমি নিজ দেশতে আনৰ কৰতলীয়া হ'ব লাগিব। গতিকে চৰকাৰৰ বৰ্তমান পদক্ষেপ (NRC প্ৰক্ৰিয়া)তো আগ-ভাগ ল'ব লাগিব। আমি দৃঢ় সংকল্পবদ্ধ হ'ব লাগিব, "আমি আধুনিকতাক গ্ৰহণ কৰিম, কিন্তু মাটিৰ খুপনি নেৰো।" সকলোৱে যাতে একমুখে স্বীকাৰ কৰিব পাৰো। "এই দেশ আমাৰ, এই ভাষা আমাৰ, এই সংস্কৃতি আমাৰ, এই সকলোবোৰ অসমৰ, আমি অসমীয়া।"

# চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু গৰীয়সী

অনিন্দীতা কটকী
ইংৰাজী বিভাগ
স্নাতক পঞ্চম ষান্মাষিক

"জাতীয় জীৱনত এনে কোনো নেতা নাই, যাৰ কথা শুনি আমি অভিভূত হ'ব পাৰো। এনে এক নিমজ্জিত অন্ধকাৰত একমাত্ৰ শক্তি হ'ল শব্দ শক্তি"।

শব্দবোৰ তেওঁৰ, অনুভূতিবোৰ আমাৰ। আন্ধাৰ আৰু পোহৰৰ এই দিনবোৰত সাধাৰণৰ মনত দোমোজা ভগুৰ অতপালি, মুখা পিন্ধি সকলো ব্যস্ত আত্মস্বাৰ্থ সিদ্ধিত। অবিশ্বাসৰ বীজবোৰে গজালি মেলে, আপোনৰ মাজতো সন্দেহ আৰু সংঘাতৰ আৱিৰ্ভাৱ হয়। সেয়েহে তেওঁ কৈছিল, 'নৈতিক স্খলন আৰু মূল্যবোধহীনতা ৰোধ কৰিবলৈ দেশৰ প্ৰতি গভীৰ ভালপোৱা আৰু সাহিত্য-সংস্কৃতিৰ পুনৰুত্থান ঘটাব লাগিব।' তেওঁ সপোন দেখিছিল, উত্তৰণৰ আৰু সমাজৰ প্ৰগতিৰ, সহিত্যৰ সৃষ্টি তথা চৰ্চাৰ, তেওঁৰ বাবে কলমেই অস্ত্ৰ, শব্দই শক্তি। মানুহজনৰ নাম চন্দ্ৰ প্ৰসাদ শইকীয়া।

গৰীয়সী, চন্দ্ৰপ্ৰসাদ শইকীয়াৰ অন্য এক অনবদ্য অৱদান। 'ঐতিহ্য' আৰু 'আধুনিকতা' - এই উভয়ৰে প্ৰতি চন্দ্ৰপ্ৰসাদ শইকীয়ৰ সমান প্ৰীতি আছিল। সেয়েহে 'গৰীয়সী' প্ৰথম সম্পাদকীয়ত তেওঁ লিখিছে "অসমীয়া সাহিত্যৰ সেই ধ্ৰুপদী পৰম্পৰাৰ পুনৰুত্থানৰ ঐকান্তিক আশাৰে আমি 'গৰীয়সী' প্ৰকাশত ব্ৰতী হৈছোঁ। আমি এই বিশ্বাসত অটল যে প্ৰৱীন আৰু নৱীন লেখকৰ ৰচনা সম্ভাৰেৰে এই আলোচনী সমৃদ্ধ হ'ব। আধুনিক জীৱনৰ মানুহৰ বিষয়ে মানুহৰ ধাৰণা প্ৰগাঢ় কৰাৰ প্ৰতিশ্ৰুতিৰে নতুন চিন্তা আৰু আংগিকেৰে, এই আলোচনী সম্পাদনা কৰা হ'ব।" ১৯৯৩ চনত 'গৰীয়সী'ৰ সম্পাদনাৰ দায়িত্ব লৈ মৃত্যুৰ সময়লৈকে সেই দায়িত্ব সম্পূৰ্ণ নিষ্ঠা আৰু আন্তৰিকতাৰে পালন কৰি গৈছিল। এই আলোচনীয়ে ১৯৯৫ চনত সৰ্বভাৰতীয় 'কথা' পুৰস্কাৰ লাভ কৰে। ইয়াৰ মাজত তেওঁ 'অসম প্ৰকাশ পৰিষদ'ৰ সচিব ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ সুদক্ষ নেতৃত্বত পৰিষদে প্ৰাণ পাই উঠিছিল। ১৯৭৫ চনৰ এপ্ৰিল মাহৰ পৰা প্ৰকাশ কৰা পৰিষদৰ সাহিত্য আলোচনী 'প্ৰকাশ'ৰ সম্পাদনাও আছিল চন্দ্ৰপ্ৰসাদ শইকীয়াৰ এক অসাধাৰণ কীৰ্তি। তেৱেঁ প্ৰকাশন পৰিষদৰ ৰূপালী জয়ন্তী বৰ্ষৰ ক্ষণত গুৱাহাটীৰ জৰ্জ খেলপথাৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গুৱাহাটীৰ গ্ৰন্থমেলাৰ পাতনি মেলে। গতিকে এক কথাত, অসমত গ্ৰন্থমেলাৰ পাতনিৰে তেওঁ নিশ্চয়কৈ সদা স্মৰণীয়, বিৰল কৃতিত্বৰ অধিকাৰী বক্তি হৈ ৰ'ল।

সু-প্ৰসিদ্ধ কবি, সমালোচক নলিনীধৰ ভট্টাচাৰ্যই লিখিছে, "চন্দ্ৰপ্ৰসাদ কেৱল ঔপন্যাসিক, গল্পকাৰ প্ৰবন্ধকাৰ নহয়, তেওঁ এজন সুদক্ষ সম্পাদকো। আৱাহনৰ সম্পাদক ডাঃ দীননাথ শৰ্মা, ৰামধেনুৰ সম্পাদক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই থৈ যোৱা সম্পাদনাৰ ঐতিহ্য স্মৰণীয়, চন্দ্ৰপ্ৰসাদো সেই ঐতিহ্যৰ দক্ষ উত্তৰাধিকাৰী।" এক কথাত ক'বলৈ গ'লে চন্দ্ৰপ্ৰসাদ শইকীয়াৰ দৰে আলোচনীৰ দক্ষ সম্পাদক পাবলৈ সুদীৰ্ঘ প্ৰতীক্ষাৰ প্ৰয়োজন।

এইখিনিতে উল্লেখনীয় যে 'অৰুণোদই', 'জোনাকী' এই দুখন আলোচনীয়ে অসমীয়া সাহিত্যৰ জগতলৈ এক পৰিৱৰ্তনৰ বাৰ্তা আনিছিল, এক যুগৰ সূচনা কৰিছিল। তাৰ পাছৰ কালছোৱাত অসমীয়া সাহিত্য ক্ষেত্ৰখনৰ দ্ৰুতগতিত হোৱা উন্নতিৰ পাছতো কিয় চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'গৰীয়সী'য়ে এক যুগৰ সূচনা কৰিবলৈ সক্ষম নহ'ল, বুলি একাংশই প্ৰশ্ন কৰে। উত্তৰত এটা কথাই ক'ব পৰা যায় যে যিদৰে সমাজৰ সাহিত্যক্ষেত্ৰ খনলৈ বিভিন্ন লেখকে বৰঙণি যোগাইছে, সাহিত্য জগতখনৰ উন্নতিত হৈছে, সেইদৰে বিজ্ঞান প্ৰযুক্তিৰো বিকাশ

সাধন হৈছে। গোলকীকৰণ, উদ্যোগীকৰণ, নগৰীকৰণৰ প্ৰভাৱত মানুহৰ জীৱন ধাৰণৰ বিস্তৰ পৰিবৰ্তন ঘটিছে। টি.ভি, ৰেডিঅ', মোবাইলৰ পাছত ইণ্টাৰনেটৰ বহুল ব্যৱহাৰ হৈছে। গতিকে জ্ঞান লাভ কৰিবলৈ বা তথ্য সংগ্ৰহ কৰিবলৈ কিতাপেই একমাত্ৰ উপায় হৈ থকা নাই। তেনেক্ষেত্ৰত বহুত আলোচনী কাকত আদি বিক্ৰী নোহোৱাৰ বাবে বিতৰণ বন্ধ হৈ গৈছে। তেনেক্ষেত্ৰত 'গৰীয়সী'য়ে যে বৰ্তমান সময়তো পাঠকৰ আদৰ লাভ কৰিছে, অৰ্থাৎ গোলকীকৰণৰ এই সময়ছোৱাত বৰ্তি আছে সেয়াও লক্ষণীয়। যান্ত্ৰিক সভ্যতাই মানৱ মনৰ আৱেগৰ মাত্ৰা কমায়। এনেক্ষেত্ৰত 'গৰীয়সী'য়ে অসমীয়াৰ হৃদয়ত উমাল অনুভৱ জগাই তুলিবলৈ সক্ষম হৈছে, সমগ্ৰ দেশবাসীৰ মনত সম্প্ৰীতিৰ উদাহৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰি আহিছে। কিন্তু কোনোবা খিনিত 'গৰীয়সী' ব্যৰ্থ হৈছে, কাৰণ আমি ব্যৰ্থ হৈছো। একতাৰ দৃঢ় মনোভাৱৰ পৰিৱৰ্তন ঘটিছে, অসমীয়াৰ সংজ্ঞা বিচাৰি, ঠিকনা বিচাৰি আমি বিবুধিত পৰিছো। আমাৰ নিজৰ মাজত বিভেদভাৱ আছে বাবেই 'গৰীয়সী' ব্যৰ্থ হৈছো। যি দিনাখন হৃদয়ৰ তাগিদাত নিজৰ জাতিটোৰ বাবে, ৰাজ্যখনৰ স্বাৰ্থত আমি ওলাই আহিম, সেইদিনা সংজ্ঞা বিচাৰি, পৰিচয় বিচাৰি দৌৰিবও নালাগে আৰু 'গৰীয়সী'য়েও সফলতাৰ দিশত অগ্ৰসৰ হ'ব।

মানৱ জীৱনত মূল্যবোধৰ গুৰুত্ব শইকীয়াদেৱে ভালকৈ বুজিছিল। তেওঁৰ চিন্তাৰ মাজত এই দিশটো বাৰে বাৰে প্ৰতিফলিত হয়। 'গৰীয়সী'ৰ সম্পাদনাৰ সময়ত তেওঁ নিজহাতে চিঠি লিখি লেখক-লেখিকাসকলক লেখাৰ বাবে আহ্বান কৰিছিল। তেওঁ কেৱল নিজ স্বাৰ্থ পূৰণত গুৰুত্ব দিয়া নাছিল, অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ বাবে নৱপ্ৰজন্মৰ মাজৰ পৰা লেখক-লেখিকাৰ জন্ম হোৱাটোত গুৰুত্ব দিছিল। সমগ্ৰ জাতি বা দেশবাসীৰ উন্নতিৰ চিন্তা কৰা মানুজনৰ বুকুত আছিল মানৱতাৰ গুদামঘৰ, অভাৱ নাছিল স্নেহৰ, সহযোগিতাৰ প্ৰবন্ধকাৰ অংকুৰ ডেকাই 'লেখক স্ৰষ্টা চন্দ্ৰপ্ৰসাদ শইকীয়া' প্ৰবন্ধটিত লিখিছিল, 'চন্দ্ৰপ্ৰসাদ শইকীয়া'ৰ মুকুতা যেন আখৰকেইটাৰ সেই চিঠিখন আমাৰ বাবে যেন 'পৰাপাথৰ' হে আছিল। তেওঁৰ লেখনিয়ে উদ্ভাসিত কৰে চন্দ্ৰপ্ৰসাদ শইকীয়াৰ মহান ব্যক্তিত্ব আৰু সম্পাদক পদৰ যোগ্যতা।

সৌৰভ কুমাৰ চলিহাই 'চন্দ্ৰপ্ৰসাদ প্ৰসংগ' শীৰ্ষক ৰচনাখনত লিখিছিল, "অসমীয়া নিৰন্তৰ নতুন নতুন লেখা ওলাওক, লেখক-লেখিকা ওলাওক, কিতাপ ওলাওক সেয়ে যেন তেওঁৰ জীৱনৰ লক্ষ্য।" সম্পাদকৰ কালছোৱাত লেখা বিচাৰি জনোৱা আহ্বানত নবীন-প্ৰবীণ সকলোৱে উৎসাহেৰে সহাঁৰি দিবলৈ বাধ্য হৈছিল। শইকীয়াই ছখন কাকত আলোচনী সম্পাদনা কৰিছিল অতি নিষ্ঠাৰে আৰু অতি শৃংখলিত ভাৱে।

চন্দ্ৰপ্ৰসাদ শইকীয়া ১৯৯৯ চনৰ ১৭ ফেব্ৰুৱাৰীৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ হাজো সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চষষ্ঠীতম অধিবেশনৰ সভাপতি আছিল। সভাপতি আসনৰ পৰাই তেওঁ ৰাইজক উদ্দেশ্য দিয়া ভাষণত কৈছিল, "অসমৰ মানুহক প্ৰৱঞ্চনা কৰা, উপেক্ষা কৰাৰ মনোভাৱ সৰ্বভাৰতীয় ক্ষেত্ৰত প্ৰকট হোৱাৰ যথেষ্ট প্ৰমাণ আছে। এইক্ষেত্ৰত অসমক ৰক্ষা কৰাৰ দায়িত্ব অসমৰ মানুহৰ নিজৰ .......।" ৰামচন্দ্ৰৰ মুখৰ বাণী, 'জননী জন্মভূমি স্বৰ্গাদপি গৰীয়সী' এই বাক্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁ সাহিত্য জগতলৈ অৱদান আগবঢ়াইছিল আৰু সমাজখনক আগুৱাই নিবলৈ চেষ্টা কৰিছিল।

এই কথাত কোনো দ্বিধা নাই যে শিল্প আৰু শিল্পী, সাহিত্য আৰু সাহিত্যিকৰ মৃত্যু নহয়। জনতাৰ হৃদয়ত বৈ যায়। গতিশীল সময়ে শৈশৱক এদিন যৌৱনলৈ, যৌৱনক বৃদ্ধকাললৈ পৰিৱৰ্তিত কৰে। খালী হাতে জনম লোৱা মানুহবোৰ খালী হাতে যায়গৈ। উভটনি যাত্ৰাত লৈ নাযায় ধন, সোণ, মান সন্মান অথবা সফলতা, জনপ্ৰিয়তাবোৰ। মাথো সাঁচ থাকি যায় বুকুত, তৰুণৰ মাজত পোহৰ পোহৰ ৰেঙণিৰ মাজত, সেয়েহে পৰৰ চিন্তাকৰা মানুহবোৰ অমৰ হয়, সময়ে কাঢ়ি নিয়ে মাথো বাস্তৱ স্থিতি পদ্মভূষণ বঁটাপ্ৰাপ্ত, গৰীয়সীৰ প্ৰতিষ্ঠাপক সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াই ২০০৬ চনৰ ৮ আগষ্টত মৃত্যুবৰণ কৰে।

কৰ্মই জীৱন বোলাজনৰ মৃত্যুয়ে লৈ যাব নোৱাৰে সাধাৰণ গৰিমা। 'গৰিয়সী'ৰ বুকুত, তেওঁৰ সৃষ্টিৰ মাজত জিলিকি থাকিব এই নাম, চন্দ্ৰপ্ৰসাদ শইকীয়া।

# পাৰিৱেশিক অধ্যয়ন হিচাপে ভূগোল

স্বাগতা বৰুৱা
স্নাতক পঞ্চম যান্মাসিক
ভূগোল বিভাগ

সাম্প্ৰতিক কালৰ চিন্তাচৰ্চা আৰু আলোচনা আদিত সঘনে উচ্চাৰিত হোৱা এটা বিষয় হৈছে পৰিৱেশ। এই শব্দটি ব্যৱহাৰ অতি পুৰণি কালৰ পৰা চলি আহিছে যদিও সম্প্ৰতি শব্দটোৱে বিশেষ প্ৰাসংগিকতা লাভ কৰা দেখা গৈছে। ভূগোল বিষয়টোৰ পৰিসৰ অতি ব্যাপক।

বহল অৰ্থত পৰিৱেশ শব্দটোৱে কোনো জীৱ বা জীৱ সম্প্ৰদায়ৰ কেউটাৰ অৱস্থাকে বুজায় অৰ্থ্যাৎ যিবিলাক উপাদানৰ ওপৰত জীৱৰ স্থিতি আৰু বিকাশ নিৰ্ভৰ কৰে এই সকলোকে সামৰি লোৱা হয়। এই উপাদানবোৰ জীৱ আৰু জড় উভয় প্ৰকাৰৰ। অৰ্থাৎ কোনো জীৱ বা জীৱসম্প্ৰদায়ৰ বাবে বা প্ৰয়োজনীয় প্ৰৱেশ আৰু তাৰ কেউকাষৰ জীৱ আৰু জড় উপাদানবোৰ পাৰস্পৰিক ক্ৰিয়াৰ যোগেদি ৰচনা কৰে।

ভৌগোলিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে পৰিৱেশৰ অৰ্থ অতি ব্যাপক। প্ৰথম পৰ্যায়ত ই সমগ্ৰ পৃথিৱীৰ পৰিৱেশকে বুজায়। গোলকীয় পৰ্যায়ত পৰিৱেশে এটা বিশাল আৰু জটিল তন্ত্ৰ হিচাপে কাম কৰি আছে। এই বিশাল তন্ত্ৰৰ ভিতৰত প্ৰতিখন ঠাইৰ নিজস্ব পৰিৱেশ অন্তৰ্ভুক্ত হৈ আছে।

পৃথিৱীৰ পৰিৱেশৰ উপাদানসমূহ চাৰিটা বিশেষ মণ্ডলৰ অন্তৰ্গত। এই চাৰিটা মণ্ডলৰ প্ৰত্যেকৰে সুকীয়া অস্তিত্ব আছে যদিও ইটো সিটোৰ লগত প্ৰাকৃতিকভাৱে সম্পৰ্কিত। পাৰিৱেশিক ভূগোল, এটা নতুনকৈ গঢ়ি উঠা উপভাগ হ'লেও ইয়াত ইয়াৰ অধ্যয়ন কৰিবলগীয়া বিষয়বস্তুৰ ক্ষেত্ৰ বহল অৰ্থাৎ পৰিৱেশিক ভূগোলৰ অধ্যয়ন ক্ষেত্ৰ প্ৰশস্ত।

**স্থলমণ্ডল ঃ-** (Lithosphere) শিল, বালি, মাটি আদিৰ দ্বাৰা গঠিত পৃথিৱীৰ স্থলভাগকে স্থলমণ্ডল বুলি কোৱা হয়। এই মণ্ডলেপৃথিৱীৰ আটাইকেইখন মহা দেশকে সামৰি লয়। এই মণ্ডলৰ ভিতৰত পাহাৰ-পৰ্বত,মালভূমি, সমভূমি, নদী, উপকূল আদি পৰে। এই মণ্ডলে পৃথিৱীত পিঠিৰ প্ৰায় ২৯ নং শতাংশ আগুৰি আছে।

**জলমণ্ডলঃ-** (Hydrosphere) পৃথিৱীৰ পিঠিত থকা সাগৰ মহাসাগৰৰ দ্বাৰা জলমণ্ডল গঠিত। স্থলমণ্ডলৰ ভিতৰত থকা নদ- নদী, খাল, বিল, হ্ৰদ আদি জলাশয়তবোৰ জলমণ্ডলৰ অন্তৰ্গত। এই মণ্ডলে ৭১ শতাংশ আগুৰি আছে।

**বায়ুমণ্ডল ঃ-** (Atmosphere) ভু-পৃষ্ঠৰ পৰা ক্ৰমে ওপৰত বিয়পি আছে গেছীয় পদাৰ্থৰ এই ডাঠ তৰপটো। বায়ুমণ্ডল ভু-পৃষ্ঠৰ পৰা প্ৰায় ৪৮০ কিলোমিটাৰ উচ্চতালৈ বিয়পি আছে।

**জীৱমণ্ডল ঃ-** (Biosphere) মহাসাগৰৰ ১০ কি'লমিটাৰ গভীৰতাৰ পৰা সমুদ্ৰপৃষ্ঠলৈ আৰু সমুদ্ৰপৃষ্ঠৰ পৰা স্থলভাগকে ধৰি ১০ কি'লমিটাৰ উচ্চতালৈ ধৰা পৃষ্ঠত জীৱ আছে। সমুদ্ৰৰ দহ কিলোমিটাৰ উচ্চতালৈ অধিক উষ্ণতাত জীৱৰ কাৰণে আৱশ্যকীয় বিভিন্ন বাস্প, জলীয় ভাপ, সূৰ্যৰ আলোক, তাপ আদি পৰিমিত পৰিমাণত পোৱা নাযায়। গতিকে ধৰাপৃষ্ঠত জীৱ স্থায়ীভাৱে বৰ্তি থাকিব পৰা এই (১০+১৪) = ২৪ কি.মি পৰিসৰৰ স্তৰ এটাহে আছে। ইয়াকে জীৱমণ্ডল হয়।

এই চাৰিওটা মণ্ডল পৰস্পৰ নিৰ্ভৰ্শীল। ইহঁতৰ মাজত চলি অহা আন্তঃক্ৰিয়াৰ ফলতেই পৃথিৱীৰ পৰিৱেশ গঢ়ি উঠিছে। কেউটা মণ্ডলৰ অন্তৰ্গত অজস্ৰ উপাদানে পাৰস্পৰিক সম্পৰ্কিত এক জটিল জালিৰ যোগেদি ক্ৰিয়া কৰি পৃথিৱীত পৰিৱেশক বৰ্ত্তমান ৰূপ দিছে।

# Burnt not scarred

**Nawab Tabassum Yasmin**
B.A. 3rd Sem.
English Dept.




"If burning is your culture, then from ashes we rise."

This is what Laxmi has to say about the brutality meted out to her. It was not many years ago when Laxmi had to face one of the worst form of crime - acid attack and all this for a mere rejection. She was out for her school when a person who was double of her age threw acid on her. The reason behind this inhuman act was rejected Laxmi was brave enough to reject a proposal of love given by the attacker and the next day the found herself burnt with acid and skin dripping off her like molten plastic. But Laxmi was not a piece of plastic that could be melted with the heat of acid. She was indeed an unbreakable diamond. When most of other such acid attack victims would lose hope and shut themselves away in some room Laxmi emerged as a ray of light. Being a victim now the knew the social rejection and the mental trauma that the acid attack victims undergo. She started an organisation to reach out to the millions of girls who have faced this worst form of brutality. It was her effort that helped those victims who were churned by others to shine. They were not victims but survivors. Her undying spirit and extraordinary courage was acknowledged even by the First lady of America, Michell Obama. She was awarded for her mental strength and courage.

Laxmi Agarwal is not just and evidence of the patriarchal attitude of our society where a woman is always considered inferior to man but she is also a shining example of and Indian women who never accepts defeat. She is a fighter who stands up to every criminal who terrorizes a woman, who burns her body or her face. Her story seems to echo the voice of every girl who believes she has the freedom to fly. You can burn us but can never scar our souls. Burn us, turn us into ashes and we will rise up like the smoke and triumph over you.

# মাতৃ সেৱা বিশ্বৰ সবাতোকৈ শ্ৰেষ্ঠ ধৰ্ম



ভাগ্যলক্ষ্মী নেওগ
স্নাতক পঞ্চম ষাণ্মাষিক
ইংৰাজী বিভাগ

'মা' এটা শক্তিশালী শব্দ, যি টোৰ মাজত মৰম স্নেহ,ভালপোৱা, ধৈৰ্য্য, সাহস, ত্যাগ,সহ্য, আদি সকলো গুণ নিহিত হৈ আছে। 'মা' এনেকুৱা এটা মহান শব্দ, যিটো এটা কেচুৱাই প্ৰথম মাত ফুটুতেই কয় আৰু তাৰ পিছতহে আন শব্দ ক'বলৈ শিকে। 'মা' অৰ্ন্তযামী, মুখ মেলিলেই যি গৰ্ভ দেখে, যি সকলো দুখ কষ্ট সহ্য কৰিও আমাক সুখ দিবলৈ সদায় চেষ্টা কৰে।

"আইৰ সমান হ'ব কোন?
নৈৰ সমান বব কোন?"

সচাঁকৈ আইৰ সমান কোনা হ'ব নোৱাৰে। মাতৃ সেৱাই হৈছে পৰম ধৰ্ম। মানুহে চাকৰি কৰে, বিনিময়ত পইচা পায়। কিন্তু মাতৃৰ চাকৰিয়ে বিনিময় নিবিচাৰে। বিভিন্ন বিপদৰ সন্মুখীন হৈ ১০ মাহ গৰ্ভত ধাৰণ কৰি জন্ম দিলেও সন্তানৰ মুখ দেখি সকলো দুখ কষ্ট পাহৰি যায়। সন্তানৰ সকলো ইচ্ছা পূৰণ কৰে। নিজকে সলনি কৰে সন্তান বা স্বামীয়ে বিচৰাৰ দৰে। তাৰ পিচতো দৰমহা নিবিচাৰে। আমি নিজকে ভাগ্যৱান বুলিব পাৰো। কাৰণ এই পৃথিৱীত কেৱল মনুষ্যইহে "মাতৃ ধৰ্ম" পালন কৰিব পাৰে। কিন্তু অতি দুখৰ বিষয় যে কিছুমান মায়াত বন্দী হৈ আমি নিজৰ 'মা'কো চিনি নোপোৱা হওঁ। বৃদ্ধ কালত শুশ্ৰূষা কৰিবলৈ টান পাওঁ, আনকি কিছুমানে নিজৰ মাকক মাৰিবলৈও কুণ্ঠাবোধ নকৰে। মাকে এই সকলো দুখ সহ্য কৰিব, কিন্তু নিজৰ গৰ্ভৰ সন্তানটিক দোষীৰ দৃষ্টিৰে চাব নোৱাৰে।

'মাক' সদায় বাঘিনী। সকলো বিপদৰ সন্মুখীন হৈ সন্তানক নিৰাপদ আশ্ৰয় দিব পাৰে। সেইবাবেই হয়তো স্বয়ং ভগৱানেও 'মাক'ৰ বুকুৰ পৰা সন্তানক কাঢ়ি নিবলৈ শ শ বাৰ ভাবিব লাগে।

আজি যদি এগৰাকী মাতৃৰ থকা ঘৰ এটিও নাথাকে, তথাপি তেওঁ সন্তানৰ গাত ৰ'দ বৰষুণ পৰিবলৈ নিদিয়ে। কিন্তু যেতিয়া সেই সন্তান ডাঙৰ হ'ব, পইচা পাতিৰে নদন বদন হ'ব, সেই মাতৃক এবাৰ চাবলৈও সময়ৰ অভাৱ ঘটিব। যি গৰাকী মাতৃয়ে এসময়ত সন্তানটোক অকণমান দুখ পাব বুলি ৰ'দ বৰষুণতো বিপদৰ সৈতে যুঁজিবলৈ থিয় দিছিল, সেইগৰাকী মাতৃকে সন্তানে নিজৰ অট্টালিকাত থাকিবলৈ অকণমান ঠাই দিব নোৱাৰে। বৰঞ্চ ঘৰৰ পৰা আঁতৰাই বৃদ্ধাশ্ৰমত ৰখাৰ ব্যৱস্থা কৰে। যি গৰাকী মাতৃয়ে নিজৰ সন্তানৰ সদায় ভাল হোৱাটো কামনা কৰে, সফলতাত গৌৰান্বিত হয়, সেইগৰাকী মাতৃকে বৃদ্ধাৱস্থা পালে, সন্তানে "এইয়া মোৰ 'মা' বুলি চিনাকী দিবলৈ লজ্জা অনুভৱ কৰে।

Nissim Ezekiel ৰ "Night of the Scorpion" নামৰ কবিতাটোত এটা বৃশ্চিকে তাৰ বিষাক্ত বিষখিনি অকস্মাত মাকৰ ভৰিত ঢালি দিয়ে, যাৰ ফলত ....... মাকে বিষত টট্ নাপায় চট্ফটাই ফুৰে আৰু মাটিত বাগৰি পৰে। বহুত জৰা ফুকা আৰু বেজ বেজালিৰ অন্তত কমেও ২০ ঘন্টাৰ পাছত তেওঁ সুস্থ হয় আৰু ক্ৰমে আৰোগ্য হৈ উঠে। তেওঁ ভগৱানক ধন্যবাদ জনাই আৰু শেষত অকল এষাৰেই কয়—

"Thank God the Scorpion picked on me
and speard my children

কাৰণ, তেওঁ এগৰাকী "মাতৃ"। 'মা' তুমি সঁচাকৈ এগৰাকী মহান দেৱী।..................

# জীৱন জীৱন বৰ অনুপম

সুনীতা বৰগোহাঁই
স্নাতক তৃতীয় ষান্মাষিক
উদ্ভিদ বিজ্ঞান বিভাগ

জীৱন কি? জীৱনৰ প্ৰকৃত অৰ্থ কি? আমি প্ৰায় ভাগেই এই দুয়োটা প্ৰশ্ন জানো আৰু বুজি পাওঁ। কিন্তু প্ৰতিজন মানুহৰে চিন্তা, বিবেক বিশ্লেষণ সুকীয়া সুকীয়া। তাৰ ভিতৰত কেইজনমানৰ বিশ্লেষণে কাৰোবৰ অন্তৰত গভীৰ ৰেখা পাত কৰে। আঁচলতে জীৱন নামৰ শব্দটোতেই অন্তনিৰ্হিত হৈ আছে হাজাৰ হাজাৰ অনুভৱ বেদনাৰে ভৰপূৰ এখন কল্পনা কৰিব নোৱাৰা পৃথিৱী। সচাঁকৈয়ে "জীৱন জীৱন বৰ অনুপম।"



জীৱনটোক ভলদৰে বুজাৰ আগতেই আমি জীৱন কটাবলৈ প্ৰস্তুতি চলাওঁ। সেই জীৱন আৰু সময়ে আমাক এখন চলন্ত বাছৰ দৰে গতি কৰিবলৈ বাধ্য কৰাই। আমি গতিশীলতাক কেন্দ্ৰ কৰি অগ্ৰসৰ হওঁ কিছুমান নিত্য নতুন স্বপ্নক সাৱোগত কৰি। এবাৰ আৰম্ভ কৰা যাত্ৰা আৰু যেন শেষেই নহয়। জীৱনৰ বাটত আমি বহুতো জ্ঞান বুদ্ধি সফলতা বিফলতা সুখ দুখ সন্মান অসন্মান গৌৰৱ গৰিমা কালিমা আদি সকলোবোৰ অৰ্জন কৰো। আমি যাত্ৰা কৰা পথটো সকলো সময়তে শুদ্ধ আছিল বুলি আমি আনক পতিয়ন নিয়াব পৰাকৈ বুদ্ধি অৰ্জন কৰিব পাৰো। কিন্তু সেই যাত্ৰাটো সকলো মুহূৰ্ততে সৎ আৰু নিঃস্বাৰ্থ জড়িত আছিল বুলি ক'ব পৰাকৈ আমি নিজৰ সন্মুখত নিজে বিনাদ্বিধাই থিয় দি ক'ব নোৱাৰো। এয়াই হৈছে আমাৰ মানসিক দৃষ্টিভংগী। আমাৰ গতিশীল যাত্ৰাৰ পথত গভীৰভাৱে বিচাৰ বিশ্লেষণ কৰি সুস্থিৰভাৱে চিন্তা চৰ্চা কৰাৰ সমস্যা নাথাকে। জীৱনক গতি ধৰ্ম্মী কৰি তুলিবলৈকে কৰ্মময় জীৱন যাপন কৰিবই লাগিব। কৰ্ম কৰাই জীৱনৰ প্ৰধান কৰ্তব্য বুলি উপলব্ধি কৰিব পৰাজনেহে জীৱনত সুখী হ'ব পাৰে। এনে অৰ্থতে থিউদৰ পাৰ্কাৰ নামৰ চিন্তাবিদ গৰাকীয়ে কৈছে "Who escape duty voids a gain" এই কথাষাৰ মন কৰিবলগীয়া। যি কৰ্তব্যৰ পৰা আঁতৰি থাকে তেওঁ প্ৰাপ্তিৰ পৰাও বঞ্চিত হয়।আমাৰ বেছিভাগৰে জীৱনৰ অৰ্থ হ'ল ব্যক্তিগত সফলতাৰ পাছত দৌৰি দৌৰি যি কোনো কৌশলৰে

আনক চেৰ পেলাই আগবাঢ়ি যাবলৈ কৰা এটা অতি হাস্যকৰ প্ৰচেষ্টা যিটোও আমি প্ৰকৃতাৰ্থত সফল নতুবা সুখী হোৱাৰ প্ৰশ্নই নাহে। আনকি সুখী হ'লেও এখন্তেক থমকি বৈ নিজৰ সুখখিনি নিজৰ সফলতা খিনি ভালদৰে অনুধাৱন কৰি ফঁহিয়াই চাবলৈও যেন সময়ৰ নাটনি। অপ্ৰিয় হ'লেও সত্য। যিটো সঁচা সেইটো স্বীকাৰ কৰিবই লাগিব যে সময়ৰ আৰু যুগৰ প্ৰবাল সোঁতত আমি মাথো হৈ গৈছো স্বাৰ্থপৰ আৰু গঢ়ি তুলিছো নিঃস্বাৰ্থতাৰ বিপৰীতে ব্যক্তিকেন্দ্ৰিক মনোভাৱ। এটা কথা ঠিক যে আমি নিজৰ স্বাৰ্থ বা উদ্দেশ্যক বাস্তৱত ফলপ্ৰসু কৰিবলৈ কৃপনালি নকৰো। কিন্তু আমি বৰ্তমান সমাজ খনক সৎ আৰু নৈতিকতাৰে গঢ়ি তুলিবলৈ যি বোৰ কৰণীয় কাম সেইবোৰ নিশিকো আৰু যাৰ ফলশ্ৰুতিত জীৱনটো হৈ পৰে ৰসবিহীন।

জীৱনটোক সৌন্দৰ্যশালী কৰি গঢ়ি তুলিব পাৰি বহু দিশৰ পৰা। প্ৰথমতেই জীৱনটোক ৰঙীন কৰি গঢ়ি তুলিবলৈ সুস্থিৰ বিবেক বিবেচনাৰ অতিকৈ প্ৰয়োজন। এগৰাকী চিন্তাবিদে কৈছে — "Foundations of true joy is in the com...." সচাঁ কথা প্ৰকৃত আনন্দৰ আধাৰ বিবেক। যি নিজৰ বিবেক সুস্থ সবল কৰি তোলে। সিয়ে নিজৰ সুস্থ সবল বিবেকৰ দ্বাৰা পৰিচালিত হয়। তেৱেঁই জীৱনত সুখী হয় আৰু তেনে মানুহৰ জীৱনেই সৌন্দৰ্যশালী হৈ উঠে। নিজৰ কৰ্তব্য আৰু উচিত বিবেচিত কাৰ্য কৰিব পৰাকৈ প্ৰত্যেকেই নিজকে সক্ষম কৰি তুলিব লাগে, নিজৰ পৰা যিবোৰ কোনেও কাঢ়ি নিব নোৱাৰে সেইবোৰতহে মানসিক সুখ আৰু শান্তিৰ সন্ধান কৰিব লাগে। বিবেকৰ সহায়তেই আমি আমাৰ ইতৰ চিন্তা ভাৱনাবোৰ দমাই ৰাখিব পাৰো। বিবেক হ'ল ব্যক্তিৰ অন্তসত্তাৰ ক্ৰিয়াশীল প্ৰকাশ।

আমাৰ জীৱন ভৰপূৰ সম্পূৰ্ণতাৰ প্ৰতীক্ষাৰে, অসম্পূৰ্ণতাৰ আক্ষেপেৰে, শূন্যতাৰ ব্যাপ্তিৰে। জীৱনত এটা দুৰ্ঘটনা ঘটিলে বুলিয়েই সেই একেটা ঘটনাৰে পুনৰাবৃত্তি কৰি একোটা দৃষ্টিভংগীৰে ফঁহিয়াই চালে জীৱনৰ দিগন্ত দেখা পোৱা নাযাব। Life is not a small circle. জীৱন এটা সংকীৰ্ণ বৃত্ত নহয়। কিন্তু বৃত্ত পিছে সম্পূৰ্ণ হৈছিল জ্যামিতিত। কেন্দ্ৰৰ পৰা লম্বই জ্যাডালক সমদ্বিখণ্ডিত কৰে। এটাৰ পিছত এটাকৈ উপপাদ্যৰ সমাধান হয়। প্ৰকৃত অৰ্থত জ্যামিতিতো আৰু জীৱন নহয়।

জীৱন দুৰ্লভ। কথাষাৰ অতি সহজভাৱে উপৰুৱাকৈ ল'লে নহ'ব। আমি যিটো জীৱন লাভ কৰিছো সেইটো জীৱন আৰু পোৱা নাযায়। সেইবাবেই জীৱন যি কোনো কাৰণতে ভাগি পৰিব খুজিলে জীৱনক সজাই পৰাই গঢ়ি পিটি হ'লেও পুনৰ নিৰ্ম্মাণ কৰাৰ মানসিকতা গঢ় দিব লাগিব। সংঘাত আহিবই। হতাশাও আহিব। জীৱনটোক ভালদৰে হৃদয়ঙ্গম কৰি উপভোগ কৰিবৰ বাবেই কিছু সুখ দুখ বিষাদ হতাশাৰ প্ৰয়োজন আছে। এইখিনিৰ অবিহনে মানুহে জীৱনত ভালকৈ বুজি ল'ব নোৱাৰে। জীৱনলৈ সংঘাত নতুবা হতাশা আহিলে নিজৰ মনৰ দৃঢ়তা বঢ়াই নিজক ক'ব লাগিব যে জীৱনলৈ অহা সংঘাত মানেই জুই। এই জুয়ে যদি জীৱন পুৰিব খোজে পোৰক। কিন্তু জীৱনক দুগ্ধ হ'বলৈ দিব নালাগে। সোণ পুৰিলেহে উজ্জ্বলতা বাঢ়ে। জুইত সোণ পুৰি সোণাৰিয়ে নিয়াৰিত থৈ হাতুৰীৰে কোবাই অলংকাৰ ৰূপত ভাজ দি সজায়। কথাষাৰ আমি আমাৰ জীৱনৰ প্ৰসংগলৈ টানি আনিব পাৰো। সংঘাত অথবা হতাশাৰ জুইত জীৱনক উত্তাপ দিব পাৰিব লাগিব আৰু দৃঢ়তাৰ নিয়াৰিত থৈ কৰ্মৰ হাতুৰীৰে জীৱনক নিজৰ আকাংক্ষা অনুসৰি ভাঁজ দিব লাগিব।

জীৱনলৈ অনিবাৰ্যভাৱে অহা সংঘাতে জীৱনলৈ হতাশা আনে। এইষাৰ কথা জীৱনৰেই সত্য বুলি আমি গ্ৰহণ কৰিব লাগিব। সভ্যতাৰ বিকাশৰ লগে লগে জীৱনৰ সংঘাতো পেশীবহুল হৈ পৰে। সম্প্ৰতি আমাৰ সভ্যতা বিশ্বমুখী হৈছে। এতিয়া সংঘাতো তীব্ৰতৰ হ'ব। গতিকে আমাৰ মানসিকতাৰো সলনি কৰি নিব লাগিব। তাকে কৰিব নোৱাৰিলে আমি আত্মজাহ যোৱাৰ বাহিৰে বিকল্প একো নাথাকিব।

আজিৰ দিনটো ভালদৰে জীয়াই থাকি আজিৰ পৰিকল্পনাবোৰ বাস্তৱায়িত কৰিলেহে কালিলৈৰ দিনটো সুন্দৰ হ'ব। কালিলৈ দিনটোৰ প্ৰভাতী সুৰুযে কালিৰ দিনটোৰ বাবে দিব নতুন সংকল্প নতুন বিশ্বাস, নতুন আত্মপ্ৰত্যয়। এইদৰে সুন্দৰ ৰূপত গঢ়ি উঠে মানুহৰ ভৱিষ্যত।

# ইটো সিটো বহুতো অবুজন মনক বুজাও কেনেকৈ?

নিকুমণি দিহিঙীয়া
স্নাতক প্ৰথম ষান্মাষিক
ইংৰাজী বিভাগ

বহুত ডাঙৰ কিবা হোৱাৰ আশা মোৰ এতিয়াও নাই আৰু আগতেও কেতিয়াও নাছিল। ধৈৰ্য্য বোলা বিষয়টো মোৰ মনত সদায় জিৰ' বেলেন্সত থাকে। মাজে মাজে অলপমান ধৈৰ্য্য নধৰোঁ বুলি ক'লে হয়তো মিছাকৈ কোৱা হ'ব। কিন্তু কেতিয়াবা সচাঁকৈয়ে নোৱাৰোঁ। সমসাময়িকতাৰ সমানে সমানে খোজ দিয়াৰ ধৃষ্টতা মোৰ নাই। কিন্তু তথাপিও কেতিয়াবা এটা সৰু প্ৰয়াস কৰোঁ। টেলিস্কোপৰ দৰে সূক্ষ্ম দৃষ্টিভংগী মোৰ নাই। কিন্তু অলপমান হেঁপাহ জাগে। মোৰ মনত ধৈৰ্য্যৰ বেলেন্স বাঢ়ে শূণ্যৰ পৰা অসীমলৈ এক দুই তিনি .......। কেতিয়াবা নিজৰ ওপৰতেই সন্দেহ জাগে, মই সচাঁকৈয়ে মানুহনে? মানৱীয়তা মোৰ ধৰ্মনে? নে অমানৱীতাৰ মুখা পৰিহিতা মই এজনী সাধাৰণ মানুহ। অবুজন মনক বুজাও কেনেকৈ? সৰু সৰু কিছুমান কথাই মগজুত বৰ বেয়াকৈ খুটিয়াই। এবাৰ, দুবাৰ নহয় হাজাৰবাৰ। ওপৰত শূণ্য আকাশ। চকুৰে নেদেখা দুৰত্বলৈকে মাথোঁ শূণ্যতা। আমাৰ পৃথিৱীখনেই এনেকুৱা ওলোটা। ৰঙা বেলিটোকো হালধীয়া দেখি।

ক'বলৈ গ'লে বেছিদিনৰ কথা নহয়। শিৱসাগৰ জিলাৰ বৰ্ডিং খেলপথাৰত এগৰাকী বিশিষ্ট মন্ত্ৰীৰ ভাষণ শুনিলোঁ ১৫ আগষ্টৰ দিনা। কাষতে আচুতীয়া আসনত বহি আছোঁ যদিও আমিও ভাৰতৰে জীয়াৰী — অংগৰাজ্য অসম। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰত স্বাধীন হোৱাৰ শুভক্ষণত আমাৰ অসমেও স্বাধীনতা পাইছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে আমন্ত্ৰিত বিশিষ্ট মন্ত্ৰীমহোদয়াৰ দীঘলীয়া ভাষণৰ অন্তত "জয় হিন্দ ভাৰত মাতা কী জয়" ধ্বনিৰ বাহিৰে অন্য একো শব্দ নিগৰিত ন'হল। অসমতে আমি লাজ কৰোঁ নিজকে অসমীয়া বুলি ক'বলৈ, "জয় আই অসম" বুলি কোৱা হ'লেতো সভাৰ গাম্ভীৰ্য কমি নাযায়। স্বাধীনতা দিৱস গণতন্ত্ৰ দিৱসৰ দৰে অনুষ্ঠানত আমি সকলোৱে স-সন্মানেৰে বুকুত স্বদেশ প্ৰেমৰ ভাৱ উথলাই 'জনগণ মন অধিনায়ক জয় হে ...' পৰিৱেশন কৰোঁ। কিন্তু প্ৰশ্ন হয়, সেই বিশেষ দিনকেইটাত কিমানজন অসমীয়াই 'অ মোৰ আপোনাৰ দেশ' পৰিৱেশন কৰে??? নিজকে অসমীয়া বুলি ক'বলৈ ইতস্ততঃ বোধ কৰা অসমীয়াসকলে বাস কৰা অসম দেশৰ উন্নতি তেনেস্থলত কিমান দূৰ সম্ভৱ? বিদেশৰ যুৱতী ৰেহানাই অসমৰ সংস্কৃতিক আকোঁৱালি ল'লে। কিন্তু অসম কওঁতেই খোকোজা লগা অসমীয়াই কোনটো শুভক্ষণত লোক সংস্কৃতিক আকোঁৱালি ল'ব পৰাকৈ সবল হৈ উঠিব। প্ৰশ্নবোৰে সচাঁকৈয়ে খুটিয়াই মই প্ৰথমেই কৈছোঁ ডাঙৰ কিবা হোৱাৰ আকাংক্ষা মোৰ নাই। কিন্তু কৰাৰ হেপাঁহ আছে বহুত — বয়সেই যে এনেকুৱা। কিন্তু ডাঙৰ কিবা এটা ন'হলেও একো কৰিব নোৱাৰি। কিন্তু ডাঙৰ কিবা হ'লেও আলস্য ভাৱ জাগে। - "এস অলপ পাছত কৰিম।

মই জীৱনত দেখা এটা সুফলদায়ক উপায় ধৰ্ণা। কেইদিনমানৰ আগৰ কথা শিৱসাগৰ জিলাৰে ব্যক্তিগত খণ্ডৰ এখন বিদ্যালয়ৰ সন্মুখৰ পথটোৰ ওপৰত মীনপালন কৰিব পৰাৰ সমান ডাঙৰ কেইটামান গাঁত। অতদিনে তেনেকৈয়ে থাকিল। অতি দুখৰ কথা যে অ.এন.জি.ছিৰ ডাঙৰ কোম্পানীৰ আমাৰ হাতেৰে ঢুকি নোপোৱাওখ ওখ গাড়ীবোৰ বিভিন্নজন ...... বিলাসী গাড়ীবোৰ ভগ্ন পথৰ ওপৰেদি নীৰৱে পাৰ হৈ গ'ল। কিন্তু সেই পথটোৰ প্ৰতি যেন কাৰো ভ্ৰূক্ষেপ নাই। কিন্তু শতাধিক মানুহৰ গন্তব্য স্থানলৈ গৈ পোৱাৰ সময় পলম কৰি

মোৰ লগতে কেইবাগৰাকী শিক্ষাৰ্থীৰ স্কুল-কলেজলৈ গৈ পোৱাৰ সময় পলম কৰি দিয়া এটা ধৰ্ণাই কিন্তু সচাঁকৈয়ে আমূলতকৈ আমূল পৰিবৰ্তন আনি দি পথৰ মেৰামতিৰ কাম সম্পন্ন কৰি দিলে। সঁচা কথা, আমি সাধাৰণ মানুহে একো কৰিব নোৱাৰো। কিন্তু আৰু এটা সঁচা কথা — ৰাইজে নখ জোকাৰিলে নৈ বয়। আমাৰ অসম ৰাজ্যত এটা ধৰ্ণাই প্ৰতি মিনিটতে লাখ লাখ অপব্যয় হ'বলগীয়া টকাৰ সৎব্যয় কৰে। এইখিনিতে অৱশ্যে একতাৰো কিছু হেমাহি পৰিলক্ষিত হয়। এটা কথা যদি ভাবি চোৱা হয় যিখন অসমত যাদৱ পায়েঙৰ দৰে এজন অসমীয়াই অকলে ৫৫০ হেক্টৰ ভূমিত বনাঞ্চল খুলিব পাৰে, তেন্তে আমি এখোজো পাছ পৰি যোৱা উচিত নহয়।

মই কেইবাখনো সম্বৰ্দ্ধনা অনুষ্ঠানত উপস্থিত আছোঁ। বিভিন্ন ঠাইত বিভিন্নজন মানুহক লগ পাইছোঁ। মোৰ পৃথিৱীখন সৰু। বিভিন্ন সময়ত লগপোৱা মানুহৰ মন্তব্যই বাৰুকৈয়ে আপ্লুত কৰে। বিশিষ্ট ব্যক্তিসকলক সম্বৰ্দ্ধনা জনালে ভাল লাগে। কিন্তু মোৰ সৰু পৃথিৱীখনত বাস কৰা মইজনীয়ে প্ৰায়ে সেইসকল মানুহক সম্বৰ্দ্ধনা দিয়াৰ কথা ভাবে, যি সকলে মাত্ৰ এটা ফোন কল ৰিচিভ কৰিয়েই মানুহৰ জীৱন ৰক্ষা কৰিব পাৰে। "১০৮ - মৃত্যুঞ্জয়' সচাঁয়ে আমি তেওঁলোকক সন্মান জনোৱাৰ প্ৰয়োজনীয়তা আছে। এইখন পৃথিৱীত টকা পইচা নোহোৱা মানুহবোৰৰ জীৱনৰ কোনো অৰ্থ নাই। শুনিবলৈ বেয়া। কিন্তু সমাজে এই নিয়মেই মানি চলে। কেইদিনমানৰ আগৰ কথা, আমাৰ মহাবিদ্যালয়ৰ মূল গেটৰ বাহিৰত এগৰাকী ভিক্ষাৰী গৰ্ভৱতী মহিলাই প্ৰসৱ বেদনা সহ্য কৰিব নোৱাৰি জন্ম হোৱাটোৱেই জীৱনৰ ভুল বুলি ভাবি হয়তো মৃত্যুৰ ক্ষণ গণি আছিল। কিন্তু আমাৰ মহাবিদ্যালয়ৰে দুগৰাকী ছাত্ৰীয়ে বিনামূলীয়া ১০৮ সেৱা লৈ ফোন কৰি সেই ভিক্ষাৰীগৰাকীৰ জীৱন ৰক্ষা কৰিলে। উপযুক্ত সময়ত নোপোৱা হ'লে কিজানি সেই মানুহগৰাকীৰ মৃত্যু হ'লহেঁতেন। মহাবিদ্যালয়ৰ ছাত্ৰী দুৰাকীৰ কাম সচাঁকৈয়ে প্ৰশংসনীয়। লগতে আমি মত্যুঞ্জয়ৰ লগত জড়িত প্ৰতিজন মানুহক সম্বৰ্দ্ধনা জনোৱাৰ প্ৰয়োজনীয়তা আছে যিহেতু আনৰ জীৱন ৰক্ষা কৰাটো এটা মহান কাম আৰু আমিও শিকিবলগীয়া বহু কথাই বাকী আছে।

নৰেন্দ্ৰ মোডীৰ স্বচ্ছ ভাৰত অভিযান। শিৱসাগৰতো স্বচ্ছ ভাৰত অভিযান। কিন্তু দুৰ্ভাগ্যবশতঃ শিৱসাগৰ জিলাত স্বচ্ছ ভাৰত অভিযানৰ মুখা পিন্ধি প্ৰৱেশ। দিখৌ দলঙৰ ওচৰত থকা শিৱসাগৰ নগৰৰ আদৰণি গেটৰ চৌপাশটো বছৰৰ বাৰমাহেই আৱৰ্জনাৰে ভৰি থাকে। তেনেক্ষেত্ৰত শিৱসাগৰ নগৰত মোডীৰ স্বচ্ছ ভাৰত অভিযান কিমান দূৰ আগবাঢ়িব পাৰিব? স্বাধীনতা দিৱসৰ দিনটোত বৰ্ডিং ফিল্ডত পৌৰ নিগমে মন্ত্ৰী মহোদয়াৰ লগতে শতাধিক মানুহৰ সন্মুখত স্বচ্ছ ভাৰতৰ প্ৰদৰ্শনী দেখুৱালে। কিন্তু প্ৰশ্ন হয় সচাঁকৈয়ে পৌৰ নিগমে পথৰ দাঁতিত থকা দ'ম দ'ম জাবৰ চাফা কৰি পৰিৱেশ নিকা কৰিব পাৰিবনে? স্বচ্ছ ভাৰতৰ সপোন দেখা যিমান সহজ সপোন বাস্তৱায়িত কৰাটো তাতেকৈ কঠিন।

আমাৰ হাতত সমস্যা বহুত কিন্তু সমাধান? নিচেই ওচৰত থাকিও যেন বহু দূৰত। এই সৰু সৰু কথাবোৰৰ প্ৰতি আমি গুৰুত্ব দিয়া উচিত। মই নাজানো মোৰ পৃথিৱীয়ে ঢুকি পোৱা এই কথাবোৰ প্ৰয়োজনীয়তা নে অপ্ৰয়োজনীয়তাৰ শৰীৰত পৰে। তথাপি মই ভাবো প্ৰয়োজনীয় নহ'লেও আমি ক্ষন্তেকৰ বাবে চিন্তা কৰি চোৱা উচিত। অসমৰ সমস্যা আমাৰ সমস্যা। শিৱসাগৰৰ সমস্যা মোৰ সমস্যা বুলি ভাবিলেহে হয়তো আমি সকলোৱেই এক অন্যতম হিচাপে নিজকে স্বীকৃতি দিব পাৰিম। লগতে আমাৰ ইতস্ততঃ বোধ পৰিত্যাগ কৰি গৌৰৱে ক'ব পাৰিম ... "জয় আই অসম।"

## মহৎ লোকৰ অমৃত কথা

সংগ্ৰাহক ঃ মণিষা বৰাল
তৃতীয় ষাণ্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

- অধ্যয়নে এজন লোকক সম্পূৰ্ণ মানৱ হিচাপে গঢ়ি তোলে। — *ফ্ৰানিছ্ বেকন*
- অহংকাৰী মানুবোৰ কুকুৰাৰ দৰে। যিটো কুকুৰাই ভাবে যে সি ডাক দিয়াৰ কাৰণেহে ৰাতি পুৱালে। — *জৰ্জ ইলিয়ট।*



# WOMEN IN INDIA

**Vaishali Das**
B.Sc. 1st Semester
Botany Dept.

The first step for empowering women is to educate them. Education means freedom freedom from ignorance and exploitation by others. The overall literacy figure for India is 70% but for women it is less than 60%. In some parts of India like tribal areas of Bihar, Rajasthan, Orissa people thought that education for women is not necessary. With such thinking of people, how these women can be aware of their rights and laws?? Now-a-days, people say that "BOYS AND GIRLS' ARE ALL EQUAL" but practically that is not happening. In some village areas of Punjab, Bihar, Uttar Pradesh people kill the "female infanticide." The economic dependance and dowry system can be held responsible for "female infanticide."

Sexual exploitation plays a great role for empowering the women. Almost are women is raped is every forty minutes in India. Even the national capital Delhi has become the rapists' paradise. What to say about other remote areas of India? The attitude of the police and the society in general is responsible for the situation. No one will come for a help or support a girl if she was raped, even her family members also rejects her. If a girl wears as short dress that not means she is characterless. Its her own choice. This is an Independent country afterall.

Domestic violence is the next major issue. Domestic violence is not just hitting or fighting or an occasional argument. It is an abouse of power. The abuser tortures and controls the victim by calculated threats, intimidation and physical violence. In newspapers or in news channels, we can heard the news that wife was killed or burn by her husband for some family issues.

People always use to say that "Mera Bharat Mahan". If women don't get respect, their actual position, them how can we say that "Mera Bharat Mahan".

These are the problems faced by women
Not only in India but also
In other countries.

# ভাৰতীয় ৰাজনীতিত মহাত্মা গান্ধী

পল্লৱী শইকীয়া
স্নাতক পঞ্চম যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ভাৰতীয় ৰাজনৈতিক ইতিহাসত চমক সৃষ্টি কৰিবলৈ সক্ষম হোৱা ব্যক্তি জনেই আছিল মহাত্মা গান্ধী (মোহন দাস কৰমচাঁদ গান্ধী)। তেওঁ পৃথিৱীৰ ইতিহাসৰও এজন উল্লেখযোগ্য পুৰুষ। তেওঁ আছিল অহিংসাৰ পূজাৰী আৰু সত্যাগ্ৰহ আছিল তেওঁৰ অপৰাজেয় অস্ত্ৰ। তেওঁৰ সবল নেতৃত্বতে এমুঠি শিক্ষিতৰ অনুষ্ঠান ভাৰতীয় জাতীয় কংগ্ৰেছ গণ অনুষ্ঠানলৈ ৰূপান্তৰিত হৈছিল। ভাৰতীয় জনসাধাৰণৰ ওপৰত তেওঁৰ প্ৰভাৱ আছিল অপৰিসীম। অহিংসা নীতিৰে তেওঁ ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ পথ সুগম কৰাৰ ওপৰিও সামাজিক সংস্কাৰ আৰু সাম্প্ৰদায়িক ঐক্যৰ বান্ধোনেৰে ভাৰতবৰ্ষত নতুন যুগৰ সন্ধান দিছিল। সেয়ে তেওঁক প্ৰকৃতাৰ্থত ভাৰতীয় জাতিৰ পিতৃ আখ্যা দিয়া হয়।

দক্ষিণ আফ্ৰিকাত বৰ্ণ বিদ্বেষৰ বিৰুদ্ধে সত্যাগ্ৰহ আন্দোলন কৰি মহাত্মা গান্ধীয়ে ইতিমধ্যে জনপ্ৰিয়তা অৰ্জন কৰিছিল। ১৯১৫ চনত তেওঁ ভাৰতলৈ উভতি আহি বিহাৰৰ চম্পাৰণ জিলাৰ নিৰ্য্যাতিত নীলখেতিৰ বনুৱা আৰু আহমেদাবাদৰ নীল বনুৱাক নেতৃত্ব দি গভীৰ সংগঠন শক্তিৰ পৰিচয় দিয়ে আৰু ১৯১৯ চনৰ পৰা জাতীয় কংগ্ৰেছৰ সক্ৰিয় সদস্য হয়। লোকমান্য তিলকৰ মৃত্যুৰ পিছত ১৯২০ চনৰ পৰা মহাত্মা



গান্ধী কংগ্ৰেছৰ অপ্ৰতিদ্বন্দ্বী নেতা হৈ পৰে।

ইতিমধ্যে প্ৰথম মহাসমৰ আৰম্ভ হৈছিল আৰু ঋষিতুল্য পুৰুষ গান্ধীজীয়ে ইংলেণ্ডৰ বিপদত ভাৰতবাসীক সহায় কৰিবলৈ আহ্বান জনাইছিল। কিন্তু সহায়ৰ প্ৰতিদানত অকৃতজ্ঞ সাম্ৰাজ্যবাদী শক্তিয়ে কুখ্যাত 'ৰাওলেট আইন' জাৰি কৰি ভাৰতীয় গণজাগৰণ নিস্পেষণ কৰাত লাগিল আৰু জালিৱানাৱালাবাগৰ নৃশংস হত্যাকাণ্ড (১৯১৯) সংঘটিত কৰিলে। গান্ধীজীয়ে তেতিয়া ঘোৰ ব্ৰিটিছ বিৰোধী হৈ ভাৰতীয় মুক্তি আন্দোলনক তীব্ৰ কৰি তুলিলে।

১৯২০ চনত মহাত্মা গান্ধীয়ে ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে অভিনৱ অসহযোগ আন্দোলন আৰম্ভ কৰিলে। ভাৰতীয় মানুহৰ সহযোগ নাপালে ব্ৰিটিচে ভাৰত এৰিবলৈ বাধ্য হ'ব বুলি তেওঁ বুজিছিল। বিদেশী বস্ত্ৰ বৰ্জনৰ বাবেও তেওঁ উদাত্ত আহ্বান জনাইছিল হিন্দু-মুছলমানৰ ঐক্যৰ ভাবে খিলাফৎ আন্দোলনৰ লগত জড়িত কৰি লৈছিল সমগ্ৰ দেশব্যাপি আন্দোলন তীব্ৰ হৈ উঠিছিল। কিন্তু চৌৰিচোৰা নামে ঠাইত আন্দোলনকাৰীয়ে হিংসা পথ লোৱাত অহিংসাৰ পুজাৰী গান্ধীজীয়ে আন্দোলন স্থগিত কৰিলে।

১৯৩০ চনত মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলন আৰম্ভ কৰিলে। মহাত্মা গান্ধীয়ে নিজে লোণ আইন ভংগ কৰিবলৈ দাণ্ডিলৈ যাত্ৰা কৰিলে। জৱাহৰলাল নেহেৰুৱে এই ঐতিহাসিক দাণ্ডি যাত্ৰাক আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ 'ৰোষ্টনৰ চাহমেল'ৰ লগত ৰিজাইছিল। সমগ্ৰ দেশে মহাত্মা গান্ধীৰ আইন অমান্য আন্দোলনলৈ স্বতঃস্ফুৰ্ত সমৰ্থন জনাইছিল। গৰ্ভণৰ জেনেৰেল লৰ্ড আৰউইনে ভয় খাই গান্ধীজীক আন্দোলন স্থগিত কৰি লণ্ডনৰ ঘূৰণীয়া মেজমেলত যোগদানৰ অনুৰোধ জনাই চুক্তি কৰিলে। মহাত্মা গান্ধীয়ে কিন্তু ঘূৰণীয়া মেজমেলত যোগদান কৰি শুদা হাতেৰেহে ঘূৰি আহিব লগা হয়।

গান্ধীজীয়ে শেষত ১৯৪২ৰ আগষ্টত বিখ্যাত 'ভাৰত ত্যাগ' আন্দোলন আৰম্ভ কৰিলে, আন্দোলন প্ৰবল গণ আন্দোলনলৈ ৰূপান্তৰিত হ'ল। জোৰেৰে ভাৰতবৰ্ষত শাসন কৰা যে সম্ভৱ নহয়, ব্ৰিটিছ চৰকাৰে বুজি পালে। শেষত ১৯৪৭ৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। অৱশ্যে ভাৰতবৰ্ষ, ভাৰত আৰু পাকিস্তান নামে দ্বি-খণ্ডিত হ'ল। গান্ধীজীয়ে দেশৰ অখণ্ডতা বজাই ৰাখিবলৈ আৰু বিভাজনক বাধা দিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। স্বাধীনতাৰ পিছত কিন্তু এই দেৱতুল্য পুৰুষজন বেছিদিন জীয়াই থাকিবলৈ নাপালে। ১৯৪৮ৰ ৩০ জানুৱাৰীত এক আততায়ীৰ হাতত তেওঁ নশ্বৰ দেহা ত্যাগ কৰে। ১৯২০ৰ পৰা ১৯৪৮ লৈকে এই সময়ছোৱা ভাৰত বুৰঞ্জীত গান্ধীৰ যুগ নামেৰে জিলিকি থাকিব। গান্ধীজীৰ নেতৃত্বত হোৱা ভাৰতীয় স্বাধীনতা আন্দোলন আছিল অহিংসা আন্দোলন আধুনিক ইতিহাসৰ সেয়া এক চমকপদ ঘটনা।

## মহৎ লোকৰ অমৃত কথা

সংগ্ৰাহক ঃ মণিষা বৰাল
তৃতীয় ষাণ্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

➲ অসৎ উদ্দেশ্যেৰে কোৱা এটা সঁচা কথা, মানুহে সৃষ্টি কৰা সকলো মিছা কথাতকৈ ভয়ংকৰ।

— উইলিয়াম ব্ৰেক।

➲ আমি কিমান দিন জীয়াই থাকো সেইটো লেখত ল'বলগীয়া কথা নহয়; কেনেকৈ জীৱন-যাপন কৰোঁ সেইটোহে কথা।

— বেইলি।

➲ আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছো, কিন্তু পৃথিৱীত ভাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।

— মাৰ্টিন লুথাৰ।

# নিঃসংগতা আৰু আমি

শোভালক্ষ্মী দিহিঙ্গীয়া
স্নাতক চতুৰ্থ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ।

মানৱ জীৱনৰ লগত পৰিচিত এটা শব্দ নিসংগতা। নিসংগতা বৰ্তমানৰ জন জীৱনত সততে দৃষ্টিগোচৰ হোৱা দেখা যায়। যেন এটা মুদ্ৰাৰ দুটা পিঠি, জীৱন আৰু নিসংগতা। দিনে দিনে জীৱনৰ অস্তাচলত দিয়াৰ পৰিধি বিস্তৃত হ'ব ধৰিছে। মূলত এই নিসংগতা মানে কি? ই কিয় হয়। ইয়াৰ বাৰু বৈজ্ঞানিক বাখ্যা আছেনে?

সাধাৰণতে নিসংগতা বুলিলে মনৰ এনে এটা অৱস্থাকে বুজিব পাৰি যেতিয়া আমি কেৱলমাত্ৰ আমাৰ মাজতেই বিচৰণ কৰো আৰু চৌপাশৰ বস্তুবোৰৰ প্ৰতি আমি উদাসীন হৈ যাওঁ (ঠিক সেই মুহূৰ্ত্তটোৰ বাবে)। আমাৰ চাৰিওফালে ইমানবোৰ মানুহ থকা স্বত্তেও জীৱনৰ কোনো কোনো সময়ত আমি নিঃসংগ অনুভৱ কৰো। এনে অৱস্থাতআমি জীৱনৰ কোনো নতুনত্ব বিচাৰি নাপাওঁ আৰু জীৱনটো আমাৰ বাবে অসাৰ যেন লাগে। নিঃসংগতাই কেতিয়াবা মনত অতি দুৰ্বল মুহূৰ্তৰ সৃষ্টি কৰে আৰু ভটিয়াই থকাৰ আটাইবোৰ সমল যেন নিস্ফল কৰি তোলে। সেই সময়ত জীৱনৰ কোনো মূল্যবোধ বিচাৰি পোৱা নাযায়। আৰু পিছলৈ ই মানসিক বিকাৰগ্ৰস্ত অৱস্থা এটাৰো সৃষ্টি কৰিব পাৰে।

নিঃসংগ অৱস্থাৰ সৃষ্টি হোৱাৰ মূল কাৰক সমূহ সাধাৰণতে প্ৰায়বোৰৰ ক্ষেত্ৰতে একেধৰণৰ। বিশেষকৈ বন্ধু বান্ধৱৰ বিচ্ছেদমুখী প্ৰক্ৰিয়া, আপোনজনৰ অনাকাংক্ষিত বাতৰি জীৱনৰ বহু ঘাত প্ৰতিঘাতৰ সন্মুখীন আদিয়ে এই অসম্পূৰ্ণ তাৰ সৃষ্টি কৰে। নিঃসংগতাই বিভিন্ন পৰিৱেশ পৰিস্থিতি সময়, বিভিন্ন লোকৰ সমাগমৰ মাজত এটা অসম্পূৰ্ণ অৱস্থাৰ সৃষ্টি কৰিব পাৰে আৰু নিঃসংগতাৰ বীজ ৰোপন কৰে।

নিঃসংগতা এনে এটা অৱস্থা য'ত আপোনাৰ বাবে আয়োজিত বিৰাট ৰংগমঞ্চত থাকিও আপুনি ক্ষন্তেকৰ বাবে নিসংগতা উপলব্ধি কৰিব পাৰে। আনহাতে অকলশৰীয়া হৈ থাকিও বন্ধু বা আপোন জনৰ মানসিক সংগ লাভ কৰিব পাৰে, কাল্পনিক ভাৱৰ বিনিময় কৰিব পাৰে বা সৃষ্টিৰ প্ৰেৰণা পাব পাৰে।

ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় হৈছে আমাৰ সঠিক চিন্তাধাৰা, শুদ্ধ কাৰ্যপ্ৰণালী, সঠিক পথ আৰু আশা, আত্মবিশ্বাস, সাহস ইত্যাদি। জীৱনত পূৰ্বতে কৰি অহা ভাল কামবোৰে জীৱনৰ পৰৱৰ্তী সময়ত নিসংগতা আঁতৰকৰি মনলৈ অনাবিল শান্তিৰ নিজৰা বোৱাব পাৰে। নিজৰ প্ৰিয় কাৰ্যৰ জৰিয়তে, যেনে ছবি অঁকা, গান গোৱা অইন সৃষ্টিমূলক কাম, প্ৰিয় গ্ৰন্থ অধ্যয়ন, ভ্ৰমণ, আপোন জনৰ লগত ভাৱৰ আদান প্ৰদান কৰি তথা নিজকে ব্যস্ততাৰ পৰিপূৰ্ণ জীৱনৰ যিকোনো মুহূৰ্ততেই প্ৰকৃত মূল্যবোধক চিনি আগবাঢ়ি যাব লাগিব। জীৱনটোৱেই পোৱা নোপোৱাৰ সমষ্টি যিহেতু সৃষ্টিৰ আটাইবোৰ বস্তুৱেই সম্পূৰ্ণ বা আংশিক ভাৱেৰে হ'লেও অইন এটাৰ লগত জড়িত। গতিকে জীৱনৰ পূৰ্ণতা বিচাৰিব গ'লেই বিপদ। তথাপিও জীৱনৰ পিছল বাটত আমি আগুৱাই যাবই লাগিব। জীৱন মানেই সংগ্ৰাম। অভিজ্ঞতাৰ সমষ্টি। ভাল বেয়া, সুখ দুখ হাঁহি কান্দোন, আনন্দ বিষাদ আদি সকলোকে সাৰথি কৰি বাট বুলিব লাগিব।

সুখ হাঁহিক হেৰুৱাই তাৰ মাজতেই সুখ হাঁহিক পুনৰ বিচাৰিলেহে জীয়াই থকাৰ আনন্দ পোৱা যায়। সেইয়ে মনৰ মাজত এনে এটা পৰিৱেশ ৰচনা কৰিব লাগে যাতে জীৱনত নোপোৱাৰ বাবে আমি হাৰি নাযাওঁ, হাঁহিৰে আদৰণি জনাব লাগে। এটা সীমাৰ মাজত থাকিয়েই এনেদৰে সন্তুষ্টি লভিব লাগে যাতে আমি নোপোৱাখিনিৰ ববে আমাৰ জীৱনৰ আন কামবোৰ বাধাগ্ৰস্ত নহয়।

মুঠৰ ওপৰত আশাবাদী, আত্মবিশ্বাস আৰু কৰ্মনিষ্ঠতাৰ মাজতেই এটা সুস্থ সবল আনন্দময় জীৱনৰ সামগ্ৰিক অস্তিত্ব লুকাই থাকে।

# নাৰী ঃ তুমি যুগজয়ী

দিম্পী সোনোৱাল
স্নাতক তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ।

দুহাত মেলি, আগবাঢ়িছো আকাশ চোৱাৰ মানসেৰে, ক'ত লাঞ্চনা, ক'ত বঞ্চনা আমি সহিছো, কাৰোবাক নতুন জীৱন দান কৰিছো মাতৃ, পত্নী, ভগ্নী, বান্ধৱী আদিয়ে। মনৰ মাধুৰী হৈ সকলোৰে মুখত হাঁহি বিৰিঙাইছে। আমাক নামাৰিবা, আমাক জী উঠিব দিয়া, নতুন দিনৰ সম্ৰাজ্ঞী হৈ আমি এখন বহল আকাশ গঢ়িম।

মেঘাচন্ন আকাশৰ কলীয়া ডাৱৰ থেলি নতুন সূৰুযৰ প্ৰাণত যুগে যুগে নাৰী ৰূপে অৱতাৰ লৈ পৰিবৰ্তনশীল পৃথিৱীত পুৰুষৰ দাসত্বৰ শিকলি খুলি প্ৰাণচঞ্চলা হৈ আগবাঢ়ি আহিছে ৰাজলক্ষ্মী, ৰাজনন্দিনী গৰিয়সী নাৰী।

অতীজৰে পৰা চলি অহা পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীসকলক নিম্নস্তৰত ৰখা হয়। একেডাল লক্ষ্মণ ৰেখাৰ ভিতৰত তেওঁলোকে অসহনীয় যন্ত্ৰণাত ছটফটাই খুউৰ কমসংখ্যকেহে জীৱন গঢ়াৰ সপোন দেখে আৰু আন কোনোৱে জীৱন ভঙাৰ সপোন দেখে। কিন্তু সময় আগবঢ়াৰ লগে লগে আধুনিক শিক্ষাৰে শিক্ষিত পৰিবৰ্তনশীল সমাজ ব্যৱস্থাত লক্ষ্মণৰেখাৰ সীপাৰে গৈ নাৰীয়ে নিজক সৱল কৰি পুৰুষৰ সমানে নিৰুপদ্ৰৱে আগবাঢ়ি যাব পাৰিছে। পুৰুষৰ দৰে নাৰীসকলৰো যে নিজস্ব এটা ব্যক্তিসত্বা আছে সেয়া লাহে লাহে অনুভৱ কৰিব পাৰিছে। নাৰীয়ে সকলো ক্ষেত্ৰতে পুৰুষৰ দাসত্বৰ শিকলিৰ পৰা মুক্তি হোৱাটো বিচাৰে। কিন্তু তেওঁলোকে সচাঁকৈয়ে মুক্তি হ'ব পাৰিছেনে??? এতিয়াও কিছুমান অঞ্চলবিশেষে নাৰীসকল শোষিত, নিস্পেষিত অৱদমিত হৈ আছে দাসত্বৰ শিকলি ছিঙি ওলাই আহিব পৰা নাই শোষণৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ। মনৰ বালিত নিজে নিজৰ নীৰব দৰ্শকৰ প্ৰতিচ্ছবি চাই উচুপি উঠে। বিকৃত মানসিকতাৰে গঢ় লোৱা এচাম লোকে এতিয়াও ভাৱে কন্যা সন্তান জন্ম হোৱাটো পাপ। বংশ ৰক্ষা কৰিবলৈ এটি পুত্ৰ সন্তানৰ প্ৰয়োজন। কিন্তু কিয় এজনী ছোৱালী ল'ৰাৰ যোগ্য হ'ব নোৱাৰে। এইটোৱে আমাৰ আধুনিক শিক্ষাৰে শিক্ষিত লোকসকলৰ প্ৰকৃত শিক্ষা নেকি? তেওঁলোকে কিয় ভাবি ল'ব নোৱাৰে এজনী ছোৱালী ল'ৰাৰ যোগ্য হ'ব পাৰে। য'ত জয়মতী, মুলাগাভৰু, কনকলতা আদি বীৰাঙ্গনাসকলে (ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দি) নিজৰ অস্তিত্ব খোদিত কৰি থৈ গ'ল সেইখনদেশৰে বায়ু, পানী, মাটি ইত্যাদিয়ে পুষ্পিত এজনী ছোৱালী কিয় ল'ৰাৰ যোগ্য হ'ব নোৱাৰিব। যিখন দেশত প্ৰত্যেক বছৰে প্ৰত্যেক দিনাই দুৰ্গা, সৰস্বতী, লক্ষ্মী আদিক মাতৃস্বৰূপে পুজা কৰা হয়। সেইখন দেশতেই নাৰীক অৱজ্ঞা, কুলটা দুৰ্যন সন্মানেৰে বিভূষিত কৰা হয়। নাৰীৰ বিৰুদ্ধে অত্যাচাৰে দিনে প্ৰতিদিনে ক্ৰমশঃ বাঢ়ি আহিব ধৰিছে। নাৰীৰ ওপৰত চলোৱা শাৰীৰিক মানসিক নিৰ্যাতন যেনে যৌন নিৰ্যাতন, যৌতুক সম্বন্ধীয়, ডাইনী হত্যা ইত্যাদি ইত্যাদি ঘটনা পৰিবৰ্তনশীল সমাজৰ বাবে প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে। প্ৰতি খোজে খোজে এটা অসহায় অনুভূতি লৈ ফুৰিব লগা হয়। চৰকাৰে আৰু আৰক্ষীৰ বিফলতাই নাৰীৰ বিৰুদ্ধে নিৰ্যাতনৰ মূল কাৰণ। চৰকাৰে নাৰীসকলৰ বাবে নিত্য নতুন আইন প্ৰণয়ন কৰিলেও যথাযথ ভাৱে কাৰ্যকৰী নকৰাৰ বাবে নাৰীসকল সুৰক্ষা হ'ব পৰা নাই। নাৰী অবিহনে যে এখন সমাজ কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে সেই কথা সকলোৱে বুজি উঠাটো অতিকে প্ৰয়োজনীয়। একবিংশ শতিকাত থিয় হৈ আজিৰ নাৰীয়ে সকলো বাধাৰ প্ৰাচীৰ ভাঙি সকলো দিশতে বিজয়ৰ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে।

আজিৰ নাৰীয়ে নিজে নিজৰ ৰক্ষক হিচাপে ওজস্বী মনলৈ আগবাঢ়ি আহিব লাগিব। শোষণৰ সমৰাংগণতে কনকলতা, মুলাগাভৰু, ঝন্সী ৰাণী হৈ অজেয় হ'ব লাগিব।

প্ৰথমে ভয় লাগিবই বেয়া কামৰ বিৰুদ্ধে থিয় হোৱাৰ কথা ভাবিলে কিন্তু ভয় কৰিবলগীয়া একো নাই। মানুহে বাঘ দেখিলে পলায়। কিন্তু বাঘৰ চকুত চকু থলে বাঘও বৈ যায়। চকু থৈয়েই নমাই আনিলে নহ'ব, বাঘে চকু ননমোৱালৈকে একেথৰে চাই থকিব লাগিব। তেতিয়াহে বাঘে বাট এৰি আঁতৰি যাব।

# My inspiration A.P.J. Abdul Kalam

**Richika Borah**
B.A. 3rd Sem.



Avul Pakir Jainulabdeen Abdul Kalam was born on 15th October, 1931, and died on 27th July, 2015. A career scientist turned reluctant politician, Kalam was born and raised in Rameswaram, Tamilnadu, and studied physics and aerospace engineering. He spent the next four decades as a scientist and science administrator, mainly at the Defence Research and Development organisation (DRDO) and Indian Space Research Organisation (ISRO) and was intimately involved in India's Space Programme and military missile development efforts. He thus came to be known as the "Missile Man of India" for his work on the development of ballistic missile and launch vehicle technology.

Kalam was elected President of India in 2002 with the support of both the ruling Bharatiya Janata Party and the opposition Indian National Congress. He was a recipient of several prestigious awards, including the Bharat Ratna, India's highest civilian honour.

His wellknown books include Wings of Fire (1999), Ignited Minds (2002), India 2020 (1998), Turning Points (2012). Some of the most popular inspirational quotes from Kalam are –

(i) "If you want to shine like a Sun. First burn like a Sun."

(ii) Failure will never overtake me if my determination to succeed is strong enough.

# সাম্প্ৰতিক সময়ত বানপানীৰ সমস্যা আৰু সজাগতা

বিস্মিতা বৰগোঁহাই
স্নাতক পঞ্চম ষান্মাসিক
শিক্ষা বিভাগ

চাৰিওফালে মাথো পানী ... পানী.... পানী ..। পথাৰৰ ইমূৰৰ পৰা সিমূৰলৈ আনকি ৰাস্তাৰ ওপৰেদিও পানী বাগৰিছে। আতৰৰ পৰা চালে সাগৰৰ দৰে লাগে, নাই মাথো বিশাল ঢৌবোৰে, তাৰ ঠাইত আছে পানীৰ সোঁতৰ হো-হোৱনি। ক'ৰবাত গছ উটি আহিছে, ক'ৰবাত আকৌ ঘৰৰ বাচন বৰ্তনকে উটি আহিছে। প্ৰতিদিনে কামত ব্যস্ত হৈ থকা মানুহবোৰ ব্যস্ত হৈ পৰিছে ঘৰ দুৱাৰ এৰি এটুকুৰা নিৰাপদ ঠাইত আশ্ৰয় লোৱাৰ বাবে। এতিয়া সকলোৰে মনত এটাই চিন্তা — কি দৰে বানপানীৰ পৰা পৰিত্ৰাণ পাব পাৰি, নাইবা কিমান দিনলৈ ভোগ কৰিব লাগিব এই যন্ত্ৰণা।।।

এইয়া হৈছে বৰ্তমান সময়ৰ অসমৰ জনসাধাৰণৰ এৰাব নোৱাৰা সমস্যাৰ এখন ছবি। বানপানী যেন হৈ পৰিছে সমগ্ৰ অসমৰ বাবে এক এৰাব নোৱাৰা সমস্যা। অসমৰ বেছি সংখ্যক অঞ্চল প্ৰায় প্ৰতিবছৰে বাৰিষা কালত বানপানীৰ কবলত পৰিব লগীয়া হয়। প্ৰতিবছৰে মথাউৰিৰ বান্ধ ভগাতো অসমৰ বাবে হৈ পৰিছে অতি সহজ বিষয়। অসমৰ জনসাধাৰণ যেন সাজু হৈয়ে থাকে বানপানীৰ কবলত পৰিবলৈ বুলি। কিন্তু বৰ্তমান সকলো যেন অধৈৰ্য্য হৈ পৰিছে, আৰু কিমান দিনলৈ ভোগ কৰিব লাগিব এই যন্ত্ৰণা, কিমান আৰু চকুৰ সন্মুখতে বলিয়া বানৰ বুকুত নিঃচিহ্ন হৈ যাব দিব সা সম্পত্তি, হাড় ভগা পৰিশ্ৰমৰ ফলত ঠন ধৰি উঠা শস্যবোৰ অথবা আধা গঢ়া সপোনবোৰ। সকলো ভাগৰি পৰিছে বলিয়া বানৰ সৈতে যুঁজি যুঁজি সকলোৱে যেন বিচাৰি ফুৰিছে এক উপায় বানপানীৰ কবলৰ পৰা মুক্তি পোৱাৰ উপায়।

সাম্প্ৰতিক বিভিন্ন সমস্যাৰে জৰ্জৰিত অসমৰ দৰে ৰাজ্যত আগৰ পৰাই প্ৰাকৃতিক দুৰ্যোগ হিচাপে প্ৰায় প্ৰতি বছৰে বানপানীৰ সমস্যা উদ্ভৱ হৈ আহিছে যদিও দিনক দিনে ইয়াৰ মাত্ৰা বৃদ্ধি পাবলৈ ধৰিছে। বৰ্তমান অসমৰ প্ৰায় প্ৰতিখন জিলাই বানপানীৰ কবলত। তদুপৰি নগৰ চহৰ বোৰতো দুই এজনক বৰষুণতে কৃত্ৰিম বানপানীৰ সমস্যা। অসমৰ দৰে নদী প্ৰধান ৰাজ্যত বানপানীৰ সমস্যা কোনো নতুন কথা নহয় যদিও ইয়াৰ মাত্ৰা দিনে দিনে বৃদ্ধি পোৱাৰ বাবে সকলো মানুহে যন্ত্ৰণা ভুগিব লগা হৈছে। বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগ তথা সমস্যাৰ এটাৰ কোনো উপযুক্ত সমাধান নাই যদিও ইয়াৰ বিকল্প উপায় আছে, যাৰ অৱলম্বনৰ দ্বাৰা ইয়াৰ মাত্ৰা কমাব পৰা যাব বুলি আশা কৰিব পাৰি। এইক্ষেত্ৰত সজাগতা অৱলম্বন নিতান্তই প্ৰয়োজনীয় বিষয়।

বৰ্তমান বানপানীৰ দৰে সমস্যা নিৰাময় কৰাৰ ক্ষেত্ৰত সাংসদ মাধ্যম সমূহে যি দৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে ছিক সেইদৰে সৰ্বসাধাৰণ ৰাইজ বা জনসাধাণেও সজাগতা অৱলম্বনৰ সময় আহি পৰিছে। কিয়নো বিভিন্ন ঠাই বা অঞ্চলৰ বিভিন্ন বান পৰিস্থিতি সম্পৰ্কে টি.ভি, ৰেডিঅ', বাতৰি কাকত আদি সংবাদ মাধ্যম সমূহে বাতৰি প্ৰচাৰ কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি বিভিন্ন ঠাইত মথাউৰি বান্ধ নিৰ্মাণ কাৰ্যত যি দৰে অৰিহণা যোগাইছে, ঠিক তেনেদৰে এইক্ষেত্ৰত মথাউৰি নিৰ্মাণ কৰাৰ দৰে কাৰ্যত অসৎ প্ৰবৃত্তিৰ লোকে যাতে নিজ স্বাৰ্থ পূৰণাৰ্থে গাফিলতি কৰিব নোৱাৰে তাৰবাবে স্থানীয় ৰাইজ সকলেও চকু ৰাখিব লাগিব। কিয়নো সাম্প্ৰতিক সময়ত

অসমত প্ৰতি বছৰে মথাউৰি, পথ, দলং আদি নিৰ্মাণ হৈ আছে যদিও বছৰ চেৰেক নৌ হওঁতেই জহি খহি যোৱাৰ উদাহৰণ আছে। ইয়াৰ মূলতে আছে ৰাইজৰ স্বাৰ্থৰ পৰিবৰ্তে কেৱল নিজ স্বাৰ্থ পূৰণৰ লোভ বা আকাংক্ষা। গতিকে বৰ্তমান সমাজৰ সকলো লোকেই এনে ৰাজহুৱা কামৰ ক্ষেত্ৰত সচেতন হোৱা উচিত।

আনহাতে বৰ্তমান জনসংখ্যা বৃদ্ধিৰ ফলস্বৰূপে মানুহে যতে ত'তে বাসগৃহ নিৰ্মাণ কৰিব ধৰিছে। খাল, বিল, পিতনি আদি পুতি তাৰ ঠাইত বৃহৎ বৃহৎ অট্টালিকা নিৰ্মাণ কৰি উলিয়াইছে, গছ গছনি কাটি তহিলং কৰিছে। আনকি জীৱিকাৰ বাবে বহুতে আকৌ নলা নৰ্দমাৰ ওপৰতে দোকান-পোহাৰো দিবলৈ লৈছে। এনেদৰে বৰ্ধিত জনসংখ্যাৰ ফলস্বৰূপে মানুহে ব্যৱহাৰ কৰা সম্পদৰ পৰিমাণৰ লগতে পেলনীয়া সামগ্ৰীৰ পৰিমাণো দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। বিশেষকৈ নদী কাষৰীয়া অঞ্চলৰ কল-কাৰখানা তথা উদ্যোগ সমূহৰ পৰা ওলোৱা আৱৰ্জনা সমূহৰ লগতে মানুহৰ অব্যৱহৃত পেলনীয়া সামগ্ৰী সমূহ নদ নদীত পেলোৱা কাৰ্যই নদ নদীৰ পানী অপৰিষ্কাৰ কৰাৰ লগতে বছৰি এনে কাৰ্যসমূহ হৈ থকাৰ বাবে নদীৰ পৃষ্ঠভাগ বাম হৈ আহিব ধৰিছে। যাৰ ফলত নদী পৃষ্ঠৰ পানী বাৰিষা কালত প্ৰতি বছৰে বৃদ্ধি পাব ধৰিছে, যি হৈ পৰিছে বৰ্তমান বানপানী সমস্যাৰ অন্যতম কাৰণ। গতিকে সম্পদ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আৰু পেলনীয়া আৰু পেলনীয়া আৱৰ্জনা সঠিক ভাৱে উপযুক্ত ঠাইত পোলাৱাৰ ক্ষেত্ৰত প্ৰচাৰ অভিযান যোগে সংবাদ মাধ্যমৰ সহায়ত সৰ্বসাধাৰণ ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ যত্ন কৰিব লাগে আৰু 'মিউনিচিপেলিটি' ব'ৰ্ডেও এইক্ষেত্ৰত চকু দিব লাগে।

তদুপৰি বৰ্তমান গছপুলি ৰোপণ কৰাৰ ক্ষেত্ৰত সজাগ সচেতনতা বৃদ্ধি কৰা হৈছে যদিও সমাজৰ বেছি সংখ্যক লোকেই এই ক্ষেত্ৰত উদাসীন মনোভাৱ প্ৰদৰ্শন কৰা দেখা যায়। এই কথা সকলোৰে জ্ঞাত যে - গছ অবিহনে কোনো প্ৰাণী জীয়াই থাকিব নোৱাৰে। এজোপা গছে জীয়াই থাকিবৰ বাবে জীৱনক অক্সিজেন দিয়াৰ উপৰিও গছৰ শিপাই গৰাখহনীয়া ৰোধ কৰাতো সহায় কৰে,যিটো বৰ্তমান বান পৰিস্থিতিত প্ৰায়ে সংঘটিত হোৱা দেখিবলৈ পোৱা যায়। গতিকে বৃক্ষৰোপণ গৰাখহনীয়া ৰোধৰ অন্যতম বিকল্প উপায়। কিন্তু এই কথা উপলব্ধি অথবা হৃদয়ংগম কৰিবলৈ বৰ্তমান যেন সমাজত সুস্থ মনৰ গৰাকীৰ অভাৱ। কিয়নো বৰ্তমান অধিক সংখ্যক লোকেই ব্যস্ততাৰ দোহাই দি গছৰোপন কাৰ্যৰ পৰা বিৰত থকা দেখা যায়। যিটোৱে ভৱিষ্যত প্ৰজন্মৰ প্ৰতি ভাবুকি আনি দিছে।

সাম্প্ৰতিক অসমৰ সমাজ খনলৈ লক্ষ্য কৰিলে দেখা যায় যে বানপানীৰ কবলত পৰি সৰ্বহাৰা অথবা নিঃস্ব হোৱা লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। কোনোবাই যদি ঘৰ দুৱাৰ হেৰুৱাইছে কোনোবাই আকৌ পৰিয়াল,আকৌ আন কোনোবাই খেতি পথাৰৰ শস্য সমূলঞ্চে বানৰ কবলত হেৰুৱাব লগাত পৰিছে। এই ক্ষেত্ৰত বিজ্ঞজনে অথবা বুদ্ধিজীৱী মহলে সংবাদ মাধ্যমত গৰম গৰম আলোচনা কৰিছে, চৰকাৰ বা প্ৰশাসন ব্যৱস্থাৰ ওপৰত দোষ জাপি দিছে অথবা আলোচনাৰ শেষত ভিন্ ভিন্ সিদ্ধান্তত উপনীত হৈছে সচাঁ কিন্তু সিদ্ধান্তই এনে সমস্যাৰ সমাধান আনিব নোৱাৰে। এনে সমস্যাৰ সমাধানৰ বাবে লাগিব সু-পৰিকল্পিতভাৱে আঁচনি, সমাজৰ সকলো লোকেই একগোট হৈ সামাজিক সমস্যাক ব্যক্তিগত সমস্যাৰ ৰূপ দি সমাজৰ হকে কাম কৰাৰ প্ৰৱণতা তথা সামাজিক কৰ্তব্যবোধ। গতিকে সাম্প্ৰতিক সময়ত বানপানীৰ সমস্যা কেৱল সামাজিক সমস্যাই নহয়। বৰঞ্চ সমাজৰ প্ৰত্যেক ব্যক্তিৰ বাবে ই এক ব্যক্তিগত সমস্যাও। সেয়ে সকলো লোকেই বিশেষকৈ নদী কাষৰীয়া অঞ্চলৰ লোকসকলে বৃক্ষৰোপণ কৰাৰ ক্ষেত্ৰত সজাগ সচেতন হ'বলৈ যত্ন কৰিব লাগে। এনেদৰে এদিন ব্যক্তিগতভাৱে ৰোপণ কৰা গছপুলি সমূহেও হয়তু পাঁচ-ছয় বছৰৰ পিছত সমাজৰ লোকসকলৰ কামত আহিব, অৰ্থ্যাৎ সমাজৰ কুশলাৰ্থে ব্যৱহৃত হ'ব। এইক্ষেত্ৰত ৰাজ্য চৰকাৰেও ৰাইজৰ ওপৰত আস্থা ৰাখি সহায় সহযোগিতা আগবঢ়াব লাগিব। কথাতে কয় বোলে ৰাইজেই ৰজা, ৰাইজেই প্ৰজা। গতিকে ৰজা প্ৰজা সকলোৰে সমানে সজাগ সচেতন হোৱাৰ সময় আহি পৰিছে।

# নোবেল বঁটা বিজয়ী কৈলাশ সত্যাৰ্থী মানুহজন ......

অন্বেষা ৰাজকুমাৰী
স্নাতক তৃতীয় ষান্মাসিক
ইংৰাজী বিভাগ



হৃদয়ত অদম্য মনোবল আৰু মানৱ প্ৰেমেৰে কেইবা দশক জুৰি তেখেতে চলাই নিছে এক অনন্য সংগ্ৰাম ..... সংগ্ৰাম শ্ৰমিক জাতিৰ উন্নতিৰ হকে, কপালৰ ঘাম মাটিত পেলাই কাম কৰা সাধাৰণ মজদুৰ শ্ৰেণীৰ উন্নতিৰ হকে মাত মাতি আহিছে। হাজাৰ বিজাৰ শিশু শ্ৰমিকক উদ্ধাৰ কৰি হাতৰ পৰা কোৰ, নাঙল আঁতৰাই তুলি দিছে কিতাপ আৰু কলম। তেৰেঁই হৈছে কৈলাশ সত্যাৰ্থী। প্ৰায় তিনিদশক জুৰি তেওঁ অবৈধ ভাৱে শ্ৰমত নিয়োজিত কৰা শিশু শ্ৰমিক সকলক উদ্ধাৰ কাৰ্যত লাগি আছে। এনে মহৎ কাৰ্যৰ বাবে তেখেতক ২০১৪ চনত বিশ্বৰ অতি সন্মানীয় বঁটা নোবেল বটাৰে সন্মানিত কৰা হয়।

কৈলাশ সত্যাৰ্থীৰ জন্ম হৈছিল ১৯৫৪ চনৰ ১১ জানুৱাৰীত ভূপাল চহৰৰ পৰা প্ৰায় ৫০ কিঃমিঃ আঁতৰৰ বিদিশা নামৰ ঠাইত। বিদিশাৰে চৰকাৰী ইঞ্জিনিয়াৰিং কলেজত শিক্ষা গ্ৰহণ কৰা সত্যাৰ্থী পেচাত এগৰাকী বৈদ্যুতিক অভিযন্তা আছিল। কিন্তু তেওঁ জনসাধাৰণৰ কল্যাণৰ বাবে সমাজসেৱাত ব্ৰতী হৈ চাকৰিও পৰিত্যাগ কৰি শিশু শ্ৰমিক সকলক উদ্ধাৰ কাৰ্যত নামি পৰে। প্ৰায় ২০ বছৰৰ আগতেই তেওঁ শিশু শ্ৰমিকসকলক উদ্ধাৰৰ বাবে 'বচপন বচাও আন্দোলন' আৰম্ভ কৰে, যাৰ মূল উদ্দেশ্য আছিল ভাৰতীয় শিশু শ্ৰমিক সকলক উদ্ধাৰ কৰা যাৰ ফলশ্ৰুতিত বৰ্তমানে তেওঁ ৮০,০০০তকৈ অধিক শিশু শ্ৰমিকক উদ্ধাৰ কৰিছে। এই কাৰ্যত আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংঘইও তেখেতক সহায় সহযোগিতা আগবঢ়াইছে।

তেওঁৰ এই নিৰবিচ্ছিন্ন যাত্ৰাৰ আৰম্ভণি তথা চিন্তাৰ সূত্ৰপাত হৈছিল প্ৰায় বাৰ বছৰমান বয়সতে, তেতিয়াই তেওঁ উপলব্ধি কৰিছিল যে বহুত ল'ৰা-ছোৱালী কেৱল কিতাপ পত্ৰ নোহোৱৰ বাবে শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। যাৰ বাবে তেওঁ এটা শ্ৰেণীত উৰ্ত্তীণ হৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ পুৰণি কিতাপ পত্ৰ এখন ঠেলাত লৈ প্ৰয়োজন হোৱা ল'ৰা-ছোৱালীক যোগান ধৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে, কেৱল মাত্ৰ ৰাজনীতিৰ দ্বাৰা সমাজ সলনি নহয় বৰং সমাজসেৱাৰ দ্বাৰাহে সমাজৰ

উন্নতি তথা সলনি কৰিব পৰা যায়। তেওঁ 'সংঘৰ্ষ' জাৰী জাড়ি ৰহেগা' নামৰ পত্ৰিকাৰ জড়িয়তে তেওঁৰ ভাষ্য জনসাধাৰণৰ মাজলৈ লৈ যাবলৈ চেষ্টা কৰিছিল য'ত তেওঁ মজদুৰ লোকসকলৰ মৰ্ম বেদনা সুন্দৰ ভাৱে ফুটাই তুলি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল।

সমগ্ৰ বিশ্বজুৰি আলোড়নৰ সৃষ্টি কৰা তেখেতৰ আন্দোলন প্ৰথমাৱস্থাত সৃষ্টি হৈছিল এনেদৰে —-

এদিন বাগলখান নামৰ লোক এজনে এটা ইটা ভাটাত বহুতো শিশু শ্ৰমিক আৰু মহিলাক কামত নিয়োজিত কৰা খবৰ সত্যাৰ্থীক দিলেহি। লগে লগে সেই খবৰ পাই তেওঁৰ তেজ উথলি উঠিল। লগত এজন ফটোগ্ৰাফাৰ লৈ তেওঁ উক্ত স্থান পালেগৈ। তেওঁ ইটা ভাটাৰ মালিকক শিশু শ্ৰমিক আৰু মহিলাক কামত লগোৱাৰ বাবে প্ৰতিবাদ জনালে। ঘটনাই বিষম ৰূপ ধাৰণ কৰি তালৈ পুলিচৰ আগমন ঘটিল। ওলোটাই সত্যাৰ্থী আৰু সহযোগী ফটোগ্ৰাফাৰক দাবী ধমকি হে দিয়া হ'ল। তথাপি তেওঁলোকে হাৰ নামানিলে। তাৰ পাছতে সেই ঘটনাৰ ফটো পেপাৰত ওলাল আৰু উক্ত ঘটনা উচ্চ ন্যায়লয় পালেগৈ। উচ্চ ন্যায়লয়ে ৪৮ ঘন্টাৰ ভিতৰত শিশু শ্ৰমিক আৰু মহিলা সকলক মুকলি কৰিবলৈ আদেশ দিলে। সেয়াই আছিল তেখেতৰ আন্দোলনৰ প্ৰথম সফলতা।

সেয়াই আৰম্ভণি তাৰ পাছত তেওঁ থমকি ৰোৱা নাই। সংগ্ৰাম চলাই বিদেশতো বিয়পি পৰিল। তেওঁ ১০৮ খন দেশৰ ১৪ হাজাৰ সংগঠন লগলাগি 'শিশু শ্ৰমিক বিৰোধী বিশ্ব যাত্ৰা' সংগঠিত কৰিছে য'ত লাখ লাখ লোক লগ লাগি শিশু শ্ৰমিকক উদ্ধাৰ কৰিবৰ বাবে বদ্ধ পৰিকৰ হৈছে। তেওঁৰ কাৰ্যৰ দ্বাৰা 'ছাৰ্ক'প্ৰভাৱিত হৈ ছাৰ্কৰ সদস্য ৰাষ্ট্ৰ কেইখনে ইতিমধ্যে কাৰ্যদল বনাবলৈ ঘোষণা কৰিছে। তেওঁ কৈছে "শিশুক শ্ৰমত নিয়োজিত কৰা দণ্ডনায় কাৰ্য। মই জীৱিত কালতেই ই নিঃশেষ হোৱাটো বিচাৰে।" বৰ্তমান কৈলাশ সত্যাৰ্থী Global masch against child labourৰ অধ্যক্ষ পদত অধিস্থিত।

<u>তেওঁৰ দ্বাৰা প্ৰাপ্ত ৰাষ্ট্ৰীয়/ আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ</u>

2014 ---------- Nobel Prize
2009 ---------- Defenders of Democracy Award (U.S)
2008 --------- Alfonso conine international award (Spain)
2006 -------- Freedom Award
1998 ------- Golden flage Award আৰু বহুতো।

# মহৎ লোকৰ অমৃত কথা

**সংগ্ৰাহক ঃ মণিষা বৰাল**
তৃতীয় ষাণ্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

➲ আনক দুখদি নিজৰ সুখ কামনা কৰা লোকে কেতিয়াও শত্ৰুতা ভাবৰ পৰা মুক্তিলাভ কৰিব নোৱাৰে।

— বুদ্ধদেৱ।

➲ আমি যি জানো সি অতি সামান্য। আমি যি নাজানো তাৰ সীমা নাই। এতেকে নিজক জ্ঞানী বুলি ভবা অনুচিত।

- পাপলেচ্

➲ ঈশ্বৰ লাভৰ বাবে সংসাৰ ত্যাগ অপৰিহাৰ্য নহয় কিন্তু কোনোৱে যদি ঈশ্বৰ প্ৰাপ্তিৰ অৰ্থে আত্মোৎসৰ্গ কৰি সংসাৰ বিমুখ হয় সি অনাদৰণীয় নহয়।

— ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।

➲ এখন ভাল কিতাপ সকলো বন্ধুতকৈ বেছি আপোন। বন্ধুসকল আঁতৰি যাব পাৰে, কিন্তু কিতাপখন চিৰকাললৈ লগত থাকিব।

— টুপাৰ



# বন্ধুত্ব

অপৰাজিতা চুতীয়া
অসমীয়া বিভাগ
স্নাতক তৃতীয় ষান্মাষিক

'বন্ধু' - দুটা আখৰৰ এটি মিঠা স্বৰ্গীয় অনুভুতি। যি দিব পাৰে জীৱনৰ পথত আগবাঢ়ি যোৱাৰ অফুৰন্ত প্ৰেৰণা আৰু সাহস। সমস্যাৰ প্ৰাচীৰ ভাঙি জীৱন পথত আগুৱাই যোৱাত বন্ধুৱে সহায় কৰে। বন্ধুৱেই দুখত সমবেদনা জনায়। সুখ দুখৰ সমভাগী হয়। গতীকে জীৱন পথত পংকিলতাৰে ভৰা বাট অতিক্ৰম কৰিবলৈ প্ৰকৃত বন্ধুৰ নিতান্তই প্ৰয়োজন।

যশস্যা হৈছে উজ্জ্বল সোণৰ মুকুটাৰে সৈতে জিলিকি থকা এপাহ গোন্ধহীন সূৰ্যমুখী, কিন্তু বন্ধুত্ব হৈছে পাপৰিৰ জাপে জাপে সুবাস বিলাই থকা এপাহ ধুনীয়া গোলাপ।

প্ৰকৃত বন্ধু এজনক আমি গঢ়ি
ল'ব নোৱাৰো, ই হৈছে
স্বতঃস্ফুৰ্তভাৱে গঢ়ি উঠা এক সম্পৰ্ক
সেয়েহে এই সম্বন্ধৰ স্থান মান,
অনুভৱ সকলো সুকীয়া

বন্ধুত্ব এনে এক মধুৰ সম্পৰ্ক যাক বৰ্ণনাৰে শেষ কৰিব নোৱাৰি। 'বন্ধুত্ব'

শব্দৰ উচ্চাৰণতেই মানসপটত ভাঁহি উঠে হাঁহি কান্দোন, সুখ দুখ, আৱেগ, মান-অভিমান আদি বিভিন্ন অনুভূতি।

একেষাৰে ক'বলৈ বিচাৰিলে 'বন্ধুত্ব' হৈছে অলেখ অনুভূতিৰে সন্নিবিষ্ট এক মধুৰ শিহৰণ। বিশ্বাস আৰু নিৰ্ভৰতাৰ ভেটিত গঢ়ি উঠা বন্ধুত্বৰ সম্পৰ্কটো সংজ্ঞাবদ্ধ কিন্তু জটিল।

মানৱ জীৱনৰ বিভিন্ন সম্পৰ্কবোৰৰ ভিতৰত বন্ধুত্ব হৈছে এনে এক সম্পৰ্ক য'ত কোনো নিৰ্দিষ্ট পৰিসীমাৰ নাই এই সম্বন্ধত লিংগ, বৰ্ণ বা বয়সৰ কোনো বাধা নাথাকে। যিকোনো দুজন ব্যক্তিৰ মানসিক জগতৰ মিলনতেই এই সম্পৰ্ক গঢ় লৈ উঠে। মাতৃ-সন্তানৰ মাজত, স্বামী-স্ত্ৰীৰ মাজত ককা নাতিৰ মাজত এনে যিকোনো সম্বন্ধত আৱদ্ধ দুজন ব্যক্তিৰ মাজতো বন্ধুত্ব গঢ় লৈ উঠে। মাথো প্ৰয়োজন বিশ্বাস আৰু মনৰ মিলন।

প্ৰকৃততে বন্ধুত্বৰ এনাজৰীডাল ইমান শক্তিশালী যে আন কাৰো লগতেই ইয়াৰ তুলনা নহয়। প্ৰকৃত বন্ধুত্ব এক সজীৱ পুৱাৰ দৰে, যি জীৱনক নতুনত্ব প্ৰদান কৰিব পাৰে। মন-প্ৰাণ প্ৰফুল্লিত কৰি জীৱন যুঁজত হাতত ধৰি আগবঢ়াই নিয়ে। এজন বিপথগামী ব্যক্তিক এজন অন্তৰংগ বন্ধুৱেহে সৎ পথলৈ ঘূৰাই আনিব পাৰে। মহাভাৰতৰ কৰ্ণ আৰু দুৰ্যোধনৰ বন্ধুত্ব এক আদৰ্শ বন্ধুত্ব যিটো বৰ্তমান কল্পনাৰো অগোচৰ।

প্ৰকৃত বন্ধুত্ব গঢ়িবলৈ অতিকৈ প্ৰয়োজন বুজাবুজি তাৰ লগতে লাগিব পৰস্পৰৰ মাজত মৰম, বিশ্বাস, সুখ দুখৰ সমভাগী স্বাৰ্থহীনভাৱে এজনে আনজনৰ বাবে কিবা এটা কৰিবলৈ আগবাঢ়ি অহা, সূক্ষ্ম সূক্ষ্ম কথাৰ প্ৰতি দৃষ্টি ৰখা, সজ উপদেশ দিয়াৰ মনোভাব।

'বন্ধুত্ব' শব্দটো দেখিলেই মনতো উমাল হৈ পৰে আৰু কিবা এক সুখৰ মধুৰ অনুভৱত মন প্ৰাণত শিহৰণ জগে। বন্ধুত্বৰ বিষয়ে বাইবেলত এষাৰ অতি মূল্যৱান উক্তি আছে। সেই উক্তিটো হৈছে - এজন বিশ্বাসী বন্ধু এক শক্তিশালী প্ৰতিৰক্ষা। যি জনে তেনে এজন বন্ধু পাইছে তেওঁ এক ৰত্নভাণ্ডাৰ লাভ কৰিছে।

ইংৰাজ নাট্যকাৰ শ্বেইক্সপীয়েৰে বন্ধুত্ব বিষয়ে লিখা এটা মনোৰম কবিতা প্ৰথম দুশাৰীমান হ'ল ......

A friend in need is a friend indeed
He will help you in your need
If you sorrow, he will weep
If you wake, he cannot sleep

সঁচাকৈয়ে, যিজনে প্ৰয়োজনৰ বন্ধু তেওঁহে আচল বন্ধু বুলি মহান নাট্যকাৰজনে কৈছে। যিজন বন্ধুৱে আমাৰ দুখত কান্দে আৰু আমাৰ নিদ্ৰা হীনতাত টোপনি যাব নোৱাৰে, তেনে এজন বন্ধু পোৱাটো সঁচাই ভাগ্যৰ কথা। পৃথিৱীত এনে বহু লোক আছে যি সকলে অতি সহজে বন্ধুত্ব কৰিব পাৰে। এইটো এটা ডাঙৰ গুণ বুলিও বিখ্যাত ইংৰাজ নাট্যকাৰ জনে কৈছে।

# মহৎ লোকৰ অমৃত কথা

সংগ্ৰাহক ঃ মণিষা বৰাল
তৃতীয় ষাণ্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

- জুইয়ে শুকান খৰি পুৰি ছাঁই কৰাৰ দৰে ঈৰ্ষায়ো সকলো ভাল কাম নষ্ট কৰি পেলায়।
  — হজৰত মহম্মদ
- জীৱন জুখিবা হাঁহিৰে, চকুলোৰে নহয়। আয়ুস জুখিবা বন্ধুৰে, বছৰেৰে নহয়।
  — লক্ষ্যধৰ চৌধুৰী।
- নিন্দাই মোক নীচ কৰিব নোৱাৰে, প্ৰশংসায়ো মোক উচ্চস্তৰলৈ নিব নোৱাৰে। মই যি আছো সেয়ে থাকিম।
  — মহাত্মা গান্ধী।
- পাৰিম বুলি যিজনে বিশ্বাস কৰে তেওঁ জয়লাভ কৰিব পাৰে।
  — ভাৰ্জিল।

***M.K. Gandhi's father's name is Karamchand Gandhi and mother's name is Putlibai. M.K. Gandhi was the youngest son of them. He was born at Porbandar, otherwishe known as Scedamapuri, on 2nd October, 1869. He passed his childhood in Porbandar. When Gandhi was seven years old, his father left probandar for Rajkot to become a member of the Rajasthanik Court. Gandhi's educational life was stated fram Rajkot.***

# The life of Mahatma Gandhi

**Rubi Dehingia**
5th Semester
English Department

**Introduction :**

Gandhi's presence in the twentieth century, a century that perfected the art of extermination, is weirdly arresting. His life seems peculiarly unhoused in the violent landscape of his times. More than fifty years after his assassination in 1948, Gandhi has became a symbol, a myth, even a commodity. Yet we are still far fram taking the measure of the twentith century' most enigmatic and remarkable personality. Confronted by the vast corpus of his writings and speeches interprectors continue to quarrel, seeing him variously as a spiritual paragon, a wily politician, a psychological and anthropological curiosity, and inventor of political techniques of non-violance and civil disobedience, or as a critic of modernity.

**Early life :**

The Gandhi's family belong to the Bania caste and seem to have been originally grocers. But for three generations from M.K. Gandhis grandfather they have been Prime Ministers in several Kathiawad States.

M.K. Gandhi's father's name is Karamchand Gandhi and mother's name is Putlibai. M.K. Gandhi was the youngest son of them. He was born at Porbandar, otherwishe known as Scedamapuri, on 2nd October, 1869. He passed his childhood in Porbandar. When Gandhi was seven years old, his father left probandar for Rajkot to become a member of the Rajasthanik Court. Gandhi's educational life was stated fram Rajkot.

For in Kathiawad there are two distinct rites - betrothal and marriage, Betrothal in a preliminary pramise on the part of the parents of the boy and he girl to join them in marriage, and it is not inviolable. The death of the boy entails no widowhood on the girl. After Gandhi's two brother, it was his time to married a youngest girl. He was married to Kasturibai, who was illiterate. Gandhi was very anxious to teach her, but lustful love left him so times. For one thing the teaching had to be done against her will, and that too at night. He did not meet her in the presence of the elders, much less talk to her. He was bearning at the high scholl wehen he was married. For he had to run up and down between Rajkot and Bombay. Then the call from South Africa, and that found him already fairly free from the camal appetite.

**Carreer :**

Gandhi's career is remembered as the influenced one. He even went to hand on at that time for some serious reason. He was also a master of law.

It was the year 1901, when the congress met at Culcutta under the poresidentship of Mr. (later sir) Dinshaw Wacha. And Gandhi ofcourse attended it. It was his first experience of the congress. After full discussion and mature delib-eration Gandhi took the vow in 1906. He had cut down his heavy household expenses at Johannesburg and gone to Phoenix to take, as it were, the "Bramacharya" vow; which means not only complete chastity but the elimination of sexual desirve. This condition, it seems, is difficult to attain without a special diet and frequent fasting. He must relinguish the desire for children and wealth and live the life of a "Vanapastha" - of one retired from household cares. the "Prebellian" did not occupy him for more than six weeks, but this belief period proved to be a very important epoch in Gandhi's life.

The British view that Gandhi's presence helped the Bitish to mentain law and order. Gandhi's role in the "Chauri-chanra" incident of 1922 and his presence in general to keep the struggle non -violent appear the have won the appreciation of police circles in India and Burma. Mahatma Gandhi was also lead "the Indian Movement" in 1916. This seems to have porejustced the young antiimperialist Greorge Orvwell against Gandhi. Moreover, as a secular humanist. But at the same time Gandhi is able to wil Orevell's respect, even though grudgingly for his personal honesty and uprightness as a man, and his single minded astutemess as a politician. According to overall, the British and the Indian millionairs prefered Gandhi to the socialists and communists. Because they given him the chances, would actually have taken their many amont.

The "Satyagraha" means passive political resistance was also followed by M.K. Gandhi. He was also present during the time of "Boer war" (1899-1902), "First World War" (1914-1918), "Second World War" (1939-1945). and the Mass Movement was the opular movement involving large number of people which is impossible if people are not allowed to gather in groups. Gandhi, was also suffered by colurfacing. And he thought that elase friendships are dangerous. Gandhi also prefered the "Dandi March" with his followan. Gandhi established many Asharams like Savarmanta etc. in which his with Kasturibai helped him a lto In 1942, the congress party led by Gandhi took the "Quit India" resolution amounting to non-cooperation with the British whem Britain was under heavy Gremar bombing. In 1945, the labour party got a majority defeating churchill, and a labour ministry with Clement Attlee as Prime Minister was formed. The process heading to India's independece was began them. And for Gandhi's great sacrifices, on 15th August, 1947, the British handed over the power to India and we got freedm.

But unfortunately Gandhi was assassinated on 30 January, 1948, by Nathuram Godes when he was on his way to a prayer meeting without andy armend guards in attendence.

**Conclusion :** Mohandas Karamchand Gandhi being and extravagent part of India. Contributed a lot in very part of it. Hie tauched the zenith of his success by being called a "Param Pita" too. Hie was hurted, when the knew that during the time of independence India was divided into two parts - Pakistan and India or Hindustan. He was should a dorp respect for India techniues to us. As a politician all of Gandhi's action were open and beyond reproach. Even, today and in future Gandhi remains as a great higher or part of India.

# মানৱীয় মূল্যবোধৰ হ্ৰাস

**দৰদী গোহাঁই**
স্নাতক প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ।

'উঠা মিস্ত্ৰী কহাঁৰ, কমাৰ
আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বাহুবলে
নিজে কৰা কৰ্মৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।'

ধীৰেন্দ্ৰ চন্দ্ৰ দত্তদেৱে কবিতা শাৰীত দুখীয়া সকলক নিজৰ কৰ্মৰ বলত অধিকাৰ ল'বলৈ অনুৰোধ কৰিছে। কিয়নো ধনীসকলেই যে সমাজত বেছিকৈ অধিকাৰ ল'ব তেনে নহয়। পৃথিৱীত মূৰ তুলি মানুহ হিচাপে জীয়াই থাকিবলৈ সকলোৰে সমান অধিকাৰ বা মূল্য আছে। ইয়াত ধনী দুখীয়াৰ কোনো কথা নাই। পৃথিৱীৰ ৰঙীন সৌন্দৰ্য উপভোগ কৰিবলৈ সকলোৱেই বিচাৰে।

বৰ্তমান সমাজত ধনী শ্ৰেণীৰ কিছু লোকে সৰু মানুহক দয়াৰ চকুৰে নাচায়। আঁকি লোৱা প্ৰকৃতিৰ ছবিখন পানীয়ে ধুৱাই নিয়ে অৰ্থাৎ দুখীয়াৰ যি স্বপ্ন সেয়া আধাতেই শেষ হৈ যায় কেৱল টকাৰ বাবেই। এটা চাকৰিৰ বাবেও মাৰ্কচিটৰ পৰিৱৰ্তে হাজাৰ হাজাৰ টকা লাগে। যান্ত্ৰিক সভ্যতাৰ লগে লগে মৰম, চেনেহৰ মানৱীয় গুণবোৰ কমি আহিছে। অহংকাৰী লোকে কেৱল টকাকহে মূল্য দিব জানে য'ত মূল্যবোধৰ মূল্য নাথাকে। দুখীয়াই পাব লগা উচিত টকাকেইটাও আদায় দিব নোৱাৰে। এয়া ভবি নাচায় যে তেওঁলোকে অতি কষ্টেৰে যিকোনা কাম এটা কৰিব লগা হয়।

সমাজৰ প্ৰত্যেক ল'ৰা-ছোৱালীয়ে কেৱল উচ্চ খাপৰ আসন লৈ নিজক চিনাকী দিলেই নহ'ব, যদিহে তেওঁলোকৰ গাত নৈতিক আচৰণ নাথাকে। মূল্যবোধৰ গুণবোৰ আয়ত্ত কৰিলেহে সমাজ খনো আগবাঢ়ি যাব পাৰিব। ৰোমাণ্টিক কবি আগৰৱালা দেৱে দি যোৱা মানৱতাৰ সেই ৰসাল গুণবোৰো টকাৰ আঁৰতেই লুকুৱাই দিছে। প্ৰত্যেক ব্যক্তি চহৰমুখী হৈ পৰাত পৰিয়ালৰ মাজতেই আৱদ্ধ হৈ পৰিছে। য'ত প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যত এখন্তেক জিৰাবলৈও কাৰো আহৰি নাই। মোৰ বোধেৰে, আমি প্ৰত্যেকে প্ৰথমে প্ৰকৃতিৰ পৰা মূল্যবোধৰ নম্ৰতা, দায়িত্ববোধ, দেশপ্ৰেম, সৌন্দৰ্যবোধ আদি গুণবোৰ শিকিব লাগিব, তেতিয়াহে মানুহক ভেদ-ভাৱ, হিংসা খৰিয়াল আঁতৰাই ভাল পাবলৈ শিকিব পাৰিম। হেৰাই যাবলৈ ধৰা মানৱীয় গুণ বোৰ আকৌ সোণোৱালী আঘোণৰ দৰে সজীৱ হৈ উঠিব পাৰিব।

দেখি থকা সমাজৰ মহান ব্যক্তিসকলৰ আদৰ্শত আগবাঢ়ি যাব লাগিব। ধনী-দুখীয়াৰ মাজত ব্যৱধান নাৰাখি সকলো লোকৰ কথা চিন্তা কৰিব লাগিব। যিসকল লোকে আজিও এসাঁজ ভাতৰ বাবে অপেক্ষা বা হাহাকাৰ কৰি থাকে। আমি সাধাৰণ শ্ৰেণীৰ লোকসকলে যি স্বপ্ন দেখো জীয়াই থাকিবলৈ, এই লোকসকলে আজিও দেখিবলৈ পোৱা নাই। মাথো স্বপ্ন ৰঁচে পেটৰ জ্বলা যন্ত্ৰণাত থাকিব নোৱাৰা ভাত সাঁজক লৈ। গৰ্বিত লোকসকলৰ বাবে সমাজত দুৰ্নীতিয়ে ভৰি পৰিছে। নিয়ম-কানুন উলংঘা হোৱাৰ ফলত দয়া মমতা নিঃশেষ হৈ পৰিছে। আমি প্ৰত্যেকে সমাজৰ উন্নতিৰ হুঁকে যুঁজ দিবলৈ হ'লে একতাৰ ৰচীৰে সকলো বান্ধ খাব লাগিব।

# শিক্ষা, জনপ্ৰতিনিধি আৰু ভাৰতৰ ৰাজনীতি

বেবি বৰগোঁহাই
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক তৃতীয় ষান্মাসিক

বৰ্তমান পৃথিৱীৰ সৰহ সংখ্যক দেশতেই গণতান্ত্ৰিক আৰ্হিৰ শাসন ব্যৱস্থা প্ৰৱৰ্তন আছে। আমাৰ দেশ ভাৰতবৰ্ষও এখন গণতান্ত্ৰিক দেশ, য'ত সংসদীয় গণতান্ত্ৰিক শাসন ব্যৱস্থা আছে এনে পদ্ধতিৰ শাসন ব্যৱস্থা জনসাধাৰণে নিৰ্বাচিত কৰা প্ৰতিনিধিৰ দ্বাৰা গঠিত অৰ্থাৎ সংসদীয় চৰকাৰ ব্যৱস্থাত দেশৰ জনসাধৰণ হ'ল সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী। বৰ্তমান আলোচনাৰ মূল বিষয় হ'ল গণতান্ত্ৰিক ৰাজনীতিত শিক্ষাৰ গুৰুত্ব কিমান অপৰিসীম? যদিও ৰাজনীতি আৰু শিক্ষা দুটা পৃথক বিষয়। কিন্তু এই দুয়োটা বিষয়ৰ মাজত ওতঃপ্ৰোত সম্বন্ধ আছে।

ভাৰতৰ সংবিধান প্ৰণেতাসকলে নাগৰিক সকলৰ বাবে ৰাজনৈতিক অধিকাৰ প্ৰদান কৰিছে। এই অধিকাৰৰ জৰিয়তে ১৮ বছৰ বয়সপ্ৰাপ্ত সকলো প্ৰাপ্তবয়স্ক নগৰিকে ভোটদানৰ অধিকাৰ পায় আৰু যি সকল অপৰাধী, মস্তিষ্ক বিকাৰগ্ৰস্ত, দুনীৰ্তিপৰায়ণ, দেউলীয়া তেনেলোকক ৰাজনৈতিক অধিকাৰ ভোগ কৰাত বাধা আৰোপ কৰিছে।

কিন্তু অতি তাৎপৰ্যৰ বিষয় হ'ল এনে অধিকাৰ নাগৰিক সকলে ভোগ কৰাৰ ফলত প্ৰকৃততে সৎ, দুনীৰ্তিমুক্ত, প্ৰতিনিধি নিজ নিজ সমষ্টিসমূহৰ পৰা ৰাজ্য বিধানসভালৈ বা সংসদলৈ নিৰ্বাচিত কৰিব পাৰিছেনে? যদি আমি বিষয়টো ভালদৰে পৰ্যালোচনা কৰি চাওঁ ভাৰতবৰ্ষৰ এক চতুৰ্থাংশ নাগৰিকহে প্ৰকৃততে শিক্ষিত। ইয়াৰ বিপৰীতে ভোটদানৰ অধিকাৰ শিক্ষিত আৰু অশিক্ষিত উভয়েই পায়। গতিকে অশিক্ষিত ভোটাৰৰ সংখ্যা তুলনামূলকভাৱে বেছি হোৱাৰ বাবে এগৰাকী যোগ্য, শিক্ষিত, বিবেকসম্পন্ন সৎ প্ৰতিনিধিৰ নিৰ্বাচন কৰাত সন্মুখীন হয়। যাৰ ফলস্বৰূপে তেনেধৰণৰ প্ৰতিনিধিৰ দ্বাৰা গঠিত ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰখনো সুস্থ আৰু নিকা নহয়, গতিকে গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ অৰ্থ যদিও ৰাইজৰ দ্বাৰা গঠিত, কিন্তু জন ষ্টুৱাৰ্ট মিলে এই প্ৰসংগত কৈছিল, "সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ আগতে নাগৰিকক সাৰ্বজনীন শিক্ষা দিয়াটোহে প্ৰয়োজনীয়।"

ৰাজনৈতিক অধিকাৰৰ দ্বাৰা ভোটাধিকাৰ লোৱাৰ উপৰিও নাগৰিকে নিৰ্বচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। সংসদ বা বিধানসভা সমূহলৈ নিৰ্বাচিত প্ৰতিনিধিসকল প্ৰকৃততে একো একোজন শাসক। যিসকলৰ ওপৰত একোখন ৰাজ্য বা দেশৰ জনসাধাৰণৰ আৰ্থিক, সামাজিক, ৰাজনৈতিক আদি বিভিন্ন সমস্যাসমূহ নিৰ্ভৰ কৰে। গতিকে তেনে প্ৰতিনিধি সকলৰ কেনেধৰণৰ অৰ্হতা থকাটো প্ৰয়োজন, ই এটা আমাৰ বাবে ডাঙৰ প্ৰশ্ন? যদি এজন শিক্ষক, ডাক্তৰ, সাহিত্যিক, ইঞ্জিনীয়াৰ, কবি প্ৰশাসনিক বিষয়া হ'লে নিজকে তিল তিলকৈ গঢ় দিব লাগিব আৰু সৰ্বতো প্ৰকাৰে নিজকে কৰি তুলিব লাগিব ম'ষ্ট এলিজিব্‌ল।

কিন্তু বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰখনৰ গণতান্ত্ৰিক ব্যৱস্থা আৰু সংবিধানে প্ৰদান কৰা বিচিত্ৰ ৰেহাইৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি জন প্ৰতিনিধি অৰ্থাৎ বিধায়ক নাইবা সংসদ হ'ব খোজা সকলৰ অৰ্হতা, যোগ্যতা, ভাৱমূৰ্ত্তি কি লাগিব। একো নালাগে। কেৱল বয়স ১৮ৰ উৰ্দ্ধত হ'ব লাগিব। চুৰি, ডকাইতি, ধৰ্ষণ হত্যা আদি অপৰাধ সংঘটিত কৰা অপৰাধী হ'লেও হ'ব। যি সময়ত তীব্ৰ প্ৰতিযোগিতামূলক সাম্প্ৰতিক সময়ছোৱাত সমাজৰ বিভিন্ন ক্ষেত্ৰত দক্ষতা, অৰ্হতা আৰু এলিজিবিলিটি টেষ্ট কৰি শ্ৰেষ্ঠজনক বিভিন্ন ক্ষেত্ৰত নিৰ্বাচন কৰা হৈছে, সেই সময়ত ভাৰতবৰ্ষত নিৰ্বাচন নামৰ এক প্ৰহসনৰ যোগেদি নিৰ্বাচিত হৈ অহা সমাজৰ এখনি অশিক্ষিত, অদক্ষ, অকৰ্মণ্য ব্যক্তিৰ লগতে দুৰ্নীতিপৰায়ণ, অসৎ চৰিত্ৰৰ ক্ৰিমিনেলৰ চৰণ ক্ষেত্ৰ হৈ উঠিছে আমাৰ বিধানসভা আৰু সংসদ। ধন বল, গুণ্ডাগিৰি, ভীতি প্ৰদৰ্শন, ভুৱা প্ৰলোভন আদিৰ বলত নিৰ্বাচন নামৰ প্ৰহসনটোত বহু সময়ত দক্ষ, সৎ আৰু নিকা ভাৱমূৰ্ত্তিৰ উচ্চ শিক্ষিত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীক বিপুল ভোটত পৰাজিত কৰি সমাজৰ এচাম অশিক্ষিত, অসৎ ব্যক্তি উপবিষ্ট হয়গৈ দিছপুৰ আৰু দিল্লীত ৰাইজৰ ৰজানৈতিক প্ৰতিনিধি হৈ। গতিকে এখন সুস্থ, নিকা, ভামূৰ্ত্তিৰ চৰকাৰ জনসাধাৰণে পাবলৈ আশা কৰিলে নিজকে ৰাজনৈতিক ভাৱে সচেতন কৰিব লাগিব আৰু ইয়াৰ বাবে প্ৰয়োজন উপযুক্ত শিক্ষা।



# শেলাইৰ বিষয়ে কিছু কথা

ডিম্পী চন্দ
কলা শাখা
একাদশ শ্ৰেণী

উদ্ভিদ জগতৰ শ্ৰেণী বিভাজনত শেলাইক অপুষ্পক উদ্ভিদৰ সমাঙ্গদেহীৰ বৰ্গত ৰখা হৈছে। শেলাইৰ দেহ সৰল হোৱাৰ বাবেই ইয়াক সমাঙ্গদেহীৰ উদ্ভিদ বুলি কোৱা হয়। প্ৰকৃততে উদ্ভিদ বুলি ক'লে শিপা, গছ-গছনি, ডালপাত থাকিব লাগে বুলি মানুহে ধাৰণা কৰে। কিন্তু শেলাইৰ দেহত তেনে কোনো স্পষ্ট পাৰ্থক্য পৰিলক্ষিত নহয়। আগে গুৰিয়ে সমান। সেয়ে শেলাইক নিম্ন শ্ৰেণীৰ উদ্ভিদ বুলিও কোৱা হয়।

শেলাই মাটি, পানী, শিল, বা পানীৰ পৃষ্ঠ ভাগত দেখা যায়। কেতিয়াবা কিছুমান শেলাই উদ্ভিদ আৰু প্ৰাণীৰ দেহৰ ভিতৰত অন্তৰ উদ্ভিদ বা পৰাশ্ৰয়ৰ উদ্ভিদ হিচাবেও থাকে।

উদ্ভিদে সালোকসংশ্লেষণ পদ্ধতিৰ দ্বাৰা নিজে নিজৰ আহাৰ প্ৰস্তুত কৰি ল'ব পাৰে। এই কাৰ্য সম্পন্ন হয় গছৰ সেউজীয়া অংশত অৰ্থাৎ পাতত। গছৰ পাত সেউজীয়া হোৱাৰ মূল কাৰণ হ'ল ইয়াত হৰিৎকণা বা ক্ল'ৰফিল নামৰ এবিধ ৰঞ্জক পদাৰ্থ থাকে হৰিৎকণাই উদ্ভিদক সূৰ্যৰ পোহৰ ব্যৱহাৰ কৰিব পৰাকৈ সক্ষম কৰি তোলে। সালোক সংশ্লেষণ প্ৰক্ৰিয়াত হৰিৎকণাই শক্তি ৰূপান্তৰ হিচাপে কাম কৰে। স্যালোক সংশ্লেষণত উদ্ভিদে সূৰ্য্যৰ পোহৰত পানী আৰু কাৰ্বন-ডাই-অক্সাইডৰ সহায়ত গছৰ পাতত শ্বেতসাৰ প্ৰস্তুত কৰে আৰু অক্সিজেন বায়ুমণ্ডললৈ পঠিয়াই দিয়ে। শেলাইৰ যদিও নিৰ্দিষ্ট ডাল পাত নাই, তথাপিও ই উচ্চ শ্ৰেণীৰ উদ্ভিদৰ দৰে নিজে নিজৰ আহাৰ তৈয়াৰ কৰি লয়।

অতি ৰঞ্জক পদাৰ্থৰ ওপৰত ভিত্তি কৰি শেলাই সমূহক চাৰিটা ভাগত ভগোৱা হৈছিল। সেয়া হ'ল ঃ

১/ নীল হৰিৎ শেলাই (Blue green algae .... Cyanophyceae)
২/ সেউজীয়া শেলাই (Green algae ...... Chlorophyceae)
৩/ মুগা বৰণীয়া শেলাই (Brown algae .. Pheophyceae)
৪/ ৰঙা শেলাই (Red algae ..... Rhodophyceae)

নীল হৰিৎ শেলাইত নীলা আৰু সেউজীয়া দুবিধ ৰঞ্জক পদাৰ্থ থকাৰ বাবে ইয়াক নীলা সেউজীয়া শেলাই বুলি কোৱা হয়। নীলা ৰঞ্জনক বিধৰ নাম 'ফাইক'ছায়ানিন (Phycocyanin) আৰু সেউজীয়া বিধৰ নাম 'ক্ল'ৰফিল'।

নীল হৰিৎ শেলাইৰ কিছুমান প্ৰজাতি এককোষী আৰু কিছুমান সূতাৰ আকৃতিৰ। নীলহৰিৎ শেলাইৰ অধীনত অন্তৰ্ভুক্ত প্ৰজাতিবোৰৰ ভিতৰত কিছুমান উপকাৰী আৰু কিছুমান বৰ অপকাৰী নষ্টক (Nostoc), এনাবিনা (Anabena)কে মুখ্য কৰি প্ৰায় বিশ বিধমান নীল হৰিৎ শেলায়ে বায়ুমণ্ডলৰ নাইট্ৰজেন ভাগ ইয়াৰ যৌগলৈ ৰূপান্তৰিত কৰিব পাৰে। এনাবিনা নামৰ শেলাইবিধে এজ'লা নামৰ এবিধ জলজ ঢেঁকীয়াৰ লগত সহবাহ কৰি বায়ুমণ্ডলৰ নাইট্ৰজেন মাটিত সংস্থাপন কৰে। সেইয়ে আজিকালি এনেধৰণৰ নীলহৰিৎ শেলাইক মাটিৰ উৰ্বৰতা বৃদ্ধি কৰাৰ কামত ব্যৱহাৰ কৰা হৈছে।

নীলহৰিৎ শেলাইয়ে অযৌন পদ্ধতিৰে বংশ বৃদ্ধি কৰে

স্পিৰুলিনা নামৰ এবিধ নীলহৰিৎ শেলাইৰ পৰা বহুতো জীৱ প্ৰযুক্তি উদ্ভাৱন কৰা হৈছে। এইবিধ শেলাইৰ কোষবোৰ পাক খোৱা। সেইয়ে ইয়াৰ নাম স্পিৰুলিনা (Spirulina) হ'ল স্পিৰুলিনা শেলাইৰ অৰ্থ হ'ল সৰু পাক।

বহুত শতিকাৰ আগতেই মানুহে স্পিৰুলিনাক উৎকৃষ্ট শেলাই বুলি স্বীকৃতি দিছিল। সেই সময়ত ইয়াৰ ওপৰত পৃথিৱীৰ কোনো ঠাইতে গৱেষণা হোৱা নাছিল। আজিৰ পৰা ত্ৰিশ বছৰমান আগতহে স্পিৰুলিনাই গৱেষণাগাৰত ঠাই পায়।

স্পিৰুলিনাত প্ৰটিন, কৰ্বহাইড্ৰেট, ভিটামিন একে কৰি ভিটামিন বি কমপ্লেক্সৰ প্ৰায়বোৰ ভিটামিন পোৱা যায়। দেহৰ পৰা আৱশ্যকীয় সকলোখিনি খনিজ পদাৰ্থ স্পিৰুলিনাত আছে। স্পিৰুলিনাত থকা প্ৰটিন ভাগ প্ৰাণীয়ে সহজে হজম কৰিব পাৰে বুলি বিজ্ঞানীসকলে মত প্ৰকাশ কৰিছে। কাৰণ ইয়াৰ কোষবোৰ আন উদ্ভিদৰ দৰে ছেলুলোজ নামৰ জটিল পদাৰ্থৰ দ্বাৰা গঠিত নহয়। মিউক'পলিছেকোৰাইড (Mucopolysacharide) নামৰ এবিধ সৰল পদৰ্থৰে গঠিত। ঠিক তেনেদৰে স্পিৰুলিনা থকা ৰেম'নজ আৰু গ্লাইক'জেন নামৰ বহু শৰ্কৰা বিধক আমাৰ দেহে সহজে হজম কৰিব পাৰে।

বৰ্তমান দেহ আৰ্চিল কৰি ৰাখিবৰ বাবে স্পিৰুলিনাক উৎকৃষ্ট আহাৰ বুলি কোৱা হৈছে। কাৰণ কম পৰিমাণৰ স্পিৰুলিনাই দেহত প্ৰটিন, ভিটামিন, কাৰ্বহাইড্ৰেটকে আৰম্ভ কৰি খনিজ আৰু আঁহ জাতীয় পদাৰ্থলৈকে যোগান ধৰে। সেইয়ে নাছাই মহাকাশচাৰীসকলৰ খাদ্য হিচাপে স্পিৰুলিনাক আহাৰৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে।

নীলহৰিৎ শেলাই ভাগৰ এইবিধ প্ৰজাতি সাধাৰণতে খাৰুৱা উষ্ম পানীত উৎপন্ন হয়। বিশেষকৈ উপক্ৰান্তীয় অন্তৰ্গত। বৰ্তমান প্ৰায়বোৰ দেশতে বৈজ্ঞানিক পদ্ধতিৰে পৰিৱেশ সৃষ্টি কৰি স্পিৰুলিনা উৎপন্ন কৰে।

*ক্ল'ৰেলা অতি সুক্ষ্ম এককোষী উদ্ভিদ। কোষবোৰত সৰহ পৰিমাণৰ ক্ল'ৰফিল থাকে। সেয়ে ইয়াৰ নাম ক্লৰেলা হ'ল। ইয়াৰ প্ৰজনন কোষ বিভাজনৰ কোষ বিভাজনৰ দ্বাৰা হয়। প্ৰজনন অতি খৰ সেয়ে সালোক সংশ্লেষণ প্ৰক্ৰিয়াও অতি খৰকৈ হয়। এই প্ৰক্ৰিয়াত ক্ল'ৰেলাই বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইড শোষণ কৰি নিজৰ বাবে শ্বেতসাৰ প্ৰস্তুত কৰে আৰু বায়ুমণ্ডললৈ অক্সিজেন এৰি দিয়ে। বায়ুমণ্ডলৰ গ্ৰীণ হাউচ গেছৰ পৰিমাণ কিছু হ্ৰাস কৰাৰ ক্ষেত্ৰত ক্ল'ৰেলাৰ স্থান অতি উচ্চ।*

সেউজীয়া বা হৰিৎ শেলাই পৃথিৱীৰ সকলো ঠাইতে সকলো পৰিৱেশতে পোৱা যায়। সাধাৰণতে সেউজ শেলাই পৰিস্কাৰ পানীৰ শেলাই। অৱশ্যে কিছুমান প্ৰজাতি লুণীয়া পানীতো গজে এই শ্ৰেণীৰ শেলাইসমূহ এককোষী বা বহুকোষী হ'ব পাৰে। গতিশীল এককোষী নিম্ন শ্ৰেণীৰ শেলাইবোৰত ৰোমক বা চিলিয়া (Cillia) থাকে। বোধকৰো কোষটোৰ সন্মুখফালে অৱস্থিত।

হৰিৎ শেলাইত ক্লৰফিল - এ, ক্লৰফিল-বি, কেৰৰ্চিন আৰু জেন্থ'ফিল নামৰ ৰঞ্জক পদাৰ্থ কেইবিধ থাকে। হৰিৎ কণাৰবোৰৰ অৱস্থান কোষৰ ভিতৰত। কোষৰ গঠনৰ ওপৰত নিৰ্ভৰ কৰি হৰিৎকণাৰ আকাৰ আৰু গঠন ভিন্ন হ'ব পাৰে। কিছুমান প্ৰজাতিত ইয়াৰ আকৃতি কাপৰ দৰে, কিছুমান প্লেটৰ দৰে, কিছুমান আকাৰ পাকখোৱা বা সূতাৰ আকৃতিৰ।

হৰিৎ শেলাইয়ে তিনি প্ৰকাৰে বংশ বৃদ্ধি কৰে অংগজ প্ৰজনন (Vegetative reproduction), অযৌন প্ৰজনন

(Asexual reproduction) আৰু যৌন প্ৰজনন (Sexual reproduction), যৌন প্ৰজনন সমযুগল (Isogamy) বা অসমযুগ্মান (Anisogamy Oogamy) হ'ব পাৰে। উচ্চ শ্ৰেণীৰ হৰিৎ শেলাইত বা পৃথক (Heteroyhalic) শেলাইত সৃষ্টি হ'ব পাৰে। কেতিয়াবা সংযোগ নোহোৱাকৈ একোটা জনন বোৰ নতুন শেলাই জন্ম দিব পাৰে। অৰ্থাৎ অনিষিক্ত জনন কোষৰ (Parthogenesis) পৰাও একেডাল নতুন শেলাই উৎপন্ন হয়।

হৰিৎ শেলাইৰ প্ৰজাতি অসংখ্য। তাৰে কিছুমান প্ৰজাতি বৰ উপকাৰী। ক্ল'ৰেলা (Chlorella) নামৰ প্ৰজাতি বিধৰ পৰা বহুতো নতুন জীৱ প্ৰযুক্তি উদ্ভাৱন কৰা হৈছে। বিশ্বৰ প্ৰায়বোৰ উন্নত দেশত ক্ল'ৰেলাৰ খেতি আৰু উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ কথা জনা গৈছে।

ক্ল'ৰেলা অতি সুক্ষ্ম এককোষী উদ্ভিদ। কোষবোৰত সৰহ পৰিমাণৰ ক্ল'ৰফিল থাকে। সেয়ে ইয়াৰ নাম ক্লৰেলা হ'ল। ইয়াৰ প্ৰজনন কোষ বিভাজনৰ কোষ বিভাজনৰ দ্বাৰা হয়। প্ৰজনন অতি খৰ সেয়ে সালোক সংশ্লেষণ প্ৰক্ৰিয়াও অতি খৰকৈ হয়। এই প্ৰক্ৰিয়াত ক্ল'ৰেলাই বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইড শোষণ কৰি নিজৰ বাবে শ্বেতসাৰ প্ৰস্তুত কৰে আৰু বায়ুমণ্ডললৈ অক্সিজেন এৰি দিয়ে। বায়ুমণ্ডলৰ গ্ৰীণ হাউচ গেছৰ পৰিমাণ কিছু হ্ৰাস কৰাৰ ক্ষেত্ৰত ক্ল'ৰেলাৰ স্থান অতি উচ্চ।

মুগা শেলাই মূলত ঃ সাগৰীয় সেলাই। 'মিউক জেনথিন' নামৰ এবিধ মুগা বৰণৰ ৰঞ্জক পদাৰ্থ থকাৰ বাবেই এই শেলাইসমূহৰ ৰং মুগা হয়। কিছুমান প্ৰজাতিৰ ৰং সামান্য সেউজীয়া হয়। মুগা শেলাই 'কেল্প' বুলিও কোৱা হয়।

"কেল্প" বোৰক আয়ডিনৰ উৎস বুলি কোৱা হয়। এই শ্ৰেণীৰ শেলাইত পটাছিয়াম আৰু খনিজ পদাৰ্থ সৰহকৈ থাকে। সেইয়ে খেতি বাতিৰ বাবেও মুগা শেলাই ব্যৱহাৰ কৰা হয়। চীন আৰু জাপানত কেইবিধমান প্ৰজাতি আহাৰ হিচাপে ব্যৱহাৰ কৰে। কেল্পবোৰ সাগৰীয় মাছৰো আহাৰ।

ৰঙা শেলাই বেছিভাগেই সামুদ্ৰিক শেলাই। ক্লৰফিল আৰু 'ফাইকমায়নিৰি উপৰিও 'স্কাইক'এৰিক্সিন' নামৰ ৰঞ্জক পদাৰ্থটো বেছিকৈ থকাৰ বাবে এই ভাগ শেলাইৰ ৰং ৰঙা হয়। ৰঙা শেলাইৰ বেছি ভাগেই বহুকোষী আৰু সূতাৰ আকৃতিৰ। 'পলিছাইকনিয়া' বেট্ৰাকচ্‌পাৰ মাম' নামৰ শেলাইবোৰ উচ্চশ্ৰেণীৰ উদ্ভিদৰ দৰেই ।

ৰঙা শেলাই সামগৰীয় প্ৰাণীসূহৰ খাদ্য। 'পাৰফাইনা' 'কণড্ৰাছ' জাইগাৰছিন', পালমেৰিয়া আদি প্ৰজাতিবোৰ জাপান আৰু ইউৰোপৰ কোনো কোনো অঞ্চলত খাদ্যৰূপে মানুহে ব্যৱহাৰ কৰে। 'কণড্ৰাছ ক্ৰিদুপাছ' নামৰ শেলাই বিধ আইচক্ৰিম, মিঠাই আদি প্ৰস্তুত কৰোতে ব্যৱহৃত হয়। জীৱ প্ৰযুক্তিৰ পৰীক্ষা নিৰীক্ষাত সঘনে ব্যৱহাৰ হৈ থকা এগাৰ এগাৰ (agar - agar) নামৰ পদাৰ্থবিধ 'জেলিডিয়াম' আৰু 'গ্ৰেছিলেৰীয়া' নামৰ শেলাই বিধৰ উৎপন্ন কৰা হয়। বিজ্ঞানীসকলৰ মতে প্ৰবাল দ্বীপ সৃষ্টিত কিছুমান ৰঙা শেলাইৰ অহিৰণা অসীম। সেইবিধ প্ৰজাতিয়ে দেহৰ পৰা চুণ জাতীয় পদাৰ্থ নিৰ্গত কৰি প্ৰবাল দ্বীপ নিৰ্মাণ হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

## মহৎ লোকৰ অমৃত কথা

**সংগ্ৰাহক ঃ মণিষা বৰাল**
তৃতীয় ষাণ্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

- পৃথিৱীৰ আটাইতকৈ বেয়া কাম আনৰ সুনাম নষ্ট কৰা।

— ৰামকৃষ্ণ পৰম হংসদেৱ

- বেয়া মানুহে শাস্তিৰ ভয়ত পাপক ঘিণ কৰে, কিন্তু ভাল মানুহে সততাৰ প্ৰতি প্ৰেমৰ কাৰণেহে পাপক ঘিণ কৰে।

— জু ভেনাল

# লক্ষ্যত কিছু প্ৰয়াস..., সফলতা....



কলেজৰ এন চি চি কেডেট চুমি গগৈয়ে মুখ্যমন্ত্ৰীৰ পৰা বঁটা গ্ৰহণৰ মুহূৰ্তত



কলেজত অনুষ্ঠিত জ্ঞানম গ্ৰন্থমেলা



কলেজৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচন




যৌন উৎপীড়নৰ বিৰুদ্ধে সজাগতা সভাত ভাষণৰত অধিবক্তা শ্ৰীযুতা নিৰু বৰগোহাঞিঃ

# বিশিষ্ট ব্যক্তিৰ সান্নিধ্য



অসম চৰকাৰৰ আৰ্থিক অনুদানেৰে নিৰ্মিত বিজ্ঞান ভৱনৰ উন্মোচনী মুহুৰ্তত বিধান সভাৰ অধ্যক্ষ শ্ৰীযুত প্ৰনৱ গগৈ আৰু কলেজৰ জ্যেষ্ঠ অধ্যাপক শ্ৰীযুত বুদ্ধীন মিশ্ৰ প্ৰমুখ্যে কলেজৰ অন্যান্য অধ্যাপক-অধ্যাপিকা-কৰ্মচাৰী, ছাত্ৰীসকলক দেখা গৈছে।



বিজ্ঞান ভৱন উন্মোচন



বিজ্ঞান ভৱনৰ উন্মোচনী সভাত উপস্থিত ৰাজহুৱাকৰ্মী প্ৰমীৰ গগৈ, সাংবাদিক সোমেশ ডেকা, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰীসকলৰ একাংশ



অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েংদেৰে কলেজৰ সম্বৰ্ধনা অনুষ্ঠানত ভাষণ প্ৰদান কৰা মুহূৰ্তত

# আনন্দ, বিষণ্ণতাৰ মিশ্ৰিত মুহূৰ্ত




কলেজৰ "বিউটিচিয়ান ট্ৰেইনিং এণ্ড পাৰ্চনেল গ্ৰুমিং চেণ্টাৰ"ৰ তত্ত্বাৱধায়ক অধ্যাপিকা মুকুতা দাস বৰকাকতী, প্ৰশিক্ষক শ্যামলী শইকীয়া আৰু শিক্ষাৰ্থীসকল।



কলেজৰ কৰ্মচাৰীসকলৰ দ্বাৰা আয়োজিত প্ৰাক্তন অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকনদেৱৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান



শিক্ষক দিৱস উপলক্ষে আয়োজন কৰা ৰচনা প্ৰতিযোগিতাৰ দৃশ্যাংশ



আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণকাৰী কলেজৰ তত্ত্বাৱধায়কসহ ছাত্ৰীসকল

# 'আহিঁ কলেজ'ৰ কিছু আহিঁ....



কলেজৰ প্ৰধান চৌহদত বুৰঞ্জী আৰু অৰ্থনীতি বিভাগৰ তত্ত্বাৱধানত গঢ় লৈ উঠা ফুলনি আৰু দুগৰাকী তত্ত্বাৱধায়ক প্ৰবীন শৰ্মা, তৃপ্তি মল্লিকা বৰুৱা (ইনচেটত ফুলনিৰ অন্যতম তত্ত্বাৱধায়ক দীপজোনালী ভূঞা চহৰীয়া)



কলেজৰ বনিয়া বাৰী চৌহদত কৃষি আৰু মীন পালন (ইনচেটত চৌহদৰ মুখ্য তত্ত্বাৱধায়ক ড° বিমল দত্ত।)



কলেজৰ বিজ্ঞানভৱনৰ গ্ৰন্থাগাৰ আৰু ডিজিটেল ক্লাচ ৰুম

*Travelling*

# Manipur at a glance

**Dipshikha Sharma**
5th Semester,
Geography Department

*'Blue hills bound the view on almost every side, the villages are buried in groves of slender plams, feathery bamboos, and broad leaved plantains, and ever in the dry season the state looks fresh and green.'*

Manipur rightly called as the "land of Juwell" and "Switzerland of India" as it boasts incredible beautiful landscape that has been generously decorated with undulating hills, the emerald green valleys, thick forests, clear blue lakes, the stunning flora and fauna and other natural beauty that lies in the heart of Manipur. All this things make Manipur a heaven like beauty in the earth.

It is a state of North-East India, with the city of Imphal as its capital. The state is sometimes referred to by alternative names such as Kangleipak and Meeteileipak. It is bounded by Nagaland to the North, Mizoram to the South and Assam to the West, Burma lies to the East.

Manipur is comprised of two main physical regions – an outlaying area of rugged hills and narrow valleys and inner area of flat plain with all associated land forms. These two areas are not only distinct in respect of physical features but are also conspicuous with regard to various flora and fuma. Laktak Lake is an important feature of the central plain. It is 48 km. from Imphal, is the largest fresh water lake in the North East Region. The four major river basin in Manipur are Borak, Yu, Lanye and Manipur river.

The natural vegetation occupies about 64% of the total geographical area of the state. The vegetation consist of a large variety of plants ranging from short and tall grasses, reeds and bamboos to trees of various species...Teak, pine, oak, bamboo, cane etc. are important forest resources growing in plenty. In addition, rubber, tea, coffee, orange and cardamon are growing in hills. Rice and cash crop like sugarcane, potato, labacco, pulses etc. occupy the main vegetation cover in the valley. Various horticultural trees like banana, lemon, pears, pineapple are also available here. Because of this emence scope for agriculture people of Manipur adopt it as their main occupation and it provides employment to about 53% of the total workers in Manipur.

Manipur is rich in natural resources but due to difficult terrain, inadequate infrastructursal facilities and varying dinate conditions, the state could not develop much in the industrial sector of its economy. At present, there is no industries worth mentioning except traditional oriented ones such as Khadi and village industries handlooms and handicrafts. The Manipuri handlooms and handicrafts are world famous for its craftsmanship as well as ingenuity, colourfulness and usefulness. Still then, Manipur continue to remain an

industrially backward state.

Manipur has been at the crossroade of Asian economic and cultural exchange for more that 2500 years. It has long connected the India subcontinent to South-East Asia, enabling migration of people, cultures and religions. It has also witness many wars, including fighting during World War II. Because of this Manipour is a land of people from different religions like Hindu, Christianity, Meeteism and Sanamahi Islam and other. Among them 46% of the Manipuri people are Hindus an 34% are Christians.

The colourful kaleidoscope of Manipour society and culture has been a topic that aroused the inquisitiveness in the minds of erudete scholar and researchers all across the world. The social values of cultural legacy of the North-East Indian state are reflected in the lifestyle of the inhabitants. Maniput society doesn't follow the social stratification of the tradition Indian society. They follow a system of social classification where the society is divided between the Meities, the Bamons or the Brahmins, the Pargans or the Muslims and the lower caste Lois.

The Manipouri have a rich culture. Theater has been part of the Laiharaba festivals since tine immemorial. Theater in Manipour is divided into religious and secular based on tests. Religious theater are seasonal performances commanding spiritual deviations among the audience and the secular theater is mostly confined to themes that are not religious, it is performed in the secular or profane spheres. Within these are Shumanglila and Phampaklila.

The traditional Manipur customers are simple and easy to wear. A Manipur man wears a dhoti, a jacket and a white Pagri or Turban. The traditional dress of Mnipur consist of a Phanek (Mekehla - a wrap type aroun cloth), Irraphi (shawl), Sarong - a stiff shirt types. Some other customes wear by Manipuri people are Potlois, Kumins, Koks, Phurits, Lmaphie, Saijounba, Phiranji, Ningthoupee etc.

The staple diet of Manipur consist of rice, fish, large varities of leafy vegetables and fish. THe taste of Manupur is very different from manland India cuisins because of the use of various aronatic herbs and roots that are peculiar to the region. Eromba, Singju, Chamthong monok metpa, Kang-ngou or Kaang-hou, Hganam or Paaknam, ooti etc. are some dilicious dishes cook in Manipur kitchen.

The literacy rate of Manipour grew by 10% during the past decade, at 79.85% according to 2011 census. The state with male literacy rate being 86.49% and female literacy rate being 73.17%. The sex ratio is 987 females per 1000 males. The decadal growth rate is 18.65% in the past decade of the state according to last census.

Manipur transport department is responsible for providing efficient transport system in Impla. The Manipur state efficiently connect the city with all the important cities in India. The city of Imphal is will connected by air transport, road transort as well as railways. Tulihal is the only airport of Maniur. National highway 39, 53 connect it to other states of India. In 2000, Indian govt. announced that it is considering an Asian infrostructure network from Manipour to Vietnam. The proposed Trans-Asian Railway netword (TARN) if constructed will pass through Manipour, connecting India to Burma, Thailand, Malaysia and Singapur.

Manipur is not only the gateway to the North-Estern region but also a fascinating destination for siscerning tourists. Overall, we can say that beautiful hills shrubs and charming natural surroundings give the place a saintly solemnity.

# সাধাৰণ হৈও অসাধাৰণ এজন ব্যক্তিৰ কথাৰে

মণিষা বৰাল
স্নাতক তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

"সাধাৰণ হৈও অসাধাৰণ, অসাধাৰণ হৈও প্ৰেৰণাৰ সাধাৰণ" এগৰাকী ব্যক্তি যি নিজৰ সকলো ক্ষমতাৰ উৰ্ধ্বত থাকিও সাধাৰণজনৰ হৃদয়ত স্থান লাভ কৰি আদৰ্শ কিবা প্ৰেৰণাৰ সমল হ'ব পাৰে। ব্যক্তি গৰাকী ৰাজনৈতিক ক্ষমতাৰ কিবা তেওঁৰ শৈক্ষিক দক্ষতাক লৈও সাধাৰণ নাগৰিকৰ দৰে জীৱন যাপন কৰা বিশাল ব্যক্তিত্বৰ বাবেই "যুথ আইকন" হিচাপে দেশৰ যুৱপ্ৰজন্মৰ মাজত পৰিচিত হৈ পৰে। সেই ব্যক্তি গৰাকীয়েই হ'ল বিশ্বৰ পাৰমাণৱিক ক্ষেত্ৰখনত ভাৰতবৰ্ষক উজ্জ্বলাই তোলা মিছাইল মেনখ্যাত ড° আবুল পকিৰ জয়নুলাবদ্দিন আব্দুল কালাম।

একাদশ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত সাংবিধানিক ক্ষমতাৰ উৰ্ধ্বলৈ গৈ সাধাৰণ নাগৰিকৰ দৰে আচৰণ কৰি স্বাধীন ভাৰতৰ সবাতোকৈ জনপ্ৰিয় ৰাষ্ট্ৰপতি হিচাপে অভিহিত হৈ যুথ আইকণ হিচাপে জনপ্ৰিতা লাভ কৰা এই জনা মহান ব্যক্তিৰ জন্ম তামিলনাডুৰ ৰামেশ্বৰমত ১৯৩১ চনৰ ১৫ অক্টোবৰত হয়। তেওঁ পিতৃৰ নাম জয়নুলাবদিন আৰু মাতৃৰ নাম আছিল আছিয়াম্মা। দৰিদ্ৰ পিতৃয়ে কৰা উপাৰ্জনেৰে ঘৰখন চলাত অসুবিধাৰ সন্মুখীন হোৱাৰ পৰিপ্ৰেক্ষিতত কালামে সৰুৰে পৰাই কাম কৰি তাৰ পৰা উপাৰ্জিত ধনেৰে পিতৃক ঘৰ চলোৱাত সহায় কৰিছিল। কালাম মাছমৰীয়া পৰিয়ালৰ সন্তান আছিল যদিও তেওঁ বৰ্তমান 'মিছাইল মেন' খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল।

তেওঁ ১৯৯২ চনৰ জুলাইৰ পৰা ১৯৯৯ চনৰ ডিচেম্বৰলৈ প্ৰধানমন্ত্ৰীৰ মুখ্য বৈজ্ঞানিক উপদেষ্টা আৰু প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ সচিব হিচাপে কাৰ্যনিৰ্বাহক কৰে আৰু পোখৰাণ ১১ৰ পৰীক্ষণৰ সময়ত কালামৰ ভূমিকা অনস্বীকাৰ্য। এই আনৱিক ক্ষেপনাস্ত্ৰৰ সফলতাই কালামক দেশৰ সৰ্ব্বোৎকৃষ্ট আনৱিক বিজ্ঞানী হিচাপে অভিহিত কৰে। আকৌ তেওঁ ২০১২ চনত কালাম ৰাজু টেবলেট আৱিষ্কাৰ কৰে।

দেশৰ সাংবিধানিক মুৰব্বী ৰাষ্ট্ৰপতি পদত উপৱিষ্ট হোৱাৰ উপৰিও প্ৰয়াত ড° এ.পি.জে আব্দুল কালামে কৰ্ম আৰু জীৱনৰ সফলতাৰ স্বীকৃতি স্বৰূপে লাভ কৰিছিল। অজস্ৰ বঁটা আৰু সন্মান। তেওঁ সকলোকে সমানভাৱে ভৰা গুণটোৰে বিশ্বৰ যিকোনো লোকৰে হৃদয় জয় কৰিছিল। জ্ঞানৰ সাধক ভৱিষ্যৎদ্ৰষ্টা অৰ্থ্যাৎ ভাৰতৰ স্বপ্নদ্ৰষ্টা তথা মিছাইল মেনজন বিভুষিত হৈছিল সৰ্ব্বোচ্চ অসামৰিক সন্মান "ভাৰত ৰত্ন"ৰে। তদুপৰি তেওঁ আন্তঃৰাষ্ট্ৰীয় বঁটা আৰু সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। ৪০ খন বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় "ডক্টৰেট ডিগ্ৰী' লাভ কৰা ড° আব্দুল কালামৰ ৭৯ সংখ্যক জন্মদিনক ৰাষ্ট্ৰসংঘই ৱৰ্ল্ড ষ্টুডেন্ট ডে হিচাপে স্বীকৃতি দিছিল। ১৯৮১ চনত "পদ্মভূষণ", ১৯৯০ চনত "পদ্মবিভূষণ" সন্মাণেৰে বিভূষিত ড° কালামে ২০০5 চনত ছুইজাৰলেণ্ড ভ্ৰমণ কৰাৰ সময়ত দেশখনে কালামৰ সন্মানৰ্থে ২৬ মে দিনটো "বিজ্ঞান দিৱস" হিচাপে উদযাপন কৰিছিল। তদুপৰি ৰাষ্ট্ৰীয় মহাকাশ সমিতিৰ পৰা ২০১২ চনত ড° কালামে ভন ব্ৰাউন বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। আমেৰিকাৰ এই এ মই ফাউণ্ডেচনৰ পৰা হুভাৰ মেডেল আদি এনেদৰে অসংখ্য ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত ড° কালামৰ জীৱন যাপনৰ প্ৰক্ৰিয়া অতি সাধাৰণ নাগৰিকৰ দৰে আছিল।

দেশৰ মহান ৰাষ্ট্ৰনায়ক তথা আমাৰ ৰাষ্ট্ৰপ্ৰধান হোৱা ড° আব্দুল কালামে দেশৰ যুৱ প্ৰজন্মক প্ৰত্যক্ষভাৱে জড়িত কৰি তেওঁৰ স্বপ্নৰ ভাৰতবৰ্ষখন নিৰ্মাণ কৰিব খুজিছে। এই জনা মহান স্বপ্নদৰ্শীৰ সৰল বিশ্বাস যে অমিত শক্তিৰ অধিকাৰী এই ডেকাশক্তিয়েই ৰাষ্ট্ৰৰ বুনিয়াদ মজবুত কৰি দেশক অখণ্ডতা আৰু নিছিদ্ৰ সাৰ্বভৌমত্বৰ পিনে আগুৱাই নিব পাৰিব। আৰু দেশপ্ৰেমত উজ্জীৱিত কৰি যুৱ প্ৰজন্মৰ মনত দেশ বিকাশৰ মূলমন্ত প্ৰোথিত কৰিব পাৰিলেই তেওঁলোকে দেশৰ যুৱ শক্তিক প্ৰেৰিত কৰিবলৈ তেওঁ অহনিৰ্শে বহুবোৰ প্ৰচেষ্টা চলাইছিল। কাৰণ তেওঁৰ সতে যুৱ প্ৰজন্মৰ হাততে লুকাই আছে সাৰ্বভৌম ৰাষ্ট্ৰৰ ভৱিষ্যৎ আৰু তেওঁ যুৱ প্ৰজন্মক প্ৰকৃত শিক্ষা আৰু জ্ঞানেৰে সমৃদ্ধশালী কৰিবলৈ চেষ্টা চলাইছিল। উদ্দীপনামূলক লেখাৰ জৰিয়তে তেখেতে যুৱক-যুৱতীসকলক উজ্জ্বল ভৱিষ্যতৰ সপোন ৰচিবলৈ উদগণি জনাইছিল। জীৱনকালত তেওঁ বৃহৎ সংখ্যক নৱ প্ৰজন্মৰ লগত যোগাযোগ স্থাপন কৰিছিল। আৰু সৰ্বসাধাৰণ লোকৰ কামত অহা সামগ্ৰী উদ্ভাৱনৰ বাবে তেওঁ সদায়েই যুৱ উদ্যোগীক প্ৰেৰণা যোগাইছিল।

সপোন দেখিবলৈ আৰম্ভ কৰা সপোন দেখিবলৈ আৰম্ভ কৰা সপোন ফলিয়াবলৈও আৰম্ভ কৰিব। এইটো তেওঁৰ বাণী। সচা অৰ্থত তেওঁ যুৱ প্ৰজন্মৰ দাৰ্শনিক আৰু পথপ্ৰদৰ্শক আছিল।

"সহজ সৰল জীৱন যাত্ৰা আৰু উচ্চ পৰ্য্যায়ৰ চিন্তাৰ ভাৰতীয় দৰ্শন বিশ্বাসী আছিল তেওঁ। নিষ্ঠা, সততা, সাহস অধ্যৱসায় আছিল তেওঁৰ ব্যক্তিত্বৰ ভূষণ। তেওঁ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যকাল সম্পূৰ্ণ কৰাৰ পাছত বিভিন্ন সমাজসেৱাৰ লগতে শৈক্ষিক প্ৰতিষ্ঠানৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ বিভিন্ন লেখাৰ যোগেদি ভাৰতবাসীৰ মাজত বিভিন্ন জ্ঞান আত্মবল আদিৰ সঞ্চাৰ কৰাৰ লগতে তেওঁলোকৰ হৃদয় জয় কৰিবলৈ সক্ষম হয়। সততে শিক্ষাৰ্থীৰ সৈতে বাৰ্তালাপ কৰি গভীৰ আনন্দ পোৱা মহান বিজ্ঞানী আব্দুল কালামে নিজকে এগৰাকী শিক্ষক ৰূপে চিনাকী দিবলৈ ভাল পাইছিল আৰু তেওঁ কৈছিল যে তেওঁক এজন ভাল শিক্ষক হিচাপে মনত ৰাখক। এই ভাল শিক্ষক এগৰাকীৰ অৰ্থাৎ শিশু প্ৰেমীৰ মন এটি শিশুৰ দৰে নিস্পাপ, হৃদয় আছিল আকাশৰ দৰে বিশাল আৰু বৌদ্ধিক উৎকৰ্ষ আছিল ঋষিৰ দৰে প্ৰগাঢ় আৰু নিৰ্মল। যুৱ প্ৰজন্মৰ বাবে তেওঁ আছিল ভৱিষ্যৎ প্ৰেৰণাৰ স্ৰোতস্বৰূপ।

*"সহজ সৰল জীৱন যাত্ৰা আৰু উচ্চ পৰ্য্যায়ৰ চিন্তাৰ ভাৰতীয় দৰ্শন বিশ্বাসী আছিল তেওঁ। নিষ্ঠা, সততা, সাহস অধ্যৱসায় আছিল তেওঁৰ ব্যক্তিত্বৰ ভূষণ। তেওঁ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যকাল সম্পূৰ্ণ কৰাৰ পাছত বিভিন্ন সমাজসেৱাৰ লগতে শৈক্ষিক প্ৰতিষ্ঠানৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ বিভিন্ন লেখাৰ যোগেদি ভাৰতবাসীৰ মাজত বিভিন্ন জ্ঞান আত্মবল আদিৰ সঞ্চাৰ কৰাৰ লগতে তেওঁলোকৰ হৃদয় জয় কৰিবলৈ সক্ষম হয়। সততে শিক্ষাৰ্থীৰ সৈতে বাৰ্তালাপ কৰি গভীৰ আনন্দ পোৱা মহান বিজ্ঞানী আব্দুল কালামে নিজকে এগৰাকী শিক্ষক ৰূপে চিনাকী দিবলৈ ভাল পাইছিল আৰু তেওঁ কৈছিল যে তেওঁক এজন ভাল শিক্ষক হিচাপে মনত ৰাখক।*

ড° কালামে জাতি ধৰ্ম সম্প্ৰদায়ৰ উৰ্ধ্বত এটা বহু সাংস্কৃতিক প্ৰজন্ম সৃষ্টি জৰিয়তে এখন উৎকৃষ্ট মানৰ সমাজ গঢ়াৰ প্ৰয়াস কৰিছিল। আৰু চিন্তাই মূলধন, উদ্যমেই সাধনোপায় আৰু কঠোৰ শ্ৰম হ'ল সমাধান এই কথনৰ দ্বাৰা প্ৰেৰিত ড° কালামে সদায়েই কৈ আছিল যে মানুহৰ জীৱন কৰ্মময় হ'ব লাগে আৰু মৃত্যুৰ যন্ত্ৰণা হ'ব লাগে চুটী।

তেওঁ শপত বাক্যত কৈছিল .... "আজিৰে পৰা মই যাক সুখী কৰি ৰাখিম মা সুখী হ'লে পৰিয়ালটো সুখত থাকিব পৰিয়াল সুখত থাকিলে সমাজখন সুখত থাকিব আৰু সমাজখন সুখত থাকিলে আমাৰ দেশখন শান্তিত থাকিব।"

তেওঁ এজন জ্ঞানী গুণী নাগৰিকেই নহয়, সাধাৰণ শিশুৰো হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। যুৱপ্ৰজন্মক

তেওঁলোকে দেখা সপোনক বাস্তৱৰূপ ৰূপায়িত কৰিবলৈ হ'লে কঠোৰ পৰিশ্ৰম কৰিব লাগিব বুলি তেওঁৰ বক্তব্যসমূহত প্ৰতিফলিত হৈছিল। তেওঁ ৰাষ্ট্ৰপতিৰ কাৰ্যকাল সমাপ্ত কৰি প্ৰায়ে বিদ্যালয় মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ সৈতে কথা বাৰ্তাত বিজ্ঞান প্ৰযুক্তি আৰু জীৱন সম্বন্ধে পুংখানুপুংখ ভাৱে ব্যাখ্যা কৰি জীৱনত সফল হ'বলৈ হ'লে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ প্ৰয়োজন সেই কথা দোহাৰিছিল বিশ্বৰ এগৰাকী খ্যাতনামা পাৰমাণৱিক বিজ্ঞানী হোৱাৰ লগতে দেশৰ সংবিধানিক সৰ্বোচ্চ পদ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈও ড° কালামে সাধাৰণ নাগৰিকৰ সৈতে যি ধৰণে একান্তভাৱে নিৰ্বিঘ্নে মিলামিছা কৰাৰ বাবে প্ৰস্তুত আছিল সেয়াই তেওঁৰ বিশাল ব্যক্তিত্ব।

এজন প্ৰকৃত ভাৰতীয় হিচাপে নিজকে চিনাকি দিবলৈ গৌৰৱবোধ কৰা ড° কালাম জন্মগতভাৱে ইছলাম ধৰ্মাৱলম্বী লোক যদিও তেওঁ প্ৰতিদিনে হিন্দু ধৰ্মৰ অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ গীতা অধ্যয়নৰ প্ৰতি আগ্ৰহী আছিল। ধৰ্মীয় পৰিধি ভাঙি দেশৰ সেৱাত অহৰহ ব্ৰতী হৈ থকা ড° কালামৰ কেইবাখনো প্ৰখ্যাত গ্ৰন্থৰ উক্তিয়ে যুৱপ্ৰজন্মৰ জীৱন গঢ়াৰ ক্ষেত্ৰত অনুপ্ৰেৰণাদায়ক।

অনেকে তেখেতক গান্ধীজীৰ সৈতে তুলনা কৰিবলৈ বিচাৰে। পিছে আমাৰ সৈতে তেখেতৰ জীৱনৰ দৰ্শনৰ যিটো মৌলিক পাৰ্থক্য আছিল সেইটো হ'ল বিজ্ঞানভিত্তিক। সমাজ গঢ়াৰ দিশত সময়ৰ সৈতে খোজ মিলোৱাৰ মানসিক প্ৰস্তুতি যিটো বিজ্ঞান আৰু প্ৰযুক্তি শিক্ষাৰ বলত ভাৰতক এটা ৰাষ্ট্ৰীয় শক্তিলৈ পৰিৱৰ্তিত কৰিব পাৰে আৰু মূৰকত বিশ্বৰ অন্যতম মহাশক্তিৰূপে আত্মপ্ৰকাশ কৰাৰ সুযোগ দিব পাৰে। বাস্তৱতে ড° কালাম আছিল স্বপ্নদ্ৰষ্টা সমাজবিজ্ঞানী। তেখেত সাধাৰণ "ভাৰতৰত্ন" নহয় তেখেত আছিল প্ৰকৃতাৰ্থত ভাৰতৰ অমূল্য ৰত্ন", গোষ্ঠীনিৰপেক্ষতাৰ উৎকৃষ্ট চানেকি

উদ্দীপনাপূৰ্ণ লেখা, বক্তৃতা আৰু বিভিন্ন কাৰ্যৰ যোগেৰে যুৱক-যুৱতীসকলক উজ্জ্বল ভৱিষ্যতৰ সপোন ৰচিবলৈ উদ্‌গণি যগোৱা এই জনা মিছাইল মেন এগৰাকী অকস্মাত হোৱা মৃত্যুৰ বাতৰিয়ে দেশৰ প্ৰতিজন সংবেদনশীল নাগৰিকেকে মৰ্মাহত কৰিলে। এই হৃদয় বিদাৰক ঘটনাই দেশৰ সকলো অঞ্চলৰে জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সকলোকে শোকাকুল কৰিলে। এই জনা মহান ব্যক্তি যুথ আইৰণ তথা মিছাইল মেন জনে সময়ৰ মূল্যক গুৰুত্ব দি কথা এষাৰ কৈছিল "মোৰ মৃত্যুত বন্ধ ঘোষণা নকৰিবা তাৰ পৰিবৰ্তে মোক যদি ভালপোৱা তেন্তে অতিৰিক্ত এদিন কাম কৰা।" এজনো ভাৰতদ্ৰষ্টা তথা স্বপ্নদ্ৰষ্টা জনে নিজৰ সপোনবোৰ আধাশৰীয়া কৰি অৰ্থ্যাৎ ভাৰতক লৈ ৰচা সপোনবোৰ আধৰুৱা কৰি সংকোচ বিহীনতাৰে মৃত্যুক আকোঁৱালি লয়।

মিছাইলমেনজনৰ সপোনবোৰক পূৰণ কৰিব পাৰিব একমাত্ৰ বৰ্তমানৰ যুৱ প্ৰজন্মই। বৰ্তমানৰ যুৱ প্ৰজন্মই তেওঁক আদৰ্শ হিচাপে লৈ তেওঁক অনুসৰণ কৰি তেওঁৰ উচ্চ মনোবৃত্তিবোৰত নিজক অৰ্পণ কৰিব পাৰিলে বিজ্ঞানী গৰকীৰ সপোন বাস্তৱ হোৱাৰ লগতে দেশৰো উন্নতি সাধন হ'ব। যুৱ প্ৰজন্মই আধ্যাত্মিকতাৰ শিক্ষাৰ সৈতে সংযুক্ত কৰিব পাৰিব লাগিব। কাৰণ আমাৰ আধ্যাত্মিক জ্ঞানেই আমাৰ মূল শক্তি। আত্মোপলব্ধিয়ে যে কেন্দ্ৰ বিন্দু এই কথাষাৰ আমি সকলোৱে মনত ৰখা উচিত। যুৱ প্ৰজন্ম অৰ্থ্যাৎ আমি প্ৰত্যেকেই নিজৰ উচ্চ আত্মা সম্পৰ্কে সচেতন হ'ব লাগিব। আমি মহান অতীত আৰু উজ্জ্বল ভৱিষ্যতৰ মাজৰ যোগসূত্ৰ। আমাৰ আভ্যন্তৰৰ সুপ্ত শক্তিক উদ্দীপ্ত কৰিব লাগিব যাতে ই আমাক পথ দেখুৱাব পাৰে। বিফলতাৰ মাজত সাফল্যক বিচাৰি উলিয়াব পাৰিব লাগিব। কাৰণ মিছাইলমেন গৰাকীয়েও বহু বিফলতাৰ ফলত সাফল্য লাভ কৰিছিল। চূড়ান্ত বিশৃংখলতাৰ মাজতো আছে আশাৰ ৰেঙণি আৰু সমস্যাৰ মাজতে থাকে অংগীকাৰ বা আশ্বাস। এইবাবে আমি সফলতা লাভ কৰিবলৈ হলে মিছন পদ্ধতিৰে আমাৰ বিভিন্ন কাৰ্যক্ৰম আৰু নীতিসমূহৰ সুসম্পাদন কাৰ্যকৰী কৰিব লাগিব। পথত খলা বমা থাকিলে প্ৰগতি ক্ষীপ্ৰ আৰু সুদূৰ প্ৰসাৰী হ'ব নোৱাৰে। চেষ্টাৰ অসাধ্য একো নাই। তেওঁৰ স্বপ্ন পূৰণ কৰিবলৈ যদি আজিৰ যুৱ প্ৰজন্ম আগবাঢ়ি আহে তেন্তে নিশ্চিত ৰূপে তেওঁৰ সপোন বাস্তৱত ৰূপ লাভ কৰিব। তাৰ বাবে যুৱ প্ৰজন্মই উন্নয়ণৰ পথটো উদ্দেশ্যধৰ্মী কাৰ্যৰ মাজেৰে নিব লাগিব। যাতে তেওঁলোকে জীৱনৰ সঠিক পথ সন্ধান কৰি ল'ব লাগিব। তেওঁলোকে নিজৰ নিজৰ সৃষ্টি ধৰ্মিতাক জাতিষ্মাৰ হ'বলৈ দিব লাগিব।

বৰ্তমান যুৱ প্ৰজন্মই নিজৰ মনোভাৱক পবিত্ৰতাৰ ৰাখিৰে বান্ধি সকলো মানুহৰ সমান ৰূপে গণ্য কৰিব পাৰিলে আৰু গঠনমূলক প্ৰচেষ্টাত প্ৰবৃত্ত মনৰ দীপ্তি জ্বলাই এই কৌশল শান্তি, সমৃদ্ধি আৰু স্বৰ্গসুখ লৈ আনিব। তেতিয়া মিছাইলমেনৰ সপোন পূৰণ হৈ এক শান্তিপ্ৰিয় ভাৰতবৰ্ষৰ গঠন হ'ব।

# বড়ো সকলৰ বৈসাগু বা বসন্ত উৎসৱ

হেমা বসুমতাৰী
স্নাতক প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ

পৃথিৱীৰ বিভিন্ন প্ৰান্তত বিভিন্ন জাতি উপজাতিয়ে বসন্ত উৎসৱ পালন কৰাৰ দৰে অসমৰ বড়োসকলেও পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰি পৰম্পৰাগত নিজা বাদ্য যন্ত্ৰ, খাম, চিফুং, চেৰেজা, জঠা, তৰখা আদিৰে প্ৰকৃতিৰ নৱৰূপ নতুন বছৰক আদৰি নানা ৰং ধেমালিৰে বৈসাগু পালন কৰে।

বড়োসকলৰ বৈসাগু সামাজিক ৰংজালী বৈসাগু, বৈসাগু ৰাংজনায় বুলিও কোৱা হয়। বৈসাগু দোমাজিক আদৰিবলৈ বড়ো সকলো চতৰ সংক্ৰান্তিৰ কেইবাদিনৰ আগৰ পৰাই প্ৰস্তুত হয়। ঘৰ দুৱাৰ বাৰীৰ চৌহদ আদি পৰিস্কাৰ কৰে। বড়োসকলৰ পবিত্ৰ ধৰ্মীয় বাথৌ থানৰ খেৰ আদি নতুন কৰে। ঘৰৰ সকলোৰে বাবে নতুন বছৰত পিন্ধিব পৰাকৈ সাজ পোছাক যোগান ধৰে। চতৰ সংক্ৰান্তি দিনাখন মাছৌ দোমাছি বা গৰু বিহু পালন কৰা হয়। বড়ো সকলে গৰুক দেৱ সন্মান প্ৰদান কৰে। সেইদিনা কাহিলী পুৱাই উঠি আদৰ সন্মানেৰে গোহালিৰ পৰা গৰুক নৈ, জান বা পুখুৰী আদিৰ পাৰত নি জল দেৱতাৰ নামত চাকি বন্তি দি সৰিয়হৰ তেলত মাটিমাহ হালধি আদি মিহলাই প্ৰস্তুত কৰা মিশ্ৰনেৰে গৰুৰ গাত ঘঁহি দীঘলতি, মাখিয়তি হোতাপাত আদিৰে কোবাই পানীত নমাই গা ধুৱাই। গা ধুওৱা সময়ত লাউ, বেঙেনা, তিতা কেৰেলা, থেকেৰা আদিৰে গৰুৰ গাত দলিওৱা হয়। দলিওৱা সময়ত গোৱা হয়

লাউ জা ফাভাও জা
বীমী বীছাৰ এৰ হাঞ্জা হাঞ্জা

.....................................

গৰু গা ধোৱাই আহি ঘৰৰ মুৰব্বী জনে গৰু গোহালীৰ ছালত দীঘলতি মাখিয়তি পাত মুঠি আৰু লাউ বেঙেনা থেকেৰা আদি গুজি দিয়ে। সন্ধ্যা চাকি বন্তি জ্বলাই বিহুৱান হিচাপে নতুন তৰাপাতৰ পঘা ডিঙিত পিন্ধাই দিয়া হয়।

ব'হাগৰ এক তাৰিখে অৰ্থাৎ নৱবৰ্ষৰ ব্ৰহ্মপুৱাতে উঠি চিফুঙত চত্ৰাৱলী সুৰ বজাই নৱবৰ্ষক সম্ভাষণ জনাই। বিশ্বাস যে এই চত্ৰাৱলী সুৰে বছৰটোত সৰ্প দংশনৰ পৰা ৰক্ষা কৰে। বৰ্তমান বড়োসকল নৱবৰ্ষৰ পুৱাই পদূলি মুখত দোজোপা কলগছ পুতি চাকি জ্বলাই নৱবৰ্ষক আদৰণি জনাই। ইয়াৰ পিছতে আৰাধ্য আফা বঠৰায় বাথেৰি প্ৰবিত্ৰ থান শালীত ৰান্ধনী ঘৰত ফল-মূলৰ প্ৰসাদ আদি আন্তৰিকতাৰে আগবঢ়াই আৰাজ (প্ৰাৰ্থনা) কৰা হয়।

প্ৰাৰ্থনা সামৰি সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আৰ্শীবাদ দিয়ে। ইয়াৰ পিছতে প্ৰসাদ আদি খাই ঘৰুৱা ধৰ্মসূচী সামৰি ৰাজহুৱা থানশালীলৈ (নামঘৰ) গৈ ধৰ্মীয় কাৰ্যসূচী পালন কৰে।

ধৰ্মীয় অনুষ্ঠান সামৰি ডেকা গাভৰু, বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালী সকলোৱে নতুন বসন্ত উৎসৱ ৰাংজলী বৈসাগু আদৰি পাঁচবাদ্য বজাই গাই —

নৈ চৌফেবায় চেফৈবায়
ৰংজালী বৈসাগুৱা
ৰংজালী বৈসাগুৱা
খাম, চিফুং, চেৰজা, জথা
গগনাংনি ৰিংনাই
দেখৌ জোং

এনেদৰেই বড়োসকলে ৰংজালি বৈসাগু পালন কৰে। ঠাইভেদে ইয়াৰ ৰীতি নীতি বেলেগ বেলেগ।

# स्वच्छ भारत अभियान.....

**जिता शईकीया**
1st Semester
Zoology Dept.

प्रकृति हमारी जननी और धरती एंव भारत हमारी माता। हम सब उनके बच्चे हैं। हर नागरिक का कर्तव्य यह है कि वे अपने काम करे अपनी और अपनी जननी के लिए। हमारे generation में जितने भी छात्र-छात्राऐं हैं उन सबके लक्ष्य Doctor और Engineer ही होते है। उनमे से बहुत कम होतें हैं जो प्रकृति के बारे में सोचते है जो लाखो में एक जैसा होता है। तो इसी दौरान हमारे देश में pollution बहुत बढ़ जाता है।

किसी महान व्यक्ति ने कहाँ था कि अगर तुम छोटे छोटे बातों में ध्यान दोगे तो बड़ी बड़ी मुशकिलें युँ ही सुलझ जायेंगे। लेकिन इसके बारे में सोचने के लिए किसी के पास फुरसत ही कहाँ है? हर कोई bussy है अपने काम से...। स्तोल में चाय पीकर कप को वहीं फैंक देना, गोलगप्रे खाकर कागज फैंकना, chips या chocolate खाकर पैकेत को वहीं फैंकना तो हमारी आदत सी बन गी है। जब की dustbin चिल्ला चिल्ला कर कह रहा है use me, use me......। कोई भी यह नहीं सोचता कि उस कचरे को dustbin में फैंकना चाहिए। हर कोई लगें रहते है सरते को dustbin बनाने में। सोचकर गुस्सा आता है कि जब कोई आगे बढ़ता है कचरे को dustbin में फैंकने के लिए। तो लोग कहते हैं, "छोड़ यार, बड़ा आया स्वच्छ भारत अभियान बनाने वाला.....।" यह सुनते ही वो श्रीमान भी पीछे हट जाते है और फिर से वही कचरा कचरा और कचरा। मैरा सवाल यह है कि जब कचरा करने में कोई हिचकिचाहट नहीं तो dustbin पर फैंकने में क्यों? हाँ, हो सकता है कि शायद सब यही सोचते होंगे कि यह काम तो municipal authority का है, तो हम क्यों करे? है की नहीं? अरे दोस्तो, यह हमारी जगह है, घर है हमारा, प्रकृति है हमारी...।

"कल करे सो आज कर
आज करे सो अब...।"

कवि कबीर दास जी ने भी इस पंक्ति में हमारे अंदर की आत्मा को जाग्रत करने का प्रयास किया है। सफाई से कतई कतराना नहीं है। हमारे देश के प्रधानमंत्री श्रीमान मौदीजी ने यह कहाँ है कि "स्वच्छ भारत अभियान" से भारत को स्वच्छ बनाओ। श्रीमान मौदीजी से एक बात याद आयी, जब मौदीजी नहीं थे, स्वच्छ भारत अभियान के बारे में हमें बताया नही गया था तब तो कोई भी सफाई के पास जाता भी नहीं था। और जब उन्होने स्वयं इस बात की घोषना 26 जनवरी में की, तव से तो मानो जादु ही हो गया....। सबके हाथो में झाडु-पोछा...। वाह-वाह मौदी जी, जय हो आपकी। लेकिन फिर से वही दशा। मौदी जी की जादु भी दिन भर दिन कम होती गयी। अब तो सिर्फ किसी विषेश दिन पर ही सफाई होती है।

ऐसा क्यों?? क्या हम कामचौर है? या फिर स्वच्छता का दूशमन? जो भी हो, मैं शिर्फ इतना कहना चाहुँगी की हर किसी के मन में स्वच्छता का संकल्प रहना बहुत ही जरुरी है ताकी भारत हमेशा स्वस्छ, सुन्दर एवं स्वस्थ रहे। तो आज से कचरा करना बंध और dustbin करना सुरु। तो सब मैरे साथ वोलो -

"स्वच्छ भारत अभियान की जय...।"

অনুভৱৰ দলিচা

# বন্ধুত্বৰ পৰা লাভ কৰা অনুভৱ

গৈৰিকা দেৱী ভট্টাচাৰ্য
সহযোগী অধ্যাপিকা
শিক্ষা বিভাগ

মিলন আৰু বিচ্ছেদ মানৱ জীৱনৰ লগত অংগাগী ভাৱে সম্পৰ্কিত। জীৱনত বহু মানুহ লগ পোৱা যায়। কিছুমানৰ লগত ওচৰ সম্পৰ্ক গঢ়ি উঠে। নিজৰ নিজৰ পথত সকলো আগবাঢ়ে। তেওঁৰ স্মৃতি থাকি যায়। বিশেষকৈ বন্ধুত্ব গাঢ় হৈ উঠা কিছুমান ব্যক্তিৰ লগত বিচ্ছেদ অসহনীয় হৈ উঠে। এনে এগৰাকী মোৰ বান্ধৱীৰ বিষয়ে সততে আহি থকা অনুভৱ মই ছাত্ৰীসকলে জানিবৰ বাবে কব বিচাৰিছো, যাক লগ পোৱাৰ আশা ভগবানে ইতিমধ্যে শেষ কৰি দিলে। কাৰণ তেওঁৰ মৃত্যু হ'ল।

সেয়া আমাৰ সহকৰ্মী, অৰ্থনীতি বিভাগৰ অধ্যাপিকা অজন্তা বৰা। ১৯৯৩ চনতে লগ পোৱা অজন্তাক ২০১৫ ত চিৰদিনৰ বাবে হেৰুৱালো। তাইৰ লগত থকা মোৰ বন্ধুত্বসুলভ সম্পৰ্কৰ স্মৃতি মোৰ নিজৰ সম্পত্তি। কিন্তু ছাত্ৰীসকলে জানিবলগীয়া বুলি ভাবিছো, অজন্তাৰ ব্যক্তিত্বৰ কিছুমান শক্তিশালী দিশ। যিবিলাকে মোকো উপকৃত কৰিছিল আৰু জীৱনত সাহসেৰে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সাহস দিছে। সেই কিছুমান স্মৃতি মৰমৰ ছাত্ৰীসকলক ক'ব বিচাৰিছো যাতে তেওঁলোকেও তাৰ পৰা নিজৰ জীৱন পথত সাহসেৰে আগবাঢ়িবলৈ উৎসাহ পাব পাৰে।

গৌৰীসাগৰৰ এটা মধ্যবিত্ত পৰিয়ালৰ পৰা অজন্তাই নিজৰ জীৱন পৰিক্ৰমা আৰম্ভ কৰিছিল। পিতৃৰ অকাল মৃত্যুৱে ঘৰলৈ আনি দিয়া অসুবিধা সমূহৰ লগত সাহসেৰে যুঁজি অজন্তাই প্ৰতিটো পৰীক্ষাতে ভাল ফল দেখুৱাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ছাত্ৰী অৱস্থাত সকলোৰে লগত অতি খোলাকৈ বন্ধুত্ব পাতিছিল। আনকি বিশ্ববিদ্যালয় পৰ্যায়লৈকে শিক্ষকসকলৰ লগতো সুসম্পৰ্ক বজাই ৰাখিছিল। সকলোৰে লগত কোনো সংকোচ নোহোৱাকৈ মিলিব পৰা গুণটো সঁচাকৈয়ে খুব আকৰ্ষণীয়। বৰ্তমানৰ ছাত্ৰীসকলে কেৱল দুজনী বা তিনিজনী ছোৱালীৰ লগতে বন্ধুত্ব পাতে। কিন্তু তেওঁলোকে শিক্ষা জীৱনৰ আচল আনন্দটো এনে কৰিলে উপভোগ কৰিব নোৱাৰে। অতি দুখেৰে ভাবো যে বৰ্তমানৰ ছাত্ৰীসকলে শিক্ষকৰ লগত আনুষ্ঠানিক সম্পৰ্ক বজাই ৰাখিব বিচাৰে।

প্ৰকৃততে ওপৰত কৈ অহাৰ দৰে মই অজন্তাৰ ব্যক্তিত্বৰ পৰা শিকিব লগীয়া গুণসমূহৰ কথা কওঁ, সকলোৰে লগত বন্ধুত্ব পাতি ভালপোৱা অজন্তা দুগৰাকী কন্যাসন্তানৰ মাতৃ হৈ সফল জীৱন কটোৱা সংসাৰলৈ আহিল ধুমুহা। কিন্তু আনেহে সেয়া ধুমুহা বুলি ভাবিলে, তাইৰ নিজৰ মতে এইটো একো ডাঙৰ বেমাৰ নহয়। ডিব্ৰুগড়ত অপাৰেচন হ'ল। খবৰ কৰিবলৈ যোৱা মানুহক নিজেই সকলো বৰ্ণনা কৰিলে। মই বিশেষ কাৰণত যাব নোৱাৰিলো কাৰণে ফোন কৰিলো। মোতকৈ শক্তিশালী মাতেৰে তাই মোক ভয় নকৰিবলৈ ক'লে। বহুতো মহান ব্যক্তিয়ে বিপদক সাহসেৰে লৈছিল বুলি পাইছো। অজন্তাক মই সেইটো শাৰীতে থলো।

অলপ সুস্থ হৈ উঠাৰ পিছত দুগুণ সপ্ৰতিভ হৈ পুনৰ চাকৰিত জইন কৰিলেহি। আমি সাৱধান হ'বলৈ কওঁ, তাই প্ৰয়োজন নাই বুলি কয়। অনবৰতে আনন্দ, ফুৰ্তি, কৰ্মোদ্যমৰে তাইৰ জীৱন আগবাঢ়িব ধৰিলে। ছাত্ৰীক শ্ৰেণীত পঢ়ুৱাবলৈ কিছুমান প্ৰস্তুতি চলায় সেয়া অজন্তাক শিক্ষয়িত্ৰী হিচাপে পোৱা ছাত্ৰীয়েহে বুজিব। সকলো ঠিকেই চলি আছিল। কেইবছৰ মান পিছত পুনৰ বেমাৰে লগ ল'লেহি। সকলো সৰকৰ্মীৰ মন বিচলিত হৈ পৰিল। অজন্তা আগতকৈও সাহসী হৈ পৰিল। এইবাৰ চিকিৎসা আৰম্ভ হ'ল মুম্বাইত। ফোন কৰিলে, অসম ভৱনত কিদৰে আবৃত্তি কৰিলে.... বিভিন্ন

সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিলে..... সুন্দৰকৈ বৰ্ণনা কৰে। ভাবিলে আচৰিতো লাগিছিল। ভাবিছিলো তাই বাৰু অসুখটোৰ কথা বা তাৰ ভয়াবহতাৰ কথা নাজানে নেকি? কিন্তু তাইৰ মুখত যেতিয়া জানিছিলো, বেমাৰটোৰ লগত কিদৰে যুঁজিব লাগে, ৰোগ প্ৰতিৰোধৰ বাবে কি কি কৰিব লাগে, সেয়া তাই ভালকৈ জানে। মুম্বাইত ডাক্তৰৰ পৰা সকলো খৰচি মাৰি জানি আহে।

মুম্বাইৰ পৰা আহি আকৌ সপ্ৰতিভ হৈ পৰা অজন্তাক এইবাৰ ভগবানে সহায় নকৰিলে। ইটোৰ পিচত সিটো উপসৰ্গই হায়ৰান কৰি তোলাত অলপ স্বাস্থ্য বেয়া হৈ আহিল। কিন্তু মানসিক স্বাস্থ্য অলপো নুটুটিল। আমি সহকৰ্মীসকলে মনে মনে তাইৰ উপসৰ্গ বিলাকৰ বিষয়ে কথা পাতো, ভয় খাওঁ। কিন্তু অজন্তাই চিকিৎসাত গুৰুত্ব দি ভয় ভাব আতঁৰাই পেলালে। ২০১৪ শেষৰ পিনে কাঁহ-কফে জুৰুলা কৰি পেলোৱাত, সঘনাই মুম্বাইলৈ গৈ থাকিব লগা হ'ল। তেনেকৈ এবাৰ যোৱাৰ আগদিনা কলেজত সোণালী জয়ন্তীৰ কাৰ্যসূচী আছিল। প্ৰাক্তন ছাত্ৰী সমাৰোহত উপস্থিত থাকি আচৰিত কৰি দিছিল। মঞ্চলৈ উঠি গৈ দীপালী শইকীয়া বাইদেউক তাই ভালপোৱা গীত এটা গাবলৈ অনুৰোধ কৰিলে।

মৃত্যুভয় নথকা অজন্তাৰ আৰু এটা দিশ মই আঙুলিয়াব খুজিছো। মোৰ শাহু মা অলপ দীঘলীয়াকৈ বিচনাত পৰি আছিল। তাইৰো গা বেয়া কাৰণে মই বিশেষ তেখেতৰ বিষয়ে কথা পতা নাছিলো। কিন্তু তাই নিজেহে মোৰ পৰা জানিব বিচাৰিছিল। সুন্দৰ কিছুমান উপদেশো দিছিল। ২০১৪ৰ ১৩ ডিচেম্বৰৰ দিনা তেখেতৰ মৃত্যু হোৱাত লগে লগে ফোন কৰি খবৰো লৈছিল। আনকি স্বামীক লগত লৈ খবৰ কৰিবলৈ গৈছিল। সকলোৱে তাইৰ এই সাহসী চৰিত্ৰক প্ৰশংসা কৰিছিল। ডিচেম্বৰৰ শেষৰ পিনে চিনেমা হলত নিজৰ ছোৱালী দুজনীক লগত লৈ 'পি.কে.' চিনেমাখনো চাইছিল।

জানুৱাৰী ৫ তাৰিখমানে মই এদিন ফোনত তাইৰ খবৰ লৈছিলো। নিজৰ অসুস্থতাক তিলমাত্ৰও গুৰুত্ব নিদি পৰিচালনা সমিতিৰ সভাৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা দিছিল। যিহেতু বিহু (মাঘ বিহু)ৰ পিচত কলেজ খুলিব। সেয়ে চেক্-আপৰ বাবে আগতীয়া দিন লৈছে বুলি কৈছিল। আমি সকলোৱে জানিছিলো, ভাল হোৱাৰ আশা কমি আহিছে। অজন্তাই ভাবিছিল তাৰ পৰা আহি পুনৰ ভালকৈ ক্লাচ কৰিবহি।

কেতিয়াবা ভাবো মৃত্যু সমাগত বুলি জানিও সকলোকে দেখুৱাই তেনে ব্যৱহাৰ কৰি আছিল নেকি বাৰু? সেয়াই চাগে সঁচা! কাৰণ, পৰিয়ালৰ মানুহৰ আগত কৈছিল বুলি শুনিছো, আৰু অলপদিন জীয়াই ৰাখিবলৈ ভগবানক কৰা অনুৰোধৰ কথা। যাতে ছোৱালী দুজনী matric, higher secondary শেষ কৰি ওলাব পাৰে। মুঠতে, অজন্তাক লগ পোৱা সকলো মানুহেই ক'ব অজন্তাৰ সাহসৰ কথা, কৰ্তব্যৰ প্ৰতি থকা শ্ৰদ্ধাৰ কথা ক'ব প্ৰতিগৰাকী ছাত্ৰীয়ে, বন্ধুত্বৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰ কথা ক'ব প্ৰতিজন বন্ধুৱে।

শেষত মই ছাত্ৰীসকলক ক'ব বিচাৰিছো যদিও তোমালোকে বাইদেউক শিক্ষয়িত্ৰী হিচাবে নাপালা, এই লেখাত তেওঁৰ ব্যক্তিত্বৰ যিবিলাক দিশ প্ৰকাশ পাইছে সেয়া ল'বলৈ চেষ্টা কৰিবা। আমাৰ সমাজত ছোৱালীক ঘৰৰ বোজা বুলি ভাবে। কাৰণ, ছোৱালীয়ে পিতৃ-মাতৃৰ দায়িত্ব বৃদ্ধবয়সত ল'ব বুলি সাহস নকৰে। কিন্তু অজন্তাক দেখিছিলো, ঘৰৰ ডাঙৰ সন্তানে যি দায়িত্ব ল'ব লাগে সেয়া অতি সুকলমে পালন কৰিছিল। সেই গুণটোক তোমালোকে ল'বলৈ চেষ্টা কৰিবা।

মাক হিচাবে ইমান অসুস্থতাৰ মাজতো সন্তানৰ দায়িত্ব লৈছিল। তোমালোকে আগতেই কৈছো ২০১৫ৰ ২৬ জানুৱাৰীত মৃত্যু হোৱা অজন্তাই ২০১৪ৰ ডিচেম্বৰত কিদৰে চিনেমা দেখুৱাবলৈ নিছিল। নিজৰ ঘৰত ডাঙৰ বায়েকৰ দায়িত্ব, স্বামীৰ গৃহত এগৰাকী সপ্ৰতিভ বোৱাৰী, কলেজত সক্ৰিয় ভূমিকা পালন কৰি অজন্তাই আমাৰ পৰা বিদায় ল'লে। তাইৰ লগত কটোৱা সময়খিনিত লাভ কৰা কিছুমান অভিজ্ঞতা তোমালোকৰ লগতো ৰোমন্থন কৰিলো। তোমালোকৰ ব্যক্তিত্ব শক্তিশালী হোৱাত সহায় হ'ব বুলি আশা কৰিলো।

# শৰতৰ বতৰা তোমালৈ

ৰুমী হাতীমূৰীয়া
বৈদ্যুতিন পুথিভঁৰাল সঞ্চালক
শিৰসাগৰ ছোৱালী কলেজ।



হৃদয়ৰ,

বৰ্ষা গ'ল, শৰৎ আহিল। বতাহত ভাঁহি আহিছে এতিয়া শেৱালিৰ সুকোমল সুবাস। কেনে আছা তুমি এই শাৰদীয় বতৰত? মৰমবোৰ ল'বা দেই।

শৰতৰ জোনাক ৰাতি আকাশত ডাৱৰৰ সৈতে তৰাৰ লুকা-ভাকু চাই ইমান যে ভাল লাগে, টোপনিৰ আবেশেই নাহে দেখোন দুটি নয়নলৈ। বুকুৰ কোঁহে কোঁহে উঠলি উঠে এমোকোৰা গোপন মৰম....... কাৰ বাবে জানা! তোমাৰ বাবে বুলি ক'বলৈও সংকোচ লাগে, ভয়ো লাগে জানোছা, মৰম যদি অপমানিত হয়। তথাপি .... তাৰ পিছত মন যায় তৰাৰ সেই লুকা-ভাকু চাই সিহঁতৰ লগত সখী পাতিবলৈ। কিন্তু বাওনাই জানো চন্দ্ৰ ঢুকি পায়? সেয়ে থমকি ৰওঁ। বিচনাত পৰি অজান আবেশত বহু কথায়ে ভাবি থাকোঁ। কাক সংগোপনে হিয়াত সজায় জানো অযুত স্বপ্ন ৰচোঁ; আশাৰ কাৰেংঘৰ সাজোঁ নিৰৰে। চকুলৈ নামি আহে চিলমিল্ টোপনীৰ আবেশ। কিন্তু পলমকৈ সাৰ পাই উঠো সপোন সাগৰত সেই শুভ্ৰ কাচোন সাজ পৰিধান কৰা কোনো নৰলোকৰ স্পৰ্শত ..। কাণে কাণে তেওঁ মোক

কয়, মই তোমাক ভাল পাওঁ জানা। কাকো নক'বা দেই; সংগোপনে বুকুত সোমোৱাই থৈ দিবা।

স্তব্ধ হৈ ৰওঁ মই সেই নৰলোকৰ কথা শুনি। কি যে তেওঁৰ চলাহী কথা। কিন্তু বুজি নাপাওঁ হঠাতে কিয় জানো তেওঁ শৰতৰ সেমেকা ৰাতি নিৰ্জনতাৰ লগত মিলি যায়। সেই সময়ত তেওঁৰ বুকুত লিপিত খাই থাকে দুখৰ আৱৰণ। অনুমান কৰো তেওঁৰ যেন বহুত দুখঃ হয়তো দুখবোৰ হৃদয়ৰ। অনুভৱ হয়, বিষাদেৰে পৰিপূৰ্ণ তেওঁৰ বুকুখন এতিয়া এচটা শিল। কথা এটা কওঁ ... সেইয়া বাৰু তুমি নেকি? হয়তো মোৰ ভুল হোৱা নাই। সৃষ্টিৰ নৱ আলোকত আকাশে বতাহে ভাঁহি ফুৰা এটি-দুটি বহু কথাৰে তুমিয়েই দেখোন সেইদিনা স্পৰ্শিছিলা মোৰ হৃদয়। তুমি চাগে পাহৰা নাই আৰু মইও হয়তো এনেকৈয়ে জোখো হৃদয়ৰ দীৰ্ঘ-প্ৰস্থ। তোমাৰ পৰায়ে শিকিলো হৃদয় জুখিবলৈ। ৰ'বা, আকৌ শৰতৰ কথাৰ কাষলৈ যাওঁ......

শৰতৰ কুঁৱলীয়ে ভৰা জোনাক নিশা তুমি কি কৰিছা? শেৱালিৰ সুবাসে উন্মনা কৰা নাইনে তোমাৰ মন? আহিবাচোন এদিন শেৱালিৰ তললৈ, দুয়ো একেলগে শেৱালি বুটলিম। তোমাক বকুৰ মাজতলৈ প্ৰাণভৰি ওমলিম। আহিবা দেই। কিয় জানো শাৰদীয় এই জোনাক নিশা তোমালৈ খু-উ-ব মনত পৰিছে। ৰোমন্থীত হৈছে অতীতৰ দিনবোৰ। হেৰাব খুজিছো তোমাৰ মৰম বুকুত গুজি পখিলাৰ দৰে উৰি ফুৰা সেই দিনবোৰৰ মাজত। এনেকুৱা এটা শৰতৰ সেমেকা ৰাতিয়েই যে তোমাৰ মোৰ মাজত প্ৰথম হৃদয় বিনিময় হৈছিল। তোমাৰ মনত পৰা নাই নহয়? তুমি যে সেইদিনা নিয়ঁৰ সনা শুভ্ৰ শেৱালি গছকি এখুজি-দুখোজিকৈ মোৰ কাষলৈ আহিছিলি, তাৰ পিছত আকোঁৱালি লৈছিল মোৰ দুবাহু। সেই চিনাকী স্পৰ্শ মোৰ শৰীৰত আজিও লাগি আছে জানা। তুমি চাগে সকলো পাহৰি গ'লা নহয়? কাৰণ এই যে সময়....

শাৰদীয় শেৱালিৰ দলিচাত বহি মই অনৱৰতে তোমাৰ কথাকে ভাবিছোঁ। তুমি যেন নীল সাগৰৰ সিপাৰে আছাঁগৈ। তুমি যে কৈছিলা— তাহানি স্নেহৰ চকুযুৰি তৰাৰ দৰে তিৰ্‌বিৰাই। এতিয়া সিহঁত চকুলোৰে লুণীয়া হৈ পৰিছে জানা। মোৰ এই বেদনা জৰ্জৰিত হৃদয়ৰ কথা তুমি বিশ্বাস নকৰা.... মোৰ সেই উজ্বল আইনাখনলৈ তুমি উলটি আহা আৰু মোৰ মুখলৈ চোৱা।

চোৱা চোৱা' শৰতৰ নিয়ৰবোৰ ইমান যে মৰম লগা। দুৱৰিৰ লগত সখী পাতিবলৈ জোনাকৰ লগত সিহঁতৰ কি যে প্ৰতিযোগিতা। গছবোৰ জোকাৰি নিয়ৰেৰে দেহাটো শীতলাবলৈ কি যে সিহঁতৰ বৃথা চেষ্টা। আঙুলিৰ ফাঁকেৰে সৰকি পৰিছে পানীবোৰ....। তুমি একো বুজিপোৱা নাই নহয়? নুবুজাৰ ভাও আৰু কিমান দিবা?? তুমি হয়তো জানা, শৰতৰ শেৱালিৰ সুবাসে উন্মনা কৰে মোৰ উৰণীয়া চঞ্চলা মন। বহুতৰ দৰে মোৰো কাৰোবাক কাষতে পাবলৈ মন যায়। যি নিয়ম নেকি প্ৰকৃতিটো বিৰাজমান। সেয়া হৃদয়ৰো হ'ব পাৰে। কি জানা... দুৱৰিয়ে বিচাৰে এতিয়া নিয়ৰৰ আলসুৱা স্পৰ্শ আৰু শেৱালিয়ে বিচাৰে জোনৰ ৰূপোৱালী জ্যোৎস্না... আৰু মই ....?

এনে এটি শুভক্ষণতে তোমালৈ যাচিলোঁ মোৰ শাৰদীয় শুভ কামনা, লগতে মোৰ বুকুৰ সোৱাদ ভৰা কেঁচা মৰমবোৰ। হেপাহেৰে আকোঁৱলি ল'বা দেই।

এবুকু মৰমেৰে—

তোমাৰ অচিনতৰা —




# শিৱসাগৰ ছোৱালী কলেজ আৰু মোৰ একাঁজলি জীয়া স্মৃতি

জুমি ভূঞা
প্ৰাক্তন ছাত্ৰী
অসমীয়া বিভাগ

"সোঁৱৰণি কুঁৱলী ফাকেৰে নামিছে,
এচেৰেঙা বিযাদৰে ৰঙা তেজ......,
উমি উমি জ্বলি উঠা
বেদনাৰ জুই ... বিষন্নতা ........।"

'স্মৃতি' দুটা শব্দৰে গঠিত এক তিতা-মিঠা অনুভূতি। স্মৃতিবোৰে আমাৰ জীৱনৰ যিকোনো মুহূৰ্ততে আহি আমাৰ মনটোকে ব্যাকুল কৰে। স্মৃতি বুলিলেই প্ৰায় অতীতৰ সুন্দৰ দিনবোৰৰ কথাই ৰোমন্থন হয়। স্মৃতিবোৰৰ ভিতৰত কিছুমান স্মৃতি মানুহৰ গোটেই জীৱনটোৰ বাবে স্মৰণীয় হৈ ৰয়। কলেজীয়া জীৱনৰ সুন্দৰ দিনবোৰ মইও উপভোগ কৰিছিলো। শিৱসাগৰ ছোৱালী কলেজত পঢ়াৰ আশা লৈ মইও ২০১১ চনৰ জুন মাহৰ কোনোবা এটা দিনৰ পৰা স্নাতক মহলাত নামভৰ্তি কৰি কলেজীয়া জীৱনৰ পাতনি মেলিছিলো 'অসমীয়া' বিষয়টো সন্মানীয় বিষয় হিচাপে লৈ। চকুৰ পলকতে তিনিটা বছৰ পাৰ হৈ গ'ল। যিখন কলেজত অসমৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰী আহে শিক্ষা লাভৰ উদ্দেশ্যে তেনে এখন কলেজত মইয়ো পঢ়াৰ সুবিধা লাভ কৰাত অতিকে গৌৰান্বিত।

কলেজত সভা-সমিতিৰ আয়োজন হ'লে বান্ধৱী ক্ৰমে মঞ্জুআৰা, আৰিফাৰ লগত মইও উপস্থিত আছিলো। আগ্ৰহেৰে বৈ থাকো শুনিবলে প্ৰবীণ শৰ্মা ছাৰে আবৃত্তি কৰিব বুলি, কবি প্ৰণৱ কুমাৰ বৰ্ণনৰ "সন্দিকৈ কলেজৰ তুমি সাগৰিকা বৰদলৈ" কবিতাটো ৰণ্টু গোহাঁই ছাৰৰ স্বৰচিত কবিতা আবৃত্তি, শিৱ প্ৰসাদ মিলি ছাৰে মাজে মাজে অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানবোৰত পৰিৱেশন কৰা গীত বোৰ, হেমন্ত কুমাৰ ফুকন ছাৰ, ৰঞ্জিত ৰঞ্জন তামুলী ছাৰ, কুসুম বাইদেউ, অনু বাইদেউৰ সুন্দৰ বক্তৃতা সমূহ।

কেতিয়াবা আঠ বাজি পঞ্চলিছ মিনিটৰ পৰা আৰম্ভ হোৱা ক্লাছটো কৰিবলৈ নেপাম বুলি কিমান যে ল'ৰালৰিকৈ কলেজলৈ গৈছিলো। তেতিয়া সদায় মই কলেজলৈ একে লগে অহা-যোৱা কৰা বান্ধৱী মঞ্জুআৰাক কৈছিলো "এতিয়া আমি এই ক্লাছটো নেপাম বুলি লৰালৰিকৈ আহিছো আগলৈ মনত পৰিলে বেয়া লাগিব দেই।" যেতিয়া কৃষ্ণচুড়া ফুলাৰ বতৰ হয় তেতিয়া কৃষ্ণচুড়া ফুলবোৰ দেখি কলেজত বহু বান্ধৱীয়ে অনুৰোধ কৰিছিল 'জুমি কৃষ্ণচুড়াক লৈ কবিতা লিখিবাচোন।" বান্ধৱী ক্ৰমে আৰিফা, শিখা বৰগোহাঁই, লিপি, কৃষ্ণা ভূএগ্ৰা, শিখা দাস, প্ৰিয়াক্ষী, পলি, আৰফিয়া, ঝৰ্ণা, মিতালী, মিনাক্ষী, মৌচুমী, মধুস্মিতা, হিমাক্ষী, জোনা, বন্দনা, বিনীতা, সুনিতা, প্ৰিয়ংকা, পম্পী, বৃষ্টিহঁতৰ লগতে বিভিন্ন বান্ধৱীৰ মাজত হাঁহি ধেমালিৰে কটোৱা দিনবোৰলৈ এতিয়া মনত পৰিলে দুখ লাগে। আকৌ ভণ্টী স্বৰূপে চিমি ভূএগ্ৰা, দীপা ভাগৱতী, নিলাক্ষী, স্বপ্নালী, জিলিঝি, নাছৰিণ, চেহনাজৰ লগতে বহু জনৰ মৰম পাইছিলো কলেজীয়া জীৱনত।

কেতিয়াবা কলেজত ক্লাছ কৰি থকাৰ সময়ত দ'লৰ পৰা ভাহি আহে ভক্তিমূলক গীতৰ সুৰ, ঘণ্টা বজোৱা শব্দ শুনিলে মনটো ভাল লাগে। যেতিয়া এডমিছন ল'ব লগা হয় বা পৰীক্ষাৰ ফৰ্ম ফিলাপ কৰিবলৈ গেটৰ মুখৰ পৰা অফিচৰ সন্মুখলৈকে বান্ধৱীবোৰৰ লগত দীঘলীয়া শাৰী পাতি থিয় হৈ যাব লাগে সেই মুহূৰ্তবোৰত কিমান যে মুখৰোচক কথাবোৰ উলিয়াইছিলি। এবাৰ লগৰ কেইজনীমান ঠেলা হেচাঁত অফিচৰ সন্মুখৰ ফুলৰ টাবত পৰি ফুলৰ টাব কেইবাটাও ভাগিছিল। আকৌ পৰীক্ষাৰ ৰিজাল্ট দিয়া দিনবোৰতো কিমান যে হেচা-ঠেলাৰ সন্মুখীন হৈছিলো।

কলেজীয়া জীৱনত শিৱসাগৰ ছোৱালী কলেজত বহু পালো আৰু বহু পাবলৈ বাকী থাকিল কাৰণ সময় পাখি লগা কাড়ৰ দৰে, গতিশীল সময়ৰ চাকনৈয়াত মইও এই কলেজখনিৰ পৰা বিদায় ল'বলৈ বাধ্য হ'লো।

কলেজত এই তিনিটা বছৰত শিক্ষাগুৰু সকলৰ পৰা জীৱনটোক গঢ়ি তোলাৰ বহু মূল্যৱান পৰামৰ্শ লাভ কৰিলো। জানিব পাৰিলো তেওঁলোকৰ পৰা জীৱনৰ প্ৰকৃত আদৰ্শৰ বিষয়ে। সেয়ে অসমীয়া বিভাগৰ লগতে প্ৰতিটো বিভাগৰ প্ৰতিজন শিক্ষাগুৰু, মাননীয় অধ্যক্ষ মহোদয় আৰু এই কলেজখনিলৈ মোৰ সদায় এক আন্তৰিকতা থাকিব।

শেষত শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰীসকলৰ ভৱিষ্যত সুন্দৰ, উজ্জ্বলময় হওঁক তথা কলেজ পৰিয়ালৰ সকলোৰে উন্নতি হওক তাৰেই শুভ কামনা থাকিল।

"যোৱাৰ পৰত সৰা শেৱালি বুটলি
কি হ'ব কোৱা নাই যে সময়
উভতি চোৱাৰ এতিয়া বিদায় দিয়া ....।"

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"



# আহে জানো বসন্ত ধুমুহাৰ শেষত

**নীলাক্ষী বৰগোহাঁই**
স্নাতক পঞ্চম ষান্মাসিক
অৰ্থনীতি বিভাগ

ধুমুহাজাকৰ গতি লাহে লাহে কমি আহিছে....জীৱনৰ ধুমুহা.... প্ৰকৃততে অশান্ত হৃদয়ৰ বিধস্ত অঞ্চলবোৰ নতুনকৈ গঢ় দিয়াৰ সময়যেন সমাগত হৈছে। নতুন জীৱনৰ সন্ধানত অনুসৰণ কৰিছে নতুন দিশৰ। বিশ্বাসঘাতকতাৰ সোৱাদ ইমান তিতা কিয় ? নিজকেই যেন নিজে প্ৰশ্ন সুধিছে তাই....। ওঠৰতা বসন্ত গৰকিছিল তাই... অভিজ্ঞতাই বেছি বয়সিয়ালেই কৰি পেলালে। বন্দীত্বৰ পৰা সাৰ পাই তাই হাঁহিবলৈ শিকিছিলহে জোনাকক পায়, কিন্তু নিষ্ঠুৰভাৱে এদিন জোনোকে কাঢ়ি লৈ গৈছিল তাইৰ হাঁহি আৰু আবেগবোৰ। বিশ্বাসৰ শিথিল সাকোঁডালত ভৰি থওঁতে তাই পিচলি পৰিল। জোনাক গুচি গ'ল অহাৰ বাটেৰে তাইক কুঁৱলীৰ ইপাৰৰ দেশত থৈ। ভুল বাৰু ক'ত হ'ল তাইৰ....? জীৱনৰ কাহানিও নোপোৱা বেদনাবোৰ প্ৰথমবাৰৰ বাবে অনুভৱ হৈছিল ... হেৰাই গৈছিল ওঁঠৰ কোণত অনবৰতে বিৰিঙি থকা হাঁহিবোৰ... কিয়া বাৰু সপোন ভাঙে গোপনে, হঠাতে, কিয় বাৰু হৃদয়ে উচুপে নিৰবে অকলে? .... হাহাকাৰ কৰি ফুৰা হৃদয়খনে জোনাকক ক'ব খুজিছিল... ভুলতো নক'বা তুমি ওভোতাই দিয়া মোৰ প্ৰিয়বোৰ ... ভুলত হ'লেও নুসুধিবা তুমি মোৰ প্ৰাণোচ্ছল হাঁহিৰ ৰহস্য কি?

আৰু নহ'ব ... নিজক ইমান শাস্তি দিয়াৰ অধিকাৰ তাইৰ নাই। জোনাকতো তাইৰ পৰা বিদায় নোলোৱাকৈয়ে আঁতৰি গৈছিল ... তাইৰ বাবে যে এতিয়া মাথো পৰিৱৰ্তনহে কাম্য ... জীৱন ডায়েৰীৰ অদৃশ্য পৃষ্ঠাৰ পৰা মোহাৰি পেলাব লাগিব তেওঁৰ নাম, সংকল্প মাথো আকাশ ছোৱাৰ, সপোনাবোৰক

যে কেৱল মন্দিৰৰ ঘণ্টাতে ওলোমাই ৰাখিব নোৱাৰি ... আৰম্ভ হ'ব এক নৱজীৱনৰ, য'ত উচুপনি নাই, আছে মাথোন সীমাহীন ব্যৱস্থা ... হয়তো যদি জীৱনৰ কোনোবা সুঁতিত জোনাকক ভুলবশতঃ লগ পোৱা যায়, তেতিয়া জোনাক তাইৰ বাবে কেৱল প্ৰতিদ্বন্দ্বী হিচাপে ৰ'ব।

বৰদৈচিলাৰ দুৰ্দান্ত ৰূপৰ পাছে পাছে বসন্ত আহে ..... তেনেদৰেই জীৱনৰ দীঘলীয়া পথৰ পথিক যেতিয়া, কেৱল সুখেইটো লগ নিদিয়ে, কোনোবাখিনিত যন্ত্ৰণা আৰু বিষাদৰো প্ৰয়োজন .... ধুমুহাৰ শেষত বসন্ত বিচাৰি তাই আগবাঢ়িছে ক্ৰমশঃ সুখৰ অৰণ্যৰ ফালে ... প্ৰতিজ্ঞা কৰিছে প্ৰেম নামৰ মাৰাত্মক ভুলটো যাতে কেতিয়াও নকৰে, বিষন্নতাৰ বাতত তাই আৰু কোনো দিনেই নুডুবে।

"এতিয়াতো মই তোমাৰ নহয়
এতিয়া সময় মোৰ নহয়
পাহৰিব খুজিও পাহৰা নহয়।"

'হৰা-জিকাৰ খেলখনেই এনেকুৱা, আজি তুমি জিকিলা, আৰু কালিলৈ হয়তো মই ...।' জোনাক তাইৰবাবে প্ৰেৰণাবিহীন ঠিকনা, স্মৃতিৰ মৰহি যোৱা এখিলা সৰাপাত.... তথাপি মনে নামানে .... তথাপি কিয় জানো খুলি থৈছে হৃদয় পদুলিৰ নঙলা কেইডাল... হয়তো মিছা আশাত ... মিছা অপেক্ষাত...।

সি বিদায় নজনোৱাকে উভতি যোৱাৰ বেলা তাই নিজকে সান্ত্বনা দিছিল ... জীৱনলৈ মানুহ আহিব; মানুহ যাব ....., হয়তো ৰৈ যাব কোনোবা সুখ নতুবা বিষাদৰ স্মৃতি হৈ..... কোনোবা বিলীন হ'ব পাহৰণিৰ কুটিল গৰ্ভত ... আস্! ... দুখৰ ৰাতিবোৰত টোপনি নাহে, সুখৰ ৰাতিত কোনে শোৱে। মিছা আশা, মিছা অপেক্ষাত বহু সময় নষ্ট হ'ল, জোনাক গুচি গৈছিল উভতি অহাৰ সকলো সম্ভাৱনা শেষ কৰি সুখৰ আকাশত তৰা বিচাৰি....

শেষ সিদ্ধান্ত ঃ জোনাকেইতো তাইৰ জীৱনৰ সৰ্বস্ব নাছিল, আজি দৃঢ় প্ৰতিজ্ঞা কৰিছে তাই, সি আউল লগাই থৈ যোৱা জীৱনটো ভাঙি থৈ সপোনবোৰ পাহৰি নতুনকৈ সজাব লাগিব, মাক-দেউতাকৰ আশা আৰু তাইৰ কেৰিয়াৰহে এতিয়া জীৱনৰ সৰ্বস্ব। ভুল কৰিছিল যেতিয়া তাৰ শুধৰণিও তাই নিজেই কৰিব..... আবেগত লোৱা সিদ্ধান্তবোৰ ভুল হয়েই চাগে.....

আজি তাই জোনাকৰ ভাৱনাৰ পৰা অন্য পৃথিৱীলৈ গতি কৰিছে .... য'ত জোনাক নামৰ কোনো প্ৰতাৰক নাই, য'ত মাথো সফলতাই জয়গান গায়, য'ত সুখৰ পোচাক পিন্ধে মানুহবোৰে ... সঁচাকৈয়ে বহু বেছি ব্যৱধানত .... ভুলত হ'লেও তাইৰ নাম Googleত sharch কৰিলেও বিচাৰি নেপোৱা দূৰত ... হয়তো অনাগত দিনত তাইৰ বিবেক আৰু স্মৃতি নামৰ DSLRৰ লেন্সৰ ইপাৰতো চাগে জিলিকি নুঠিব জোনাকৰ স্পষ্ট ফট'গ্ৰাফ। কাৰণ এতিয়া তাই ধুমুহাৰ পাছত বসন্ত বিচাৰি নৌকা মেলিছে....।



# তোমালৈ বুলি... ডায়েৰীৰ পৃষ্ঠাৰ পৰা

অনন্যা খাৰঘৰীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, কলা শাখা

মৰমৰ....

...... কি বুলিনো তোমাক মাতিম আজি ধৰিবয়েই পৰা নাই। তোমাৰ নাম ধৰি মাতি নাপালোয়েই যে সেয়ে .. অভ্যাস নাই। বাৰু বাদ। ভলে আছা চাগে ন'...? বহুদিনেই হ'ল তোমাক দেখা নোপোৱা... কিয়নো অচিনাকী হৈ হেৰাই গ'লা একদম ধৰিব নোৱাৰিলো। তোমাৰ কথা প্ৰায়েই ভাবি থাকো জানা... (নেভাবো বুলিও যে নোৱাৰো মই.. তোমাৰ দৰে)। বুকুত দুখবোৰ লৈ থাকিম সেয়ে হাতত কলম লৈ বহিছো আজি... কলমটোৰ বাহিৰে যে একো নাই হৃদয়ৰ অব্যক্ত বেদনা বোৰ প্ৰকাশ কৰিবলৈ। কেৱল আজি আমনি কৰো আৰু তোমাক, নহ'লৈ যে মনৰ কথাবোৰ প্ৰকাশ নকৰাকৈই মই হেৰাই যাম হয়তু ক'ৰবাত ....

সোণাৰুৰ সৈতে আমাৰ পৰিচয় বহু দিনৰে ন'... সোণাৰুৰ হালধীয়াখিনি আমাৰ প্ৰেমৰ সাক্ষী আছিল। সেই হালধীয়া এতিয়াও মোৰ লগত আছে মাথো তুমিহে নাই। তুমি নাই বাবেই হয়তু হালধীয়া ৰং মোৰ হৃদয়ত নাই লগা....। সকলোবোৰ বেৰঙীণ....।

"তোমাক হেৰুৱাৰ কথা নাছিল কোনোদিনে
অথচ আজি তুমি নাই মোৰ কাষত
তোমাৰ অনুপস্থিতিতি বাৰকৈয়ে অনুভৱ কৰিছো
ভাবিছো...কান্দিছো আকৌ ব্যস্ত হৈ পৰিছো তোমাৰ স্মৃতিবোৰৰ লগত।
স্মৃতিবোৰে প্ৰতিপলে সোঁৱৰাই দিয়ে যে
তুমি নাই মোৰ কাষত।"

কি কৰিম কোৱা মই...? অকলে থকাৰ অভ্যাস তুমিয়েই নাইকীয়া কৰি এতিয়া তুমিয়েই মোক অকলে এৰি থৈ গুচি গ'লা...। কিয়নো এইদৰে এৰি থৈ গুচি গলা হঠাতে, অভিমান কৰিবলৈও সুযোগ নিদিলা আৰু তুমি এবাৰো নাই ভবানে যে তুমি অবিহনে তোমাৰ এই অভিমানী আকৰীজনী কেনেকৈ আছে ... মনত পৰা নাইনে মোলৈ তোমাৰ? নে মোতকৈও ব-হু-ত বেছি মৰম দিয়া কাৰোবাক পালা? সুখত আছা চাগে ন' তুমি তেওঁৰ লগত এতিয়া...

"তুমি যদি আনৰ হোৱা,
তোমাৰ কাষত মই থাকিব নোৱাৰিম
তুমি ওঁঠত গুজি লোৱা হাঁহিটো মই
চাই ৰব নোৱাৰিম....
তুমি দুখ পালে মই যে মোৰ বুকুত তোমাক
লৈ সান্ত্বনাও দিব নোৱাৰিম...।
মোৰ ঠাই তুমি তেওঁক দিবা,
তোমাৰ শুভদিনত তেওঁ থাকিব তোমাৰ কাষত,
তোমাৰ ওঁঠত হাঁহিবোৰ গুজি দি তেওঁ চাই ৰ'ব,
তুমি দুখত থাকিলে তেওঁ কোলাত শুৱাই ল'ব...।
- মোৰ ঠাই তেওঁ ল'ব।

আৰু মই ..., পুৰণা স্মৃতিবোৰ বুকুত সাৱটি টোপনি যাম... এতিয়া যে উজাগৰী নিশাবোৰৰ চকুপানী মচি দিবলৈও তুমি নাহিবা মোৰ কাষলৈ ... অকলশৰীয়াকৈই দুহাতেৰে দুখবোৰ আকোৱালী লম মই....। তুমি নাথাকিলেও যে আমাৰ স্মৃতিবোৰ সদায় মোৰ লগত থাকিব। তোমাক দিয়া প্ৰতিশ্ৰুতিবোৰ (কেতিয়াও পাহৰি নোযোৱাৰ) মই নিৰৱেই পালন কৰিম। সুখী হোৱা তুমি তোমাৰ মনৰ জোখাৰে,, সুখত থাকা... মই কেতিয়াও আৰু আমনি নিদিও তোমাক....।

"হৃদয়ত হোৱা ৰোগ সহজে ভাল নহয়
মোৰ হৃদয়তো হ'ল সেই ৰোগ
ভালপোৱাৰ ৰোগ ...।
ভালপোৱাৰ ৰোগেই দিন ৰাতি দি যায়
সীমাহীন বেদনা... অজস্ৰ দুখ আৰু বিষ....।"

ভ্ৰমণ অভিজ্ঞতা

# এক আমেজভৰা অভিজ্ঞতা

প্ৰিন্সী মহন্ত
স্নাতক পঞ্চম ষান্মাসিক
ইংৰাজী বিভাগ

২০১৪ বৰ্ষৰ ছেপ্তেম্বৰ মাহৰ এটা ৰৌদ্ৰজ্জ্বল পুৱা আনদিনাৰ দৰে সেইদিনাও আমাৰ দ্বিতীয়টো ক্লাছ চাবিহা মেমৰ English (Major)ৰ আছিল। সেইদিনা মেমে আমাক ক্লাছ কৰাৰ আগতেই ক'লে যে গোলাঘাটৰ H.P.B girls College Women Writers ৰ ওপৰত ছেমিনাৰ আছে। কথাষাৰ শুনি মই একেষাৰেই 'যাম' বুলি ক'লো। কাৰণ সেইখন কলেজতে মোৰ 'মা'ও পঢ়িছিল সেইকাৰণে মোৰ মুখৰ পৰা অজানিতে ওলাই আহিল 'যাম' শব্দটো, মোৰ সহপাঠী তিনিগৰাকীও তাৈলে যাম বুলি ক'লে। গতিকে আমি গোটেইকেইজনীয়ে লগ হৈ Seminer লৈ যাম বুলি থিৰাং কৰিলো। আমাৰ Seminer মূল বিষয় আছিল "Women Writers Across the Word"

লাহে লাহে আমি সেইদিনাৰ পৰাই কাম আৰম্ভ কৰিলো। কিন্তু আমি বহুত মহিলা লেখিকা পালো যদিও কোন গৰাকীৰ ওপৰত অধ্যয়ন কৰিম সেইবিষয়ে দোধোৰ মোধোৰ অৱস্থাত পৰিলো। শেষত আমি ঠিক কৰিলো যে আমি ব্ৰিটিছ লেখিকা Virginia Woalfৰ ওপৰত ছেমিনাৰ পেপাৰ বনাম। আমি আমাৰ ছেমিনাৰ পেপাৰৰ ওপৰত অধ্যয়ন কৰা বিষয় হ'ল "Sexual Apprehension and fear in the Writings of Virginia Woalf. This Causes with Reference to her Novel 'ORLANDO' অৱশেষত আমি আমাৰ বিভাগৰ ছাৰ-বাইদেউসকলৰ সহযোগত আমাৰ ছেমিনাৰ পেপাৰখন প্ৰস্তুত কৰি উলিয়াবলৈ সক্ষম হ'লো।.

আমাৰ ছেমিনাৰৰ দিন ২৬ ছেপ্তেম্বৰ আছিল হেতু আমি সেইদিনা ৰাতিপুৱাতে আমাৰ ইংৰাজী বিভাগৰ চাবিহা মেম আৰু নিবেদিতা মেমৰ লগত ৰাতিপুৱা ৫.৩০ বজাতে গোলাঘাটলৈ যাত্ৰা আৰম্ভ কৰিলো। আমাৰ লগত আমাৰ বিভাগৰ বা পাঁচগৰাকীও গৈছিল। মনত বহুতো ভয় শংকা হেঁপাহ লগত লৈ

আমি ৮.৩০ বজাত এইচ.পি.বি গাৰ্লছ কলেজত উপস্থিত হ'লোগৈ। সেইখন কলেজৰে দুগৰাকীমান ছাত্ৰীয়ে আমাক Auditoriun অলৈ লৈ গ'ল। আমি Registration কৰি ছেমিনাৰ হ'লত বহিলোগৈ। সেইসময়ত মই মোৰ মায়ে পঢ়া কলেজখনত ছেমিনাৰ কৰিবলৈ গৈ অলপ গৌৰৱ অনুভৱ কৰিলো। ১০ মান বজাত আমাৰ ছেমিনাৰ আৰম্ভ হ'ল। আমাৰ ছেমিনাৰৰ Chairperson হিচাপে আছিল বাহনা কলেজৰ ইংৰাজী বিভাগৰ প্ৰবক্তা "শান্তনু শইকীয়া" মেদাম, এক, দুই কৈ ন নম্বৰত আমাৰ ছেমিনাৰ পেপাৰৰ নাম মেডামে মঞ্চত ঘোষণা কৰিলে। চাৰিওজনী মঞ্চলৈ গ'লো আৰু আমাৰ মাজৰ এগৰাকীয়ে পেপাৰৰ মূল বিষয়বস্তু পাঠ কৰি দিলো। আমাৰ বিষয় বস্তুটো আমি বৰ্তমান সময়ত নাৰী সমাজত যি কু-কৰ্ম চলিছে তাৰ আধাৰত অধ্যয়ন কৰি প্ৰস্তুত কৰিছিলো বাবে তেওঁ আমাৰ পেপাৰখন বহুত ভাল পালে আৰু আমাক প্ৰশংসা কৰিলে। মূহুৰ্ততে আমাৰ ভয় শংকা নাইকিয়া হ'ল। জীৱনৰ প্ৰথমখন ছেমিনাৰত এনেদৰে আনৰ প্ৰশংসাৰ পাত্ৰী হ'বলৈ পাই সেইসময়ত মোৰ মন আনন্দৰে ভৰি পৰিছিল। এই আপাহঁতে মই এনে এখন ছেমিনাৰত অংশীদাৰ হ'বলৈ সুবিধা দিয়া আমাৰ ইংৰাজী বিভাগৰ সকলো ছাৰ-বাইদেউকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমি ছেমিনাৰ শেষৰ পাছত ৪.৩০ মান বজাত পুনৰ গোলাঘাটৰ পৰা শিৱসাগৰ অভিমুখে ৰাওনা হ'লো। বহুতো হাঁহি-ধেমালিৰ মাজেৰে আমি সন্ধ্যা লগাৰ পাছতে শিৱসাগৰ পালোহি। আমাৰ ভ্ৰমণটো ইমান দূৰৱৰ্তীয়া নাছিল যদিও বহুত ভাল লাগিছিল।

এই ছেমিনাৰখনত অংশগ্ৰহণ কৰি মই বহুত নজনা কথা শিকিলো। "ভ্ৰমণ" এক আমেজভৰা অভিজ্ঞতা, লাগিলে দূৰ বা ওচৰ ভ্ৰমণেই হওঁক, আমাৰ সেই ছেমিনাৰ খনত অংশগ্ৰহণ কৰিবলৈ গৈ এটা সৰু-সুৰা 'শিক্ষামূলক ভ্ৰমণো' হ'ল। বৰ্তমান কষ্টময় জীৱনৰ পৰা ফালৰি কাটি গৈ দুদিনমানৰ বাবে এটা বেলেগ কামৰ বাবে নিজকে ব্যস্ত কৰি বহুত ভাল লাগিল। এই কামৰ বাবে আমাক সুন্দৰভাৱে নেতৃত্ব প্ৰদান কৰি আমাক গন্তব্যস্থানলৈ লৈ যোৱাৰ বাবে আমাৰ বিভাগৰ প্ৰবক্তা চাবিহা মেম আৰু নিবেদিতা মেমক এই লেখাটোৰ জৰিয়তে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

# মহৎ লোকৰ অমৃত কথা

সংগ্ৰাহক ঃ মণিষা বৰাল
তৃতীয় যাণ্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

- ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল উদ্দেশ্য।

—প্লেটো

- তুমি নিজেই যেনেকৈ আনৰ পৰা ভাল ব্যৱহাৰ আশাকৰা লোককো তেনে ব্যৱহাৰ কৰিবা।

— কনফুচিয়াচ।

- ৰাতি যিমানে কঠিন হ'ব প্ৰভাত সিমানে উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা আন্ধাৰে আগুৰি ধৰিলেও ভয় নকৰিবা। প্ৰভাত হ'বই।

— জ্যোতিপ্ৰসাদ আগৰৱালা

# ঢৌ জিলমিল দিচৈ নৈ



ড° কিশোৰ কুমাৰ দেউৰী
মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

বুকুত আঁকি থোৱা আছে
এখন নদীৰ ছবি
হেপাহৰ পৰা অনুভৱলৈ বৈ যোৱা
চকুলো জিলমিল এই নদী।

আৱৰণহীন মোৰ শৈশৱে
মাছৰোকাৰ দৰে
কিমানবাৰ জপিয়াইছিল
এই নদীৰ বুকুলৈ।
বুটামহীন ৰছি বন্ধা হাফপেণ্টৰ
উৎসাহক লালন কৰিছিলোঁ
এই নদীৰ পাৰত।
ভেকুলী জাঁপ দিয়া শিলবোৰ
উৰি গৈছিল মোৰ হাতৰ পৰা
নদীত বিলীন হ'বলৈ

এই নদীৰ বুকুত কান্দুলিৰ লুটি
ইলুটি চা বোলে, সিলুটি চা।
পাৰত সজোৱা থাকে
মেটেকা ফুলৰ চাকি।

এইদৰে
সেইদৰে
নিতৌ ৰ'দ জিল্‌মিল্ এই নদী
নিতৌ ঢৌ জিল্‌মিল্ এই নদী
এই ইটো পাৰ
সৌ সিটো পাৰ
মৰম জীপাল
চকুলোৰ দুটি পাৰ।।

# অপেক্ষা

ৰুমী হাতীমূৰীয়া
ই-লাইব্ৰেৰী পৰিচালক

মোৰ হিয়াৰ ৰক্ত গোলাপৰ পাপৰিবোৰ
যিদিনা মৰহি যাব ক'লা ক'লাহৈ
সেই দিনাও অপেক্ষা কৰিম তোমালৈ
সুদূৰ সমাধি চাপৰিত
    এপাহি বনফুল হৈ ৰ'ম আশাৰেই
তোমাৰ বাবে
    আহিবানে মোৰ নিজান সমাধিত?
যিদিনা গোলাপ জুপি ফুলিব
    জ্বলাবানে এগছি বন্তি, তোমাৰ কোমল হাতৰ পৰশে
তাতেই আছে মোৰ শান্তি।
    বৈ থাকিব অবিৰতভাৱে নিজা গতিত
লুইত, গংগা, কাবেৰী
    পাহাৰৰ পৰা ভৈয়ামলৈ
    সাগৰৰ পৰা মহাসাগৰলৈ
তাতে লগ পোৱাৰ কথা দিলোঁ
    বহু প্ৰতিশ্ৰুতিৰে।

(২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহত মৌলিক কবিতা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ কবিতা)

# সৰাপাতৰ কাহিনী

যামিনী মহন্ত
স্নাতক ষষ্ঠ ষান্মাসিক
ভূগোল বিভাগ

বুকুৰ হুমুনিয়াহ বোৰ
সৰাপাতৰ দৰে সৰি পৰিছে
নিসংগতাৰ মজিয়াত...
হালধীয়া মৰহা সৰাপাতবোৰ
মৌনতাৰ খোজত কেৰমেৰাই উঠিছে...
হৃদয়ৰ কাতৰ নিনাদে জয়াল কৰি তুলিছে পৰিৱেশটো
এজাক বিষাদ ধুমুহাৰ হু-হুৰনিয়ে
ৰজনজনাই আছে নিসংগ মুহূৰ্তবোৰ
হুমুনিয়াহবোৰ সৰাপাত হৈ বাগৰি ফুৰিছে
ইখন বুকুৰ পৰা আন এখনলৈ...
লুং লুঙীয়া হাবিতলীয়া ৰাস্তাটো সুমথিৰা হালধীয়া
সৰাপাতেৰে উপচি পৰিছে...
স্তৰে স্তৰে জমা হৈ আছে সৰাপাতবোৰ...
যেন সাজি গৈছে এতলা দুতলাকৈ
এদিন ই সুদৃশ্য অট্টালিকা হ'ব
যিদিনা মোৰ চকুৰ পানী শেষ হ'ব।
যিদিনা হৃদয়ৰ অহৰহ ধ্বনিবোৰে
নিজৰ অস্তিত্ব হেৰুৱাই পেলাব।
সেইদিনা সেই অট্টালিকাৰ বেলকনিৰ পৰা
তললৈ ভূমুকিয়াই চাম
জীৱনৰ আউল লগা অংশসমূহ
গণি গণি পাৰ কৰিম বহু নিদ্ৰাহীন ৰাতিত
হুমুনিয়াহৰূপী সৰাপাতবোৰ।



# জীৱন

অনন্যা খাৰঘৰীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মানুহ কিমান সুখী হ'ব পাৰে
মানুহ কিমান দুখী হ'ব পাৰে

দুখী মানুহে দুখত ফটিকাত বুৰ যায়
সুখী মানুহে সুখত সুৰাৰ ৰাগিত গান গায়

কোন কিমান সুখী....?
কোন কিমান দুখী...?
দুখীৰ কান্দোনত চকুপানী বৰষে।
আৰু সুখীৰ হাঁহি হাঁহি চকুপানী ওলায়।
কিন্তু
কোন কিমান স্থায়ী...?
সুখ...
দুখ... নে
চকুলো??

(২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহত মৌলিক কবিতা প্ৰতিযোগিতাত শ্ৰেষ্ঠ কবিতা)

# তোমাক নিমন্ত্ৰণ জনোৱাৰ সময় পাৰ হ'ল...

চিমি কোঁৱৰ
স্নাতক ষষ্ঠ যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ



বহুদিন হ'ল
মোৰ পৃথিৱীলৈ বসন্ত অহা নাই
অপেক্ষা কৰোঁতে কৰোঁতে
জীৱনৰ একৈশটা বছৰ গুচি গ'ল..

মোৰ জন্মৰ দিন ধৰি
একৈশবাৰ বসন্ত আহিল আৰু
গালে মুখে পৈণত বয়সৰ দাগ লগাই
গুচি গ'ল...

মোৰ জন্মৰ দিন ধৰি
একৈশবাৰ বৰষা আহিল
ৰঙা নীলা ছাতিৰ তলত
একৈশবাৰ শৰৎ আহিল
একৈশবাৰ কহুঁৱা ফুলিল
একৈশটা হেমন্তৰ সুবাসে
মোক চুই গ'ল...

মোৰ জন্মৰ দিন ধৰি
একৈশবাৰ শীত আহিল
একৈশবাৰ উদং হ'ল পথাৰ...
একৈশবাৰ সৰিল সৰাপত
একৈশবাৰ শুকান গছবোৰতো
গজি উঠিল কুঁহিপাত...
কিন্তু আজি একৈশবছৰে
সপোনে দিঠকে
কামনা কৰিলো যি বসন্ত
কেৰিয়াৰৰ জখলাৰে বগাই বগাই
নিমন্ত্ৰণ কৰিব খুজিছিলো যি সপোন
সেয়া হ'লে নাহিল...
অ' মোৰ ব্যৰ্থ সপোন
পৃথিৱীৰ আটাইতকৈ নিষ্ঠুৰ শব্দ কি জানা?
সময়...
সময়...
এতিয়া আৰু সেই সপোন নিমন্ত্ৰণ জনোৱাৰ
সময় পাৰ হৈ গ'ল...।



# বন্ধই কাঢ়ি নিছিল সেইদিনা

মূৰ্চ্ছনা চুতীয়া
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বন্ধ ৰাজপথত টায়াৰ জ্বলিছিল,
ক্ৰমশঃ... কলিজাৰ কেঁচা তেজবোৰেও
খলমা বান্ধিছিল।
ৰঙা নৈখন বাঢ়ি বৈ গৈছিল ৰাজপথটোৰ দৰেই,
মোৰ দেউতাৰ মুখৰ পৰা।
ভাদ মাহৰ তিথিৰ দিনা,
নাম কীৰ্তনৰ সলনি প্ৰতিবাদ,
ধূপৰ সলনি টায়াৰৰ গোন্ধ।
নিস্তব্ধ ৰাজপথটো গাড়ীৰ ভঙা চিচাৰবোৰে
জিলিকাই তুলিছিল দুপৰীয়া।
ল'ৰা-ছোৱালীবোৰে কিৰিলি পাৰিছিল তেতিয়া
খাবলৈ নাপালেও ঢকুৰা চোচৰাবলৈ, মাৰ্বল খেলিবলৈ
সেইদিনা স্কুলবোৰ বন্ধ আছিল।
মাকবোৰে মাছ বিক্ৰীব নোৱাৰি
বাপেকবোৰৰ লগত কাজিয়া লাগিছিল।
জুইৰ লেলিহান শিখাই দহিছিল
ৰঙা নৈ বৈ অহা মোৰ দেউতাৰ কলিজা।
আৰু অন্যফালে, দপদপকৈ জ্বলিছিল
'প্ৰতিবাদী সত্তা'
কোনোবাই জাতিৰ স্বাৰ্থত বন্ধৰ আহ্বান কৰিছিল,
কোনোবাই খাবলৈ নাপাই আৰ্তনাদ কৰিছিল,
কোনোবাই চিকিৎসাৰ অভাৱত মেলানি মাগিছিল
পৃথিৱীৰ পৰা
'বন্ধ' তই ৰাখিব পাৰিবিনে 'জাতিৰ স্বাৰ্থক' জীয়াই?
গুচাব পাৰিবিনে পেটৰ কলমলনি, ভোকৰ আৰ্তনাদ?
আঁতৰাব পাৰিবি নেকি সন্ত্ৰাসবাদী, বাংলাদেশীবোৰক?

যদি নোৱাৰ,
নিৰ্ভীকতাক কাঢ়ি নিনিবি দুখীয়াৰ পৰা
মাউৰা নকৰিবি মোক
কাঢ়ি নিনিবি আমাৰ ঘৰৰ মুধচবোৰ
চিৰদিনলৈ
সেন্দুৰবোৰ আজুৰি নিনিবি।
এতিয়া, নিবিচাৰো যুদ্ধ নতুবা আমৰণ অনশনক
আমি স্বাৰ্থপৰ সাধাৰণ মানুহবোৰে জলাঞ্জলি
দিব নোৱাৰো জীয়াই থকাৰ মোহ।

# জেৰেঙা

বৰ্ণালী গগৈ
পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

(জুৰি বৰা বৰগোহাঞিৰ 'নাংফা'ৰ আধাৰত)
পাহৰি নাযাবি জেৰেঙা!
তোৰ বুকুৰ অত্যাচাৰ
তেজৰ ফাকুৰে বিদায় লোৱা
আহোম ৰমণীৰ বুকুৰ আৰ্তনাদ
তই পাৰিব লাগিব চিনিবলৈ
গাঁঠি হাজৰিকা, লালুকসোলাক
পিতনিৰ সেই ঠাই
য'ত বোকাৰ মাজত চূড়ান্ত ঘৃণাৰে
দলিয়াই দিছিল
ৰাজকুমাৰীৰ শৱ-দেহ।

জেৰেঙা! তই ওফৰাব পাৰিবিনে
ৰাজতন্ত্ৰৰ নৃশংস বিচাৰ?
এপষেক হত্যাৰ যজ্ঞ চাই থকা
নিঃসহায় মানুহৰ মাজৰ পৰা
উলিয়াব পাৰিবি বীৰ অথবা বীৰাঙ্গনা
অন্যায়ৰ বিৰোধিতা কৰা
সৎ ৰাজনীতিকক?

তই পাৰিব লাগিব
ন্যায়সোধাৰ সাহস বঢ়াব,
তই পাৰিব লাগিব গদাপাণিৰ
সৈন্যবল গোটাব
হাজাৰজনী জয়মতীৰ
কৰুণ বিননিৰ অৱসান ঘটাব
এইয়া যে সময়, জেৰেঙা!
তই জাগি উঠাৰ
ৰণোদ্দীপ্ত আজি তেজাল পুৱা।

# মালৈ মনত পৰিছে....

কস্তুৰি শৰ্মা
স্নাতক তৃতীয় ষান্মাসিক
ভূগোল বিভাগ

ৰাতি দুপৰত
সন্তৰ্পনে টুকুৰিয়াই
মায়ে কৈ গ'ল
বাহিৰলৈ নোলাবি।
মাৰ মাতত সাৰ পাই গ'লো,
ঘড়ীটোলৈ চালোঁ
২ বাজি ১৫ মিনিট গৈছে
মনটো কিবা ভাল লগা নাই,
মালৈ বৰকৈ মনত পৰিছে
হোষ্টেলখন নিস্তব্ধ হৈ আছে
এতিয়া মানে চাগৈ চবেই শুই গৈছে।
পৰ্দাখন দাঙি দিলো,
বাহিৰখন দেখোন
বিজুলিয়ে গোটেই
পোহৰ কৰি পেলাইছে।
খিৰিকিখন খুলি দিলো
এজাক ধুমুহাই
তৰ্জন গৰ্জন কৰি
মোৰ ফালে আগুৱাই আহিল
জোৰেৰে জপাই দিলোঁ খিৰিকিখন,
মনত পৰি গ'ল,
১৫ মিনিট আগতে দেখা
সেই সপোনটোলৈ
মালৈ বৰকৈ মনত পৰিছে...।

# ভাৱতৃষ্ণাৰ একাঁজলি

হিমাদ্ৰী ফুলকোঁৱৰ
পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

চোৱা...?
মোৰ ইমান অশান্তি যদিও...
এপলক তোমাৰ বাবে আহৰিৰ অভাৱ নাই
চোৱাচোন...
৯.১৫ৰ পৰা ক্লাচ, উস!
হ'ল বুলিয়েনো কিমান পঢ়িম!!

চোৱা এই যে...
কলেজৰ পৰা আহি সোমাই যাওঁ...
প্ৰবাহিত বিনিময় ধাৰাত...
ক'ব নোৱাৰো কি পাঁও ইয়াত!
ইটোৰ পাছত সিটো বাৰ্তা!!
উদ্‌গ্ৰীৱ হৈ থাকো মই...
ক'ব নোৱাৰো কি পাওঁ ইয়াত
মই যে ভাল পাই পেলালো।।
এই সকলো খিনি বিনিময়,
বতাহৰ দৰে মিঠা...
আস...!!
যেন উৰি আহে কৰ্পূৰৰ দৰে....
আলাসেৰে ধৰিব লাগে।।
সঁচা...
কিমান যত্ন কৰো ভাৱবোৰ একত্ৰিত কৰিবৰ বাবে
সম্পূৰ্ণ এক দীঘলীয়া পৰিক্ৰমা...
ঘৰত যে কিমান গালি দিয়ে নহয়;
চোৱা...,
ঘৰৰ মানুহে জানো বুজিব?
মই পোৱা আহ্লাদিত স্ফুৰ্তিৰ উমান...!

ফচাই পেলালা মোক...
হেই...,
আমি যে পাঁতো...
চৰাইৰ পৰা কাজিৰঙাৰ ফুটুকী হৰিণৰ কথা,
চিটিবাচৰ পৰা প্লেনৰ কথা,
হীৰুদাৰ পৰা কীট্‌ছ্‌ৰ কথা...,
আমাৰ ভগা দলঙৰ পৰা হাওৰা ব্ৰীজৰ কথা...
ঘৰৰ আগৰ ফুলজোপাৰ পৰা জুকু উপত্যকাৰ কথা..
আচৰিতেই হওঁ মই।
কেনেদৰে ইমান কথা ওলায়,
আৰু যে পাতো...
ৰংঘৰৰ পৰা হোৱাইট হাউচৰ কথা,
কমলা শইকীয়াৰ পৰা ডিমিত্ৰি জাভাদস্কিৰ কথা,
পৰাগ দাসৰ পৰা তৰুণ তেজপাল...
এফালে চাংলট ফেন্‌লা,
আনফালে টেহেলেকা ডট্‌কম
আচৰিত নহয়নে?
তুমি যে কোৱা
'মই ৰংঘৰৰ প্ৰেমত পৰিলো...,
জয়মতীৰ ওৰণিৰ তলত তোমাক দেখিছো...'
সঁচাকৈ জানানে?
মই পাৰাপাৰহীন ভাৱে তাতেই সুখী
কিয় মন যায় তোমাৰ?
মোৰ হাতৰ পাৰ্চটো হ'বলৈ?
কিমান যে আব্দাৰ তোমাৰ ওচৰত
তোমাৰ যে মৰমৰ খং উঠে জানো...

তুমি যে কোৱা....
'তোমাৰ পৰা উপায় নাই আৰু...'
আৰু মই?
সকলো মনৰ দোষহে কিবা...!!
তুমি যে কোৱা...
নিজৰ আৰ্জিত গাড়ীতহে ফুৰিবলৈ যাম আমি,
আৰু পাতিম মাত্ৰ...
আকাশ, সেউজীয়াৰ কথা।
আৰু শুনা, ক'ৰবাত মিঠা আঘোণ পালে,
ফটো তুলিম দেই...!
চোৱা, পাৰ্কত নবহাঁকৈ ৰেষ্টুৰেণ্টত নোসোমোৱাকৈ...
আমাৰ দিনবোৰ বিশেষ হোৱা নাইনে?
তুমিটো সদায় মোক নতুন উপহাৰ দিয়া...
হঠাৎ কৈ দিয়া, শুনা...
মই জাষ্ট 'The Fourth Estate' পঢ়িলো।
তাৰ পৰাই আৰম্ভ হৈ যায়...
উপহাৰৰ বান্ধ খোলনি
মইটো ইংৰাজী বুজিনাপাও.. তুমিটো জানাই
সেয়ে অসমীয়াতে কৈ যোৱা বিস্তৰ বৰ্ণনা
তুমিয়ে কোৱা?
কেনেকৈ আদৰ কৰো মই এই উপহাৰ?
তোমাক আচৰিত হওঁ মই..
কেনেকৈ ইমান কৰ্তব্যশীল তুমি?
নিয়মিত ক্লাচ... টিউচন... আড্ডা
ঘৰলৈ ফোন কৰিবও নাপাহৰা...
আৰু মোৰ কাৰণে .. ইমান...
নকওঁ আৰু...
চাবা কিন্তু
ভাৰ্চিটী উইকত মোক পাহৰি নাযাবা!
আমাৰ যে মিচিং গাঁৱৰ সোৱাদ লোৱা কেতিয়া হ'ব?
জংকি পানৈৰ দেশৰ... সাধুকথা যেন কথাবোৰ...
কেতিয়া শুনিমনো?
দেউৰী গাঁৱৰ কলপাতৰ মাংস... অস!
বৰ লোভনীয় শব্দবোৰ মায়া...
নহয়নে?

তুমি যে কোৱা...
আমি কেঁচা চাহ পাতৰ সন্ধানত যাম... আৰু
এটোপোলা সুগন্ধ আনিম হাঁ...
আৰু এদিন...!
আকাংক্ষিত এটা দিনত মুকলি কৰি দিম...
আমাক গ্ৰাস কৰিব পৰাকৈ...
কিমান যে কথা আমাৰ..
শেষেই নহ'ব যেন,
মমতাৰ চিঠিৰ পৰা বনলতা শেন
মামনি ৰয়চমৰ পৰা অমৃতা প্ৰীতম
নোকোৱানো কি?
আঘোণৰ পকা ধানৰ পৰা সোণাৰুৰ মিচিকি হাঁহি,
মিঠা অনুভূতিৰ সকলোবোৰ কিবা কিবা!
তোমাৰ কথা জুকিয়াই থাকোতেই
বাজিল নহয় ৰিংটনটো...
আজি বাৰু কি পাতিম?
Please
ৰাহুল গান্ধী, নৰেন্দ্ৰ মোদীৰ কথা নক'বা...
নোৱাৰিছো আৰু...
বাতৰিকাকতত নথকা কথা কবা।
এইচোৱা... আঙুলিটো আগবাঢ়ি গৈছে...
নিৰ্দিষ্ট স্থানলৈ...
.... অ' কোৱা, শুনিছানে?.

# জীৱন স্বনামধন্য

(ৰাধাকৃষ্ণণৰ জীৱন দৰ্শনৰ আধাৰত ৰচিত)

**অনিন্দীতা কটকী**
স্নাতক পঞ্চম যান্মাসিক, ইংৰাজী বিভাগ

সত্য আৰু প্ৰজ্ঞাৰ অন্বেষণেৰে
জীৱন স্বনামধন্য।
সত্ত্বাৰ উপলব্ধিৰ পথ
আত্মজ্ঞানেই শিক্ষাৰ লক্ষ্য।'
আন্ধাৰৰ পৰা পোহৰমুখী যাত্ৰাতে জন্ম, ধৰ্ম।
জীৱনে কয়,
ভিন্ন চাকিত, ভিন্ন শলিতা
একে শিখা, প্ৰজ্বলিত।
পৰম্পৰা আৰু নতুনত্বৰ সীমাৰেখাৰডালৰ
বোধগম্যহীনতাতে সৃষ্ট 'কু-প্ৰথা।'
জীৱনক প্ৰশ্ন কৰে নিজ আত্মাই,
যুদ্ধৰ বিভীষিকাৰ মাজত কেনেকৈ
সংস্থাপিত হ'ব মানৱতা?
'Recovery of Faith'ৰ মাজতেই উত্তৰ
প্ৰপঞ্চিত হ'ব পুনঃ সভ্যতা।
জীৱনৰ হৃদয়ত উত্তৰংগ।
হাতুৰীৰ কোবত জানো সংহতি হয়?
একত্ৰিত ভাৱবোৰ ইতিহাস হয়,
সমাজেই ৰচোতা, আমিবোৰ অংশ।
'বিশ্বভাৰতী'ৰ স্বপ্নদ্ৰষ্টাৰ মাজতে
জীৱনে দেখিছিল, উদিত সুৰুজৰ
মানৱক প্ৰতিষ্ঠাৰ সংগ্ৰাম।
আন্ধাৰৰ ছায়া-ময়া ভেদি আলোকৰ জয়গান।
আজিৰ পৃথিৱীত আমি খাজকাঢ়ো.
আত্মাই লগে লগে।
আমি দৌৰো,
আত্মাই পোহৰ বিলায়।
আমি সংঘাত আনো,
আত্মাই অভিশাপ দিয়ে।
আমি সৰি পৰো,
আত্মাই নতুন বীজ সিঁচে।
আকৌ খোজকাঢ়ো, আত্মা কাষে কাষে।

# তোমাৰ সৈতে....

**সুদিষ্ণা নেওগ**
স্নাতক পঞ্চম যান্মাসিক
অসমীয়া বিভাগ



তোমাৰ সৈতে
বাৰিষাৰ বৰষুণত মিলিছিলো
হৃদয়ৰ পোছাক খুলি
উলংগতাৰে....

তোমাৰ সৈতে
চঞ্চলতাৰ মিতিৰালি পাতিছিলো
আৱেগৰ উন্মুক্ত ভাষাৰ
নিৰৱতাৰে...।

তোমাৰ সৈতে
বৰণহীন ফুলজুপিত
আঁক দিছিলো
সেউজ প্ৰলেপ হেপাঁহেৰে।

তোমাৰ সৈতে
নিৰুদিষ্ট আজি পাহৰণিৰ ভূগৰ্ভত
দুখৰ স্বৰূপ
নিসংগতাৰে....।

# অবিনাশী তুমি ৰহস্যময়ী

শোভালক্ষ্মী দিহিঙ্গীয়া
পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ



ট্ৰেফিক জামত ফচিবোৱাৰ দৰে

এটি ধুনীয়া পথৰ কাষৰ
জনঅৰণ্যৰ পৰা নিলগত
সেউজীয়াৰ মাজত জীপাল হোৱা
এজুপি বটবৃক্ষ,
কৌটিকলীয়া
সপোনসুৰীয়া
নাম তাৰ বাখৰ বেঙেনা।
আজিও স্থবিৰ হৈ আছে
ধুমুহা বজ্ৰপাতৰ বিভীষিকাত নাইবা
তেজস্বিনী কিৰণৰ তেজস্ক্ৰীয় পান কৰি
বহন কৰি আহিছে
অতীতৰ ঘাত প্ৰতিঘাতৰ এটি এটি অমিয়া স্মৃতি
যেন অপেক্ষাৰত...
কৌটিকলীয়া সাধনাৰ সেই সেন্দুৰীয়া সময়কণৰ বাবে
জটাল তপস্বীৰ দৰে
নাইবা
অবিন্যস্ত চুলিটাৰিৰে
ৰৌদ্ৰস্নাতা পাট গাভৰুৰ দৰে
দুচকু তাই সুনীল আকাশৰ সীমনালে
আপোনজনৰ সন্ধানত..
বসন্তৰ শুকুলা মেঘৰ চকুলোত
সজাই তোলে নিজকে নব্যৰূপত নসাজেৰে
বয়সকো উপলুঙা কৰি বাৰে বাৰে
বাৰিষাৰ এসাগৰ বানত সোমাই ৰয়

কিন্তু মাহ মাহ ধৰি
তথাপিও অক্লান্ত অক্ষয়।
হেৰাই যাব নোখোজা সৰাপাতৰ সুৱাসত
মৃদুমলয়াৰ বাত ছটিয়াই লয় দীপ্তিৰ আভা
বুঢ়াপী দেহত।
বান্ধি লয় মাটিৰ মানুহ হৈ
কঁকালত টঙালী,
মেলি দিয়ে পুনৰ সপোনৰ পানচৈ
দিশহাৰা ৰাইজৰ সাৰথি হৈ
বানৰ পলসত...
মানৱীয়তাৰ এনাজৰী ডালি খামুচি ধৰি
আগুৱাই যোৱা তুমি বিশ্বদৰবাৰলৈ
শতিকা শতাব্দীৰ কীৰ্তি বখানি
হে পৰা ধনেখনাজানৰ বাখৰমণি
তুমি হোৱা যুগমীয়া

(বিঃদ্ৰঃ- বাখৰ বেঙেনা শিৱসাগৰ জিলা বকতা মৌজাত
অৱস্থিত এজোপি আশ্চৰ্য্যকৰ পৌৰাণিকবৃক্ষ)

# অবাঞ্চিত সত্য

**ৰাণীমা বৰপাত্ৰ গোহাঁই**
স্নাতক তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

এখন কোমল মৰমসনা হাতৰ আশ্ৰয়ত
খোজ দিছিলো জীৱনৰ
আৰম্ভণিতে...

থমকিব দিয়া নাছিল
মৰমসনা হাতখনে।

হাতখনৰ আশ্ৰয়ত মই নিৰ্ভয় মনে
খোজ পেলাইছিলো নিয়ৰকণাৰে উজ্জ্বলিত
দুবৰি ডৰাত...
এটি উৎফুল্লিত মনৰ সৈতে
দোকমোকালিৰ পুৱাতে।

ৰঙীন পৃথিৱীৰ কঠিন বাস্তৱৰ সৈতে
হাঁহিয়ে সন্মুখীন কৰাইছিল
সত্যৰ পথেৰে কঠিন সময়ক
পাৰ কৰিবলৈ শিকাইছিল।

যান্ত্ৰিকতাৰ পৃথিৱীত যান্ত্ৰিক নহৈ
সপোনৰ পম খেদিবলৈ শিকাইছিল,
জীৱন নামৰ উকা কেনভাচখন
ৰং তুলিকাৰে বহুৰঙী কৰি তুলিবলৈ
শিকাইছিল মৰমসনা হাতখনে

কেতিয়াবা পোৱা নোপোৱাৰ মাজত
উচুপি উঠিছিলো মই অজানিতে
অনুভৱ হৈছিল এখন হাতৰ পৰশ
দুগালেদি বৈ অহা চকুৰ পানীবোৰ



মোহাৰি দি কৈ উঠিছিল
তুমি কান্দিলে কেনেকৈ হ'ব
এই পৃথিৱীত তুমি হাঁহি হাঁহি জীয়াই থাকিব লাগিব
এটি উষ্ম অভয় বাণীত মই প্ৰস্তুত হৈছিলো
জীৱন নামৰ নাটকৰ সৈতে যুঁজ দিবলৈ

কিন্তু হঠাৎ এদিন এই হাতখন
মোৰ ওচৰৰ পৰা আঁতৰি গৈছিল
বহু দূৰলৈ...
আঁতৰি গৈছিল হাতখনৰ গৰাকী।

শুকান মুখ, আশাহীন দুটি চকু আৰু এটি
নিথৰ দেহ লৈ যেতিয়া তেওঁ যুঁজি আছিল
জীৱনৰ শেষ আশ্ৰয়
মৃত্যু নামৰ সত্যটোৰ সৈতে
তেতিয়া মই ব্যাকুল হৈ পৰিছিলো
হাতখনৰ পৰশ পাবলৈ।

আবাঞ্চিত, অথচ সত্যক সাৰথি কৰি
হাতখন গুচি গৈছিল মোৰ পৰা
বহু দূৰলৈ...
মই নিথৰ হৈ চাই ৰৈছিলো
তেওঁৰ শেষ যাত্ৰা
আৰু ক্ৰমশঃ...
অনুভৱ কৰিছিলো বহু দূৰত থাকিও
যেন মোৰ কাষতে আছিল
সুৰুযৰ এটি ৰঙা পোহৰৰ সৈতে
মোৰ অতি মৰমৰ হাতখন।

# প্ৰতিবিম্ব

মঞ্জুৰী শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক
শিক্ষা বিভাগ

অভিযোগ দিব নোৱাৰো আজি
কেৱল আপোনাৰ প্ৰতি
আপোনাৰ বাবে
ৰুগ্ন ধৰিত্ৰীয়ে কান্দিছে বুলি।
নোৱাৰো দিব অভিযোগ
সেউজীয়াবোৰ
কেৱল আপোনাৰ বাবে
শেষ হৈছে বুলি।
সুধিব নোৱাৰো আপোনাক আজি
জোনাকত তৰা গণিবলৈ
পায়নে সময় আপুনি।
নোৱাৰো সুধিব আপোনাৰ প্ৰতি
আপোনাৰ সন্তানে
ককাক আইতাকৰ কোলাত বহি
শুনেনে সাধু বুলি।

আপোনাৰ আমাৰ বাবে
সেউজীয়াবোৰ ক্ৰমশঃ দুৰ্লভ হৈছে।
মৰম-চেনেহৰ সম্বন্ধ, সম্বোধনবোৰো দেখোন
যান্ত্ৰিক হৈ গৈছে
আপোনাৰ আমাৰ বাবেই আজি
তেজ মঙহৰ আত্মীয়বোৰো
পদপথ, ডাষ্টবিনৰ অতিথি হৈছে
বৃদ্ধাশ্ৰম, আশ্ৰয়গৃহৰ দুৱাৰবোৰো
আপোনাৰ, আমাৰ বাবেই আজি খোলা আছে।
অভিযোগ দিব নোৱাৰো আজি
কেৱল আপোনাৰ প্ৰতি
আপোনাৰ বাবে...।।



# এবুকু আশালৈ

বুদ্ধিপ্ৰিয়া কোঁৱৰ
বিজ্ঞান শাখা
উঃমাঃ প্ৰথম বৰ্ষ

এটা যামিনীৰ নিৰৱতাক ভাঙি
সাৰপাই উঠিছে এটি উজ্বল ৰাতিপুৱা
লগত এটি ৰঙীণ সূৰুয

নিয়ৰ সনা দুৱৰিডৰাত পৰি
উল্লাসিত হৈ উঠিছে ঘৰ চিৰিকাজাক
লাগো নালাগো কৰা এচাটি মৃদু বতাহ
এতিয়া সিঁহতৰ গাত

ব্যস্ততাৰ ধামখুমীয়াই চুব পৰা নাই
সিঁহতজাকৰ উল্লাসিত মনবোৰক
ৰুগ্ন পৃথিৱীৰ ক'লা সময়বোৰৰ পৰা
সিঁহতজাক বহু আঁতৰত
সেইবাবেই হয়তো সিঁহঁতজাক
এতিয়া উল্লাসিত...
কিন্তু মই...
মাথো সজল দুটি চকুৰ সৈতে
ৰ' লাগি চাই আছো সিঁহতজাকক
ওঠঁত এটি ভাষা ফুটি উঠিছে
মৌনতাৰ...
হঠাৎ সিঁহতজাক আঁতৰি গৈছে
মোৰ সজল চকুৰ দৃষ্টিৰ পৰা
ক্ৰমশঃ মোৰ অনুভৱ হৈছে
আঁতৰি গৈছে মৃদু বতাহজাক

আৰু মই...
নিয়ৰ হৈ ৰৈ আছো এঠাইত
বুকুত এবুকু আশাৰে সৈতে
এটি ৰৌদ্ৰস্নাতা ৰাতিপুৱালৈ
অতি আশাৰে...

ব্যঙ্গ কবিতা

# Wrong Number

জিতা শইকীয়া
স্নাতক প্ৰথম ষাণ্মাসিক
বিজ্ঞান শাখা

Damn life আৰু কটাব নোৱাৰি
go to devil হওঁক
English কবিতা এটা লিখিম বুলি ভাবিলো
নাই Wordৰ Stock
In the mean time মই ভাবিলো
কবিতা লিখিনো কি কৰিম
এইবোৰ কথাত time spoil কৰোঁতে
Phone টোৱে কৰিলে ring
Hellow! বুলি কওঁতেই মই
শুনিলো ladies voice
Phone টো নাৰাখি কথা পতাৰ বাহিৰে
নাছিল মোৰ কোনো choice
Quarter hour কথা পাতিলো
মিছাতে কৰিলো try
Wrong number য়েও যে ইমান গালি পাৰে
আজিহে বুজিলো পায় .......!!!



# প্ৰকৃতি আৰু মন

বেবী নায়ক
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

কিনো অবুজন মন
মুকলি মুৰীয়া বতাহতে ঘুৰি ফুৰিবৰ মন,
মুক্ত সুগন্ধি সুৰিয়া পৰিৱেশৰ
কিযে মনোমোহা আকৰ্ষণ।
আকাশে-বতাহে অচিনা আবেগে
উপচি পৰাৰ উচাতন,
ভোমোৰাৰ গুণ গুণনি শুনি
হিয়া হৈ উঠে মগন।
বসুন্ধৰাৰ সুগন্ধি সুবাস লাগি
শাৰদী পুৱাৰ পছোৱা বতাহত,
এজাক টৌ তুলি
আনন্দ উল্লাসেৰে নাচি উঠে মন।

# অপ্ৰকাশ্য বেদনা

ৰিষ্মা গগৈ
স্নাতক তৃতীয় ষান্মাসিক

মৌনতাৰ নিহালি উৰি
ৰিমঝিম ৰিমঝিম
আকাশসলিল জাকে
সেমেকা কৰিছে মনৰ দুৱৰি ডৰা
মন আকাশ আজি স্মৃতিৰ ডাৱৰে ভৰা।
অতীতৰ সকলো ক্ষণ
আজি মাথো এক মনন
জীৱনৰ ক্ষণস্থায়ী পল
নালাগে মোক সোঁৱৰণি, মাথো লাগে
অভিনীত সময়ৰ এটি সোণালী পল।
অজান দেশৰ অচিন বাটত
মাৰ যাব এদিন আয়ুস বেলি অনাদি অন্তত।
বসন্ত ঋতু সুৱলা মাতৰ,
স্পৰ্শ কৰে মোৰ অতীতৰ বেদনা;
তমসামুক্ত সান্ধ্য পৱনে
মুঞ্জৰিত কৰে অপ্ৰকাশ্য বিষাদৰ
হৃদয়ৰ এটি কোণত
আছে মোৰ আকীৰ্ণ বহু স্পৃহা,
মাথো নাই প্ৰকাশ কৰিবলৈ কোনো ভাষা
অতৃপ্ত নয়নেৰে, অপ্ৰকাশিত ভাষাৰে
বিচৰা নাই মই বুজাব অসীম ব্যথা।



# শান্তি বিচাৰি

দৰদী গোহাঁই
স্নাতক প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ

শাওনৰ পথাৰৰ সেউজীয়া কঠিয়াৰ
বিলৈ কি যে নহয় আজি,
নাই হালোৱা ৰোৱণীৰ মুখত
স্বপ্নৰ হাঁহি...
ফাগুণৰ বলিয়া পছোৱাই
সকলো একাকাৰ কৰাৰ লগতে,
নিষ্ঠুৰতাৰ আতংকত চিঞৰে চৌদিশে
কাণ তাল মাৰিছে।
হিংসা, হত্যা, শোষণে বৃহৎ
ৰূপত অন্ধকাৰলৈ ঠেলি,
মানৱতা, মৰম, ভালপোৱাবোৰ
নিমিষতে শেষ কৰিছে।
কবিতাৰ সেই নিৰুপমা শব্দবোৰ
হাতৰ আঙুলিত হেৰাই গৈছে,
মহান কবিসকলৰ কবিতাৰ গভীৰতাত
বুটলিব পাৰিমনে জীয়াই থকাৰ
হাবিয়াস...।

# অৰ্ধ অংকিত এখন কেনভাছ

শতাব্দী শিখা কোঁচ
স্নাতক তৃতীয় ষান্মাসিক
ভূগোল বিভাগ

আন্ধাৰৰ এখন উকা কেনভাচত তুমি
অৰ্ধ অংকিত হৈ আছা
নাজানো ক'ত কি ভুল হৈ যায়
বাৰে বাৰে...
শেষ হোৱা নাই আজি পৰ্যন্ত
প্ৰতিদিনাই শেষ কৰাৰ আশাৰে
আন্ধাৰৰ সেই বিশাল কোঠাটোত
বহি লওঁ...
লগত থাকে ৰং তুলিকা
সম্পূৰ্ণ কৰিব পৰা নাই তোমাক
কাৰণ বিচাৰি ফুৰো...
কাৰণ বিচাৰি নাপাওঁ।
কেতিয়াবা ভাবো...
বৰষুণত এটা জাপিক ভালপোৱাৰ সমান
তোমাক ভাল পাওঁ...
আজিও আন্ধাৰত জোনাক
ভালপোৱাৰ সমান ভাল পাওঁ...
আৰু সেই আন্ধাৰত অজানিতে তোমাক
বিচাৰি ভাল পাঁও...!!



আন্ধাৰৰ সুৰুঙা লৈ সেইখন
কেনভাছত তোমাক মৰম কৰো
কোনেও নেদেখাকৈ
কথা পাতো
কথা পাতো কোনেও নুশুনাকৈ...
চুই চাওঁ তুমি গম নোপোৱাকৈ...
ওঁঠত ওঁঠ লগাই ৰওঁ
তোমাৰ সঁহাৰি অবিহনে...

সেইবাবে তুমি আজিও
সম্পূৰ্ণ নহ'লা...
অপূৰ্ণ হৈয়ে আছা...
আৰু অপূৰ্ণ হৈয়ে থাকিবা।

# তুমি তুমি ভাৱনাত...

ৰশ্মিৰেখা বৰগোহাঁই
স্নাতক পঞ্চম যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মনত এক এৰাব নোৱাৰা
অবুজ বেদনা
সীমাহীন উৎকণ্ঠাৰ
মাজেৰে পাৰ কৰিছো
বহু উজাগৰী ৰাতি...
তুমি হীনতাৰ অন্তত
বেদনাসিক্ত মনটো
বাৰুকৈয়ে অস্থিৰ হৈ পৰিছে...
সৌ দূৰ দিগন্তত বিয়পি পৰা
সুগন্ধিৰ তাড়নাত
আজি মতলীয়া হোৱাৰ
পৰিৱৰ্তে
অশ্ৰুসিক্ত নয়নেৰে
দুগাল তিয়াই
তুমি হীনতাৰ বেদনাত
নিমজ্জিত হৈ পৰিছোঁ...



# মোৰ সোণালী শৈশৱ

বেবী বৰগোহাঁই
তৃতীয় যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ঠেক আৰু গহীন দৰিকা পাৰত
পৰি আছে মোৰ সুন্দৰ ল'ৰালি।
ক'ত যে ৰঙ লভিছিলো
দৰিকা পাৰত।
খেল খেলি, সাতুৰি নাদুৰি
মোৰ লগৰীয়াহঁতে।
সেই দিনবোৰ যে ইমান আনন্দময় আছিল
যাক আজি ব্যস্ত জীৱনৰ ভাষাৰে বুজাব নোৱাৰি।
এটি মিঠা সুঁৱৰণি হৈ
মোক বাৰে বাৰে আমনি দিয়ে
মোৰ শৈশৱে
ক'ত যে বিলীন হৈ গ'ল মোৰ সোণালী শৈশৱ।
যন্ত্ৰণাৰ এই জীয়া নৈত বিচাৰি পামনে বাৰু
মোৰ সোণালী শৈশৱক
যদি সঁচাকৈয়ে পাঁও মই শৈশৱক উভতাই
তেন্তে মই আকৌ ল'ৰ মাৰিম
এজনী সৰু ছোৱালী হৈ দৰিকা পাৰলৈ
কিজানি মই তাতেই বিচাৰি পাম
মোৰ সোণালী শৈশৱক।

# অতীতক সুঁৱৰি

অনুসূয়া বৰুৱা
স্নাতক তৃতীয় যান্মাসিক
বুৰঞ্জী বিভাগ

ইতিহাসৰ পাতে পাতে পাত লুটিয়াই
মই যেন থমকি ৰওঁ।
ক'ত গ'ল, ক'ত গ'ল।
তাহানিৰ বীৰ লাচিত
ক'ত গ'ল তাহানিৰ বীৰ চিলাৰায়
ক'ত গ'ল তাহানিৰ কনকলতা
ক'ত গ'ল তাহানিৰ মুলাগাভৰু
নাই নাই আজি সেইসকল
মুক্তিযোদ্ধা, দেশপ্ৰেমী
আছে মাথো তেওঁলোকৰ মহান আদৰ্শ
যাৰ বাবে আজিৰ অসমীয়াই
চিঞৰি চিঞৰি কয়
মই অসমীয়া, মই অসমীয়া
হয়, আজি তেওঁলোক শ্বহীদ হ'ল
কিন্তু কাৰ বাবে এৰি গ'ল
এই স্বাধীন অসম
কাৰ বাবে দি গ'ল জীৱন দান
আছেনে সেই তেজ আজিৰ অসমীয়াই
আছেনে সেই বাহুবল?
অসমীয়াৰ গাত
আছে মাথো এখন কঠিন হৃদয়।



# এন্ধাৰ যেতিয়া আহে

বনশ্ৰী বৰগোহাঁই
স্নাতক তৃতীয় যান্মাসিক
ভূগোল বিভাগ

এন্ধাৰ যেতিয়া আহে এই ধৰালৈ
নিশাও নামে ক্ৰমশঃ
পৃথিৱীলৈ বুলি।
নিশাৰ আন্ধাৰ, দিনৰ পোহৰ
কোনো লেখ নাই চহৰত,
কেৱল বিজুলি চাকিৰ পোহৰ।
তথাপি যে আন্ধাৰ আহে
পৃথিৱীলৈঃ মানৱ জীৱনলৈ,
দুখৰ ক'লা ডাৱৰে
ঢাকি ধৰে সুখৰ বেলিটি।
কিন্তু মনৰ আন্ধাৰ কোন গুচাব?
গুচাবতো নোৱাৰে কোনো লাইটৰ পোহৰে।
নাইবা, চহৰৰ চঞ্চলতাৰে,
এন্ধাৰ যেতিয়া আহে জীৱনলৈ
সুখৰ সাগৰো হেৰাই যায় ক্ৰমশঃ।
পৃথিৱী যেতিয়া আহে
পৃথিৱী কৃত্ৰিম পোহৰেৰে ভৰিপৰে।
তেনেদৰে, মানৱ জীৱনলৈ যেতিয়া এন্ধাৰ আহে
এই জীৱনো ভৰি পৰে কৃত্ৰিম উলাহেৰে।

# অনুভৱৰ চাকনৈয়াত মই তোমাৰ অবিহনে

মল্লিকা গগৈ
স্নাতক তৃতীয় ষান্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

নিৰ্জন ৰাতিৰ মায়াবী লগনত
মমৰ পোহৰত
মেলি লৈছো আজি
তোমাৰ কথাৰে লিখা
মোৰ ৰঙীণ ডায়েৰী...।
বগা কাগজৰ নীলা চিঞাহিৰ আখৰবোৰ
স্মৃতিৰ বিষাদ গাঁথাৰ মাজেৰে
ধৰা দিছেহি আজি,
তেজৰ গোট মৰা
ৰঙা চেকুৰা হৈ...।
স্মৃতিৰ দুৱাৰদলিত বৈ
পাহৰণিৰ গৰ্ভ খুচৰি,
নিজকে সুধিছোঁ আজি
দিনবোৰ এনেকৈয়ে
পাৰ হৈ যায় নেকি....?
নভবা কথাৰ, মানি ল'ব নোখোজা
দুৰ্দান্ত, নিষ্ঠুৰ সময়বোৰৰ
সাঁথৰ সাঁথৰ লগা আৰু
ওঠঁৰ ভাষাক স্তব্ধ কৰি তোলা
অচিন সত্য হৈ....।
সেয়ে, ঘূৰি চাব নোখোজো মোৰ
দুখৰ অতীতক...।
সংগোপনে বুকুৰ
নিৰ্জন দ্বীপত শোৱাই থোৱা আৰু
দুখেৰে কোঙা কৰি যোৱা
'মই' নামৰ সত্ত্বাটোক...।।
নোজোখো মই তোমাৰ প্ৰেমেৰে



আজলী 'মই' জনীক...।
নিবিচাৰো তোমাৰ অভিধানৰ
'ভালপোৱা' নামৰ শব্দটোৰ
অনৰ্থক সংজ্ঞা...
সেয়ে দুখৰ হুমুনিয়াহেৰে
চুই চাবও নোখোজো তোমাৰ
প্ৰেমিক হৃদয়ৰ
'প্ৰতাৰক' চৰিত্ৰটোক...।
কিন্তু তথাপিও ....;
হয়, তুমি ঠিকেই ভাবিছা
মনে নিবিচাৰিলেও, সময়ে এদিন
মোৰ দৰেই
তোমালৈও নমাই আনিব,
তাহানিৰ পূৰ্ণিমাৰে ভৰা
বহু আশাৰে পূৰ্ণ
উজাগৰী নিশাবোৰৰ ঠাইত
শুক্লপক্ষৰ ঘোৰ অমাৱস্যা...।
আন্ধাৰতে ছাগে খেপিয়াই ফুৰিবা
তাহানিৰ স্মৃতিবোৰ...
এখন এখনকৈ নিৰ্বিঘ্নে
তাহানিৰ ছবিবোৰ
ফাগুনৰ ছবিবোৰ
ফাগুনৰ উদঙীয়া বতাহজাকে
সৰাই পেলোৱা
পাতবোৰৰ দৰে নিৰস হৈ
মনত পৰিব...!

তেতিয়া হয়তো,
মোৰ প্ৰতি থকা অন্যায়ৰ দোষটোক
তুমি ছাগে কোনোপধ্যেই
অৱজ্ঞা কৰিব নোৱাৰিবা...।
সূৰ্যাস্তৰ পোহৰ,
কৃষ্ণচূড়াৰ ফুলবোৰক নেওচি
সৌ সোণাৰুজোপাৰ
হালধীয়া থোপাটোত ওলমি ৰোৱাৰ দৰে
ময়ো ছাগে তেতিয়া,
তুমি নিবিচাৰিলেও, সংগোপনে আহি
সোঁৱৰণি হৈয়ে ওলমি ৰ'ম
তোমাৰ বুকুৰ
কোনোবা এটি কোণত...।।
নিসংগতাই জীৱনৰ
শেষ সীমা নহয় নীল...
তুমি নাই বাবেই
আজিৰ জোনাকী ৰাতি
মোৰ বাবে
অৱহেলিত নহয়...
অথবা তুমিহীন ৰাতিবোৰ
মোৰ বাবে এতিয়া
উজাগৰীও নহয়...।।
ফাগুনৰ পচোৱাজাকৰ দৰেই আহি
সংগোপনে গুচি যোৱা
তোমাৰ প্ৰেমিক ৰূপটোৰ বাবে
নাভাবিবা তুমি
তোমাক হেৰুৱাৰ দুখেৰে
দুখী আজি মই....।
তুমিহীন সময়বোৰে কেতিয়াও
খহাই নিব নোৱাৰে মোৰ
সপোনৰ সোণালী স্তূপ...।।
স্থবিৰ হৈ নপৰে মোৰ
দৈনন্দিন ব্যস্ত জীৱন যাত্ৰা...
অথবা 'চুইচাইড নোট'ত স্তব্ধ হৈ নপৰে
প্ৰাপ্তিৰ স্পৰ্শ কৰিব খোজা
মোৰ আজলী সত্ত্বা...।
হৈ নপৰে মোৰ জীৱন গাঁথা কেতিয়াও
আধালিখা দস্তাবেজ...।।
এতিয়াহে বুজিছোঁ,
মোৰ মন আকাশৰ মাথো
ধূসৰ ডাৱৰ আছিলা তুমি...।
হয়তো আছিলা
বাৰিষাৰ ক্ষন্তেকীয়া
সপ্তৰঙী ৰামধেনু...।
বিষাদৰ ৰঙা তেজ হৈ
সোঁৱৰণিৰ ফাঁকেৰে আজি
ৰাতিৰ নিৰ্জনতা ফাঁলি
সংগোপনে নামি আহিছা তুমি...।
দুখৰ চাকনৈয়াৰ সজা
নিস্তব্ধ সুঁতিত উজুতি খাই ৰোৱা সপোনৰ
নৰিচীকা খেদি...।
নাভাবিবা মই আজি দুখী
তোমাৰ বাবে,
প্ৰতি পলে, প্ৰতি ক্ষণে....
নিশ্চিত হৈয়ে ভাবি লোৱা
তাহানিৰ
উতলা বতাহত নচা
তোমাৰ ফাগুনীজনী
আজি নিজৰ সৈতেই
বহু সুখী
তোমাৰ অবিহনে...।
অ', নীল...!
তোমাৰ অবিহনে....।

# In the Rays

Nabab Tabssum Yasmin
B.A. 3rd Semester
Einglish Department

He sat in the rags
And let out a laughter
A laughter that was houd and contagious
While the passer by squirted their faces
In disgust
Some covered their nose with their hankies
To cover it from the dirt
Unaware of the dirt deep within
Some others turned away their faces,
To ignore the mad man in rags they said
While deep down it was his laughter they tried to escape
A laughter that bore truths,
About the hidden side of their real self
He laughed on their mock civillisation
That hid beneath it age long guilt.
And revealed the beasts beneath their Armanis
A heart that was crue? and in human
They tried hard to escape
And he laughed on them for being escapiests
He laughed on their sanity.

The laught seemed to say
"Insame they say, I am,
Because I feed on rags and sleep on flith.
But you all who call me insame
Feed yourselves on your morals;
You devour humanity,
Amd call yourselves humans.
Ain't I saner then you all?
Let me feed on rags,
Sleep with the blanket of flieth around me.
I still am saner
You may throw stone on me
And laugh at me for being mad
But I laugh on you all
And your mock goodness
On the maskes that you wear
And on your sanity
I am much better being insame
Because I still have humanity
Which you sane people lack.

# বিষাদৰ এপৃষ্ঠা

**গায়ত্ৰী দুৱৰা**
পঞ্চম ষান্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

ঘোৰ অমানিশা কলীয়া আন্ধাৰত
বিলীন হ'বৰ মন যায় মোৰ
যিদিনাখনৰ পৰা মোৰ হৃদয়ৰ নদীত
উজান উঠিবলৈ আৰম্ভ কৰিছে
কেৱল বিষাদ, অপ্ৰাপ্তিৰ তুহঁ জুইৰ
আকাশ মোৰ প্ৰিয় আছিল
ভাল পাইছিলো নদী, জোনাক ... আৰু
বহু কিবাকিবি
হৃদয়ৰ কন্দৰানিত আছিল
সেউজীয়া.... কেৱল সেউজীয়া
ফাগুণৰ সৰাপাতৰ দৰে
মোৰ এতিয়া জীৱন
নিৰ্জন ৰাতিবোৰ যন্ত্ৰণাময় মোৰ বাবে
তুমিহীন পৃথিৱীত অকলশৰীয়া আজি মই।



# বিধ্বস্ত জীৱন

**মৌতৃষা কোঁৱৰ**
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

হাঁহিবোৰ শেষ হৈ গ'ল
আনন্দৰ সফুঁৰা খুলিব খুজি দেখো
তাত এটা বিৰাট শূণ্য
ভয় লগাকৈ খেদি যায় টুলুঙা জীৱনটোক
মাজবাটতেই আৰম্ভ হ'ল
পোৱা নোপোৱাৰ হিচাপ-নিকাচ
হৃদয়ৰ গড়াখহনীয়াত ভেঁটি খহে বিশ্বাসৰ
সন্দেহৰ বানপানীত বিশ্বাসৰ বালিঘৰ ডুবে
সপোনবোৰত কঠোৰ বাস্তৱে হাতুৰি বহুৱাই
এটুকুৰা ঘাঁ হৈ কলিজাৰ কোনোবাখিনিত
খোচা-বিন্ধা কৰে গোপনে
সুযোগ সন্ধানী সিহঁত
নিঃসংগতাৰ সুযোগত হতাশা হৈ নামে
তথাপি আশাৰ ক্ষীণ পোহৰতে আগবাঢ়ে জীৱন
হয়তু কোনোবা আলি কেকুৰিত
আকৌ বিচাৰি পাম হাঁহিৰ সফুঁৰাখন!

# তোমাক ভালপাওঁ বুলি কোৱা নহ'ল

বেবী বৰগোহাঁই
তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

জোনাকবোৰে তোলপাৰ লগোৱা
মোৰ উকা হৃদয়খনত
তুমি আহি ৰুই দিছিলা
এটা ফুলৰ পুলি।
তোমাৰ যত্নত লাহে লাহে পুলিটো ডাঙৰ লৈ আহিল
এদিন তাৰেই ডালত ফুল ফুলিল
ফুলি অহা ফুলৰ কলিটি হঠাৎ মৰহি গ'ল,
মাথো বোৱাই থৈ গ'ল বেদনাৰ এখন সাগৰ।
মোৰ উকা হৃদয়ত সজীৱ হৈ গ'ল
মাথো কিছু ক্ষণৰ স্মৃতি।
পাৰ বাগৰি ভাঁহি আহিল কোনোবা এজন প্ৰেমিকৰ
হিয়া ভঙা কান্দোন
সেই অজান প্ৰেমিক জনেই জানো তুমি নাছিলা....।
সিদিনাই ভাবিছিলো তোমাক ভালপাঁও বুলি ক'ম
কিন্তু কোৱা নহ'ল।
শৰৎ আহিল শেৱালী ফুলিল
শৰতৰ স্নিগ্ধ শেৱালি সুবাসত
গা সিৰসিৰাই যোৱা
এছাটি মলয়া বতাহে
বুকুত কঁপাই তোলে ঝংকাৰ শিহৰণ
শীতৰ সেমেকা অমানিশাত
বিৰিণাৰ তলে তলে
কুঁৱলীৰ ফাঁকে ফাঁকে
দুৱৰিৰ তিতা নিয়ৰত বহি
হাতত হাত ধৰি কম বুলি ভাবিছিলো
তোমাক ভালপাঁও বুলি কিন্তু কোৱা নহ'ল।

শৰৎ গ'লগৈ
মোৰ স্বপ্নাতুৰ বুকুলৈ
শীতৰ কুঁৱলী ফালি নামি আহিল 'ফাগুন'।
শীতৰ হিমচেঁচা কুঁৱলীৰ মাজত
হেৰাই যোৱা মোৰ আশাবোৰ
ফাগুণে জানো পাৰিব জীপাল কৰিব
ফাগুণ, আহিল পলাশ, মদাৰ ফুলিল
সপোনৰ নিৰব ৰাতি চন্দ্ৰাৱলী আকাশ চাই
ফাগুণে লঠঙা কৰা প্ৰকৃতিয়ে
যিদিনা ন-সাজ পিন্ধিছিল
সিদিনাই ভাবিছিলো তোমাক ভালপাঁও বুলি কম
কিন্তু কোৱা নহ'ল
ফাগুণে লঠঙা কৰা প্ৰকৃতিয়ে যেতিয়া
নিজকে ন-সাজেৰে সজালে
তেতিয়াই ভাবিলো বসন্ত আহিলে
সকলো ব্যস্ত হৈ পৰিল
বসন্তক আদৰিবলৈ
সকলো গুণেৰে সমৃদ্ধ ব'হাগীক
ফেঁচা কাইটিয়ে মংগল উৰুলিৰে
সঁহাৰি জনাইছে
ব'হাগৰ প্ৰথম নিশাত তোমাৰ পৰা এধানি
মৰম পোৱা আশাৰে
ভালপোৱাৰ বৰষুণত তিতি জুৰুলি জুপৰি হ'লো
ব'হাগৰ প্ৰথম বৰষুণ জাকতে ক'ম বুলি ভাবিছিলো।

তোমাক ভাল পাঁও বুলি কিন্তু কোৱা নহ'ল
কোনোদিন মই তোমাৰ আগত
মোৰ ভালপোৱা প্ৰকাশ কৰিব নোৱাৰিলো
দিগন্তৰ কোনো সীমা নাই
যদিও পৰিধি দেখো,
ভৱিষ্যতৰ কোনো ভৰসা নাই তথাপিও
তোমাক লৈ আশা কৰো
কিজানিবা মই সপোন দেখো
অৱশ্যে সপোন দেখি দেখি ভাগৰি গ'লো
সেই বাবে আজিকালি মই সপোন নেদেখো
সময়ৰ পাকচক্ৰত পৰি
তুমিও নিষ্ঠুৰ হৈ গ'লা, আঁতৰি গ'লা
মোৰপৰা বহু দূৰলৈ
মোৰ আলসুৱা হৃদয় ভাঙি
যিদিনা তুমি আঁতৰি গৈছিলা
সিদিনাই ভাবিছিলো তোমাক ভালপাঁও বুলি ক'ম
তথাপিও কোৱা নহ'ল, কোৱা নহ'ল মোৰ
তোমাক ভালপাঁও বুলি



# অনুতপ্ত হৃদয়ৰ উচুপনি

জুমি ভূঞা
প্ৰাক্তন ছাত্ৰী
অসমীয়া বিভাগ

পৰিতপ্ত অৱস্থাত এডাল জুই শিখা দেখি
অনুতপ্ত হৃদয়
বৰ্ষাসিক্ত কৰুণামিশ্ৰিত দুখৰ দুই নয়ন
কঁপি উঠিব ধৰিছে ক্ৰমশঃ দেহ-মন
কাকো বুজাব নোৱাৰো, ক'ব নোৱাৰা
স্মৃতিৰ গাতৰ পৰা কোনো দিনেই গুচাব নোৱাৰা
এখনি তামৰঙী প্ৰতিচ্ছবি
যি হৈ গ'ল কেৱল ধোঁৱাময়
কলীয়া ডাৱৰে আবৰা দুখৰ পৃথিৱী
মাথো অনুতপ্ত হৃদয়ৰ উচুপনি।

# জীৱন এক সংগ্ৰাম

পল্লৱী শইকীয়া
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ক্ৰমশঃ মোৰ প্ৰিয় হৈ অহা
শূণ্যতাৰ মদিৰাখিনি
আজি জাণ্ডুৰ খাই উঠিছে
তথাপিও বুকুৰ কান্দোনবোৰক সামৰি
হাঁহিব খুজিছো
শূণ্যতে অংকন কৰিব খুজিছো নিজকে
জীৱন নদীৰ খৰস্ৰেতা প্ৰৱাহত...
বিফলতাৰ বহুখিনি দূৰৈত
হেৰাই গৈছো মই
প্ৰতিযোগিতাৰ জীৱন নামৰ মঞ্চখনিত...
জীৱন এক অন্তঃহীন যাত্ৰা এই ধাৰণাৰেই
আগবাঢ়ি আহিছিলো বৰ্তমানলৈকে
সেই সময়ৰ পৰা...
কিন্তু এই ধাৰণা সম্পূৰ্ণ শুদ্ধ নাছিল
জীৱনটো এক প্ৰতিযোগিতা
নিজক ওপৰত ৰখাৰ প্ৰতিযোগিতা
এক অন্তঃহীন প্ৰাপ্তিৰ সংগ্ৰাম
কিন্তু বিশ্বাস, মৰম, ভালপোৱা আদি
হৃদয়ৰ অনুভুতিৰ অবিহনে প্ৰাপ্তিয়ে জানো
পূৰ্ণতা লাভ কৰে??
জীৱন মানে যদি কেৱল প্ৰাপ্তিৰ সংগ্ৰাম
তেন্তে হৃদয়ৰ অনুভুতিবোৰৰ মূল্যাই বা ক'ত?
বিশ্বাসৰ মৃত্যুৰ পিছতেই
ক্ৰমশঃ শূণ্যতা মোৰ প্ৰিয় হৈ পৰিছিল।

ভালপাইছিলো মৌনতাক
অনিৰ্দিষ্ট যুক্তি তৰ্কতকৈও বেছিকৈ
ভালপাইছিলো নিঃসংগতাক
বিশ্বাসীৰ মুখাপিক্ষা অবিশ্বাসীবোৰতকৈও বেছিকৈ
কিন্তু এইবোৰে
আজি মোক ইতিকিং কৰিছে
দুৰ্বলতাকৈ, দুৰ্বল হৈ পৰিছো মই
মোৰ হৃদয়ে বিচাৰিছে
এক নতুন পুৱা, এটা নতুন আৰম্ভণি..
আগবাঢ়ি যাব খুজিছো পুনৰ প্ৰাপ্তিৰ সংগ্ৰামত
বিলীন কৰি,
দিব খুজিছো শূণ্যতাক শূণ্যতেই...
যন্ত্ৰনাবোৰক দলিয়াই দিব খুজিছো
প্ৰাপ্তিৰ বন্যাত হাঁহিব খুজিছো
লগতে হৃদয়ৰ অনুভূতিবোৰত
ছটিয়াই দিব খুজিছো আশাৰ ৰামধেনু....।

# তুমি জানা বা নাজানা

সুদিক্ষা নেওগ
স্নাতক চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

তুমি জানা বা নাজানা
তেওঁ জানে বা নাজানে
তেওঁৰ বাবে তুমি ৰৈ আছা
তেওঁ ৰৈ আছে তোমাৰ বাবে...
বৈধতাৰ দাম দি তেওঁ লৈ যাব তোমাক
তোমাৰ গাভৰু হৃদয়
তুমি হয়তো হাঁহিবা নতুবা কান্দিবা
জাপ যাব মধুৰ আবেগত দুচকুৰ পতা
নতুবা তুমি কান্দিবা দুগাল তিয়াই তিয়াই
হিয়া ঢাকুৰি
তোমাৰ সপোনবোৰ মৰহি যোৱাৰ আংশকাত।
সকলো জনাৰ পাছতো তুমি ঘূৰি চাব নোৱাৰিবা
যিদৰে বব নোৱাৰে
ক্লেদময় ঘাট দেখি ভটিয়াই নৈ.....

# Time and life

**Richa Borthakur**
Assistant Professor
Department of Sociology

Time, thy name is sorrow, says the striken
Heart of life, laid waste with wasting flame
Ere the change of things and thoughts requicken
"Time thy name"
Wirl about with shadow, blind and lame,
Whosts of things that smite and thoughts that sicken
Hunt and hound thee down to death and shame
Eyes of hours whose paces halt or quicker
Read in bloodred lines of loss and blame
With, where cloud and darkness round it thicken
'Time thy name'
Nay, but rest is born of me for healing
So might happy time, with voice represt
Time, thy name...
All the world is wearied, east and west
Tired with tail to watch the slow seen wheeling
Turel.... laud hours of life labarious quest
Eyes forespent with kigil, faint and reeling
Find at last my confort, and are blest
Not with rapturous light of life's rewaling
Nay, but rest
'Time thy name....'
'Time thy name....'



# সপোনৰ পালতৰা

বিপাশা চুতীয়া
তৃতীয় ষান্মাসিক
ভূগোল বিভাগ

এইয়া যেন মোৰ সপোন
ক্ৰমাৎ যেন মই হেৰাই গৈছো ক'ৰবাত
পাহৰিব ধৰিছো মোৰ অতীত....
কিয় জানানে??

এতিয়া তুমি মোৰ সপোন
মোৰ ভালপোৱা আৰু বহুতো....
জীৱনৰ পালতৰা যেন তোমাৰ ঘাটলৈ বুলি
মেলি দিছো, জাপি দিছো মোৰ মৰমবোৰ
কেতিয়াবা মন যায় তোমাৰ হ'বলৈ,
ৰাঙলি কৰিবৰ মন যায় মোৰ উকা কপাল,
নিস্তব্ধ সময়ৰ লগৰী হোৱাৰ আশা...
এইয়াই যেন মোৰ সপোন...

কিন্তু!
তুমি জানো মোক বিচাৰা
নিজৰ সপোনবোৰত বুৰ গৈ পাহৰি পেলাওঁ
এই প্ৰশ্নৰ উত্তৰ...
হয়তো তুমি বেলেগৰ হ'ব খোজা...
কিয় বাৰু জানিব নোখোজো ইয়াৰ উত্তৰ,
এই প্ৰশ্নৰ পৰা আঁতৰি ৰোৱাৰ কাৰণ...
আচলতে,

ভয় হয় জানা
তোমাক হেৰুৱাৰ ভয়
মন যায় তোমাক খুলি ক'বলৈ
বাধাবোৰ নেওচি এবাৰ হ'লেও
মোৰ মন যায়
ভাল পাওঁ বুলি ক'বলৈ
এইয়া যেন মোৰ ইচ্ছা
নিশব্দ হৈ গতি কৰা কোনোবা অচিন চিনাকি
ঘাটলৈ বুলি
মেলি দিয়া সপোনৰ পালতৰা।

গল্প

# বাঁহীৰ মাত

**সংগীতা দাস বৰুৱা**
**গ্ৰন্থাগাৰ সহায়িকা**
শিৱসাগৰ ছোৱালী কলেজ

এখন সৰু নৈ। সৰু-ডাঙৰ যিয়েই নহওঁক লাগে নৈয়ে বুকুত স্মৃতিৰ দুৰ্লভ মুকুতা লৈ নীৰৱে প্ৰৱাহিত হৈ থাকে দুৰ্বাৰ গতিৰে। নৈৰ কাষত সুন্দৰ সেউজীয়া পৰিৱেশ। তাৰ ওপৰতে সৰু বাঁহৰ দলং এখন। বাৰিষা নৈ খন পানীৰে উপচি পৰে। খৰালি বহুত বালি ওলায়। নৈৰ এইপাৰে বহুত বহুত মানুহে বাস কৰে যদিও সিটো পাৰে জনবসতি সেৰেঙা। নাই বুলিবই পাৰি। দুই-চাৰি ঘৰ অলপ খেতি-বাতিৰে সবল লোক।

এইপাৰে থকাখিনি বিত্তৱান, শিক্ষিত,প্ৰভাৱশালী লোক। কেইবা ঘৰৰ পৰা ডাক্তৰ, উকীল, শিক্ষকেই ঠাইখনৰ নাম উজ্বল কৰিছে। বিদেশত গৈ তাৰ নাগৰিকত্বও লৈছেগৈ। প্ৰত্যেক ঘৰে নিজৰ ল'ৰা-ছোৱালীক উজ্বল ভৱিষ্যত দেখুৱাবলৈ বহুত কষ্ট কৰি আহিছে আৰু সেইমতে সফলো হৈছে।

বাৰিষা নৈ খন উফন্তি আহে যদিও সকলোৱে তাৰপৰাই নিজৰ প্ৰয়োজনীয় পানী আনি ঘৰুৱা কাম-কাজ কৰি আহিছে বিজুলি-বাতি হৈছে যদিও পানীকল, পানী-মটৰ আদিৰ ব্যৱস্থা এতিয়াও হোৱা নাই। পানী অবিহনে জীৱন অসম্ভৱ। বাৰিষা পানী অনা ঘাট পিচল হ'লেও কষ্ট কৰিয়েই সকলো চলি থাকে।

নৈৰ সিপাৰত ঘাটতে বহি ডেকাল'ৰা এজনে কৰুণ সুৰত বাঁহী বজায় সদায় ৰাতিপুৱা-গধূলি। এইপাৰৰ পৰা তাৰ মুখখন ভালদৰে মানিব নোৱাৰি যদিও ঠাইখন নিজান বাবে বাঁহীৰ মাতটো সৰুকৈ হ'লেও শুনা যায়। শুনি কিবা বৰ ভাললাগে। বাঁহীৰ সুৰে যি কোনো মানুহকে মাতাল কৰিব পাৰে। বাঁহীৰ সুৰত মতলীয়াহে কবিতাৰ আৰু গানৰ সৃষ্টি হয়। বাঁহীৰ কোমল মাতত জোনাক সৰি পৰে। তাতে যদি চিপ-চিপ বৰষুণ দিয়ে, তেতিয়াতো নৈৰপাৰত বাঁহীৰ মাতে আৰু বেলেগ ৰূপ লয়। বগা ধূতি, বগা হাতদীঘল গেঞ্জী আৰু মূৰত -ককালত গামোচা এখনেৰে বাঁহী বজাই থকা ল'ৰাটোক ভগৱান শ্ৰীকৃষ্ণৰ লগতহে যেন মিলাব পাৰি। নিৰ্জনতাত বাঁহীৰ সুৰৰ ছন্দই কোনোবা বেলেগ জগতলৈ যেন টানি লৈ যায়। য'ত অকল শ্ৰীকৃষ্ণই বাঁহী বজাই আৰু ৰাধাই একান্তমনে শ্ৰীকৃষ্ণলৈ চাই-চাই শুনি শুনি মাজে মাজে নাচি থাকে তেনেকুৱা যেন লাগে --। অন্যান্য সকলৰ লগতে এইপাৰৰ পৰা মণিকাও যায় পানী আনিবলৈ ৰাতিপুৱা-গধূলি। কলহ-বাল্টি যিহকে পায় তাতে পানী ভৰায়। কিন্তু পানী নিবলৈ অহা লগৰীবোৰৰ কথা-বতৰাতকৈ তাইক যেন অইন কিহবাইহে বেছি আকৰ্ষণ কৰে। পানী নিবলৈ অহা ছোৱালীবিলাকৰ মাজত বয়সৰ পাৰ্থক্য থাকিলেও সকলোখিনিয়েই যৌৱনমতী গাভৰু। যৌৱন মানুহৰ জীৱনৰ এটা বিশাল অধ্যায়। মানুহৰ জীৱনৰ সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি এই সকলোবোৰ মূলতঃ নিৰ্ভৰ কৰে - যৌৱনৰ অমৃতময় সময়খিনি তুমি কোন বাটেৰে আহৰণ কৰিবা। সিদ্ধান্ত ভুল হ'লেই ভুল বাটত ভৰি থব লগা হয়। পিছত পস্তাই থাকিলেও সেইসময় ঘূৰাই পাব নোৱাৰি। এই সময়খিনিতে ঠিক হয় তুমি কেনে মানুহ হ'বা সমাজৰ বাবে নিজৰ বাবে।

পানী আনিবলৈ গৈ সময় কেনি পাৰহৈ যায় মণিকাই ধৰিবই নোৱাৰে, লগৰখিনি কেতিয়াবাই ঘৰ পায়গৈ। তাইৰ মগজুত সেইসময়ত এইটো নেখেলায় যে অকলে অকলে নৈৰ ঘাটত বহি থকাটো কিমান বিপদজনক এজনী পাটগাভৰু ছোৱালীৰ বাবে। তাই মাটিতে কলহটো থৈ তাৰ ওপৰতে কিলাকুটিতো থৈ মন্ত্ৰমুগ্ধ দৃষ্টিৰে নৈৰ সিপাৰৰ বাঁহী বজোৱা ল'ৰাটোলৈ চাই চাই ক'ব নোৱাৰাহে কিবা চিন্তাত বিভুৰ হৈ থাকে। পুৱা-গধূলি পানী নিবলৈ আহি বহুত সময় তাই ঘাটতে কটায়। লগৰখিনিয়ে জোকাই কিবা কিবি কয় যদিও তাইৰ সেইফালে মন কাণ নাই। আন্ধাৰ হোৱাৰ আগে আগে ল'ৰাটো যায়গৈ। সদায় একে সময়তে আহে আৰু যায়ো সেই একে

সময়তে। সন্ধ্যা হোৱাৰ আগে আগে ল'ৰাটোৱে লৰচৰ কৰিলেহে তাইৰ যেন মোহভংগ হয়। তাই নজানে সি কোন, কি কথা বতৰা একো নাজানে, মাথো তাই তাক দুৰৰ পৰা বাহীৰ সুৰৰ সৈতেহে চিনি পায়। তাই মাথো তাইলৈকেহে চাই ৰয় সদায়। মাজত নৈ খনে যদিও বাধাৰ সৃষ্টি কৰে তথাপি সি যেন তাইৰ বহু পুৰণি চিনাকী কোনোবা, তেনেভাৱ হয় তাইৰ মনত।

তাই যৌথ পৰিয়ালত ডাঙৰ হোৱা ছোৱালী। তাইকে ধৰি ঘৰখনত কেইবাটাও ল'ৰা-ছোৱালী, বৰদেউতা, ককাদেউতা, আইতা, বৰমা, খুৰীদেউ আদি সকলো একেলগে থাকে। ঘৰখনত এটা হুলস্থুলীয়া পৰিৱেশ যদিও ৰাতিপুৱা সন্ধ্যা ককাদেউতাকৰ খৰমৰ শব্দ শুনাৰ লগে লগে সকলো তাপ মাৰে। ল'ৰা-ছোৱালীবিলাককে যতে পাৰে ততে বহি পঢ়া শুনা কৰিবলৈ লাগি যায়। ৰাতিপুৱা সকলোৱে ল'ৰালৰিকৈ ভাত খাই স্কুল কলেজলৈ কামলৈ ওলায় যায়।আবেলি ঘুৰি আহি ভাত খাই খেলিবলৈ, আম কঠাল ৰবাবটেঙা পাৰিবলৈ, খৰি ফালিবলৈ, পানী আনিবলৈ লাগি যায় ভাগে ভাগে। মণিকাই পঢ়া-শুনাতকৈ ঘৰুৱা কামতহে বেছি মন দিয়ে যেনে - পিঠা-পনা, কাপোৰ ধোৱা, ভাত -পানী বনোৱা, গোসাই ঘৰ পৰিষ্কাৰ কৰা, সন্ধ্যা ধূপ-ধূনা জ্বলোৱা, পানী ইত্যাদি। পৰীক্ষাত বাকীবিলাকতকৈ কম নম্বৰ পাই বাবে তাই গালিও খাই বহুত। পঢ়া-শুনাৰ ক্ষেত্ৰত ককাক বৰদেউতাক মিলিটেৰী অফিচাৰৰ দৰে কাঢ়া। বাকী ল'ৰা-ছোৱালীবিলাকে যি বিচাৰে কিতাপ পত্ৰ, অইন বস্তু তাকে পায়, তাইক যদি কিবা দৰকাৰী বস্তু লাগে বা কিবা খাব খোজে ককাকহঁতে তাইক ওলোটাই প্ৰশ্ন সোধে ভালবস্তু যে খাব খুজিছ আৰু নতুন বস্তু লাগেয়ে তই পৰীক্ষাৰ অংকত কিমান নম্বৰ পাইছিলি কম নম্বৰ পালে একো ভাল বস্তু নাপাবি। তাই সেইফালে তাপমাৰে। মণিকাই বহুত বস্তু নোহোৱাকৈয়ে চলি চলি আহি ডাঙৰ হ'লহি। তাইতকৈ ডাঙৰ ঘৰৰ বাকীবোৰ ল'ৰা-ছোৱালীবোৰ উন্নত শিক্ষালৈ বেলেগ বেলেগ ঠিকনাত সিচঁৰতি হ'লগৈ। তায়ো যেনে তেনে মহাবিদ্যালয়ৰ দেওনাখন পাৰ হ'লহি যিমান ডাঙৰ হ'লহি যদিও বাঁহী বজোৱা ল'ৰাটোক চাবলৈ যাবলৈ নেৰিলে। যেনে তাইহে পানী আনিবলৈ, কাপোৰ ধুবলৈ নৈলৈ গৈ থাকে। নৈ লৈ পানী আনিবলৈ যোৱা তাইৰ লগৰীবোৰো সলনি হ'ল। লাহে লাহে আহুকাণে-পহুকাণে মণিকাই বাঁহী বজোৱা ল'ৰাটোক চাই থকা কথাটো ঘৰৰ মানুহৰ কাণত পৰিলহি। তেওঁলোকে তাইলৈ দৰা বিচাৰিবলৈ আৰম্ভ কৰিলে তলে তলে। ঘৰৰ সৰু আছিল বাবে তাই ইমান দিনে বিয়াত নবহাকৈ চলি আছিল। তাই কাকো একো নক'লে সকলো কথা গম পায়ো। এদিন তাই দেখিলে নৈৰ সিপাৰে চাঙী এখনত মৃতদেহ এটা লৈ এজাক মানুহে খৰি দিছেহি। সেইয়া কোন তাই গম নাপালে আৰু কাকো নুসুধিলে। ঘৰৰ কোনেও এইবিলাক কথাত বৰ মূৰ নঘমায় সিটো পাৰে কাৰ কি হৈছে বুলি।

কিন্তু তাৰ পাছৰে পৰাই সেই বাঁহী বজোৱা ল'ৰাটো ঘাটলৈ নহা হ'ল। কি হ'ল তাৰ? তাইৰ চটফটনি বাঢ়ি গল, সি নে সেই মৃতদেহটো তাৰ আছিল নেকি? কাক ক'ব কাক সুধিব তাই...? পানী আনিবলৈ গৈ গৈ তাই দুৰ্বল হৈ পৰিল মানসিক ভাৱে। ইটোপাৰ আৰু এইটো পাৰৰ মাজত যদিও নৈ খন হেঙাৰ আছিল আৰু বাহঁৰ দলংখন এখন আছিল যদিও তাকতো আৰু বিচাৰি যাব নোৱাৰি মনৰ দুখ বাঢ়ি গ'ল দিন যোৱাৰ লগে লগে। তাই ভাগৰি গ'ল চিন্তা কৰি কৰি। তাক নাজানি নুবুজিমাত্ৰ দূৰৰ পৰাই তাক একো সম্পৰ্ক নোহোৱাকৈ অন্তৰত ঠাই দিছিল। তাই আৰু কিমান অপেক্ষা কৰিব? অপেক্ষা কৰাটোও এক ধৰণৰ যন্ত্ৰণাই - তাৰ ওৰ পোলোৱা উচিত। তাইৰ মৰি যাবৰ মন গ'ল, পাৰিলে এতিয়াই -- সচাঁকৈয়ে মনৰ দুখতে তাই এদিন কোনেও নেদেখাকৈ সন্ধ্যা সেই নৈখনতে জপিয়াই আত্মহত্যা কৰিলে। তাই যে এনেকুৱা ঘটনা ঘটালে ঘৰৰ কোনেও গম নেপালে আৰু নেভাবিলেও। তাই নাইকিয়া হোৱাৰ বাবেহে ঘৰত হুলস্থুল লাগিল। তাই ঠাণ্ডা প্ৰকৃতিৰ বাবে আত্মহত্যা কৰাৰ কথা কাৰো মনলৈ নাহিল।

পিছদিনা ঢলপুৱাতে অলপ দূৰৈত নৈৰ ঘাটত সিটোপাৰে ল'ৰা এজনে ঘাটত গা ধুই থাকোতে ছোৱালী এজনী নৈৰ গৰাত লাগি থকা দেখি পানীৰ পৰা দাঙি নি তাৰ নিজৰ ঘৰ পোৱালেগৈ। তাৰ ঘৰৰ মানুহে যিমান পাৰে সেক পোতক দি পেটৰ পানী উলিয়াই তাইক জীয়াই তুলিলে। ভগৱানক প্ৰাৰ্থনা জনালে তাই বাছি যোৱাৰ বাবে। তাইক খোৱা বোৱা কৰালে, এফালৰ পৰা তাইৰ সকলো কথা মনত পৰিল। তাইয়ে সিটো পাৰৰ ছোৱালী মানুহঘৰে গম পাই তাইক তাইৰ ঘৰলৈ লৈ যাবলৈ ওলাল। ঘৰৰ বয়সস্থ মানুহ গৰাকীয়ে তাইক সকলোৱে লগত চিনাকী কৰা দিলে। শেষত, বৰমইনা বুলি কাৰোবক নাম ধৰি মতাত বগা ধুতি আৰু হাত দীঘল গেঞ্জী

পিন্ধা গামোচামৰা ল'ৰা এজন ওলালহি। সিহে হেনো তাইক পানীৰপৰা তুলি নি সিহঁতৰ ঘৰ পোৱাইছিলগৈ। (তাই তাক দেখাৰ লগে লগে চিনি পালে মহূৰ্ত্ততে দেহৰ তেজবোৰ যেন গোটমাৰি মূৰত উঠিলগৈ, ভিতৰি ভিতৰি তাই যেন ঘামি উঠিল।) বয়সস্থ মানুহগৰাকীয়ে লগতে ক'লে যে সি কলা আৰু বোবা, সৰুৰে পৰা সি অকল বাহীহে বজায় থাকে নদীৰ ঘাটত বহি বহি। অলপ দিনৰ আগতে তাৰ মাক ঢুকাইছিল আৰু সি মনৰ বেজাৰতে ঘাটলৈ যোৱা নাই কাৰণ সেই ঘাটতে অন্যান্যসকলৰ লগত গৈ সি মাকক তাতে খৰি দি আহিছিল। তাই অবাক হ'ল ইমান বছৰজোৰা অপেক্ষাৰ পিছত দুচকুৰ মিলন এনেকৈয়ে হয়নে? শুনা কথাবোৰ যেন বিশ্বাস কৰিবই নোৱাৰি তাই শিল এছটাৰ দৰে থৰ লাগিল অবাক হ'ল ওচৰত তাক পাইও মাথো তালৈ চাই ৰ'ল বহুত সময়। ইমান সুন্দৰ তেওঁ যেন ভগৱানৰ আন এটা ৰূপহে কিয় তেওঁ কলা বোবা হ'ল ইমান দিনটো মনটোৱে তেওঁকে বিচাৰি আছিল ক'বলৈ দুয়োৰে বহুত কথাই আছিল কিন্তু কোৱাৰ শক্তি যেন তাইও হেৰুৱাই পেলাইছিল। কথাখিনি শুনি তাইৰ যেন আশাৰ বন্তি নুমাই গ'ল দেহ মন কলা মেঘে ধৰিলে, মনটো দুখ আৰু বিষাদেৰে উপচি পৰিল। ঈশ্বৰৰ ই কি লিলা, প্ৰভু।

সেই মানুগৰাকীৰ লগতে আৰু ঘৰৰ দুজনমানে আহি তাইক ঘৰত থৈ গ'ল। আহোতে তাই সিহঁতৰ চোতালখন চুই সেৱা এটা কৰি আহিল, সেইঘৰখনতে তাই মুহূৰ্ত্ততে প্ৰাণটোৰ লগতে আৰু বহুত কিবা পাই গ'ল যেন ....। সকলো কথা তেওঁলোকে ককাক বৰদেউতাকক বুজাই কলে আৰু তেওঁলোক গ'লগৈ, কিন্তু উদ্ধাৰ কৰিলে যদিও সেই মানুঘৰেও নাজানিলে তাই কেনেকৈনো পানীত পৰিল। বছৰদিয়েকৰ পিচত তাইৰ বিয়াহে গ'ল ঘৰৰ পৰা অলপ দূৰৈত। মাজে মাজে ঘৰলৈ আহে ল'ৰা-ছোৱালী কেইটাৰ সৈতে তাই আজিও নৈৰ ঘাটলৈ যায় কিজানি সি নৈৰ সিপাৰে ঘাটত বহি বহি বাঁহী বজাই আছেহি সেই আশাত কিন্তু নাই তাত সি ঘাটত বহি আজি আৰু কোনেও বাঁহী নবজায়। তাই নিজৰ মনতে সেই সি বহি বহি বাঁহী বজাই থকা ছবিখন কল্পনা কৰি কৰি অলগ সময় ঘাটতে সিপাৰলৈ চাই চাই গুচি আহে। যদিও তাই সাংসাৰিক জঞ্জালত সোমাল, ল'ৰা-ছোৱালীৰ মাক হ'ল কিন্তু কৰবাত কিবা এটা বৰ বেয়াকৈ হেৰাল বুলি আজিও তাই অনুভৱ কৰে। সি ঘাটত বহি বহি বাঁহী বজোৱা ছবিখন আৰু সেই যে সিহঁতৰ ঘৰততাক চিনাকী কৰাই দিওতে সি আহি দুৱাৰৰ দুয়োফালে হাত থৈ তাইৰ মুখামুখিকৈ ৰৈ তাইলৈ যে চাই আছিল (সি ফুটাই ক'ব নোৱাৰিলেও তাই তাৰ চাৱনিতে ঠিকেই বুজি পাইছিল) তাইলৈ সি কিবা এটা অবুজ চাৱনিৰে চাই থকাৰ সময়খিনিৰ কথাটো বাৰে বাৰে তাইৰ মনলৈ আহে। আচলতে কিছুমান প্ৰতিচ্ছবি ক'ব নোৱাৰাকৈ হৃদয়ত খোদিত হৈ যায় আৰু ছবিখন সদায় তেনেকৈয়ে থাকি যায়। সময় বাগৰিলে যদিও সেই স্মৃতিয়ে আজিও দ্ৰুতগতিত মনত ধৰা দিয়েহি তাইৰ। তাই সদায় ভগৱানক প্ৰাৰ্থনা কৰে — মই তেওঁক একো নাজানি নুবুজি অন্তৰত ঠাই দিছিলো, আজি তেওঁ যে কলা বোবা সেই সত্যটো জানিও তেওঁৰ প্ৰতি আজিও অসন্তোষ্ট হ'ব নোৱাৰিলো, বহুত চেষ্টা কৰিলো তেওঁৰ ছবিখন মনৰপৰা মচিবলৈ কিন্তু তেতিয়াই যেন হৃদয় ভাঙি চুৰমাৰ হৈ যায়, ধাৰাসাৰ চকুপানীহে বয়। সচাঁ কথাটো জানিও তেওঁৰ প্ৰতি আজিও অসন্তোষ্ট হ'ব নোৱাৰিলো, বহুত চেষ্টা কৰিলো তেওঁৰ ছবিখন মনৰ পৰা মচিবলৈ কিন্তু তেতিয়াই যেন হৃদয় ভাঙি চুৰমাৰ হৈ যায়। ধাৰাসাৰ চকুপানীহে বয়। সচাঁ কথাটো জানিও তেওঁক বেয়া পাব নোৱাৰিলো, যদিও মই সাংসাৰিক হ'লো তথাপিও মই তেওঁৰ ছবি মচিব নোৱাৰিলো, জানো এইটোও হয়তো অপৰাধ,সংসাৰত সোমাই আনৰ কথা ভবাটো উচিত নহয়। জানো মই তেওঁক আজি আৰু নিজৰ কৰি নাপাওঁ যদি মই বিয়া কৰিলোহেতেঁন মোৰ সংসাৰৰ ভৱিষ্যত কি হ'লহেঁতেন? তেওঁ প্ৰতিবন্ধি, অশিক্ষিত, কৰ্ম্মহীন, তেওঁৰ বাঁহী বজোৱা ৰূপটোৰ বাহিৰে অইন একো নাই। কথাটো স্বাৰ্থপৰ যেন লাগিলেও একেবাৰে সচাঁ। সংসাৰ চলাবলৈ বহুত বস্তুৰ প্ৰয়োজন শিক্ষা-দীক্ষা, টকা-পইচা, ঘৰ-দুৱাৰ মান-সন্মান, খাদ্য, বস্ত্ৰ, সমাজ এইবোৰৰ কিনো দিব পাৰিলেহেঁতেন সি? তথাপি একো নাজানি দূৰৰ পৰা বাঁহীৰ মাত শুনি শুনি মোৰ তেওঁক ভাল লাগিছিল। নৈখনে নহ'লেও অদৃশ্যই আমাৰ দুয়োকে দুফালে জীৱনকালৰ বাবে বেলেগে ৰাখি থলে। আজি মোৰ সকলো আছে — তাক নোপোৱাৰ বাবে কোনো আক্ষেপ নাই এতিয়া। কিন্তু তেতিয়াৰ পৰা আজিলৈকে এবাৰ মাথো এবাৰ তাক যদি মই বাঁহী বজোৱা ৰূপতে এবাৰ দেখিলোহেঁতেন প্ৰভু! তেওঁ যেন সদায় ভালে থাকে, যেনে তেনে এসাঁজ সুখৰ ভাত খাই জীয়াই থাকে (কাৰণ মই নিজেই দেখি আহিছো। সিহঁতৰ আৰ্থিক অৱস্থাটো) মইটো প্ৰভু মোৰ সংসাৰলৈ গুচি যাম তেওঁৰ স্মৃতি লৈয়ে জীয়াই থাকিম নিঃসংগতাৰ সময়খিনিত প্ৰভু তেওঁক ভালে ৰাখিবা, ভগৱানক সেৱা জনাবলৈ গৈ তাইৰ দীঘল হুমুনিয়াহ এটাহে ওলায় আহে আজিকালি......।

(২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহত মৌলিক গল্প প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গল্প)

# সম্বন্ধ

চিমি কোঁৱৰ
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ



এৰা, ঠিকেই কৈছে দেউতাকে। ভগৱান শ্ৰীকৃষ্ণইও গীতাত কৈছে যি হ'বলৈ আছে, সেয়াই হ'ব, যি হৈছে ভালেই হৈছে, যি হৈছিল সেয়াও ভাল আৰু যি হ'ব সেয়াও ভালেই হ'ব।

তাইৰ জীৱনত অতীত আৰু বৰ্তমানৰ মাজত যে ইমান ডাঙৰ পাৰ্থক্য। বৰ কষ্ট হয় অতীতক বাদ দি নিজক ভাবিবলৈ। এসময়ৰ বুকু ভৰি থকা প্ৰেমেও যে কেতিয়াবা তাইক কাঁইটে বিন্ধা দি বিন্ধিব পাৰে সেয়া হয়তো তাই কল্পনাও কৰিব পৰা নাছিল। প্ৰেমৰ বাবে আকৌ কিহৰ জাত পাত? কিহৰ উচ্চ-নীচ? অন্তৰৰ মিলন যদি পবিত্ৰ হয়, সমাজক ভয় কৰাৰ কিবা কাৰণ আছেনে?

—উস ৰাজনীল! ওলাই যোৱা মোৰ সত্ত্বাৰ পৰা। মই দেখোন তোমাক ঘৃণা কৰিবলৈ আৰম্ভ কৰিছোঁ। কোনোদিনে উত্তৰ নোহোৱা প্ৰশ্নবোৰ তুমি কিয় আমাৰ মাজলৈ টানি আনিলা? তুমিতো আজিৰ মানুহ! এই একৈশ শতিকাৰ মানুহ।

বিষ্ণুপ্ৰিয়াই নিজৰ মাজতে ভোৰভোৰালে। কেৱল নিজৰ মাজতে তাই বহুত কথাই পাতে আজিকালি ছাঁদৰ ওপৰত অকলসৰে নিজানত। পাঁচ বছৰ! এৰা, কম সময় নাছিল সিঁহতৰ বাবে, এজনে আনজনক বুজিবৰ বাবে। কিন্তু

দেউতাকৰ ড্ৰয়াৰত পোৱা সেই বিশেষ ডায়েৰীখনে বিষ্ণুপ্ৰিয়াৰ জীৱনৰ এটা ডাঙৰ অথচ গোপন সত্য উন্মোচন কৰিলে। তাই বুজিলে এইজন দেৱতা সদৃশ মানুহক তাই বহুত দুখ দিছে। তাইৰ দুগালেদি চকুলো ববলৈ ধৰিলে।

ঃ মামুন, গা বেয়া নেকি তোৰ? চাঁও চকুহালচোন ফুলা লুচীৰ দৰে হৈ আছে। গা বেয়া লাগিছে যদি আৰাম কৰগৈ যা। শৰীৰক এনেকৈ কষ্ট দিব নাপায়। মানুহৰ জীৱনততো বহুত কিবা কিবিয়ে ঘটে। কেৱল তই বা ময়েতো এই পৃথিৱীৰ দুখী মানুহ নহয়।

শেষত গৈ হ'লগৈ সেইখন! উচ্চ-নীচৰ ৰাহিজোৱা নিমিলে বুলি ৰাজনীলৰ মাক-ককায়েকহঁতে দেউতাকক ঘৰত আহি অপমান কৰি গ'ল। ইমান অপমান সহ্য কৰা যায়নে কেতিয়াবা?

বিষ্ণুপ্ৰিয়াই এটা দীঘল হুমুনিয়াহ এৰিলে। আৰু ৰাজনীল? তাৰ জীৱনত যেন একোৱেই ঘটা নাছিল। কোনো কথাৰ আৰম্ভণি নোহোৱাকৈয়ে সি সলনি কৰিছিল তাৰ মোবাইল নম্বৰ। কিন্তু তাইৰ বাবেতো ইমান সাধাৰণ নহয় পাঁচটা বছৰৰ স্মৃতি পাহৰিবলৈ। হৃদয়খনতো আৰু গেলামালৰ দোকান সজাব পৰা নাযায় যে ইচ্ছা কৰিলেই কোনোবাই বস্তাই বস্তাই মৰম-ভালপোৱা কিনিব পাৰে!!

তাই প্ৰতিবাদ কৰিবলৈ লৈছিল নিজৰ মনৰ মাজতেই। ফোন লগাইছিল ৰাজনীললৈ। খহটা মাত এটাৰে কোনোবাই ফোনটো উঠাইছিল।

ঃ মই বিষ্ণুপ্ৰিয়া।

ঃ কি হ'ল পিছে? আঙুঠি পিন্ধিবলৈ সাজু হৈ আছা যেন পাওঁ। কিন্তু আমাৰ ৰাজনীল তোমাক এতিয়া আদৰিবলৈ নাযায়।

তাই ফোনটো থেকেচ মাৰি থৈছিল। খঙত, অভিমানত সৰসৰকৈ বাগৰিছিল চকুপানী।

অন্য এদিনৰ কথা। তাই নিলাজৰ দৰে আকৌ ফোন লগাইছিল সিঁহতৰ ঘৰলৈ।

ঃ লাজ চৰম নাই নেকি তোমাৰ হাঁ? ইমানবোৰ অপমান পোৱাৰ পাছতো! ল'ৰা গাপল ক'ৰবাৰ।

ঃ ফোনটো ৰাজনীলক দিলে মই বেছি ভাল পাম।

ঃ অ' এইবাৰ তেনেহ'লে আকৌ নতুন কৌশল তাক প্ৰেমৰ জালত বন্দী কৰিবলৈ। শুনা তাৰ সৈতে মোৰ তেজৰ সম্বন্ধ আছে। মই তাৰ বায়েক হয়। তাৰ ওপৰত মোৰ অধিকাৰ আছে। তুমি কি অধিকাৰত তালৈ ফোন লগাইছা?

ঃ হৃদয়ৰ দাবী!

কণ্ঠ নহয় যেন আত্মাৰ পৰাহে ওলাইছিল এই কথা। তাই কৈছিল—

ঃ আজি পাঁচটা বছৰে আপোনাৰ সৈতে তেজৰ সম্বন্ধ থকা ভায়েকেহে মোৰ সৈতে প্ৰেমৰ নাটক কৰিলে। এতিয়া নাটকৰ আঁৰ কাপোৰ পৰিলতো। খেলা খতম্। মই কেতিয়াও এনে হ'বলৈ নিদিওঁ।

ঃ কি... কি... ক'লা তুমি? আকৌ এবাৰ কোৱাচোন। মোৰ সৈতে তুমি তৰ্ক কৰিবলৈ আহিছা?

ঃ তৰ্ক নহয়... যুক্তিৰ খাটিৰত কথাবোৰ এবাৰ জুকিয়াই চোৱা ভাল। এগৰাকী শিক্ষিতা তিৰোতা হৈ ঘৰৰ মানুহবোৰক আপুনি এবাৰো কিয় নুবুজালে যে আজিৰ সমাজত এইবোৰ উচ্চ-নীচ ভাৱ নাই? আগতে মানুহবোৰে নাজানিছিল, সমাজে যি আজ্ঞা দিয়ে তাকে আইনৰ দৰে মানিছিল। কিন্তু সমাজৰ এই ভুল নীতি-নিয়মবোৰৰ বাবে যে আজিও কিমানজনে বিচ্ছেদৰ যন্ত্ৰনাত ভুগিছে তাৰ কিবা খবৰ আছেনে? হিন্দু, মুছলিম, শিখ বা অন্যান্য সম্প্ৰদায়ৰ কথাটো ক'বই নোৱাৰি, নিজৰ সাম্প্ৰদায়িক গোটবোৰৰ মাজতে দেখোন মতভেদ! যেনে ধৰক আপোনালোক ব্ৰাহ্মণ, আমি শূদ্ৰ। কিন্তু আমিতো হিন্দু ধৰ্মৰে মানুহ নহয় জানো?

ঃ চুপ থাকা, চুপ থাকা। অভদ্ৰ ছোৱালী। শিষ্টাচাৰৰ সাধাৰণ জ্ঞানকনো তোমাৰ নাই। ডাঙৰৰ মুখে মুখে যুক্তি দিবলৈ আহিছা?

ঃ মনে মনে থাকক। আপোনাৰ বাবে শিক্ষা ড্ৰয়িং ৰুমত সজোৱা আহিলা হ'ব পাৰে; মোৰ বাবে কিন্তু নহয়। কাৰণ জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে আমি সকলো ভাৰতীয় নাগৰিক। আমাৰ সংবিধানে, আমাৰ পাঠ্যপুথিয়ে আমাক ইয়াকে শিকাইছে। আজি ইমান বছৰৰ শিক্ষাৰ ফচল কি এয়াই নেকি? আপোনাৰ শিক্ষাই সমাজলৈ কি নতুনত্ব আনিলে? ভাৱি চাওক।

ঃ তুমি মোক শিক্ষা দিব নালাগে বিষ্ণুপ্ৰিয়া। এটা কথা জানি থবা যে প্ৰাপ্তিয়ে জীৱনৰ শেষ কথা নহয় আৰু প্ৰেম মানেও বিবাহ নহয়।

ঃ কিন্তু মানুহেতো প্ৰাপ্তিৰ বাবেই জীয়াই থাকে। প্ৰাপ্তিৰ বাবেই মানুহে সংগ্ৰাম নকৰে জানো? আৰু ... আপুনি প্ৰেমৰ কথা কৈছে আপুনি। মোৰ হাঁহি উঠি গৈছে মিছ ৰাজসুয়া দেৱী। সকলো যুক্তি তৰ্কৰ পৰা আঁতৰি আপুনি হঠাতে কিয় এনেকৈ ক'লে? শুনক তেনেহ'লে যি প্ৰেমৰ বাবে (একপক্ষীয় বা ক্ষন্তেকীয়া প্ৰেমৰ বাবে নহয়) এজনে আনজনৰ অবিহনে জীয়াই থাকিব নোৱাৰে, সেই প্ৰেমৰ পৰিণতিতো বিবাহ হ'বই লাগিব। মোৰে এজন সম্বন্ধীয় খুড়াই এই প্ৰেমৰ বাবেই ঘৰ সংসাৰৰ প্ৰতি উদাসীন হৈ এতিয়াও বিৰহী জীৱন কটাই আছে। জীৱনত অন্য নাৰীৰ কথা তেখেতে দেখোন ভাবিবই নোৱাৰিলে। প্ৰেম এপাত শক্তিশালী অস্ত্ৰ জানেনে? গতিকে আপুনি মোক নীতিশিক্ষা নিদিলেও হ'ব।

বিষ্ণুপ্ৰিয়াই খঙতে ফোপাইছিল। ৰাজসূয়া দেৱীয়ে ফোনটো ৰাখিছিল। সৰসৰাই বিষ্ণুপ্ৰিয়াৰ দুগালেদি চকুলো সৰিছিল।

কিয় এনে হ'ল তাইৰ জীৱনত? কিয়....? চনকা কাঁচৰ দৰে এনেকৈয়ে ভাগেনে সপোন? সপোন হেৰুওৱাৰ যন্ত্ৰনাত তাই উজাগৰে ৰৈছিল। খোৱা-বোৱা কৰাটো দূৰৰে কথা। খোৱা বস্তুৰ গোন্ধ পালেই তাইৰ ওকালি আহিব খুজিছিল। ৰাজনীলৰ অবিহনে যেন তাই হৈ পৰিছিল মৰি মৰি জীয়াই থকা এজনী অসহায় নাৰী।

ঃ পাহৰি যোৱা মামুন। পাহৰি যোৱা। অলপ হ'লেও মোৰ কথা ভাবাচোন তুমি।

কপালত হাত বুলাইছিল দেউতাকে।

ঃ তোমাৰ মাৰাৰ অবিহনেই জানো মই তোমাক ডাঙৰ কৰা নাই? এনেদৰে মন মাৰি থাকি মোক কষ্ট নিদিবা মামুন।

কিন্তু আজি হঠাতে দেউতাকৰ ড্ৰয়াৰত পোৱা আলপিনেৰে খুচি শৰবিদ্ধ কৰি পেলোৱা ডায়েৰীখনৰ কেইটা মান পৃষ্ঠাই তাইৰ জীৱনৰ এটা ডাঙৰ ৰহস্য উন্মোচন কৰিলে। দেউতাকৰ সৈতে তাইৰ কোনো তেজৰ সম্বন্ধ নাই? আচৰিত! ইমান আদৰেৰে যিজন মানুহে তাইক ডাঙৰ কৰিছে, সেইজন মানুহৰ সৈতে তাইৰ তেজৰ কোনো ধৰণৰ সম্বন্ধ নাই? বিষ্ণুপ্ৰিয়াৰ বুকুখন উকা উকা লাগিল।

কিন্তু তাতোতকৈ ডাঙৰ কথা হ'ল যে সুব্ৰত বৰুৱা মানে তাইৰ দেউতাক এজন অবিবাহিত ব্যক্তি। ডায়েৰীখনৰ অন্য এক পৃষ্ঠাত তাইৰ দৃষ্টি থৰ হৈ ৰ'ল।

'সাধাৰণ এটা জ্বৰত ভুগি নয়নাৰ মৃত্যু হোৱাৰ পাছত মই বৰ অকলশৰীয়া হৈ পৰিছিলো। তেনেতে এদিন অফিচৰ পৰা ৰাতি উভতি আহোঁতে ৰাজপথৰ সোঁ মাজত কণমানি শিশু এটা পৰি থকা দেখিলো। কোনোবাই পেলাই থৈ গৈছিল। কিজানি কাৰোবাৰ অবৈধ সন্তান আছিল। ৰঙচুৱা কেঁচুৱাটো ঠাণ্ডাত কোঁচমোচ খাই পৰি আছিল। মই আৰু স্থিৰেৰে থাকিব নোৱাৰিলো। মোৰ বিবেকে যেন চিঁয়ৰিছিল এনেকৈ থাকিলে কেঁচুৱাটো মৰি থাকিব, কাউৰী কুকুৰে ভক্ষণ কৰিব। মই অন্তৰাত্মাৰ আহ্বান মানি কেঁচুৱাটো ঘৰলৈ আনি তাৰ প্ৰতিপালন কৰিছিলো। তাই ছোৱালী আছিল। তাইৰ নাম থ'লো বিষ্ণুপ্ৰিয়া। মোৰ হ'বলগীয়া পত্নী নয়নাৰ আকস্মিক মৃত্যুৱে মোক জীৱনৰ প্ৰতি উদাসীন কৰি তুলিছিল। কিন্তু এই অকণমানিজনীয়ে মোক আজি জীয়াই থাকিবলৈ শিকাইছে। এতিয়া তাইয়ে মোৰ বুকুৰ মাণিকস্বৰূপ। তাইয়ে মোৰ সপোন, মোৰ আশা-ভৰসাৰ একমাত্ৰ স্থল।

কান্দিছিল বিষ্ণুপ্ৰিয়াই। জীৱনৰ প্ৰকৃত ৰহস্য জানি তাই ৰুমৰ পৰা দুৱাৰ বন্ধ কৰি কান্দিছিল। এজন দেৱতুল্য মানুহৰ বাবে তাই কান্দিছিল। শ্ৰদ্ধাত মূৰ দোৱাইছিল তাই সুব্ৰত বৰুৱাৰ প্ৰতি।

অৱশেষত তাই সিদ্ধান্তটো লৈ পেলালে। ৰাজনীল তাইৰ জীৱনলৈ উভটি আহে নে নাহে তাই নাজানে। কিন্তু তাই দেউতাকক কেতিয়াও কষ্ট দিব নোৱাৰে। ইমান এজন উদাৰ মনৰ মানুহক তাই কেতিয়াও অকলশৰীয়াকৈ এৰি ক'তো যাব নোৱাৰে। বিষ্ণুপ্ৰিয়াই মনটো দৃঢ় কৰিলে...।

# দাবাগ্নি
# অস্তাচলত আশাৰ ৰেঙণি

নিকুমণি দিহিঙীয়া
স্নাতক প্ৰথম ষান্মাসিক
ইংৰাজী বিভাগ

"মাজনিশা সাৰ পাই শুনিছানে কেতিয়াবা
কেতেকীৰ হিয়াভগা মাত?
ভাবিছানে এটিবাৰো পক্ষীৰ ডিঙিত কান্দে
মানুহৰ বুকুৰ সংবাদ..."

পূজনীয়,

বহু দিন হ'ল। ধূসৰিত পৃষ্ঠাৰ সপোনবোৰ জুকিয়াই নোচোৱাৰ, আপোনালোকৰ খবৰ নোপোৱাৰ। মোৰ সেৱা গ্ৰহণ কৰিব। আজি মনটো অলপ বেছিকৈয়ে আৱেগিক হৈ উঠিছে। মোৰ কান্দিবৰ মন গৈছে, কিন্তু আবেগে খুন্দা মাৰি ধৰিছে। যোৱা এবছৰে মই কন্দা নাই। পাহৰা নাই, কিন্তু কান্দিবলৈ মন নাযায়। কিমান আৰু নিজৰ আৱেগৰ ওচৰত নতশিৰ হ'ম? সকলোৰে পৰাই জেদী মই। সেই কাৰণে আজি এবছৰ ধৰি নকন্দাকৈয়ে আছোঁ। কেতিয়াবা আৱেগে সঁচাই বৰ আমনি কৰে। প্ৰতিবাদ, আৱেগৰ প্ৰতিবাদ। 'তই কান্দ, শ্ৰুতি, চিঞৰি চিঞৰি কান্দ, বুকু আচাৰি, হিয়া ঢাকুৰি কান্দ...।

চিঠিখন আধালৈকে লিখি দুয়ো হাতৰ তলুৱাৰে মুখখন মোহাৰিলে শ্ৰুতিয়ে। আজি তাইৰ সঁচায়ে দুখ লাগিছে। পুৰণি দিনৰ বিভ্ৰম, বিভ্ৰম!! শব্দটো লাহেকৈ মুখৰ ভিতৰত উচ্চাৰণ কৰিলে শ্ৰুতিয়ে। কি যে হৈ গ'ল এই এবছৰত। ভুল কাৰ আছিল? তাইৰ নে আন কাৰোবাৰ? কোন দায়ী? তাই নে সমাজ? মানুহৰ হৃদয় ডাঙৰনে? নে মানৱীয়তাৰ মুখাপিন্ধা মানুহবোৰ বসবাস কৰা সমাজখন ডাঙৰ? যিবোৰ প্ৰশ্নৰ উত্তৰ তাই অতদিনে বিচাৰি নাপালে, সেইবোৰ কথা তাই ভাবিবলৈকে বাদ দিছে। কিন্তু আজি কিয়? কিয় আজি মনত পৰিছে তাই পাহৰিব খোজা অন্ধকাৰ অতীতটোৰ কথা?

বাতৰি কাকত পঢ়াটো শ্ৰুতিৰ নিত্যনৈমিত্তিক অভ্যাস। আজৰি সময়. পালে তাই আনকি গুৰুত্বপূৰ্ণ খবৰ কিছুমান বাতৰি কাকতৰ পৰা কাটি ৰাখে। সমসাময়িক ঘটনাৰাজিৰ ওপৰত লিখা তাইৰ বহু কেইটা বাতৰি অৱশ্যে প্ৰকাশ পাইছে। অন্যদিনাৰ ব্যতিক্ৰম নাছিল আজিৰ চয়নিকা আচাৰ্য্যাই বনাই দিয়া চাহকাপ হাতত লৈ ৰাতিপুৱাই বাতৰি কাকত পঢ়িবলৈ বহিছিলহে তাই। ক্ষন্তেক মুহূৰ্তৰ বাবে তাইৰ অৱস্থা শিল পৰা কপৌৰ দৰে হ'ল। 'ছায়ালিপি'ৰ পৰা যেন তাইৰ ধ্যান আঁতৰিয়েই নাহিব। ধৰ্ষণ, প্ৰচণ্ড ঘৃণাত আৰু দুখত তাইৰ মুখখন কোঁচ খাই আহিল। এজনী গাভৰু ছোৱালী 'থিকুন টিখাক' সন্দৰ্ভত কবি-সাহিত্যিক নীলিম কুমাৰে লিখা প্ৰবন্ধটো পঢ়ি সঁচাকৈয়ে হাঁহাকাৰ কৰি উঠিল তাইৰ হৃদয়খনে। 'থিকুন টিখাক' নামৰ ছোৱালী এজনীক কেইটামান

হৃদয়হীন নৰপিশাচে ধৰ্ষণ কৰি তাইৰ গোপন অংগত বাঁহৰ টুকুৰা, মমবাতি, কাঁচৰ ভগা টুকুৰা সোমোৱাই নিৰ্মমভাৱে হত্যা কৰা বুলি পঢ়ি তাই সমগ্ৰ শৰীৰ ক্ষোভ আৰু ঘৃণাত কঁপি উঠিল। সমাজখনত হৈছে কি? এফালে শান্তিৰ নামত মানুহে মৌন সমদল উলিয়াইছে আৰু আনফালে বৰ্দ্ধিত হাৰত ধৰ্ষণ আৰু হত্যা। তাই মনত নেপেলাও বুলি ভবা এটা অতীতে তাইক আজি কন্দুৱাইছে। ছোৱালীজনীয়ে কান্দিছে। শুকান হৈ থকা উদং পথাৰখনত বৰষাৰ ঢল নামিছে।

শ্ৰুতি ফুকন। ঘৰ কাৰ্বিআংলঙৰ বকলীয়াত। এবছৰৰ আগতেই অস্থায়ী ঠিকনা। আস্থা হেৰুওৱা শ্ৰুতি ফুকন। বকলীয়াৰ ৰুকচান কলেজৰ ছাত্ৰী আছিল তাই। সৰুৰে পৰাই আগবঢ়া সকলোতে। পঢ়া-শুনা, খেলা-ধুলা, নাচ-গান, আচাৰ-ব্যৱহাৰ সকলোতে। তাইৰ প্ৰতিভাক সন্মান কৰিছিল সকলোৱে। মাক-দেউতাকৰ লগ পালেই গাঁৱৰ মানুহবোৰে কৈছিল—

'জ্যোতি, তোমাৰ ছোৱালী কিন্তু ডাঙৰ হ'লে বৰ ভাল মানুহ হ'ব দেই।'

'শিৱ, ভগৱানে তোৰ ছোৱালীজনীৰ মংগল কৰক, তাই বকলীয়াৰ নাম উজ্জ্বলাব, বুইছ।

সকলোৰে আশা আছিল, শ্ৰুতি ডাঙৰ হ'ব। বহুত ডাঙৰ মানুহ। তাই দেশৰ কাৰণে কাম কৰিব, গাঁৱৰ নাম উজ্জ্বলাব। মেঘে ওন্দোলাই থকা আকাশখনৰ লগতে এজাক বা-মাৰলিয়ে আহি যেতিয়া সিঁহতৰ ঘৰত খবৰটো দি গৈছিলহি, তেতিয়া?? সলনি হৈ গৈছিল সকলো। সলনি হৈ গৈছিল বকলীয়াঘাট। প্ৰত্যেকঘৰ মানুহৰ চৰ্চাৰ বিষয় হৈ পৰিছিল শ্ৰুতি। ধৰ্ষিতা, নিৰ্বিকাৰ, সকলো নিৰ্বিকাৰ। তেজে তুমুৰলি হৈ থকা তাইৰ দেহটো দেখি বলীয়াৰ দৰে হৈছিল মাক-দেউতাক। মাক-দেউতাকৰ যুগ্ম জীৱনৰ একমাত্ৰ প্ৰতীক, বকলীয়াৰ গৌৰৱ, ৰুকাচান কলেজৰ গৌৰৱ ভৱিৰে গচকি থান-বান কৰা সেই নৰপিশচকেইটাক তাই কিন্তু চিনি নাপালে। তাই গম নাপালে কোনে তাইৰ এই অৱস্থা কৰিলে। তাই ন্যায় নাপালে। গাঁৱৰ মানুহৰ ককৰ্থনা সহ্য কৰিব নোৱাৰি তাই বলীয়াৰ দৰে হৈছিল। যিখন সমাজে তাইৰ ভাল অৱস্থাত স-গৌৰৱেৰে তাইক আকোঁৱালি লৈছিল, সেইখন সমাজেই অৱশেষত নিজৰ খুলি ৰখা অমানৱীয়তাৰ মুখা পিন্ধি তাইক অৱহেলা, সমালোচনা কৰিলে। কিয়? কিয় এনে হয়? সপোনবোৰ ভাগি যায় কিয়? এয়াই জীৱননে? মোৰ কোনো মূল্য নাই। মই কোন? এই এটা মূল্যহীন প্ৰাণবীজ, এটা মূল্যহীন কবিতা। যি কবিতাই মানুহক অনুভৱ কৰিবলৈ নিশিকায়। তাই নোৱাৰিলে। মানুহৰ গালি-শপনি, ককৰ্থনা, উপলুঙা সহ্য কৰিব নোৱাৰি বলীয়াৰ দৰে ভ্ৰম বকা দেখি গাঁৱৰ মানুহে তাইক পাগল সজালে। একমাত্ৰ আপোন মাক-দেউতাকৰ হাজাৰ কাকুতি-মিনতিকো অগ্ৰাহ্য কৰি গাঁৱৰ মানুহে তাইক খেদি পঠিয়ালে। মানসিকভাৱে দুৰ্বল হৈ পৰা শ্ৰুতি গুচি আহিল। তেতিয়াৰে পৰা তাই ইয়াত অনাথ আশ্ৰমত। মাক-দেউতাকে তাইক বিচাৰিছিল। বাতৰি কাকতত তাইৰ ফটোও ওলাইছিল 'নিৰুদ্দেশ'ৰ শিৰোনাম লৈ। আশ্ৰমৰ কৰ্তৃপক্ষই তাইক ঘৰলৈ পঠিয়াবলৈ বহুত চেষ্টা কৰিলে। কিন্তু তাই নগ'ল। ক্ষোভ, প্ৰচণ্ড ক্ষোভ। অন্তৰত দাৱাগ্নি। সকলো পুৰি ছাৰখাৰ কৰি দিলে। তাই কিয় ঘুৰি যাব? তাই নাযায়, কেতিয়াও নাযায়। বহুত জেদী তাইৰ মনটো। যিখন সমাজে তাইক অপমান কৰিলে, অসন্মান কৰিলে সেইখন সমাজলৈ তাই কেনেকৈ উভতি যাব? যিখন সমাজে তাইৰ মাক-দেউতাকক অপমান কৰিলে। সেইখন গোড়া সমাজৰ প্ৰত্যেকজন মানুহক তাই ঘিন কৰে। সেইকাৰণে তাই উভতি নগ'ল। হৃদয়তকৈ সমাজ কেতিয়াও ডাঙৰ নহয়। য'ত সঁচা হৃদয়ৰ মানুহ নাথাকে, সেইখনক নৰক বুলিহে কয় আৰু সেই নৰপিশাচকেইটা? সিঁহতৰ ওপৰত তাই প্ৰতিশোধ নলয়, তাইক কৰা অপকাৰ, মনোকষ্টৰ ফল এদিন সিহঁতে নিজেই পাব। হঠাৎ চয়নিকা আচাৰ্য্যৰ মাত শুনি তাইৰ কঠোৰ মনটো সহজ হৈ গ'ল। এইগৰাকীয়েই সেইগৰাকী মহিলা, যিগৰাকীয়ে তাইৰ জীৱন ৰক্ষা কৰিলে আৰু আজি এবছৰে তাইক নিজৰ জীয়েকৰ নিচিনাকৈ ডাঙৰ দীঘল কৰিছে আৰু যাক সঁচা অৰ্থত মানুহ বুলি ক'ব পাৰি—

'শ্ৰুতি, ভাত খাবৰ হ'ল। আহ জন্দি।

'গৈছোঁ ৰ'বা। আপুনি যাওঁকচোন।'

চয়নিকা আচাৰ্য্যা ওলাই যোৱাৰ ক্ষন্তেক সময় চাই শ্ৰুতিয়ে আকৌ লিখিবলৈ ধৰিলে—

'মা, আজি বহুতদিনৰ মূৰত এই শব্দটো উচ্চাৰণ কৰিছোঁ। দেউতা ছাগে থিকেই আছা। চাবা মা, এদিন নহয় এদিন মই তোমালোকৰ নাম উজ্জ্বলাই তুলিম। মোক অপমান কৰা প্ৰত্যেকজন মানুহক মই দেখুৱাই দিম, মই ইমান দুৰ্বল

নহয়, যে মই তেওঁলোকৰ সমালোচনা, ককৰ্থনা পাই নিজৰ লক্ষ্যক পাহৰি যাম। মা, ইয়াত মই বহুত সুখত আছোঁ। তোমালোকে ভাবিব নোৱাৰ সুখত। চয়নিকা আচাৰ্য্য বহুত ভাল, বহুত মৰম কৰে মোক। তোমালোকৰ অনুপস্থিতি তেওঁ আজিলৈকে মোক অনুভৱ কৰিবলৈ দিয়া নাই। দেউতা, তোমাৰ সোণজনীৰ বহুত সমনীয়া আছে। আজিকালি মই সকলোকে কিতাপ পঢ়াওঁ নহয় আৰু অহাবছৰ মই হায়াৰ চেকেণ্ডাৰী ফাইনেল দিম। চাবা মই পাৰিমেই। এদিন নহয় এদিন মই সকলোকে দেখুৱাই দিম। মোক ঘিণ কৰা মানুহবোৰক মই ঘিন নকৰোঁ। কিন্তু তেওঁলোকে এদিন উপলব্ধি কৰিব হৃদয়ত লগা আঘাত যে কিমান গভীৰ। দেউতা, তুমি ভালকৈ থাকিবা। মা, তুমি বুকুৰ অসুখৰ দৰবটো নিয়মীয়াকৈ খাবা দেই। আজি এবছৰে তোমালোকক মনত নেপেলোৱাৰ বাবে ক্ষমা কৰিবা। তোমালোকৰতো ভুল নাছিল। মোক বিচাৰি আহিবলৈ ঠিকনাৰো যে নাটনি। মই নাজানো এই চিঠিখন তোমালোকে পাবানে নোপোৱা, মোৰ ঠিকনা পাবানে নোপোৱা, গম পাবা নে নাই যে মই সুখত আছোঁ। বিশেষ নাই। আশীৰ্বাদ কৰিবা।

ইতি

তোমালোকৰ চেনেহৰ সোণজনী

চিঠিখন সামৰি শ্ৰুতিয়ে খিৰিকীৰে দূৰলৈ চাই পঠিয়ালে। এটা গভীৰ হুমুনিয়াহ কাঢ়িলে তাই। বুকুৰ মাজত থকা ডাঙৰ শিল এটা যেন কোনোবাই আঁতৰাই দিলে। সজল চকুৰে বাহিৰলৈ চাই থাকিল তাই। দূৰলৈ, বহুত দূৰলৈ। আকাশখন এতিয়াও গোমা। হয়তো এজাক বৰষুণ দিব। তাইৰ মনটোৰ নিচিনাকৈয়ে আকাশৰো অভিমান নেকি এয়া? তাই পাৰিব, পাৰিব লাগিব। অন্যায়ৰ প্ৰতিবাদ তাই কৰিব। কিন্তু এনেকৈ নহয়। তাইৰ হৃদয় কোনেও ধ্বংস কৰিব পৰা নাই আৰু নোৱাৰেও। ওঁঠৰ কোণত এটা জান-নিজান হাঁহি বিৰিঙি উঠিল শ্ৰুতিৰ। তেতিয়া সময় আবেলি।

# সেন্দুৰ

গীতাশ্ৰী ওজা
স্নাতক দ্বিতীয় ষান্মাসিক

'আজি মোৰ জীৱনৰ প্ৰথমটো কেচ, ভগৱান মোক শক্তি দিয়া, সাহস দিয়া সত্যৰ সৈতে যুঁজিবলৈ। তুমি সৰ্ব জ্ঞানী প্ৰভু। তুমি জানা আজি মই কাৰ সপক্ষে ঠিয় দিবলৈ গৈ আছো।...' বাইদেউ ভাত দিলো কামকৰা ছোৱালীজনীৰ মাতত উচপ খাই ক'লো 'অ গৈছো'। ৰশ্মিয়ে যতনাই দিয়া ভাতকেইটা খাবলৈ বহিলো। "বাইদেউ, আজি আপোনাক বৰ ধুনীয়া লাগিছে।" কি ক'লা? তাইলৈ লাহেকৈ ঘুৰি চালো, তাই অলপ জোৰেৰে কৈ উঠিল 'বাইদেউ আপুনি...? তাই বৈ গৈছিল। তুমি আচৰিত হৈছা নহয়? আচৰিত হ'ব লগা একো নাই। মোক পানী বটলটো ভৰাই দিয়া যোৱা। আচৰিত নহ'বনো কিয় অ'ত দিনে দেখি অহা ছোৱালীজনীৰ হঠাৎ বোৱাৰী ৰূপত দেখি সকলোৱে আচৰিত হ'ব। ক'লা পাৰি দিয়া বগা শাৰীখনৰ লগত ক'লাকোটটো এইটো বাৰু সিমান আচৰিত হ'ব লগা কথা নহয়, কিন্তু কোনোদিন কোনেও নেদেখা ৰঙা কৈ সেন্দুৰ কণ আজি কপালত উলমিছে। অফিচৰ সকলোৱে যে নেদেখা দেখা দি চাইছে। অৱশ্যে নাচালেও যেন তেনে অনুভৱ কৰিছো। ১০ বাজিবৰ হ'ল। ১০ বজাৰ পৰা আৰম্ভ হোৱাৰ কথা। সকলো চাগে আহি পাইছে। ৰুবীৰ ফোন, 'হেল্ল' বাইদেউ আপুনি ক'ত আছে? অ, মই পামগৈয়ে এতিয়া। আপোনালোক পালেহি? অ' আমি পালোহি বাইদেউ।

মই তাত উপস্থিত হওঁতে বাকী সকল প্ৰায়ে উপস্থিত আছিল। দণ্ডাধীশ জনো আহি পাইছেহি। মই এবাৰ সকলোৰে মুখলৈ চাইছো। ৰুবী, মাক, ককায়েক লগতে দুই এজন ওচৰ চুবুৰীয়াৰ সৈতে একেলগে বহি আছে। সকলোৰে মুখত উদ্বিগ্নতা পৰিস্ফুট। আনফালে বহি আছে ৰুবীৰ স্বামী প্ৰৱাল আৰু তেখেতৰ পৰিয়াল।

সময়বোৰ কিদৰে পাৰহৈ গ'ল গমেই নাপালো। ৰুবীহঁতৰে জয় হ'ল অৰ্থাৎ মই জিকিলো। মনটো বৰ উগুল থুগুল লাগি আছে। তিনিবছৰৰ আগৰ ঘটনাবোৰ চকুৰ আগত ভাঁহি ফুৰিব ধৰিছে। প্ৰৱালে ডিৰ্ভচ উঠাই লৈছে। ৰুবী আৰু প্ৰৱালৰ মাজত হোৱা ভুল বুজা বুজি দুয়োটাই স্বীকাৰ কৰি লৈছে। ঘৰখনৰ সকলোৱে মুখত হাঁহি কান্দোনৰ মিশ্ৰিত ৰং চাতিয়ে চানি ধৰিছে পৰিৱেশটো। "Congratulation Gitu" "Oh, Raj thanks." কি হ'ল গীতা তুমি কান্দিছা? নাই মই, ক'তা, নাই কন্দা। মিছা নক'বা, কি হ'ল কোৱা। আজি তুমি তোমাৰ প্ৰথমটো কেচত জয় লাভ কৰিছা, তোমাৰ পাৰ্টী খাম বুলিহে আহিছো। 'ওম খাবা বাৰু।' আৰে কি হৈছে অ' কোৱা না। তুমি এনেদৰে মনমাৰি থাকিলে একেবাৰে ভাল নালাগে জানা। প্লিজ অন্তত মোক কোৱা।' 'একো হোৱা নাই অ' মোৰ কাৰণে ইমান বেছি চিন্তা কিয় কৰা? এ' বাৰু বাদ দিয়া, প্ৰৱাল তোমাৰ ভাল বন্ধু নহয়নে? তাহাঁতলৈ চোৱাচোন সৌৱা। সকলোৰে মনত কিমান আনন্দ? ওম্ আজি মই বহুত সুখী জানা গীতু। প্ৰৱালৰ সংসাৰ খন পুনৰ উদ্ধাৰ কৰিব পাৰিলো তোমাৰ সহায়ত। থেংক ইউ গীতা।' 'উস হ'বচোন দিয়া ইয়াত তোমাৰ ভূমিকাই সৰ্বোচ্চ।' 'তুমি ৰুবী বৰুৱাক চিনি পোৱা? 'হয়, মোৰ এজন দাদা ৰিণ্টু ফুকন যে তেওঁলোকৰ কিবা সমন্ধীয় হয় বোলে। তেওঁৱেই এই কেচটো মোৰ হাতত দিছিল। 'অ' তাইৰ ককায়েকলৈহে বেয়া লাগে। ঘৈনীয়েকে বোলে ওচৰৰ কাৰোবাৰ লগত সম্পৰ্ক ৰাখিছিল। গাঁও ঘৰৰ মানুহে গম পাই কিবা কিবি ক'লত এৰি দিলে তাক। তিনি চাৰি বছৰ একো সম্পৰ্ক নাই বোলে। ক'ত গ'ল তাৰো ঠিকনা নাই...।'

'কি আৰু কি জানা ৰাজ তেওঁৰ বিষয়ে।' তেনেকৈ বিশেষ নাজানো। এদিন প্ৰৱালে কৈছিল মানুহজনী বোলে দুই

নশ্বৰী। তাৰ ভৰি এখন ভগা বুলি জানিও বিয়া সোমাইছিল। তাৰ পাছত গৈ গাঁৱৰটোৰ লগত সেইবোৰ...।' মনে মনে থাকা ৰাজ প্লিজ আৰু নক'বা।' 'গীতু তুমি কিবা জানা এইটো বিষয়ে? অ' জানো। মই যদি কওঁ এইবোৰ সকলো মিছা। সন্দেহৰ বশৱৰ্তী হৈ বাহিৰ হোৱা মিছা অপবাদ তুমি বিশ্বাস কৰিবানে ৰাজ?' গীতা তুমি এইবোৰ কি কৈছা মই একো বুজা নাই। শুনা তেন্তে, আজি তিনি বছৰৰ আগৰ এটি ঘটনা। যিজনক পাঁচ বছৰৰ আগৰ পৰা দেৱতা জ্ঞান কৰি আহিছিলো তেওঁৰে চুলিত ধৰি মোহাৰি দিছিল সমাজৰ বিবাহিতা স্ত্ৰীৰ সন্মানীয় প্ৰতীক মোৰ শিৰৰ সেন্দুৰ। হয় তেওঁৰ ভৰিখন ভাগিছিল আৰ্মিৰ এটা অপাৰেচনত। মই জোৰ কৰি বিয়া সোমাইছিলে। কাৰণ ভাঙি পেলাব নিবিচাৰিছিলো চাৰি বছৰৰ প্ৰেমৰ সম্পৰ্ক। বিলীন হ'ব দিব নোৱাৰিছিলো আমি আগতেই ৰচি থোৱা সোণালী সপোনবোৰ। মা-দেউতাৰ আশা আকাংক্ষা প্ৰত্যাখান কৰি চিৰজীৱন সাৰথি হোৱাৰ প্ৰতিশ্ৰুতিৰে পিন্ধি লৈছিলো শিৰত আমাৰ প্ৰেমৰ প্ৰতীক। চৰকাৰী স্কুলৰ চাকৰিটো বাদ দি বিয়াৰ পাছত ওচৰৰে প্ৰাইভেট কলেজ এখনত কাম কৰাৰ সুবিধা পাইছিলো। তেখেতৰ ভায়েক সম্বন্ধীয় এজনেও তাতেই চাকৰি কৰিছিল। তাৰ লগতে অহা যোৱা কৰিছিলো। সি মোৰ সমবয়সীয়া আছিল। সেইবাবে হয়তো তাৰ লগত ভাল সম্পৰ্ক গঢ়ি উঠিছিল। তেওঁ লগত বন্ধুত্ব কৰাটোৰেই মোৰ ভুল আছিল। ঘৰখনত সংঘাত বৃদ্ধি পাইছিল। আমাৰ সম্পৰ্কটো বেলেগ দৃষ্টিৰে চাব ধৰিছিল। মোৰ মৰমৰ আলপৈচান বেয়া পাইছিল সকলোৰে। পাকঘৰতটো সোমাবলৈকে নিদিছিল। মায়ে প্ৰায়ে কৈছিল মোৰ ল'ৰাটোৰ তেজ খাবলৈ আহিলি। 'তাৰ ওচৰলৈ আগতেই গুচি নগৈছিলি কিয়? এটাৰ লগত থাকি এটাৰ লগত প্ৰেম কৰিবলৈ আহ? লাজ চৰম নোহোৱাৰ জাত। মান সন্মান সকলো শেষ কৰিলি তই। ওলাই যা, বাহিৰ হ মোৰ ঘৰৰ পৰা।' মাক মই বুজাব নোৱাৰিলো। তেওঁও নুবুজিলে মোক। সেইদিনা তেওঁৰ ভৰিত ধৰি কৈছিলো—'চোৱাচোন দ্বীপ, মায়ে মোক কেনেকৈ কৈছে। মই হেনো তোমাৰ তেজ খাইছো। শুনা শুনা মায়ে মোক কেনেকৈ কৈছে। তুমি অন্ততঃ মোক বুজা। মাক কিবা এটা নোকোৱা কিয় দ্বীপ। আজি তুমিও নুবুজা হ'লা মোক। ইমান কোৱাৰ পাছতো তুমি এবাৰো নাভাবিলা মোৰ কথা। নিজ হাতে কেনেকৈ মচি দিব পৰিলা মোৰ সেন্দুৰ। নাই, নাই মই এয়া কেতিয়াও কৰিব নোৱাৰো। মই তোমাক বিদায় জনাব নোৱাৰো দ্বীপ, মই নোৱাৰো। এই শিৰৰ সেন্দুৰৰ শপত মই এনে একো পাপ কৰা নাই দ্বীপ, যিটো তোমালোকে ভাবিছা। মোক মিছাতে সন্দেহ কৰিছা দ্বীপ, এইবোৰ সকলো মিছা বিশ্বাস কৰা। মোৰ সঁচা প্ৰেমিক তুমি। প্ৰতাৰণা কৰিলা কিয়? মই ভবা নাছিলো তুমিও এনে মানসিকতাৰ গৰাকী হৈ পৰিবা বুলি। মই সেইদিনা ঘৰ এৰাৰ সিদ্ধান্ত লৈছিলো। গুৱাহাটীলৈ গুচি গৈছিলো নিজকে সম্পূৰ্ণ ৰূপে সলনি কৰিবলৈ। এল এল বি কৰিলো তাতেই। কোনেও নাজানে মোৰ আচল পৰিচয়। তোমাক ভাল বন্ধু হিচাপে পালো। তথাপি কোৱা নহ'ল মোৰ আচল পৰিচয়। মোক ক্ষমা কৰি দিয়া ৰাজ। সেইখন ঘৰৰ প্ৰতি মোৰ বহুত ঘৃণা থাকিলেও মই শ্ৰদ্ধা কৰোঁ তেওঁলোকক নিজকে জ্ঞানদ্বীপৰ পত্নী বা সেইখন ঘৰৰ বোৱাৰী ৰূপে নিজকে মানি আহিছো। দ্বিতীয়টো চাকৰিৰ পোষ্টিঙও ইয়াতেই পালো। কি ভাগ্য প্ৰথমটো কেচ্ও তেওঁলোকৰে। তেওঁলোকে হয়তো মোক চিনি নাপালে। মোৰ কিন্তু তেওঁলোকক দেখি বহুত ভাল লাগিল জানা ৰাজ। হয়তো বহুত বেয়াও লাগিছে...।' 'আমাক ক্ষমা কৰি দিবানে গীতু।' পাছফালৰ পৰা কোনোবাই সাৰটি ধৰিলত আবেগিক মনটো হঠাৎ বাস্তৱলৈ ঘুৰি আহিল। ৰাজৰ চকুত চকুলো। পাছলৈ ঘুৰি চায় দেখিলে জ্ঞানদ্বীপে মোক সাৰটি ধৰি আছে। সি কান্দিছে। মাক, ভনীয়েক, প্ৰৱাল সকলো। 'আমাক ক্ষমা কৰি দিয়া বোৱাৰী। বৌ আমাক ক্ষমা কৰি দিয়া প্লিজ, আমাৰ ভুল বুজি পাইছো আমি।' মই একো ক'ব পৰা নাছিলো। মুখৰ মাত হেৰাই গৈছিল মোৰ। মাত্ৰ এটা শব্দই কোৱা মনত আছে 'দ্বীপ' মই অচেতন হৈ পৰিছিলো।

(২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহত থলীতে লিখা গল্প প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গল্প)

# বাহিৰে ৰংৰহইচ, ভিতৰি কোৱা ভাতুৰী

**চিমি কোঁৱৰ**
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

পুৱাৰ কোমল ৰ'দজাকে পিটাৰৰ মনটো পোহৰাই তুলিলে। বহুত হেঁপাহ লৈ সি ভাৰতলৈ আহিছে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা। সুদূৰ আমেৰিকাৰ পৰা ফ্লাইটত আহি গুজৰাটৰ আহমেদাবাদ এয়াৰপৰ্টত সি নামিলহি যোৱাকালি। ভাৰতৰ বিষয়ে সি পুথিতহে পঢ়িছে। ইণ্টাৰনেটতো পঢ়িছে। এসময়ৰ পত্ৰবান্ধৱী পঞ্চীৰ পৰাও শিকিছে, জানিছে বহু কথা। তেতিয়াৰে পৰাই ভাৰতৰ প্ৰতি তাৰ এক সুকীয়া আবেগ-সুকীয়া অনুভূতি।

আহমেদাবাদত ফ্লাইটৰ পৰা নমাৰ পাছত এক ভাগৰুৱা অনুভূতিয়ে তাক অৱশ কৰি পেলালে। অলপ সময় জিৰণি লোৱাৰ উদ্দেশ্যে সি বিলাস নামৰ হোটেল এখনত সোমাল।

ঃ একাপ অফ্‌কফি উইথ এ চুইট।

ঃ অ' কে।

ৱেটাৰে দিয়া কফিকাপ হাতত লৈছিলহে টি ভিৰ বাতৰিটোলৈ তাৰ চকু গ'ল। তাত আছিল অসংখ্য মানুহ। হাতত আছিল ঝাড়ু। ভাৰতখননো ইমান লেতেৰানে? সি নিজকে প্ৰশ্ন কৰিলে। সিটো কোনো ঠাইতে ভাৰতখন লেতেৰা বুলি পঢ়িবলৈ পোৱা নাছিল আৰু লেতেৰাই হ'ল যেনিবা এনেদৰে এটা নিৰ্দিষ্ট দিনত হাতে হাতে ঝাড়ু লৈ চাফা কৰিলেতো চাফা হৈ নাযায়। কাইলৈতো আকৌ লেতেৰা হ'ব। তাৰ মনটো হঠাতে গহীন হৈ গ'ল। ইমান হেঁপাহেৰে সি ভাৰত ভ্ৰমণত আহিছে মুহূৰ্ততে সকলো আনন্দ উল্লাস মৰহি গ'ল মনৰ পৰা।

পিটাৰে বাকীখিনি বাট ট্ৰেইনেৰে যোৱাৰ সিদ্ধান্ত কৰিলে। অৱশেষত এতিয়া সি খানদেৱাৰ পৰা অসমৰ গুৱাহাটী অভিমুখে আহি আছে। সকলোতে চাফাই অভিযান। হাতে হাতে ঝাড়ু লৈ কেমেৰালৈহে চকু দি আছে।

ঃ কি চাইছে?

পিটাৰে কান্ধত অনুভৱ কৰিলে কাৰোবাৰ হাতৰ কোমল স্পৰ্শ। এজনী ছোৱালীয়ে হাঁহিমুখেৰে তাক কিবা সুধিছে। তাইৰ চকুত নীলাৰঙৰ এযোৰ চছ্‌মা। পিটাৰে একো বুজি নাপাই মিচিকিয়াই হাঁহি ক'লে—

ঃ আই এম পিটাৰ ফৰ্ম ইউ এছ এ। ইউ?

ঃ অহ! আই এম সুলেখা, ফৰ্ম গুৱাহাটী।

ঃ গুৱাহাটী!

পিটাৰৰ মুখখন উজ্জ্বল হৈ উঠিল। সিওতো গুৱাহাটীলৈকেই ট্ৰেইনত উঠিছে।

ঃ অ' কে। আই এম গয়িং টু গুৱাহাটী নাও।

সুলেখাই ক'লে।

ঃ কেন নট উয়ি বি ফ্ৰেণ্ডচ্‌?

ঃ অফ কৰ্চ।

সিঁহতে ভাৰতৰ বিষয়ে অসমৰ বিষয়ে বহু কথাই

পাতিলে। মাজতে নতুন চৰকাৰখনৰ স্বচ্ছ ভাৰত অভিযানৰ বিষয়েও কথা পাতিলে। পিটাৰৰ যাত্ৰাৰ সময়কন ভালদৰেই পাৰ হৈছে এই দুদিন। সুলেখাৰ দৰে হাঁহিমুখীয়া ছোৱালী এজনী বান্ধৱী হিচাপে পাইছে। তাই বহুত হঁহোৱাবও জানে। সুলেখাই কোৱা এনে এটা হাঁহি উঠা কথা হ'ল— 'এবাৰ হেনো জাপানৰ প্ৰধানমন্ত্ৰী এজন ভাৰত ভ্ৰমণত আহিল। সেই সময়ত ভাৰতখন ইমান ধুনীয়াকৈ সজাই চিক্‌মিকীয়া কৰি থৈছিল যে ভাৰতখন যে লেতেৰা সেইটো তেওঁ গমেই নাপালে। পৰৱৰ্তী সময়ত ভাৰতৰ সেই প্ৰধানমন্ত্ৰীজনে জাপান ভ্ৰমণত যাওঁতে জাপানখননো কিমান স্বচ্ছ সেয়া পৰীক্ষা কৰিবৰ মনেৰে ৰে'ল লাইনটো তন্ন তন্নকৈ চালে। হঠাতে অকনমান দূৰত কোনোবা এটা সেইখিনিৰ পৰা আঁতৰি পলাই গ'ল। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে জাপানৰ প্ৰধানমন্ত্ৰীক লাজ দিবলৈ ক'লে 'দেখিছে সৌটো কেনেকৈ পলাইছে? ভাৰতৰ তুলনাত কিন্তু জাপানখন অলপ লেতেৰা দেই। কোৱা বাবে বেয়া নাপাব।' জাপানৰ প্ৰধানমন্ত্ৰীয়ে এই কথাত খুউব লাজ পালে আৰু সেই পলাই যোৱাটোক শাস্তি দিবৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰীক সুধিলে ঃ ইয়াৰ যে কি ব্যৱস্থা কৰো এতিয়া!' ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে ক'লে ঃ তোৰ ঘৰ ক'ত? তোৰ স্কুল, কলেজত পৰিষ্কাৰ পৰিচ্ছন্নতাৰ একো শিক্ষাই নিদিলেনে? আৰু তোৰ ঘৰত মাৰ-দেউতাৰে হ'বলা স্বচ্ছ হৈ থাকিবলৈ, চৌপাশ পৰিষ্কাৰকৈ ৰাখিবলৈ কোৱা নাই।'

তেতিয়া শাস্তি দিবলৈ অনা ল'ৰাটোৱে ভয়ে ভয়ে ক'লে— 'মোৰ ঘৰ ভাৰতত চাৰ। ইয়ালৈ ফুৰিবলৈহে আহিছিলো।'

হাঃহাঃহাঃ! পিটাৰৰ আকৌ হাঁহি উঠি গ'ল।

ঃ হোৱাট হেপেনচ? হোৱাই আৰ ইউ লাফিং?

ঃ ইউৰ ষ্টৰি ইজ ভেৰি নাইচ।

পিটাৰে সুলেখাক যিখিনি বুজালে তাৰ অৰ্থ হ'ল যে এই গল্পটো আচলতে হাতত ঝাড়ু লৈ কেমেৰাৰ সন্মুখত ৰৈ থকা সকলহে কোৱা উচিত। গল্পটো আচলতে এটা ভাল শিক্ষা হ'ব তেওঁলোকৰ বাবে।

ঃ তুমি ঠিকেই কৈছা পিটাৰ। এদিন মাথো স্বচ্ছ ভাৰত অভিযান কৰি ভাৰতক স্বচ্ছ কৰা অসম্ভৱ। ভাৰতক স্বচ্ছ কৰিবলৈ হ'লে প্ৰতিজন ভাৰতীয় নিজে স্বচ্ছ হ'ব লাগিব। জাৱৰ-জোঁথৰ পেলাবলৈ ডাষ্টবিন ব্যৱহাৰ কৰিব লাগিব। কলকাৰখানাৰ আৱৰ্জনাবোৰ নদীত পেলাব নালাগিব। অন্যথা চৰকাৰে আকৌ এদিন অন্য কিবা অভিযান উলিয়াব।

তেনেতে সিঁহতৰ ট্ৰেইনখন গুৱাহাটী ষ্টেচনত ৰখালহি। পিটাৰৰ মনটো সুলেখাক বিদায় জনাবলৈ গৈ সেমেকি উঠিল।

ঃ গিভ মি ইউৰ ফ'ন নম্বৰ প্লিজ। আই উইল মিট ইউ লেটাৰ।

ঃ অ' কে। নাইচ টু মিট ইউ পিটাৰ। কনটেক্ট মি. অ' কে।

ট্ৰেইনৰ পৰা নমাৰ পাছত দুয়ো ভিৰৰ মাজত হেৰাই গ'ল। গুৱাহাটীতো তেতিয়া স্কুলে, অফিচে মোদীৰ স্বচ্ছ ভাৰত অভিযানৰ আখৰা। সন্মুখত সাংবাদিকৰ কেমেৰা। পিটাৰৰ আকৌ সুলেখাৰ গল্পটো মনত পৰিল। এটা মিঠা হাঁহি তাৰ গালে মুখে বিয়পি পৰিল...। বাহিৰে ৰং চঙীয়া ভিতৰে কোৱা ভাতুৰী... তাৰ ওঁঠেৰে এটা তপত হুমুনিয়াহ বাগৰি গ'ল।

# হৃদয়ত ঢৌ তোলা এজাক ধুমুহা ....

কস্তুৰী শৰ্মা
স্নাতক তৃতীয় ষান্মাসিক
ভূগোল বিভাগ

দিনটোৰ ব্যস্ততাৰ অন্তত উন্মাদনাই খিৰিকিৰ ৰেলিঙত ধৰি দূৰ দিগন্তলৈ বিয়পি থকা আকাশখনলৈ এবাৰ চাইছে। আবেলিৰ মৃদু বতাহজাকে গান গাইছে। গানৰ চেৱে চেৱে নাচিছে খিৰিকিৰ কাষৰ হাচনাহানাজোপাই। এই আবেলিটো উন্মাদনাৰ বৰ প্ৰিয়। নিজৰ বিষয়ে ভাবিবলৈ এই আবেলিটোৰ বাহিৰে আৰু বেলেগ সময় তাইৰ নাই। ৰাতিপুৱা শুই উঠাৰ পৰা নিজৰ পৰিয়াল, অফিচ এইবোৰক লৈয়ে তাই ব্যস্ত থাকিব লাগে। অফিচৰ পৰা আহি প্ৰায়ে তাই এই খিৰিকিখন খুলি দিয়ে। খিৰিকিখনৰ সন্মুখত বৈ দেখা পোৱা আকাশখনৰ বিশাল বুকুৰ মাজত তাই জীৱনটোক স্পষ্টকৈ দেখা পায়। আকাশখনৰ বুকুত তাই কেতিয়াবা তাইৰ জীৱনৰ সুখ আৰু কেতিয়াবা দুখবোৰ বিচাৰি পায়।

উন্মাদনাৰ হঠাৎ মনত পৰিল তাই কালি দেখা সপোনটোৰ কথা। বুজিব নোৱাৰা অজস্ৰ বিষাদ আহি তাইক আৱৰি ধৰিলেহি। পাহৰিবলৈ যত্ন কৰা এই কথাবোৰ সময়ে লাহে লাহে পাহৰাইছিল তাইৰ মনৰ পৰা। 'সময়ে মোহাৰি দিয়ে সকলো বিষাদ গ্ৰন্থা, সময়ে মসৃন কৰে হেৰুৱাৰ যন্ত্ৰনা। কিন্তু হঠাৎ নিশাৰ গভীৰ টোপনিৰ উমান লৈ ক'ৰ পৰা জানো আহে এই স্বপ্ন-দুঃস্বপ্নবোৰ। যাক বাধা দি ৰাখিব নোৱাৰি, যি পুনৰ খুলি দিয়ে হৃদয়ৰ ৰিক্ত দুৱাৰখন। উন্মাদনাই আগফালৰ বাৰান্দালৈ ওলাই আহিল, প্ৰতিটো খোজতেই উশাহতেই গভীৰ হৈ আহিল তাইৰ যন্ত্ৰনা। বাৰান্দাৰ চকীখনত তাই বহি পৰিল। ভাবিবলৈ ধৰিলে সপোনটোত মুখামুখি হোৱা সেই মৰমলগা ল'ৰাটোৰ কথা। গভীৰ ভাৱনাত তাই বিভোৰ হ'ল। উটি গ'ল তাই পাৰ কৰি অহা দিনবোৰলৈ।

কিমান দিৰ মূৰত যে তাই মৰমৰ ভায়েকটোক দেখা পালে। এটা সময়ত তাক এবাৰ সপোনত হ'লেও চাবলৈ ব্যাকুল হৈ পৰিছিল তাই। যিমান পাৰে সিমান চেষ্টা কৰিছিল তাক বিচাৰি উলিয়াবলৈ, কিন্তু বহুত চেষ্টাৰ মাজতো তাই তাক বিচাৰি পোৱা নাছিল। লাহে লাহে তাই তাক পাহৰিবলৈ যত্ন কৰিছিল। কিন্তু হঠাৎ কালি সেই সপোনটোত তাক দেখা পালে যি হেৰায় যোৱাৰ পিছত দ্বিতীয় বাৰৰ বাবে। সি তাইক সপোনত বহুত কথাই কৈছিল, তাই কিন্তু কি কৈছিল একো মনত পেলাব নোৱাৰিলে।

সাগৰৰ তলিত মুকুটা বুটলিবলৈ উন্মাদনাই স্নাতক প্ৰথমবৰ্ষৰ ছাত্ৰী হিচাপে মহাবিদ্যালয়ত ভৰ্তি হ'ল। হঠাৎ তাই এদিন দেখবলৈ পালে সেই বৰ্ষতে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰা কাংকান নামৰ সেই জনজাতীয় ল'ৰাটোক। কলেজৰ সন্মুখত থকা কৃষ্ণচূড়াজোপাৰ তলত বৈ বিষাদভৰা চকু দুটাৰে তাইলৈ চাই থকা ল'ৰাটোক হঠাৎ দেখি উন্মাদনাৰ ল'ৰাটোলৈ মৰম লাগি গ'ল। সেই দিনাৰ পৰাই তাই প্ৰায়ে তাক তেনেদৰে চাই থকা দেখিছিল যদিও তাহাঁতৰ মাজত কথা-বাৰ্তা হোৱা নাছিল। কিন্তু হঠাৎ এদিন তাহাঁতি লাইব্ৰেৰিত মুখামুখি হ'ল আৰু সি সন্মানেৰে তাইৰ লগত চিনাকি হ'ল। এই চিনাকিতেই তাহাঁতৰ মাজত বায়েক-ভায়েকৰ এটা মধুৰ সম্পৰ্ক গঢ়ি উঠিল। দিন বাগৰাৰ লগে লগে সম্পৰ্কটো তুমিৰ পৰা তই হ'ল আৰু ইটোৱে সিটোক মনৰ কথাবোৰ খুলি ক'বলৈ ধৰিলে। মাক-দেউতাকৰ একমাত্ৰ সন্তান কাংকান দেখা-শুনা, পঢ়া সকলো ফালৰ পৰাই ভাল। বিষাদ ভৰা তাৰ দুচকুৰ মাজত আছে অফুৰন্ত ভৱিষ্যতৰ সোণোৱালী সপোন, নাই মাথোঁ সোণোৱালী ভৱিষ্যৎ গঢ়িবলৈ তাক সুবিধা দিবৰ বাবে মাক-দেউতাকৰ সামৰ্থ। তথাপি তাৰ মাক-দেউতাকে

তাক সেইটো কেতিয়াও অনুভৱ কৰিবলৈ দিয়া নাই।

সিও মাক-দেউতাকৰ মনত দুখ দিবলৈ পঢ়া শুনাত কেতিয়াও অৱহেলা কৰা নাই। কিন্তু নিয়তি যে কি নিষ্ঠুৰ। হঠাতে এটা ৰাতি জ্বৰত ভুগি কাংকানৰ দেউতাক ঢুকাই থাকিল। তেতিয়া সি স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। দেউতাকৰ মৃত্যুৰ পাছত তাহাঁতৰ ঘৰখনত আৰ্থিক অনাতনে বাৰুকৈয়ে দেখা দিলে। এফালে পঢ়াৰ অদম্য বাসনা আৰু আনফালে উন্মাদনাই বি,এ পাছ কৰি মহাবিদ্যালয় ত্যাগ কৰিলে। কাংকানৰো স্নাতক দ্বিতীয় বৰ্ষত নামভৰ্তি কৰাৰ সময় হ'ল। অৰ্থৰ অভাৱৰ বাবে নামভৰ্তি কৰিব নোৱাৰি কাংকান কলেজীয়া জীৱন ত্যাগ কৰাৰ সিদ্ধান্ত ল'লে। কঠোৰ সিদ্ধান্তটো গ্ৰহণ কৰাৰ পিছৰে পৰা সি বেয়াৰ পথলৈ আগবাঢ়ি যাবলৈ ধৰিলে। তাৰ ভাল লগবোৰ এৰি সি কিছুমান অসৎ ল'ৰাৰ সংগ ল'লে। অসৎ ল'ৰাবোৰৰ লগত সি মদ-চিগাৰেটৰ আড্ডা মাৰিবলৈ ধৰিলে। উন্মাদনাই তাক বিচাৰি এদিন তাঁহাতৰ ঘৰলৈ গৈছিল আৰু তাৰ দুৰ্ভগীয়া মাকে তাইক সকলো কথা বিৱৰি কৈছিল। ঠিক তেনেসময়তে মদৰ নিচাত মাতাল হৈ হাতত এটা জ্বলন্ত চিগাৰেটৰ সৈতে সি ঘৰলৈ আহিছিল। ঢলং পলংকৈ আহি থকা মৰমৰ ভায়েকক দেখি উন্মাদনা আচৰিত হৈছিল আৰু খঙত নানা কটু কথা তাক শুনাইছিল, যদিও মদৰ নিচাত মাতাল হৈ থকা মৰমৰ ভায়েকে হাতৰ চিগাৰেটটো মুখলৈ নি কুণ্ডলী পকাই ধোঁৱা উৰুৱাই তাইক কৈছিল—'মই মদ খাওঁ, আৰু চিগাৰেটও খামেই। মেডিকেল ছায়েন্স মতে মদে যি Emalional disterbance সৃষ্টি কৰে তাৰ balance ৰাখিবৰ কাৰণে মানুহে মদৰ লগতে চিগাৰেট খোৱাৰ প্ৰয়োজন অনুভৱ কৰে আৰু মইও কৰোঁ। উন্মাদনাৰ খঙে সীমা চেৰাই গ'ল আৰু তাক দুটা চৰ মাৰিলে। কাংকান শান্ত হ'ল আৰু তাৰ দুচকুৰে চকুলো নিগৰি আহিল। উন্মাদনাই কান্দি কান্দি তাহাঁতৰ ঘৰৰ পৰা ওলাই আহিল। পিছদিনা পুনৰ কাংকান উন্মাদনাৰ ওচৰলৈ আহি সি কিয় এনে কাম কৰিবলৈ ল'লে তাইক সকলো বুজায় ক'লে। উন্মাদনাই অনুভৱ কৰিলে তাৰ মনত জ্বলি থকা জুইকুৰাৰ উত্তাপ। তাই তাক দ্বিতীয় বৰ্ষত নামভৰ্তি কৰিবলৈ অনুৰোধ জনালে আৰু সকলো উন্মাদনাৰ কথা মতেই সি কলেজত নামভৰ্তি কৰিলে আৰু আগৰ বেয়া লগ সংগ, অভ্যাস সকলো ত্যাগ কৰি আগৰ দৰে পঢ়া-শুনাত মন দিলে। উন্মাদনাৰ এদিন বিয়া হৈ গ'ল। তথাপিও তাই মৰমৰ ভায়েকক দিয়া প্ৰতিশ্ৰুতিৰ কথা নাপাহৰিলে। কাংকানেও সুখ্যাতিৰে বি,এ পাছ কৰিলে। নিজৰ হাত খৰচ উলিয়াবলৈ আৰু দুৰ্ভগীয়া মাতৃক চোৱা চিতা কৰিবলৈ সি এটা চাকৰিৰ সন্ধান কৰিবলৈ ধৰিলে, যদিও সি এটা চাকৰিৰ যোগাৰ কৰিব নোৱাৰিলে। মাজে মাজে কাংকান উন্মাদনাৰ ঘৰলৈ যায়। এদিন কথাৰ মাজতেই সি তাইক কৈছিল সি বোলে অসমৰ বাহিৰলৈ যাব এটা চাকৰিৰ খবৰ কৰিবলৈ। সেই কথামতেই সি এদিন ঘৰৰ পৰা ওলাই গ'ল, ক'ত গ'ল কিন্তু সি তাৰ বৃদ্ধা মাতৃকো নজনালে। মাকৰ লগতে উন্মাদনাইও তাৰ সন্ধান কৰিবলৈ ধৰিলে। কাংকান নাইকিয়া হোৱাৰে পৰা মাকৰ লগতে উন্মাদনাৰ হৃদয়ে আকাশৰ বিশালতাৰ দৰেই শূণ্য হৈ গ'ল। উন্মাদনাই 'বিচ্ছেদ' এভঁৰাল যন্ত্ৰনা কঢ়িয়াই ফুৰা শব্দটোক সাৱটি হাহাঁকাৰ শূণ্যতাৰ অৱবাহিকাত ডুবিব ধৰিলে।

উন্মাদনাৰ বিষাদগ্ৰস্ত হৃদয়খন জ্বলি জ্বলি শেষ হ'ব ধৰিলে। নিৰ্জন আবেলিবোৰত যেতিয়া উন্মাদনাই অকলশৰে বহি থাকে তেতিয়া তাই মৰমৰ ভায়েকৰ সৈতে পাৰ কৰি অহা কলেজীয়া দিনৰ সযতনে সামৰি থোৱা সেই স্মৃতিৰ সেউজীয়া পাতবোৰ মেলি চায়। স্মৃতি ফুলৰ পাপৰিবোৰ ঠন ধৰি উঠে তাইৰ বুকুৰ হিমচেঁচা উপত্যকাত। কেনেকৈ যে পাৰ হৈ গ'ল সেই দিনবোৰ যিবোৰ দিনত তাইৰ মনত এহেজাৰ গোলাপ একেলগে ফুলিছিল। এনেকৈয়ে উভতি নাহে সেই প্ৰত্যাশিত দিনবোৰৰ মুহূৰ্তবোৰ, যাক লৈ কেতিয়াবা তাই উচুপি উঠে অকলশৰীয়া সময়বোৰত।

দুটা বছৰ পাৰ হৈ গ'ল। উন্মাদনাই ভায়েকৰ সন্ধান উলিয়াব নোৱাৰি থমকি ৰৈছিল। কিন্তু হঠাৎ এদিন ৰাতিপুৱা ক'ৰবাৰ পৰা কাংকান আহি তাইৰ ঘৰ ওলালেহি। তাই তাক দেখি প্ৰথমতে আচৰিত হৈছিল যদিও মনৰ আনন্দত আত্মহাৰা হৈ পৰিছিল। সেইদিনা তাই অফিচলৈ নগ'ল আৰু তাৰ লগত বহুত কথা পাতিলে। সি তাহাঁতক এৰি থৈ ক'ত গৈছিল, ইমান দিন ক'ত আছিল, সি কি কৰে আদি বিভিন্ন প্ৰশ্নই তাই তাক আৱৰি ধৰিলে। সি এফালৰ পৰা উত্তৰ দি গ'ল।

এদিন ৰাতি সি এটা চাকৰিৰ বাবে ঘৰৰ পৰা কাকো নজনোৱাকৈ ওলাই গৈ প্ৰতিজ্ঞা কৰিছিল এটা চাকৰি যোগাৰ কৰিব নোৱাৰা লৈকে সি ঘৰলৈ উভতি নাহে। অৱশেষত সি এটা চাকৰি যোগাৰ কৰিলে, কিন্তু কি চাকৰি উন্মাদনাই বহু বাৰ সোধাৰ পাছতো সি নক'লে। মাথো ক'লে সি এটা চাকৰি

কৰে। অসমৰ বাহিৰত বৰ ব্যস্ততাপূৰ্ণ চাকৰি। যাৰ বাবে সি এই দুবছৰে ঘৰলৈ আহিব পৰা নাছিল। সি আৰু ক'লে এটা কামৰ কাৰণে সি দুদিনৰ কাৰণে অসমলৈ আহিছে আৰু কালি মাকৰ লগত থাকি আজি তাইক দেখা কৰিবলৈ আহিল। উন্মাদনাই তালৈ ভাত বাঢ়ি দিলে আৰু ভাত খাই উঠি সি যাবলৈ ওলালে যদিও তাই তাক পঠিয়াবলৈ মন কৰা নাছিল তথাপিও তাক তাৰ ব্যস্ততাৰ বাবে থাকিবলৈ জোৰ নকৰিলে। সি তাইক যাবৰ সময়ত ক'লে 'মা আৰু তোক এবাৰ চাবলৈ বহুত মন গৈ আছিল। আজি মই বহুত আনন্দিত তহঁতক লগ পাই। আকৌ বা কেতিয়া দেখিবলৈ পাঁও।' এই বুলি সি গুচি গ'ল।

কাংকান যোৱাৰ পাছত উন্মাদনাই নিজৰ কামত ব্যস্ত হৈ পৰিল। সন্ধিয়াৰ বাতৰিটো চোৱাৰ উদ্দেশ্যে তাই টি ভিটো অন কৰি দিলে আৰু টিভিৰ পৰ্দাত দেখিবলৈ পালে বোমা বিস্ফোৰণৰ এটি কৰুণ দৃশ্য। চাৰিওফালে পৰি আছে ৰক্তাক্ত বহুতো শৰীৰ। ডাঙৰ ডাঙৰ আখৰে পৰ্দাত লিখা আছে বোমা বিস্ফোৰণত এটা দুৰ্দান্ত সন্ত্ৰাসবাদীৰ আত্মঘাটী। মানুহৰ জীৱনক লৈ খেলা কৰা সেই সন্ত্ৰাসবাদীটোৰ ওপৰত তাইৰ ঘৃণা উপজিল। টিভিৰ পৰ্দাত তাই দেখিবলৈ পালে সেই সন্ত্ৰাসবাদীটো আন কোনো নহয়, তাইৰ মৰমৰ ভায়েক 'কাংকান।' দৃশ্যটো দেখাৰ লগে লগে কিছু সময়ৰ বাবে তাই জ্ঞান শূণ্য হৈ পৰিল। তাই যেতিয়া পুনৰ জ্ঞান ঘূৰাই পালে তেতিয়া তাই ভাবিলে তাইৰ মৰমৰ ভায়েকৰ সেই ব্যস্ততাপূৰ্ণ জীৱনটো সন্ত্ৰাসৰ লগতেই জড়িত, সন্ত্ৰাসবাদী সংগঠনৰ সদস্যই হ'ল তাৰ চাকৰি। তাৰ সেইটো কাম আছিল যিটো কামৰ বাবে সি তাইৰ ঘৰৰ পৰা দৰকাৰী কাম এটা আছে বুলি খৰ-খেদাকৈ গুচি গৈছিল। সেই কামটো এইটোৱেই আছিল। এই দুৰ্ভগীয়া নিৰ্দোষী মানুহবোৰৰ প্ৰাণবোৰ ল'বলৈকে খৰখেদা কৰিছিল। ভায়েকক ঘূৰাই পোৱাত উন্মাদনাৰ যিমান ভাল লাগিছিল, মানুহৰ জীৱনক লৈ খেলা কৰি মৃত্যুক আকোঁৱালি লোৱাৰ বাবে তাইৰ তাৰ ওপৰত অধিক ঘৃণাও উপজিছিল। উন্মাদনাই চেষ্টা কৰিলে তাক মনৰ পৰা আঁতৰাই পঠিয়াবলৈ। তাক পাহৰি যাবলৈ অশেষ চেষ্টা কৰিছিল তাই। কিন্তু অন্তৰৰ গভীৰতম কোণৰ পৰা ভাল পোৱা এসময়ৰ মৰমৰ ভায়েকক পাহৰিব পৰা নাছিল তাই।

সময় বাগৰি গৈছিল। সময়ৰ সৈতে সকলো মানুহৰ লগত খোজ মিলাই উন্মাদনাও আগবাঢ়ি গৈছিল জীৱনৰ বাটত। কাংকানৰ মৃত্যু হোৱা আজি প্ৰায় দহ বছৰেই হ'ল। দিন বাগৰাৰ লগে লগে উন্মাদনাৰ জীৱনলৈও ব্যস্ততা বাঢ়ি আহিল আৰু ব্যস্ততাই তাইক মৰমৰ ভায়েকৰ কথা পাহৰাই ৰাখিছিল। কিন্তু কালি দেখা সেই সপোনটোৱে তাইক আজি পুনৰ সোঁৱৰাই দিছে অতীতৰ সেই কথাবোৰ, ভায়েকৰ সৈতে পাৰ কৰি অহা সেই দিনবোৰ আৰু মৰমৰ ভায়েকৰ মৃত্যুৰ কাহিনীটোক। যিটোৱে তাইৰ মনটোক আজি পুনৰ দুৰ্বল কৰি পেলাইছে। তাই বাৰুকৈয়ে অনুভৱ কৰিছে যে পৃথিৱীৰ সকলো মানুহকে ভাল পাব লাগে। কিন্তু কাকো গভীৰভাৱে ভাল পাব নালাগে। নালাগে কাকো বহুৱাব হৃদয় নামৰ ঠুনুকা কাঁচ ঘৰটিত। কাৰণ অন্তৰ খুলি ভাল পোৱাজনক হেৰুৱাটো বৰ টান। মৰমৰ ভায়েকক হেৰুৱাই তাইৰ হৃদয়খন আজি ভাঙি চিঙি চুৰমাৰ হ'ব ধৰিছে। ঠিক গজালত আঁৰি থোৱা আইনাখন মাটিত পৰি ভাঙি যোৱাৰ দৰেই। তাইৰ দুগালেৰে ধাৰাসাৰে চকুলো নিগৰিছে। দূৰণিৰ নামঘৰৰ পৰা ভাঁহি অহা সন্ধিয়াৰ ডবাৰ শব্দত তাই উচপ খাই উঠিল। তাই বৰ্তমানলৈ ঘুৰি আহিল, অনুভৱ কৰিলে ইমান দেৰি তাই ভাৱনাৰ গভীৰ সাগৰত ডুব গৈ আছিল। বহি থকা চকীখনৰ পৰা উঠি আহি উন্মাদনাই বাৰান্দাৰ ৰেলিঙত ধৰি মুকলি আকাশখনলৈ চালে। ঠিক সেই সময়তে ৰাতিপুৱা আহাৰৰ সন্ধানত ওলাই যোৱা মুকলি চলাই কেইটাই গান গাই গাই বাঁহলৈ উৰি আহিছে। তাই অনুভৱ কৰিলে, তাইৰ দৰে দুখী মানুহবোৰৰ চকুত সিঁহতে ওপচাই দিয়ে এখন সুন্দৰ পৃথিৱী। উন্মাদনাৰ চকুৰ পানীবোৰ চকুতে শুকাই গৈছে। শুকাই গৈছে তাইৰ মনত ধৰফৰাই থকা সেই সেমেকা স্বপ্নটো।

এক মিনিটৰ গল্প ঃ

# অতীতৰ হেৰাই যোৱা স্মৃতি

**পূৰবী ৰাজখোৱা**
একাদশ শ্ৰেণী
ক'লা শাখা

*দিনবোৰ যিমানেই বাগৰি গৈছে তাৰ দুচকুত অশ্ৰুৰে নধৰা হৈ পৰিছে। তাৰ জীৱনৰ দুখৰ কাহিনীবোৰ ভাবিবলৈ ধৰিলে। মাকৰ মৃত্যুৰ পিছতো তাক দেউতাকে খুব মৰম কৰিছিল। কিন্তু তাৰ দেউতাকে দ্বিতীয় বিবাহ কৰোৱাৰ পিছত তাৰ জীৱনলৈ যেন ক'লা ডাৱৰহে নামি আহিল। তাৰ অৰ্থাৎ প্ৰীতমৰ দুগালেদি অশ্ৰু ব'বলৈ কৰিলে। সি উচুপি উচুপি কান্দি থকা দেখি মাহীমাকে ক'বলৈ ধৰিলে এই নাটক মোক দেখুৱাব নালাগে। মাৰৰ মূৰটো খালি। এতিয়া মোৰ মূৰটো খাবলৈ আহিছ। সি জানিছিল মাহীমাকৰ কাৰণে সি ৰাষ্টাই ঘাটে পৰি থকা জাৰৰ। দেউতাকে তাক মাকৰ সমানেই মৰম কৰিছিল। এতিয়াও হয়তো তাক মৰম কৰিলেহেঁতেন, কিন্তু দুৰ্ভাগ্য বশতঃ দেউতাকো এতিয়া অন্য এঠাইলৈ চাকৰি সূত্ৰে বদলি হৈ যাব লগাত পৰিল। যোৱাৰ আগতে দেউতাকে মাহীমাকক কৈ গৈছিল— প্ৰীতমক গালি শপনি নিদিবা তাৰ কিবা হ'লে ফোন কৰি জনাবা। পঢ়া শুনা চাইচিতি দিবা। তেতিয়া মাহীমাকে ক'লে আপুনি চিন্তা নকৰিব। সিটো মোৰেই ল'ৰা। তাক মই একো হ'বলৈ নিদিওঁ। এইদৰে কৈ দেউতাকে মাহীমাকৰ লগত তাক থৈ গ'ল।*

ৰাতিপুৱা বেলিৰ পোহৰ তাৰ দুকুচুত পৰিল। সি সাৰ পালে, মুখ-হাত ধুই পঢ়া টেবুল পালেগৈ। প্ৰীতমৰ পঢ়া শুনাত বৰ আগ্ৰহ। সেই সময়তে মাহীমাক প্ৰীতমৰ ৰুমত সোমাল আৰু ক'লে, 'পঢ়ি শুনি ডাঙৰ মানুহ বনিবি নেকি, বাৰীত যে ইমানবোৰ গৰু -ছাগলী সোমালে খেদিবলৈ দেখা নাই?' সি দ্বিতীয় মান শ্ৰেণীত পঢ়ে, সৰু ল'ৰা। মাহীমাকে এইদৰে কোৱা শুনি তাৰ কোমল অন্তৰখন বিষাদেৰে ভৰি পৰিল। তেতিয়া সি ভাবিলে দেউতাক থকা হ'লে তাৰ ইমান কষ্ট নহ'লহেঁতেন। এইবোৰ ভাবি-গুণি সি গা-ধুলেগৈ। গা-ধুই সি স্কুললৈ যাবলৈ ওলালে। মাহীমাকে বাধা দি ক'লে— কাম কৰাৰ ভয়তে স্কুললৈ যাবলৈ ওলাইছ। সি মাহী মাকক ক'লে, মাহী আই আজি এসপ্তাহ মই স্কুল যোৱা নাই। অনুগ্ৰহ কৰি আজি মোক যাবলৈ দিয়ক। প্ৰীতমে বহুত কাকুতি কৰাৰ পিছতহে তাক যাবলৈ দিলে। মুখত একো এটা নিদিয়াকৈ সি স্কুললৈ গ'ল। ভোকত পেট কল মলাই আছে। পেটৰ ভোক কেনেকুৱা সি বাৰুকৈয়ে উপলব্ধি কৰিছে। কিন্তু মাহীমাকে জানো এই কথা উপলব্ধি কৰিব, বৰং তাক দুগুণে অত্যাচাৰহে কৰিব।

মাহীমাকৰ গালি শপনি, মাৰ ধৰ তাৰ সহ্য কৰিব নোৱাৰা হৈছে। তাৰ ধৈৰ্য সীমা বাহিৰ হৈ আহিছে। সেয়ে সি ঘৰৰ পৰা ওলাই যোৱাটোকে থিৰ কৰিলে। কিন্তু দেউতাকলৈ তাৰ দয়া উপজিল। সি ঘৰৰ পৰা ওলাই গ'ল বুলি জানিলে বাৰু দেউতাকে কম দুখ পাবনে? এইবোৰ কথা ভাবিয়ে সি বৈ গ'ল সি গৈ খিৰিকিৰ কাষত ৰ'ল। ভগৱানক কাকুতি কৰিলে তাৰ জীৱনলৈ যেন সুখ ঘুৰি আহে। কিন্তু কেতিয়া আহিব? এনেতে মাহীমাকে তাৰ ডিঙিটোত ধৰি ক'লে— আৰামত থাকিব বিচাৰিছ। কাম কৰিব নাজান। আৰামত থাকিবলৈ আহিছ যা ঘৰৰ পৰা ওলাই যা। মোৰ অলপ শান্তি হ'ব। এইবুলি কৈ তাক মাহীমাকে ৰুমৰ পৰা বাহিৰলৈ গতা মাৰি উলিয়াই পঠিয়ালে। সি গৈ দেউতাকৰ ভৰিৰ ওচৰত পৰিলগৈ। সি আৰু মাহীমাকো আচৰিত হ'ল। কাৰণ তেওঁলোকে নাজানে যে আজি দেউতাক আহিব। দেউতাকে খবৰ নিদিয়াৰ বাবে সিঁহতে গম নাপালে। দেউতাকে প্ৰীতমক মৰম কৰি, মাহীমাকৰ গালত এটা চৰ বহুৱালে আৰু ক'লে—তোমাক বিশ্বাস কৰিহে মই ইয়াক তোমাৰ লগত থৈ গৈছিলো। আৰু এতিয়া তুমি ইয়াক এনেকুৱা ব্যৱহাৰ কৰিছা। মই আজিহে বুজি পালো তুমি এগৰাকী ঈৰ্ষাপৰায়ণ। তোমাৰ ওচৰত মাতৃৰ গুণবোৰ নাই। আৰু সেই কাৰণে ইয়াৰ এই অৱস্থা। তেতিয়া মাহীমাকে ক'লে— মোক ক্ষমা কৰি দিয়া, মই এইটো বহুত ভুল কাম কৰিলো। নিজেই সুখত থাকি তাক মই কষ্টত ৰাখিলো। অনুগ্ৰহ কৰি মোক ক্ষমা কৰি দিয়া। এইবুলি কৈ মাহীমাকে প্ৰীতমক সাৱটি ধৰিলে। মাহীমাকে ক'লে— আজিৰ পৰা মই মাহী আই নহয়। 'মা' বুলি মাতিবা। এইবাৰ প্ৰীতমে দেখা পালে মাহীমাকৰ হিয়াৰ আঁৰত লুকাই থকা পুত্ৰ বৎসল মাতৃ সুলভ গুণবোৰ আৰু সি ভাবিলে "মোৰ জীৱনলৈ। অতীতৰ হেৰাই যোৱা স্মৃতিবোৰ আকৌ ঘুৰি আহিল।"

# জোনাকলৈ বুলি খোজ

মঞ্জুৰী শইকীয়া
স্নাতক তৃতীয় ষাণ্মাষিক
শিক্ষা বিভাগ

'মাজনী, মই আৰু নোৱাৰিম! .... মোৰ বাকী থকা আশা, দায়িত্ববোৰ তোক দিলো। .... সকলো মানুহ হ'ব পাৰিলেও প্ৰকৃত মানুহ হোৱাটো সহজ নহয়। মাজনী, তই প্ৰকৃত মানুহ হোৱাটো মই বিচাৰো। ... প্ৰকৃত মানুহ।।'

দেউতাকৰ অন্তিম সময়ৰ কথাকেইষাৰে তাইৰ মনত সদায় দোলা দি থাকে আকস্মিক দুৰ্ঘটনাটোৰ পাছত দেউতাকে প্ৰায় এটা বছৰ বিচনাখনক সাৰথি কৰিয়েই প্ৰয়োজনীয় কামবোৰ কৰিবলৈ চেষ্টা কৰিছিল। মাকে তেতিয়া বৰ কষ্টৰে তিনিজনীয়া পৰিয়ালটোৰ সকলো দিশ চম্ভালিছিল। মাজনী তেতিয়া ক্লাছ নাইনত আছিল। সেই সময়ত লগৰ ল'ৰা-ছোৱালীৰ দৰে কৈশোৰ বতাহজাকৰ লগত মিতিৰালি কৰিবলৈ তাইৰ সময় আছিল কম। স্কুলৰ পৰা আহি সদায় দেউতাকৰ লগত আজৰি সময় কটায়, কথা পাতে। দেউতাকৰ শৰীৰত বেমাৰে বাহ ল'লেও মনত তাৰ তিলমানো প্ৰভাৱ পৰিবলৈ নিদিছিল। সেই সময়ত তাই দেউতাকক চুবুৰীটোৰ পৰা গোটেই পৃথিৱীৰ জনা খবৰবোৰ দিব লগা হৈছিল। সদায় সদায় কৈ আমনি লগাত এদিন গাটো ভাল লগা নাই বুলি ফাঁকি দি লগৰ ছোৱালীৰ লগত খেলিবলৈ গৈছিল। এদিন উপায় নাপায় অভিমানত সুধিয়েই দিলে, "দেউতা তুমি ঘৰত থাকি গোটেই পৃথিৱীখনৰ কথা জানিনো কি কৰিবা?" দেউতাকে তেতিয়া এটা মিচিকিয়া হাঁহিৰে তাৰ ৰহস্য ভাঙি কৈছিল, "মাজনী, মই তোক গোটেই পৃথিৱীখনৰ তই জনা কথাবোৰ এই কাৰণে সুধো, কাৰণ মানুহৰ মনটোৰ দুটা বিপৰীত ৰূপ থাকে। এটা ভাল আৰু আনটো বেয়া। মানুহে নিজে নজনাকৈয়ে বেয়া মনটোৱে ভালটোক হেঁচা দি থাকে বেয়াৰ ফালে যাবলৈ। অলপ ভুল হ'লেই মানুহ বেয়াৰ ফালে পিছল খাব পাৰে যদিও তাক নিয়ন্ত্ৰণ কৰিব পৰাৰ ক্ষমতা নিজৰ ওপৰত নিৰ্ভৰ কৰে। মাজনী, মানুহে নিশ্চিতভাৱে কিবা নহয় কিবা এটা কামত মনোযোগ দিয়ে। কিন্তু কি কামত মনোযোগ দিছে সেইকথা ব্যক্তিজনৰ আগ্ৰহ, ইচ্ছাই নিয়ন্ত্ৰণ কৰে। সেয়েহে মই তোৰ মনটোনো ক'ত আছে তাক জানিব বিচাৰিছিলো।" সেইদিনাৰ পৰা তাই পঢ়াৰ লগতে বাহিৰা জ্ঞান লোৱাটো অভ্যাসত পৰিণত হ'ল। দেউতাক গ'লগৈ, আজিৰ পৰা প্ৰায় পাঁচ বছৰৰ আগতে। য'ৰ পৰা আৰু কেতিয়াও ঘূৰি নাহে। দেউতাক যোৱাৰ দিনধৰি তাইৰ উৰিব ধৰা পাখি দুখনে পথ বিচাৰে সদায় নতুন উদ্যমেৰে।

"মাজনী ৯ বাজিলেই। অলপ খৰধৰ কৰা।" মাকৰ মাতত স্মৃতিৰ কোঠাৰ পৰা বাস্তৱলৈ আহি মাজনীয়ে দেখিলে ৯ বাজি ১০ মিনিট যাবৰে হ'ল। ১০ বজাৰ পৰা ওচৰৰ স্কুলখনৰ প্ৰেক্ষাগৃহত নাটকৰ ৰিহাৰ্চল আছে। স্থানীয় লোকৰ সহযোগত সিহঁতৰ 'ন-সুৰুয' মইনা পাৰিজাতৰ মইনা সকলক লৈ মাজনীহঁতে শিশু দিৱসৰ দিনা নাটকখন মঞ্চস্থ কৰিব। নাটকখনৰ নাম 'পোহৰ অভিযাত্ৰী আমি'। নাটকখনৰ কাহিনী মাজনীয়ে লিখা এটা গল্পৰ আধাৰত নাট্যৰূপ দিয়া হৈছে। কাহিনীটোৰ সাৰাংশ 'এজাক প্ৰাণচঞ্চল শিশুৰ সেইদিনা এটা নতুন খেলৰ ধাৰণা মনলৈ আহিল। সিহঁতে ডাঙৰ হৈ কোনে কি হ'ব তাক ডাঙৰৰ অনুকৰণ কৰি অভিনয় কৰিবলৈ যত্ন কৰে। অভিনয়ত ডাক্তৰ, ইঞ্জিনীয়াৰ, শিক্ষক, উকীল, প্ৰশাসনিক বিষয়া আদি সিহঁতে দেখি থকা শ্ৰেষ্ঠ চৰিত্ৰবোৰৰ ওপৰত নিজা নিজা ভাৱে অভিনয় কৰিবলৈ চেষ্টা কৰে। খেল সামৰি ঘৰমুৱা হওঁতে বাটত সদায় লগ পোৱাৰ দৰে সেইদিনাও লগ পালে

এজন ৰোগীয়া ভিক্ষাৰী আৰু লগত সিহঁতৰে কাণসমনীয়া এটা শিশুক। সকলোৱে মন উৰা মাৰে খেলোতে কৰা চৰিত্ৰবোৰলৈ। পুনৰ উভতি যায় সেই ঠাইলৈ য'ত সিহঁতে খেলিছিল আৰু কল্পনাতে সিহঁতে ভাবে সিহঁত ডাঙৰ হ'ল আৰু ডাঙৰ হৈ নিজৰ নিজৰ দায়বদ্ধতাৰে ভিক্ষাৰীজন আৰু ল'ৰাটোক সহায় কৰিবলৈ আগবাঢ়ি আহিল। ডাক্তৰ হোৱা কেইজনে সেই ৰুগীয়া ভিক্ষাৰীজনক চিকিৎসা কৰি সুস্থ কৰিবলৈ চেষ্টা কৰিলে আৰু শিক্ষক হোৱা কেইজনে সেই ল'ৰাটোক পঢ়ুৱাই শিক্ষিত কৰিলে। সিও ডাঙৰ হৈ সিহঁতৰ লগৰে এজন হ'ল। শেষত সকলোবোৰ মিলি এখন পূৰ্ণাঙ্গ সমাজৰ নাগৰিক হ'ল। য'ত সকলো দিশতেই পোহৰৰ আভা বিয়পি আছিল।'

কলেজীয়া ব্যস্ততাৰ মাজতে অহা দেওবাৰটো মাজনীৰ বাবে সদায় এটা ব্যতিক্ৰমী দিন। ৰিহৰ্চলৰ পৰা আহি আজি তাই স্থানীয় লাইব্ৰেৰীটোলৈ যাব। তাৰ পাছত আন এটা দায়িত্ব আছে। মাজনী চুবুৰীৰে গুণ বৰদেউতাকৰ অৰ্থাৎ গুণাৰাম বৰুৱাৰ ঘৰলৈ যাব।

গুণাৰাম বৰুৱা অঞ্চলটোৰ এজন জ্যেষ্ঠ আৰু সন্মানীয় ব্যক্তি। ১৬ বছৰ মানেই হ'ল শিক্ষকতাৰ পৰা অৱসৰ লোৱাৰ। অৱসৰ ল'লেও সামাজিক কাম-কাজত সক্ৰিয়ভাৱে জড়িত হৈ আছে। পত্নী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী সকলোৰে পৰিপূৰ্ণ এখন সংসাৰ। ডাঙৰ পুত্ৰ হিমাংশু ইঞ্জিনীয়াৰ। ইঞ্জিনিয়াৰীঙ পাছ কৰি আমেৰিকাত থাকিবলৈ ল'লে। সৰু পুত্ৰ ৰঞ্জন ডাক্তৰ। দিল্লীত থাকে। বছৰেকত দুবাৰমান মাক-দেউতাকক লগ কৰি যায়হি। একমাত্ৰ ছোৱালী-অৰ্পিতা ফেশ্বন ডিজাইনাৰ। তাই বৰ্তমান মুম্বাইত ফ্লেট কিনি নিগাজীকৈ থিতাপি ল'লে। তায়ো বিহুৰে সংক্ৰান্তিয়ে মাত এষাৰ লগাবলৈ মাক-দেউতাকৰ ঘৰলৈ আহে। উপৰুৱাকৈ চাবলৈ গ'লে সকলো ফালৰ পৰাই সুখী গুণাৰাম বৰুৱা। মাক-দেউতাকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পুতেক-জীয়েকে কাম কৰা মানুহ ঠিক কৰি দিছে। পিছে আন এটা কথাতহে দুখ বৰুৱাৰ আৰু তেওঁৰ পত্নীৰ। চুবুৰীয়া আন লোকক নাতি-নাতিনীৰ লগত ব্যস্ত থকা দেখিলে বা পুত্ৰ-বোৱাৰীৰ আলপৈচানৰ মাজত থকা দেখিলে তেওঁলোকৰ মনটো হাঁহাকাৰ কৰি উঠে। ককাক-আইতাকৰ স্বাভাৱিকতে নাতি-নাতিনীলৈ হেঁপাহ বেছি। কিছুদিনৰ আগৰ দৃশ্য এটা গুণাৰাম বৰুৱাৰ মনত আজিও আছে। সেইদিনা ভিতৰত বহি থাকি আমনি লগাত পদূলিমুখলৈ বুলি ওলাই আহিছিল। তেনেতে ৰাস্তাইদি চুবুৰীয়া হৰেন্দ্ৰ দত্তক নাতিয়েকক লগত আহি থকা দেখিলে। আগবাঢ়িয়েই বৰুৱাই মাত লগালে "হেৰি দত্ত, এইফালে ওলাই আহিল।" উত্তৰত দত্তই হয় বুলি কৈ পদূলিমুখতে কথাৰ আৰম্ভ কৰিলে, "বুজিছে বৰুৱা, নাতিটোৱে ভিতৰত সোমাই থাকি আমনি পায় মোক জোৰ কৰি থাকে ফুৰাবলৈ লৈ যাব লাগে। তাতে আজি বতৰটোও ভাল। সেই কাৰণে পৰিবাৰক ক'লো নাতিটোৰ কাপোৰ-কানি ঠিক কৰি দিবলৈ। বোৱাৰীক ক'লে চাহ একাপ দিবলৈ। চাহ-জলপান খায় ওলাই আহি এইখিনি পাইছোহি। গুণাৰাম বৰুৱাই কি ক'ব ভাবি নাপালে। এনেদৰে ব্যক্তিগত, সামাজিক আদি বিভিন্ন কথা পাতি অৱশেষত দত্ত অহাৰ বাটেৰে আগবাঢ়ি গ'ল। সেই সময়ত বৰুৱাৰ নিজৰ নাতি-নাতিনী কেইটালৈ বৰকৈ মনত পৰিল। সিহঁত ওচৰত থকা হ'লে দত্তৰ দৰেই তেওঁ আবদাৰ পালেহেঁতেন। পিছে বছৰেকৰ মূৰত আহি দুই-এদিন থাকি আকৌ যায়গৈ। বেছিদিন থাকিবলৈ সময়ৰ নাটনি। তাতে নাতি-নাতিনীৰ স্কুল-কলেজ, মাক-দেউতাকৰ চাকৰি থাকে।

বাৰাণ্ডাৰ আৰামী চকীখনত বহি সেই কথাবোৰ মনতে পাগুলি আছিল গুণাৰাম বৰুৱাই। বৰুৱানীয়ে ভিতৰৰ পৰাই দৃশ্যটো আলেঙে-আলেঙে লক্ষ্য কৰি আছিল। চাহৰ যোগাৰ দি পত্নীয়ে লাহেকৈ ক'লে "আজি ৰাতিপুৱা আপুনি বজাৰলৈ যাওঁতে হাজৰিকা আৰু হাজৰিকানী আহিছিল। পৰহিলে বোলে তেওঁলোকৰ নাতিনীজনীৰ জন্মদিন। আমাৰ দুয়োজনকে নিমন্ত্ৰণ দি থৈ গৈছে।" এইবাৰ গুণাৰাম বৰুৱাই গহীন হৈ ক'লে, "বুজিছা ল'ৰা-ছোৱালীহঁতক পঢ়ুৱাই শিক্ষিত কৰিলো। সা-সন্মানো বহুত পালো। পিছে নাতি-নাতিনী, পো-বোৱাৰী, জী-জোঁৱাইকহে বিচৰামতে কাষত নাপালো।"

পুবৰ বেলি ক্ৰমশঃ পশ্চিমৰ দিশলৈ গতি কৰিলে। বৰুৱা-বৰুৱানীয়ে চাহৰ কাপৰ পৰা মূৰ তুলি চালে বাহিৰৰ পৃথিৱীলৈ মাজনী আহিবৰ সময় হৈছে।

# শেষৰ জাক বৰষুণ

অন্বেষা ৰাজকুমাৰী
স্নাতক তৃতীয় যান্মাষিক
ইংৰাজী বিভাগ



বাৰিষাৰ শেষৰ জাক বৰষুণে পদূলিটো সেমেকাই তুলিছিল .... আকাশত ক'লা হৈ ৰৈছিল চপৰা চপৰে অহা ডাৱৰবোৰ, আকাশৰ বিশাল বুকুতে বোজা হৈ। আজিৰ বৰষুণজাকে মনলৈ কঢ়িয়াই আনিছিল অতীত কৰিব নুখুজিও অতীত হোৱা অনেকবোৰ কথা.... হাত মেলি চুব খুজিছিলো কপাহ কোমল টোপা টোপে সৰা ঢোপাল... হিম শীতল পৰশেৰে মোৰ হৃদয় চুমিছিল ... ধূসৰ অতীত হৈ!!

মনত পৰিছে ... আজি পুনৰবাৰ এজাক বৰষুণৰ স'তে তুমি আহিছিলা... সেই একেই গোমা আকাশ, সেমেকা পদূলি। তোমাৰ চুলিৰ আগত বৰষুণৰ টুপালবোৰ নিগৰি ওলমি ৰৈছিল... যেন কিবা পোৱাৰ আশাত.... সকলো থমকি ৰৈছিল.... মাথো তুমি ৰ'ব পৰা নাছিলা... অসহায় হৈ উঠিছিলা.... আৰু মোৰ তোমাক দেখি ওঁঠত হাঁহি বিৰিঙি উঠিছিল.... সহায়ৰ হাত আগবঢ়াই দিছিলো এখন ৰুমালেৰে ... আৰু সেয়াই আমাৰ প্ৰথম চিনাকি নাছিল জানো? ভাবিলে এতিয়াও সাঁথৰ যেন লাগে সকলো।

সময়ে দুয়োকে আগবাঢ়িবলৈ শিকাইছিল.... সেয়ে হয়তো আগবাঢ়িছিলো কৃষ্ণচূড়াৰ দেশলৈ.... এথোপা ৰঙীন সপোন লৈ ... দুয়ো ফুলি উঠিছিলো .... ল'মা লমে কেতিয়াও নমৰহাৰ প্ৰতিশ্ৰুতি লৈ। আমাৰ আৱেশত জীপাল হৈ উঠিছিল। দীঘলীপুখীৰৰ পাৰ ... ব্ৰহ্মপুত্ৰৰ বিশাল চাপৰি, কঁহুৱাৰ দৰে হালি-জালি নাচিবলৈ শিকিছিলো... অস্ত যাবলৈ ধৰা সুৰুযৰ হেঙুলী আভাৰ পৰা এমুঠি সেন্দুৰ চুৰ কৰি তোমাৰ নামত কপালত আঁকিবলৈ শিকিছিলো, তোমাৰ পৰা....!! সেই স্মৃতিয়ে আজি বৰকৈ আমনি কৰিছে ... পুনৰাই। কপালখন চুই চাইছো... ক'তা? সেই দিনৰ ৰঙা ফাকুগুৰিখিনি দেখোন ক'ৰবাত হেৰাই গ'ল... উকা হৈ ৰ'ল সকলো.... কাৰণ সময় যে সলনি হ'ল।

.... এনেকৈয়ে আৰু এদিন চিৰদিনৰ বাবে তোমাৰ হ'ম বুলিয়ে গুণাৰ সাজেৰে ৰভাৰ তলত বহি পৰিছিলো...

সন্মুখত দপদপাই জ্বলি উঠিছিল একুৰা হোমৰ জুই.... শুনা-নুশুনাকৈ শুনিছিলো তুমি হোমক সাক্ষী কৰি লোৱা অনেকবোৰ প্ৰতিজ্ঞা .... আজি সেয়াই মোক কাণত বিন্ধিছে... তোমাৰ কথাবোৰ বতাহত উপঙি ফুৰিছে ... ভাবিবলৈ কষ্ট পাইও হৃদয়ত অনেক প্ৰশ্নই খুন্দা মাৰিছে... ক'ত গ'ল তোমাৰ অনেকবোৰ প্ৰতিজ্ঞা? ওৰেটো জীৱন সুখে-দুখে লগ দিয়াৰ প্ৰতিটো বাক্য?

তোমাৰ লগত সংসাৰ কৰি তুমি বাৰু ভাবিছিলা নেকি দুখত আছে বুলি..... নাভাবিবা.... এতিয়াও নাই। কাৰণ তুমি মোৰ জীৱনৰ অভিধানৰ পৰা 'দুখ' নামৰ শব্দটোৱেই নোহোৱা কৰি পেলালা... তাতে আকৌ 'পোহৰ' আৰু 'ৰ'দালি'ৰ মাতৃত্বৰ উপহাৰে মোক পৰিপূৰ্ণ কৰি পেলাইছিল। আৰু এতিয়াও 'পোহৰ' আৰু 'ৰ'দালি'ৰ মৰমৰ আভাৰে তুমি শিকোৱাৰ দৰে সুখবোৰ বহলাই জীয়াই আছো। জানানে? পোহৰ আৰু ৰ'দালিৰ মাজত মই তোমাক বিচাৰি পাওঁ... আৰু পোহৰৰ প্ৰতিটো অভিমান দেখোন তোমাৰ দৰে ... নিষ্পাপ শিশুৰ দৰে।

কেতিয়াবা যে মই বৰ কষ্ট পাওঁ.... তোমাৰ লগত কথা পাতিবলৈ বৰকৈ মন যায়। তোমাক চুই চাবৰ মন যায়। তোমাৰ ওপৰত অভিমান কৰিবৰ মন যায় ... চোৰাচোন তুমি ভালপোৱা মেঘালী চুলিখিনি ৰূপ সলায় ৰূপালী বৰণ ল'লে.... তুমি তথাপিও একো নোকোৱা.... সকলো ব্যৰ্থ কৰি তুমি মাথো চাই ৰোৱা নিথৰ হৈ, ওলমি ৰোৱা এখনি ছবি হৈ নিষ্ঠুৰ দেৱালত। তোমাৰ ওচৰলৈ আজিকালি আহিবলৈ মনেই নাযায়। আহিলেই হৃদয়খন কিহবাই হেঁচা মাৰি ধৰা যেন লাগে ... তোমাৰ সন্মুখত দপদপাই জ্বলি উঠা চাকিগছ দেখি.... কাৰণ সেই গছ দেখিলেই চকুৰ আগত ভাহি উঠে তোমাৰ চিতাৰ জুইকুৰা .... যেন আমাৰ বিয়াৰ হোমৰ জুইকুৰাক তোমাৰ চিতাৰ জুইকুৰাই উপহাস কৰিছে.... পলকতে সকলো চাৰখাৰ কৰি!!!

তথাপি আজি উজাই আহিছো, তোমাৰ কাষলৈ, তোমাক চাবলৈ ... চকুৰ কোণত আজিও নজনাকৈ টোপাল কিছুমান লাগি ধৰিছে, কষ্টেৰে তোমালৈ এগছ চাকি আগবঢ়াই দিলো ... কাৰণ আজি তোমাৰ পঞ্চম মৃত্যু বাৰ্ষিকী!!!!

# লক্ষ্যহীন জীৱনত আশাৰ সঞ্চাৰ

**জুৰী বৰগোহাঁই**
স্নাতক দ্বিতীয় যান্মাষিক
ৰাজনীতি বিজ্ঞান বিভাগ

মানুহে জীৱনত পৃথিৱীৰ সকলোবোৰ সুখ বিচাৰে, কিন্তু জানো পায়? পোৱা নোপোৱাই জীৱন। যদি ভগৱানে মানুহে বিচৰা প্ৰতিটো বস্তুৱেই দিয়ে, তেনেহ'লে জীৱনত কোনো কষ্টই কৰিব নালাগে। কিন্তু, জীৱনত সংগ্ৰাম নাথাকিলে জীয়াই থাকি কোনো সুখ, আনন্দ পোৱা নাযায়। আচলতে ভগৱানে যি কৰে ভালৰ বাবে কৰে। জীৱনত দুখ নাথাকিলে সুখৰ অৰ্থই বা ক'ত! ৰিতুয়ে জীৱনৰ ১৯টা বসন্ত পাৰ কৰি এনেদৰেই ভাৰে জীৱনকলৈ। কেতিয়া কাৰ কাৰণে সৌভাগ্য ৰৈ থাকে কোনেও ক'ব নোৱাৰে।

ৰিতুৰ জন্ম হৈছিল এটা সম্ভ্ৰান্ত পৰিয়ালত। ঘটনাৰ পাকচক্ৰত ৰিতুয়ে সকলো হেৰুৱাইছিল। মাক-দেউতাকৰ দৈনিক কাজিয়া, মাৰ-পিট এইবোৰে তাক অতিষ্ঠ কৰিছিল। মাক-দেউতাকৰ দৈনিক কাজিয়াই এনে এক পৰ্যায় পালেগৈ যে তেওঁলোকে বিবাহ বিচ্ছেদৰ সিদ্ধান্ত ল'লে। ৰিতুৱে ক্লাছ এইটলৈকে মাকৰ লগতে থাকিল। কিন্তু যেতিয়া মাকৰ পুনৰ বিয়া হৈ গ'ল, তেতিয়া সি মামাকৰ ঘৰত থাকিবলৈ ল'লে। এই ঘটনাই তাক চৰম আঘাট দিলে। সি মামাকৰ ঘৰত থাকি পঢ়া-শুনা আৰম্ভ কৰিলে। মামাকৰ জীয়েক ৰিয়া তাৰ সৈতে একে শ্ৰেণীতে। ৰিয়াতকৈ সি পঢ়াত ভাল। সেইটোকে লৈ মামীয়েকে তাক হিংসা কৰে। আৰু প্ৰায়ে কুট কথা কৈ তিৰস্কাৰ কৰে। ৰিতুয়ে এই সকলোবোৰ নিৰৱে সহ্য কৰে; কিয়নো এইবোৰ সহ্য কৰিয়েই সি পঢ়িব লাগিব, জীৱনৰ লক্ষ্যত উপনীত হ'ব লাগিব।

ৰিতু, ক্লাছ নাইন পালেহি আৰু এইদৰে সি ক্লাছ টেনলৈও উত্তীৰ্ণ হ'ল। কিন্তু ৰিয়াই টেনলৈ উত্তীৰ্ণ হ'ব নোৱাৰিলে। মামীয়েকে ৰিয়া উত্তীৰ্ণ নোহোৱাৰ কাৰণ ৰিতুকেই চিহ্নিত কৰি সেইদিনা তাক মাৰ-ধৰ কৰি ঘৰৰ পৰা উলিয়াই দিলে। .... সেইদিনা ৰাতি খুব বৰষুণ দিছিল, গোটেই ৰাতি বৰষুণত তিতি গেটৰ সন্মুখতে সি পৰি থাকিল আৰু ৰাতিপুৱাৰ লগে লগে কোনেও নজনাকৈ গুৱাহাটী

অভিমুখী বাহুত উঠি দিলে। এক লক্ষ্যহীন যাত্ৰা। ক'ত যাব সি নিজে নাজানে। এনেতে পাছৰ ছিটৰ এজন মানুহে তাক মাতিলে। ৰিতুয়ে মানুহজনক চিনি পালে। আগতে এই মানুহজন প্ৰায়েই দেউতাকৰ লগত সিহঁতৰ ঘৰলৈ আহিছে। ৰিতুৰ মুখৰ পৰা সকলো জানিব পাৰি তেওঁ তাক তেওঁৰ ঘৰলৈ লৈ যোৱাৰ ইচ্ছা কৰিলে। কিন্তু ৰিতু অমান্তি হ'ল। কাৰণ এদিন এনেদৰে মামাকে তাক লৈ আহিছিল, পাছত সেইখন ঘৰেই তাক খেদি উলিয়াই পঠিয়ালে।

ৰিতুয়ে নাজানে কিহৰ আশাত সি এইখন ঘৰলৈ আহিছে। হয়তো আকৌ খেদা খাব। কিন্তু সি ভবামতে এইখন ঘৰ তেনেকুৱা নহয়। ঘৰখনত তাৰ সৈতে একে বয়সৰ ল'ৰা এটা আছে। তাৰ নাম গৌতম। গৌতমে কেতিয়াও তাক বেয়া চকুৰে নাচায়। সমনীয়া হিচাপে ভাল। লাহে লাহে ৰিতু ঘৰখনৰ আপোন হৈ পৰিল।

গৌতম আৰু ৰিতুয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয় আৰু দুয়োটাই কলেজত নাম ভৰ্তি কৰে। ৰিতুয়ে পাহৰিবলৈ চেষ্টা কৰে তাৰ অতীত .... মাক-দেউতা, মামাক-মামীয়েক আৰু বহুতো, যিয়ে তাক ঠাট্টা-মস্কৰা কৰিছিল, লোকৰ চুৰা চেলেকা বুলি....।

চাওঁতে চাওঁতে দুবছৰ পাৰ হৈ গ'ল। দুয়ো উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ল। আজি গৌতমৰ ঘৰত আনন্দৰ বন্যা.... কাৰণ ঘৰখনৰ দুয়োটা ল'ৰাই ইঞ্জিনীয়াৰিং কলেজত ছিট পাইছে। আজি সকলোৱে গৌতমৰ লগতে ৰিতুকো শুভেচ্ছা জনাইছে। কোনেও ৰিতুক আজি বেলেগৰ ঘৰৰ ল'ৰা বুলি ভবা নাই।

খবৰটো শুনি ৰিতুৰ মাক আহিছিল, তাক লৈ যাবলৈ। যিজনী মাকে নিজে এখন সুখৰ সংসাৰৰ আশা কৰি তাক অনিশ্চিত ভৱিষ্যতৰ ফালে ঠেলি দিছিল, সেইজনী মাকে তাক নিবলৈ আহিছে, কিহৰ আশাত! নাযায় সি মাকৰ লগত। এতিয়া গৌতমৰ মাক-দেউতাকেই ৰিতুৰ মাক-দেউতাক। সি ঘূৰি নাযায় অতীতলৈ....। তাৰ জীৱনৰ সন্মুখত ৰৈ আছে সোণোৱালী বাট। আৰু পিছলৈ ঘূৰি নাচায়। আগবাঢ়ি যাব নতুন আশা, নতুন উদ্যম লৈ.....।

# অবুজ ক্ৰন্দন

**মল্লিকা গগৈ**
স্নাতক তৃতীয় ষান্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

ক্ৰিং ক্ৰিং কৈ বাজি থকা চেলফোনটোক সঁহাৰি জনাই ৰাগিনীয়ে কৈ উঠিল... 'হেল্ল ....'

ঃ অ, ৰাগিনী, মই ৰাজে কৈছোঁ। আজি অফিচৰ পৰা বাহিৰে বাহিৰে তোমাক লগ কৰিম... আবেলি চাৰি বজাত। ৰেডি হৈ থাকিবা।

ঃ ঠিক আছে বাৰু। - ফোন ৰাখিলে তাই।

কি যে এই ৰাজটো!! মাজে মাজে তাইৰ সঁচাই বৰ খং উঠে। সময় নাই, অসময় নাই, যেতিয়াই তেতিয়াই খালি লগ কৰি থাকিবলৈ লাগে। ক্লাছবোৰ যেনিবা তাৰ মাকেহে কৰি দিব। ভোৰভোৰাই ভোৰভোৰাই ৰাগিনী বাথৰুমত সোমাল।

ঃ ৰাগিনী, ক্লাছলৈ দেৰি হ'ব এতিয়া। গাটো ধুবলৈকে সদায় ইমান দেৰিলৈকে কিয় বৈ থাক' বাৰু?

- ৰুমমেট শিখাই চিঞৰি চিঞৰি ড্ৰেছ কৰিলে।

ঃ শিখা, আজি ৰাজ আহিব মোক লগ কৰিবলৈ। ক্লাছলৈ নাযাওঁ আৰু.....!! তই সুৰঞ্জনাৰ লগতে গুচি যা....।

ঃ তইয়ো যে আৰু ....!!! আৰু দুদিনমানৰ পাছত কলেজত এন.চি.ৰ লিষ্ট মাৰিব নহয়... পাবি ৰহ মজা। বাহানা ভাবি থ'.... পইচা মেনেজ কৰিবলৈ। - কৈ কৈ শিখা ওলাই গ'ল।

এক মুহূৰ্তৰ বাবে ৰাগিনীৰ এইকেইটা ক্ষণ, মানে হোষ্টেলটোৰ পৰা ছোৱালীবোৰ ওলাই যোৱাৰ পাছত সময়খিনিৰ নিৰ্জনতাখিনি সহ্য কৰাটোৱেই বৰ কঠিন কাম যেন অনুভৱ কৰিলে। ৰুমৰ দৰ্জাখন বন্ধ কৰি এয়াৰবেগটোৰ পৰা ড্ৰেছ এটা উলিয়াই ল'লে। ২:৩০ বাজিলেই। ৰাজচোন পাবহিয়ে এতিয়া। ৰাজৰ কথা মনত পৰি ভাল লাগি গ'ল তাইৰ মনটো। কিমান যে ভাল পাই তাইক। বিচনাখনৰ পৰা উঠি গৈ ল' ভলিউমত অফাৰটোত গান এটা বজাই দিলে তাই।

পাৰ্ছটো লৈ ওলাই আহিব খোজোতেই ফোনটো বাজি উঠিল তাইৰ। ৰাজৰ ফোন।

ঃ অ' ৰাজ, মই গৈছোঁ। তুমি হোষ্টেলৰ ফ্ৰণ্টতে থাকা। - ৰাজক একো কোৱাৰ সুযোগ নিদি ল'ৰালৰিকৈ কৈ উঠিল তাই।

ঃ আণ্টি, মই অলপ ওলাই যাওঁ, বজাৰ কৰিব আছে। আৰু মামা-মামী আহিছে - শিৱসাগৰৰ পৰা। আহোঁতে অলপ দেৰি হ'ব।

ঃ ঠিক আছে। আঠ বজাৰ আগত সোমাবাহি কিন্তু।

খটখটিটোৰে তললৈ নামিব খোজোতেই আণ্টিক লগ পাই মিছাকৈয়ে আৰ্টিফিচিয়েল হাঁহি এটা মাৰি কৈ পেলালে তাই।

এক মুহূৰ্তৰ বাবে আণ্টিৰ চাৰনিটোৱে নিজৰ ৰঙা ব্ৰেণ্ডেড টপটোৰ কথা ভবাই তুলিলে তাইক। 'বেছি চুটি হ'ল নেকি বাৰু!!' মনতে ভাবিলে তাই। 'এহ্ যাহ। এইখন গুৱাহাটী হয়, গাঁও নহয় নহয়। কিহৰ আকৌ ড্ৰেছক লৈও চুটি বুলি কিবা আছে? ড'না, লিজাইঁতেটো ইয়াতকৈয়ো কিমান চুটি টপ পিন্ধি ওলাই যায়!! - অযথা চিন্তাবোৰ ওফৰাই খৰখোজেৰে নামি আহিল তাই।

ৰাজ ৰৈয়ে আছিল। গাড়ীৰ দৰ্জা খুলি বহি পৰিল তাই। নিজকে ডাঙৰ সমস্যা এটাৰ পৰা সকাহ পোৱাৰ দৰে লাগিল।

ঃ ইমান দেৰি লাগেনে এই পাঁচটা ফ্লৰৰ পৰা নামোতেই? কৃত্ৰিম খং দেখুৱাই ৰাজে ক'লে।

ঃ হুহ... লিফটত অহা নাই নহয়! আৰু বুঢ়ীয়ে এনেই আহিব দিব নেকি? কিমান বাহানা মাৰিব লগা হৈছে। তুমি কি বুজিবা?

ঃ অকে, অকে... বাই দা ওৱে.... লুকিং ভেৰি বিউটিফুল। - টপককৈ চুমা এটা খাই দিলে ৰাজে।

ঃ অহ ৰিয়েলী...? থেংক্স। - ধুনীয়া হাঁহি এটা মাৰি ক'লে তাই।

গাড়ীৰ ৰখাই দীঘলী পুখুৰীৰ পাৰত বহিল দুয়োটাই।

ঃ আজি ক'ত খাবা কোৱা? - বাওঁহাতখনেৰে ৰাগিনীক ওচৰলৈ টানি আনি ৰাজে সুধিলে।

ঃ .... ত

ঃ অকে, লেটছ গ'।

ভিৰ ঠেলি ঠেলি সোমাই গ'ল সিহঁত। এই মহানগৰীখনৰ সন্ধিয়াবোৰ যে আৰু...!!! মানুহবোৰ কিবা পৰুৱাই চেনিৰ গুদামত ভিৰ কৰাৰ দৰে লাগিল ৰাগিনীৰ।

ঃ ৰাজ, সাত বাজিল। হোষ্টেল যাবৰ হ'ল নহয়। ব'লা উঠোঁ।

ঃ আৰে। ক'ত যোৱা? ৰ'বা। তোমাক মই আচল কথাটো কোৱাই নাই নহয়!

ঃ কি কথা? - টিচু পেপাৰখনেৰে হাত মোহাৰি মোহাৰি অলপ আচৰিত হৈয়ে সুধিলে তাই।

ঃ আমাৰ কোম্পানীৰ ২০ কোটি টকাৰ প্ৰজেক্টটো যে মই কৰিবলৈ পাইছো। নেক্সট মানথও সেয়ে নেপাললৈ যাব লাগিব। আই উইল ৰিয়েলী মিছ ইউ চুইট হাট।

ঃ চ' হুৱাট?

ঃ চ' আজি ৰাতি পাৰ্টি দিছোঁ... হোটেল 'নক্ষত্ৰ'ত... ৰুম নম্বৰ ১১৫। অফিচৰ সব আহিব আৰু স্পেচিয়েলী তুমি থাকিব লাগিব।

ঃ কিন্তু ৰাজ, মোৰ হোষ্টেল? মই যে আণ্টিক আঠ বজাৰ আগত পামহি বুলি কৈ আহিছোঁ।

ঃ বাদ দিয়ানা তোমাৰ আণ্টি। ফোন এটা কৰি কৈ দিয়া - মামীহঁতৰ লগত থাকিবা বুলি। প্লিজ মই বহুত আশা কৰি আহিছোঁ আৰু কোনো পধ্যেই তুমি নথকাটো বিচৰা নাই।

ঃ কিন্তু ৰাজ.....

ঃ ৰাগিনী প্লিজ....। মোৰ কাৰণে তুমি এইটোও কৰিব নোৱাৰিবা নেকি? প্লিজ....

ঃ ঠিক আছে....।

দ্বিতীয়বাৰৰ বাবে পুনৰ মিছা ক'ব লগা হ'ল ৰাগিনীয়ে। ভাগ্য ভাল। বুঢ়ীৰ গেষ্ট আছিল লগত। চ' সোনকালেই মানি ল'লে।

ৰাজে গাড়ী ৰখালে হোটেল নক্ষত্ৰৰ সন্মুখত।

ঃ কনগ্ৰেটচ ৰাজ....।

অফিচৰ প্ৰায় সকলোবোৰেই আহি পাইছেহি। ৰাজে সকলোৰে লগত তাৰ প্ৰেমিকা ৰাগিনীক চিনাকি কৰি দিলে। সকলোৱে শলাগ ল'লে ৰাগিনীৰ ৰূপৰ।

ঃ ঐ ৰাজ, ফিক্সড নেকি? - লগৰকেইটাই কামোৰ দিলেহি ৰাজক।

ঃ অতো....। টেনচন নল'বি... বিয়ালে মাতিম তহঁতক।

পূৰ্ণোদ্যমে চলিল পাৰ্টি। নাচ-গান হ'ল মাজ নিশালৈকে। চেলফোনটো বজা শুনি ৰাগিনীয়ে উচপ খাই উঠিল।

ঃ মাজনী কি কৰিছা? ইমান হুলস্থূল যে? শুব হোৱা নাই নেকি?

ঃ মা, আজি মানে কলেজৰ ইলেকশ্যন ৰিজাল্ট দিলে আৰু মোৰ লগৰ ভাস্বতী যে, তাই জি, এছ খেলিছিল, জিকিলে। চ' পাৰ্টি দিছে। হোষ্টেলত। শুমেই আৰু এতিয়া।

তৃতীয়বাৰৰ বাবেও মিছা মাতি মনটো বেয়া লাগিল তাইৰ। কিমান বিশ্বাস কৰে তাইক মাক-দেউতাকে। দেউতাকৰ লগতো অলপ সময় কথা পাতি স্বস্তিৰ নিশ্বাস পেলালে তাই। গধুলি শিখাইও তাইক হোষ্টেল নোযোৱাৰ বাবে গালি পাৰিলে অলপ। 'যত' সব ৰাজৰ কাৰণে হৈছে...।' খং এটা উঠি আহিল তাইৰ। তথাপিও তাই যে তাৰ কথা পেলাব নোৱাৰে। অগ্ৰাহ্য কৰিব নোৱাৰে তাৰ মৰমৰ দাবীবোৰ।

পুনৰ পাৰ্টিলৈ ঘূৰি আহিল তাই। কমি আহিল যান্ত্ৰিক মহানগৰীৰ সন্ধ্যাৰ কোলাহলবোৰ। ইতিমেধ্য সকলোবোৰ যাবলৈ লৈছে। মাত্ৰ ৰাজ আৰু তাইহে ৰুমত থাকিব লাগিব। কিবা এটা অবুজ ভয়ত বুকুখন কঁপি উঠিল তাইৰ।

জীৱনত কেতিয়াও নোপোৱা আৰু প্ৰথমবাৰৰ বাবে পোৱা কিছুমান অভিজ্ঞতা লৈ হোষ্টেললৈ উভতিল ৰাগিনী। আগদিনাৰ আদ্যোপান্ত কৈ শিখাৰ খং ভাঙি বাথৰুমলৈ যোৱালৈকে আকৌ কলেজেই ওলাবৰ হ'ল। ল'ৰালৰিকৈ কাপোৰ পিন্ধি হাঁহি-মাতি দুইজনী ওলাই আহিল।

আজি ২০ তাৰিখ। ৰাজ নেপাল যাব এমাহৰ বাবে।

তাতে আজি তাইক লগ কৰিবলৈ যোৰহাটৰ পৰা মাকহঁতেও হোষ্টললৈ আহিব বুলি ফোন কৰিল। তাৰমানে ৰাজক যোৱাৰ আগত এবাৰো লগ কৰাই নহ'ব তাইৰ। ভাবিয়েই ৰাগিনীৰ চকুদুটা পানীৰে ওপচি পৰিল। ৰাজক ফোনতেই বিদায় দিলে তাই।

ঃ সি নোযোৱা হ'লেই ভাল আছিল নেপাললৈ। ইমান নেটৱৰ্ক প্ৰব্লেম। আজি ১৮ দিনে খবৰ কৰিব পৰা নাই। শিখাৰ আগত কান্দি কান্দি চকু ওখহাই দিছে তাই। শিখাইও কথাটো মন কৰিছে, উপায়টো নাই। মাত্ৰ শান্ত্বনাহে দিব পাৰিছে তাই ৰাগিনী। এইকেইদিনতেই ৰাগিনীৰ স্বাস্থ্যটোও ভাগি পৰিছে। একো নোখোৱা হ'ল। মূৰ ঘূৰাইছে বুলি বিচনাতে পৰি আছে। দুদিনমানৰ আগতে বমিও কৰিলে। কিমান যে যত্ন কৰিছে শিখাই তাইক কিবা এটা খোৱাবলৈ।

ঃ ৰাগিনী, আজিৰ পেপাৰ চাইছ'? আমাৰ অসমখন?

ঃ কিয়? কি হ'ল? আমাৰ প্ৰিন্সিপাল কালী গোসাঁনীজনী মৰিল নেকি?

ঃ নহয়, তই চাবিচোন - কৈয়ে তাইৰ মেজৰমেট অৰ্চনাই কানেকচন কাটি দিলে।

অনিচ্ছাস্বত্বেও বিচনাৰ পৰা উঠি গ'ল ৰাগিনী। শিখাই দিয়া কফি কাপটো লৈ তাই হোষ্টেলৰ ভিজিটিং ৰুম পালেগৈ। চেণ্টাৰ টেবুলখনত থকা কেইবাখনো পেপাৰৰ মাজৰ পৰা 'আমাৰ অসম'খন উলিয়াই আনিলে তাই। প্ৰথম পৃষ্ঠাৰ শিৰোনামত চকু থৈয়ে জঠৰ হৈ পৰিল ৰাগিনী। "২০ কোটি টকাৰ কেলেংকাৰী'। পদবী আৰু টকাৰ লোভত নেপালত হানি-খুঁচি হত্যা .... কোম্পানীৰ নৱ নিযুক্ত বিষয়া ৰাজদ্বীপ শইকীয়া। হাতৰ কাপটো ফ্লৰত পৰি কেইবাটোকোৱা হ'ল। চকুৰে চৌপাশে অন্ধকাৰ দেখিলে তাই।

ধুপুচকৈ চোফাখনত বহি পৰোঁতেই মূৰটো বেছিকৈ ঘূৰোৱা যেন অনুভৱ হ'ল তাইৰ। হঠাত মনত পৰিল ৰাগিনীৰ, সিদিনা কলেজৰ পৰা আহোঁতে চেম্বাৰত ডাঃ খান্নাই তাইৰ ইউৰিন টেষ্ট কৰি কোৱা কথাকেইটা ..

ঃ মিছ ৰাগিনী, ইউ আৰ পজিটিভ....।

# যি কাৰণে তেওঁৰ নামত সেন্দুৰ নল'লো

পাপৰি শেনচোৱা
স্নাতক পঞ্চম ষান্মাসিক
শিক্ষাবিভাগ

স্মৃতিবোৰ জাহ যায়
সোঁৱৰণিৰ বুকুত
একে সন্ধ্যা, একে সুঁতি...
একে সেউজীয়া, একে ৰূপালী...
অথচ
তেওঁৰ খোজ ইপাৰত
মোৰ এই পাৰত...!!

শিলে শিলে ঠেকা খাই বৈ থকা জুৰিটো হঠাতে বৈ যোৱা যেন লাগিছিল... সেউজীয়াবোৰে কান্দিছিল... বতাহে নিজৰ স্থিতি স্তব্ধ কৰিছিল... আকাশখনে যন্ত্ৰনাত ধৰালৈ বৰষিছিল দোপালপিটা বৰষুণ হৈ... ৰ'দজাকে মৌনতাৰ সমদলত ভাগ লৈছিল.... ঝিলিবোৰে মাথো কান্দিছিল... দুপৰীয়াটো ক্ৰমাৎ তেজাল হৈ আহিও বেৰঙীণ হৈ পৰিছিল। কাৰণ তাই সিদিনা সেই চহৰ এৰি গুচি আহিছিল। সেয়া বহু বছৰৰ আগৰ কথা... তেতিয়া ইয়াত যান্ত্ৰিকতাই স্পৰ্শ কৰা নাছিল। নদীৰ পানীৰ খলকনিত গাভৰুহঁতৰ খিলখিলনি মিলিছিল... কোনোবা ঘাটৰ পৰা ভাঁহি অহা বাঁহীৰ ভৰুণ সুৰে মতলীয়া কৰা কিশোৰী মনবোৰ কঁহুৱা তুলা হৈ উৰিছিল। বুকুজুৰি মাথো শুভ্ৰতা আৰু শুভ্ৰতা... তেনেকুৱা এটা দিনতে মইও প্ৰেমত পৰিছিলো... এজন মানুহৰ ... যাৰ এষাৰ মাতৰ বাবে পুনৰবাৰ জন্ম ল'বলৈ মই সাজু আছিলো... আৰু তেনে এজন মানুহৰ সান্নিধ্যত এটা এটাকৈ অজস্ৰ ভুল কৰি চৰম ভুলটো কৰাৰ পৰা বিৰত থাকি আজি মই লিখি পেলাইছো বুকুত খুন্দিয়াই থকা কথাবোৰ... ক'ব বিচাৰিছো কি কাৰণে শিলে শিলে ঠেকা খাই বৈ যোৱা জুৰিটো বৈ গৈছিল... কি কাৰণে বতাহে নিজ স্তিতি স্তব্ধ কৰিছিল... কিয় সেই দুপৰীয়াটো নিমাও মাও হৈ পৰিছিল???

দেউতাৰ কৰ্মসূত্ৰে, মিকিৰ সম্প্ৰদায়ৰ মানুহ এখিনিৰ সৈতে গাৰো পাহাৰত ডাঙৰ হোৱা ছোৱালী আছিলো। খুউব সৰুতেই... সেই ঠাইডোখৰত থকাৰ বাবেই হয়তো মিকিৰ সম্প্ৰদায়ৰ মানুহবোৰৰ প্ৰতি তাহাঁতৰ সমাজ ব্যৱস্থাৰ সতে সাঙুৰ খাই পৰিছিলো। জুৰিত গা ধোৱাৰ পৰা আৰম্ভ কৰি ... পাহাৰৰ ভাজে ভাজে খেলাটো বহুত ডাঙৰৰ লৈকে এৰা নাছিলো... জুৰিৰ পাৰৰ শিলত বহি জুৰিৰ নিৰাভৰণ বুকুত পানীগাঁঠি তিয়াই ক'ৰবাৰ পৰা ভাঁহি অহা ভৰুণ বাঁহীৰ সুৰত মই সেই জীয়ৰী হোৱাৰ আগৰ পৰাই নিজক হেৰুৱাইছিলো। হয়তো খুউব প্ৰেমিক চৰাই আছিলো। আমাৰ বাংলাটোৰ পৰা চুড়াৰ বগাকৈ জিলিকি ৰোৱা চাৰ্চটোৰ ক্ৰচ চিনটো মোৰ প্ৰতিটো সন্ধ্যাৰ সাক্ষী আছিল। মোৰ খিৰিকীৰ কাষত নতুনকৈ ফুলি উঠা পাহাৰীয়া লতা ফুলবোৰ... মোৰ স্পৰ্শৰ বাবে কাতৰ হৈ খিৰিকীখনৰ ওচৰত জুপা জুপি কৰি আছিল... আৰু মালীকাই ৰংবঙে তাইক আঁতৰাই পুনৰ নিজৰ ঠাইত থৈ গৈছিলহি আৰু প্ৰচণ্ড জেদী সেই লতাজোপাই পুনৰ ঢাপলি মেলিছিল... মোৰ চহৰলৈ... অক্লান্ত পৰিশ্ৰমৰ অন্তত দুই সপ্তাহমানৰ মূৰত পুনঃ মোৰ চহৰত তাই উপস্থিতি ঘোষণা কৰিছিল। ২০১১ চনৰ এপ্ৰিল মাহৰ ১৭ তাৰিখ... সেই একেই খিৰিকী ... একেই লতা... একেই মালী কাকা... পাৰ্থক্য এটাই বহাগ মাহ... মই জীয়ৰী হোৱাৰ পৰা প্ৰথমটো বহাগ.... নিভাঁজ যৌৱনৰ উকমুকনি... আকাশত তৰা গণি গণি কবিতাৰ সতে মেল পতাত ব্যস্ত হৈ আছিলো... হঠাতে সোমাই আহিল মোৰ

ঘৰলৈ আগন্তুক... চিনা পৰিচয় হৈ, ক্ৰমশঃ চাপি আহিল মোৰ আপোন মানুহবোৰৰ কাষলৈ... আৰু কোনেও নজনাকৈ মোৰ বুকুৰ কাঁচঘৰলৈ ...লাহে লাহে আৰম্ভ হ'ল এক নতুন অধ্যায়... হয় আপুনি ঠিকেই ভাবিছে... তাই প্ৰেমত পৰিল....

অচিনাকীৰ পৰা চিনাকী দিশে ধাৱমান হৈ.. অকলশৰীয়াৰ পৰা লগ হোৱাৰ দিশে...

সেই সি মোৰ জীৱনলৈ অহাৰ পৰাই সকলোবোৰ সলনি হৈ গ'ল... দেউতা চাকৰিৰ পৰা অৱসৰ হোৱাৰ বাবে শিৱসাগৰস্থিত পুৰণি ঘৰৰ সমীপত আমাৰ নতুন ঘৰটো কাম আৰম্ভ হোৱাত সেই পাহাৰৰ জুৰিটো, একা-বেকা ৰাস্তাবোৰ... বিস্তৃত সেউজীয়া... পাহাৰীয়া বতাহ... ফুল-লতাবোৰ এৰি মোৰ চহৰ শিৱসাগৰলৈ গুচি আহিলো। এ এছ টি চিত তেওঁ আৰু বৰ্তা আমাক আগবঢ়াই আনিবৰ বাবে ৰৈ আছিল। পাহাৰীয়া শৈশৱ হেৰুৱাই... দুখত ভাঙি অহা মইজনীয়ে তেওঁৰ উপস্থিতিত সুখৰ নঙলাডাল খুলি আগুৱাই গ'লো... গাঁওখনত বিজুলি বাতি হ'ল... মানুহবোৰৰ ঘৰত কালাৰ টি ভি, ৱাল টি ভি হ'ল .... ঘৰবোৰ পকী হ'ল... কাৰোবাৰহে পাকঘৰবোৰ টিনৰ চালি দিয়া... নৰা নতুবা খেৰৰ ঘৰবোৰ বতাহে কোনো দিশে উৰুৱাই লৈ গ'ল... নিজৰ নিজৰ ঘৰতে বিলাসে ভৰুণ কৰি লোৱাৰ বাবে হয়তো ইঘৰ সিঘৰলৈ অহা যোৱাবোৰ কমি যোৱাৰ দৰে হ'ল... মানুহবোৰ একে থাকিল... মানুহৰ মনৰ আন্তৰিকতা, মৰম, স্নেহবোৰ জ্বলি ছাই হৈ গ'ল। মনত পৰিল... সেই পাহাৰীয়া সহজ-সৰল মানুহখিনিলৈ.. ৰংবং কাইয়ে আমি অহাৰ সময়ত লুকাই চোৰকৈ টোকা চকুলোবোৰ... তথাপিতো মই সময়ৰ তাগিদাত যৌৱনৰ নতুন বৰ্ষবোৰৰ আদৰণি জনাই মাহ এৰি বছৰৰ দিশে গতি কৰিলো...

তেওঁৰ দুচকুত এপথাৰ হালধীয়াৰ লুকাভাকু
তেওঁৰ দুহাতত মুঠি মুঠি সেউজীয়া...
নিভাঁজ আবেলি এটাত...
আলফুলে তুলি ল'লো...
তেওঁৰ দুই ওঁঠৰ অমিয়া...
চৌদিশে এতিয়া মাথো
নজহা নপমা তেওঁৰ ভালপোৱা....

দিনবোৰ শিমলুতকৈ ৰঙা হৈ পৰিছিল... সহজ হৈ ধৰা নিদিয়াৰ আপাহত কেতিয়াবা তেওঁ অসন্তুষ্ট হৈছিল... গুণগুণ সপোনৰ আঁত ধৰি বাস্তৱৰ পৰা আঁতৰি যেতিয়া মই মোৰ সৰু পৃথিৱীত জীৱন সজাইছিলো.. তেওঁ ব্যস্ত আছিল ক্ৰংকিটৰ এখন মহানগৰীত... আধুনিকতাৰ সতে ... আবেগত ভৰি পখালি থাকোতে.. বাস্তৱতাৰ আঁত হেৰুৱালে আৱেগত জৰ্জৰিত হোৱাৰ শাস্তি ভুগি ভুগি সপোন ভালপোৱা মইজনীয়ে তেওঁ বেয়া পোৱাৰ বাবে সপোন দেখিবলৈ এৰি দিছিলো... মাথো তেওঁৰ বাবে এৰি পেলাইছিলো আকাশ চাবলৈ ... সেউজীয়া চুবলৈ... হেঁপাহৰ বকিয়াইদি খোজ দিবলৈ ... নিজৰ ভিতৰৰ মইজনীক হত্যা কৰি মাথো তেওঁ ভালপোৱাৰ বাবে এজনী নিজে চিনি নোপোৱা মই হৈ পৰিছিলো.. আৰু তেওঁ...!! মোৰ সৰলতাৰ সুযোগ লৈ আন কাৰোবাৰ সতে সপোন সজোৱাত ব্যস্ত হৈ আছিল। অজুহাত আছিল মাথো 'মই অতিমাত্ৰা আৱেগিক।' আৱেগে পেট নভৰে.. কবিতা লিখাৰ বাবে প্ৰশ্ন আহিছিল মোলৈ... কবিতা লিখি পেট ভৰাবানে, সমাজ শুদ্ধৰাবা..?? কবিতাই একো তৰাব নোৱাৰে... Be practical .... অভিমান নে ক্ষোভত নাজানো.... একে ৰাতিৰ ভিতৰতে লিখি উলিয়ালো এটা দীঘল কবিতা... দীৰ্ঘদিনৰ বিৰতিৰ অন্ততঃ—

'বিদায় জনাব নোৱাৰো বুলি নাভাবিবা
আচলতে সাহসৰ অভাৱ....
কিন্তু
সেই সাহস নাই বুলি নাভাবিবা।
ভালপোৱাই উজাৰ কৰি দিয়ে
শব্দ, বৰ্ণ....
আৰু মোৰ ভালপোৱাই!!!
উজাৰ কৰি নিছে মোৰ জীৱন...
আচলতে কি জানা!!
আজিকালি নাচাও আকাশ
পী নাখাও সেউজীয়া...
চুই নাচাও হালধীয়া...
মাথো মাতাল হওঁ
নিঃসংগতাত....
নুসুধিবা, মই নিসংগ নে নিঃসংগতাৰ বলী!!
বুকুজুৰি বিষাদ
অজুহাত এটা
অপ্ৰেম....
নুসুধিবা কিয় লিখো কবিতা!!

মাথো জানি থোৱা
ভালপোৱাই সৰ্বস্ব নহয়...
তেনে!!
তুমিটো প্ৰেমিক মাথো মোৰ...
মালিক নহয়...
নতুবা নহয় তুমি আকাশ ভালপোৱা মানুহ
যাৰ বাবে অপেক্ষা আছিলে...
তুমি হয়তো জানিছিলা!!
বৰষুণ মোৰ প্ৰিয় আছিল
তথাপিও ৰুদ্ধ কৰিছিলা মোৰ চহৰৰ বৰষুণ
আজি বিদায় তোমাক...
ক্ষমা কৰিবা... তোমাৰ বাবে
ৰুদ্ধ কৰি দিব নোৱাৰিম....
মোৰ প্ৰিয়বোৰ...
কাৰণ আকাশৰ তলত ডাঙৰ হোৱা
সাধাৰণ ছোৱালী মই।'

সেই যে কবিতা লিখিলো; সাদিন, নতুবা প্ৰান্তিক নতুবা মায়াত সেইসমূহ প্ৰকাশ হ'বলৈ ধৰিলে আৰু সেই মোক আকাশ চাবলৈ নিদিয়া, সেউজীয়া চুবলৈ নিদিয়া মানুহজনৰ পৰা ক্ৰমাৎ দূৰত্ব বাঢ়ি যাবলৈ ধৰিলে। হয়তো তেওঁৰ নামত সেন্দুৰ নিপিন্ধাৰ প্ৰথম কাৰণ আছিল মোৰ অনুভৱী জীৱন। মাথো সেন্দুৰৰ প্ৰতি থকা হাবিয়াস মোৰ হেৰাই গৈছিল... কিয় লাগে তেনেকুৱা সেন্দুৰ... য'ত মাথো অধিকাৰ খটুওৱাৰ অভদ্ৰামী... য'ত নাই নিজা হাবিয়াস পূৰণ কৰাৰ সুবিধা.. কিয় লাগিছে তেনে সেন্দুৰ, যি সেন্দুৰ পিন্ধি মই সেউজীয়া চুব নোৱাৰো... যি সেন্দুৰৰ নামত মই নিজ সত্ত্বাক বন্ধকত থব লগা হয়.. পবিত্ৰ সেন্দুৰক অপবিত্ৰ কৰাৰ অধিকাৰ কাৰোতো নাই।

তেওঁৰ নামত নামি আহিছিল
মোৰ চহৰলৈ বৰষুণ...
সোণাৰুবুলীয়া আবেলিবোৰ
তেওঁৰ নামত বুটলি ফুৰিছিলো...
বুকুৱে বিচাৰিছিলো
মৰমৰ আশ্ৰয়
সেয়ে পুনৰবাৰ চাপি গৈছিলো
তেওঁৰ আশ্ৰয়ৰ...
কাৰণ,
'সঁচা প্ৰেমত কোনো অজুহাত নাথাকে।"
সেই ধূসৰ নৈ পৰীয়া আবেলিটো ঃ

বয়সতকৈও আগতে বুজন হোৱাৰ বাবে হয়তো সুবিধা ল'ব নোৱাৰা দুখত বিৰহী আজিও তেওঁ... নাই সোধা নহ'ল তেওঁক... তেওঁ সঁচাই আজি সুখীনে??? তথাপিও কওঁ... তেওঁ মোৰ সুখ নাইবা হেঁপাহ নাছিল... আছিল মাথো নিচা... যাৰ পেচা যান্ত্ৰিকতা...

বহুদিনৰ বিৰতিৰ মূৰত এদিন লগালগি হ'লো... বৰপুখুৰীৰ পাৰৰ সোণাৰু কেইজোপাৰ মাজত আকাশ নীলা চাৰ্টটো... বিৱৰ্ণ ৰঙৰ জীনচ্‌টোৰে সৈতে শূণ্যত বিচৰণ তেওঁৰ... কিয় জানো হালধীয়াৰ মাজত তেওঁক স্বস্তিৰ নিশ্বাস লোৱাৰ দৰে লাগিল... শূণ্যত প্ৰসাৰিত দৃষ্টিৰে সতে তেওঁক দেখি কিয় জানো... চৰ্তটো খুলি পেলালো.. পুনৰ সিদ্ধান্ত হ'ল মোৰ শিৰত তগবগ কৰিব তেওঁৰ অনামিকাৰ ৰঙা বেলি... হঠাৎ জানো কি হ'ল... তেওঁ অন্যমনস্কতাৰ পৰা ঘুৰি আহিল আৰু ক'লে 'ইয়াত বৈ বৈ আমনি লাগি গৈছিল... ভাবিলো চিগাৰেট হুপো... অথচ সিদিনা সম্ভাৰখনত তোমাৰ কবিতা শাৰী এটালৈ মনত পৰিল

'চিগাৰেট নোসোপিবা প্লিজ...
তোমাৰ ওঠ দুখন অসম্ভৱ কলা...
জানাইটো, এন্ধাৰলৈ মোৰ ভয় লাগে...

সেয়ে এৰি পেলাইছো চিগাৰেট... আৰু নহ'ব ছাগে.. চিগাৰেট খোৱা... সেই কথা মুখেৰেও ক'ব পৰা... কবিতা লিখি সবকে জনাই দিয়া... কিমান কামোৰ পাঁও তোমাৰ কবিতাবোৰৰ পৰা .... এই যে এচমকা ডাৱৰে হঠাৎ উলিয়াই দিলে তেজৰঙা বেলিক.... আকৌ ঢাকি দিলেহি আন এচপৰা ডাৱৰে সেই বেলিক....

সেই পুৰণি বিষ এটাই তলপেটত খুচামাৰি ধৰিল... বহু সময়ত সহ্য কৰি থাকিলো.... আনন্দৰামৰ শুকান পাতবোৰত খচমচনি তুলি ওচৰা ওচৰিকৈ। নাই ... তাৰ উপস্থিতিয়েও ম্লান কৰিব নোৱাৰিলে মোৰ দেহাৰ যন্ত্ৰণা.. তাৰ কান্ধত মূৰ থৈ চকুহাল খুলি খামুচি থাকিলো তলপেটত জোৰেৰে.... তীব্ৰ যন্ত্ৰনাত ওঠযোৰ কামুৰি ধৰিলো... তাৰ পাছত যি ঘটিব লাগে

ঘটি গ'ল .... কাষতে থকা Dispensery খনলৈ সি লৈ গ'ল তাৰ বিলাসী গাড়ীখনত... যাৰ আগফালৰ চিটটো মাথো মোৰ আছিল... ঘৰলৈ খবৰ নিদিল... X-ray ৰিৰ্পট আহিল দুঘণ্টাৰ মূৰত ... ডক্টৰে কৈ গ'ল— 'She will not able to birth child... of she concive it being harm not only for child also for her. So take care of her... she needs very much care'... আকাশখন মূৰৰ ওপৰত ভাগি পৰা নাছিল মোৰ নতুবা তাৰ.. কাৰণ আমাৰ ভালপোৱাত কোনো জৈৱিক কামনা বাসনা জড়িত নাছিল... মাথো আছিল হৃদয়ৰ টান... সম্পূৰ্ণ বেলেগ পৃথিৱীৰ বাসিন্দা হৈয়ো বিভিন্ন ঘটনা পৰিঘটনাৰে আগবঢ়াই লৈ গৈছিলো সম্পৰ্ক... তথাপিও কোনোবাখিনিত মই হাৰি হৈছিলো। ভগৱানে মোক কিয় ইমান ডাঙৰ শাস্তি দিলে.... মইতো প্ৰতিদিনৰ খতীয়ান ভগৱানক দি আহিছো। অথচ ভগৱানে প্ৰতিদান দিছে এয়া.... মই জানো, ভগৱানে আমাক যিমানখিনিলৈকে ল'ব পাৰো সিমান দিয়ে... কিন্তু মোক জানো তাতোকৈয়ো বেছি দিয়া নাই!! তথাপিও সান্ত্বনা লভো কাৰণ পৃথিৱীৰ প্ৰত্যেকজন মানুহেই কম বেছি পৰিমাণে সুখী অথবা দুখী.. মাথো পৃথিৱীখনত মই দুখী নহয়.. অজস্ৰ মানুহ আছে... সুখ-দুখে ম্লান কৰিব নোৱাৰা...

স্বীকাৰোক্তি জীৱনৰ ভাজত ঃ

দিনবোৰ তথাপিও গৈ আছিল, আজিও স্বীকাৰ কৰো.. মোৰ জীৱনৰ প্ৰতিটো সফলতাৰ আঁৰত তেওঁ আছিল, যাৰ নামত সেন্দুৰ মই নল'লো... কাৰণ হৃদয়ে বিচৰাবোৰ পৰিস্থিতি অথবা পৰিৱেশে নিবিচাৰিবও পাৰে। তেতিয়াই কান্দে মানুহে... কিন্তু মই কান্দিব পৰা নাছিলো... ক্ৰমাৎ সাহসী হৈ উঠিছিলো তেওঁ কবিতা বেয়া পোৱাৰ বাবে মই জেদত কবিতা লিখি প্ৰতিষ্ঠা লাভ কৰিছিলো। শব্দ-বৰ্ণৰে ভৰাইছিলো পৃষ্ঠাৰ পাছত পৃষ্ঠা। লাহে লাহে মই নিজকে ৰূপান্তৰ কৰিছিলো অচিনাকী এজনীলৈ....

এদিন হঠাৎ মা হেৰাই গ'ল। এশ এবুৰি যন্ত্ৰনা, হাবুডুবু জীৱন নামৰ নৈৰ যাত্ৰাত... চাৰিওফালে এন্ধাৰ আৰু এন্ধাৰ... সীমাহীন পানীৰ মাজত মই ... অভিজ্ঞতাৰে দীক্ষিত হোৱাৰ বাবে হয়তো সিদিনা কান্দিব পৰা নাছিলো.... মাথো... দায়িত্ব আৰু কৰ্তব্য... তেনেকুৱা এটা দিনতে পালো তাৰ বিয়াৰ কথা ওলাইছে। ঘৰখনৰ ডাঙৰ সন্তান হিচাপে কৰ্তব্যক শ্ৰদ্ধাঞ্জলি দিব পৰা অৱস্থাত নাছিলো। ব্যস্ততাৰ যন্ত্ৰনাত বোবা হৈ মাজৰাতি তেওঁক Phone লগালো....

ঃ মাক সকলো কথা ক'লো... মোক ভুল নুবুজিবা মই মাৰ কথা পেলাব নোৱাৰো। দেউতা সৰুতে নোহোৱা হোৱাৰ পৰা মায়ে বৰ কষ্টেৰে আমাক ডাঙৰ কৰিলে; এতিয়া মাৰ কথা কিদৰে পেলাওঁ।

ঃ কি হ'ল কোৱাচোন বুজাই (মই ইতিমধ্যে বুজি উঠিলো)

ঃ মায়ে কৈছে, মাক এনেকুৱা বোৱাৰী নালাগে। যিয়ে বংশৰ স্বীকৃতি দিব নোৱাৰে।

ঃ আৰু তোমাক??

ঃ তুমিটো জানাই...

ঃ মায়ে ঠিকেই কৈছে... কিন্তু এটা কথা তুমিও জানা, মইও জানো ... এটা সন্তান জন্ম দি বংশৰ চিন ৰাখিব পাৰিলেই মাথো বোৱাৰী নহয়... পৃথিৱীৰ অধিকাংশ শিশু অনাহাৰত ভুগে, ফটা কাপোৰ পিন্ধি জীৱনৰ বাবে তোমাৰ মোৰ আগত হাত পাতে... তাহাঁতৰ বাবে তুমি, মই জানো কাম কৰিব নোৱাৰিম!! আমাৰ জীৱনৰ ৰাহি হোৱা টকাৰে এখন অনাথ আশ্ৰম খুলি তাহাঁতক জানো আমি আমাৰ সন্তানৰূপে পালিব নোৱাৰিম!! আমাৰ জীৱন জানো আমি শুদ্ধ ইচ্ছাৰে চলাব নোৱাৰিম। মায়ো মাৰ দিশত শুদ্ধ হয়, ময়ো দুখ পাইছিলো, ডক্তৰে ঘোষণা কৰাৰ দিনা। কিন্তু মই মাথো নিজৰ সন্তানক নিজৰ বুলি নহয়.... প্ৰতিটো শিশুকেই সেই তাহানিৰ পৰাই নিজৰ সন্তান বুলিয়েই ভাবি আহিছো। দেউতা নোহোৱা ঘৰখনত দুজনী ভণ্টিক নিজে দেউতাৰ ভূমিকা লৈ ডাঙৰ কৰিছো আৰু আজি মাকো হেৰুৱাই তোমাক বুজাব পৰাকৈ সাহসী হৈ উঠিছো... আস্তিক দাদা। (নিশ্চুপ সিটো পাৰ) আজিৰ পৰা পাহৰিবলৈ চেষ্টা কৰা যুদ্ধখনত জিকিবলৈ চেষ্টা কৰিম... তুমি তোমাৰ পথত যোৱা মই মোৰ পথত...

ঃ শুনাচোন হিয়া... তেনে নহয়। (উচুপনিৰ শব্দ)

ঃ নাই একো নুশুনো, ল'ৰা মানুহ দুৰ্বল হ'ব নালাগে। চকুপানী যদিও ছোৱালীৰ একচেটীয়া সম্পদ নহয়, তথাপিও ল'ৰাৰ চকুত চাব নোৱাৰো। কোনো কান্দোনেই মোক দুৰ্বল কৰিব নোৱাৰে।

ঃ Please এটা সুবিধা দিয়া।

ঃ সমাজৰ দৃষ্টিত বাজী নাৰী হ'ম মই, স্বীকাৰ কৰো,

কিন্তু তোমাৰ দৃষ্টিত তেনে হ'ব নিবিচাৰো। সত্য সত্যই। মই সন্তান জন্ম দিব নোৱাৰো।

ঃ তোমাক এনেকুৱা দিনত দুগুণ কষ্ট দিব বিচৰা নাই, মায়ে কোৱা কথাষাৰ কৈছো, বুজাচোন।

ঃ তুমি ভাবিছা ছাগৈ এইবোৰ দুখে মোক ভাঙি পেলাব। আচলতে সেয়া তোমাৰ ভুল, কোনো দুখে মোক ভাঙিব নোৱাৰে, কাৰণ দুখবোৰ সুখলৈ ৰূপান্তৰ কাৰৰ মানুহ মই...

ঃ তুমি Serious হৈ গৈ আছা। কথাটো তেনে নহয় হিয়া ভালপাঁও তোমাক, আজীৱন পাই ৰম। তুমি যে মোৰ প্ৰেমিকা, তেনে নহয়। মাথো তোমাক ভালপোৱাই নহয়, সন্মান কৰো তোমাক, মোতকৈ ক'ত যোজন বাটৰ সৰু হৈ ইমান ডাঙৰ তুমি; কোনোবাখিনিত মই হাৰি যাওঁ। কিয় এনেকুৱা তুমি—

ঃ Serious হ'বলৈ তুমি শিকাইছিলা। কবিতা বাদ দিব দিছিলা, আকাশৰ তলত ৰ'ব নিদিছিলা। আচলতে মোৰ আকাশ আছিলা তুমি, সেউজীয়াবোৰ আজি হালধীয়া তোমাৰ বাবে, এটা কথা ভালপাওঁ তোমাক মই তেতিয়াৰ দৰে... সম্পৰ্কবোৰতো ইথাৰৰ দৰে নহয় যে ভাঙি যাব ... বুকুতটো অজস্ৰ ঘৰ নাই যে আনে আনি বাস কৰিব। মাথো তোমাৰ বাবে ঠাইবোৰ, কিন্তু তুমি মোৰ প্ৰেমিক; স্বামী নহয়!!

ঃ কি কৈ আছা... বুজা নাই।

ঃ তোমাৰ নামত সেন্দুৰ নিপিন্ধো, প্ৰেমিক হৈ ৰ'ম। যিদৰে ৰাধা প্ৰেমিক হৈয়ো কৃষ্ণৰ সতে আজিও পূজনীয়, মই পূজনীয় হ'ব নালাগে, কিন্তু অবৈধো নহয়। যদি জানো বৈধতাই সম্পৰ্কবোৰত বাধা জন্মায়... মোৰ শিৰত নবঢ়ে তোমাৰ নামৰ সেন্দুৰ... মোৰ তেজৰ টোপালত তুমি.... সমাজত তোমাক নীচ কৰাৰ ইচ্ছা নাই... কিন্তু সমাজত মই এদিন দেখুৱাম যে কি কৰিব পাৰো মই... সেয়ে গোপনে ৰখা নাই মোৰ অক্ষমত কাহানিও চেষ্টা নকৰিবা, মোক লগ ধৰিবলৈ... নতুবা পত্নী কৰিবলৈ... মই মাথো প্ৰেমিকা হিচাপে ৰৈ যাম আজীৱন... কাইলৈ ছুটী শেষ.. সকামৰ কামবোৰো শেষ হ'ল... Phone কৰি মনত পেলাবলৈ চেষ্টা নকৰিবা।

আজিৰ পৰা সাতবছৰৰ আগৰ কথা এয়া.... তেতিয়া মই কাষৰ বিদ্যালয়খনৰ শ্ৰেণী শিক্ষয়িত্ৰী আছিলো। আজি 'ছায়া' অনাথ আশ্ৰমৰ মালিকীস্বত্ব মোৰ হাতত...

সেই যে তেওঁক সেইখিনিত এৰি আহিলো সেয়ে মোৰ শিৰত ৰঙা বোলোৱা নহ'ল কাহানিও।

ৰচনা



# অসমৰ বন্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণত জনসাধাৰণৰ ভূমিকা

স্বপ্নালী গগৈ
স্নাতক ষষ্ঠ ষান্মষিক
অসমীয়া বিভাগ

আৰম্ভণি ঃ

ভাৰতৰ পূব দিশত অৱস্থিত ৰূপহী ৰাজ্যই আমাৰ ৰাজ্য অসম। যি খন ৰাজ্যক চিৰসেউজীয়া ৰাজ্য বুলিও কোৱা হয়। অসমৰ অভয়াৰণ্যত বহুতো বন্যপ্ৰাণী পোৱা যায়। ইয়াৰ ভিতৰত গঁড়, হাতী, বাঘ, ভালুক, হৰিণ, ম'হ আদি। এই বন্যপ্ৰাণী সমূহ বিশেষকৈ অসমৰ কাজিৰঙা, মানাহ, ওৰাং পবিতৰা আদি অৰণ্যত পোৱা যায়। বন্যপ্ৰাণী সমূহৰ সংৰক্ষণ কৰা অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বিশ্ব ঐতিহ্য স্থান ৰূপে পৰিৰিচিত। এশিঙিয়া গঁড়ৰ বাসভূমি ৰূপে এই ৰাষ্ট্ৰীয় উদ্যান অসম তথা ভাৰতৰ গৌৰৱ।

মূল বিষয় ঃ

অসমৰ এই বন্যপ্ৰাণী সমূহ সংৰক্ষণৰ বাবে বন বিভাগে বহুতো ব্যৱস্থা হাতত লৈছে। যদিও চোৰাং চিকাৰীয়ে অবাধ বিচৰণ কৰি নতুবা ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ পৰা বন্দুকৰ গুলী বৰ্ষণ কৰি এই বন্যপ্ৰাণী সমূহক হত্যা কৰিছে। কোনো কোনো কাৰণত বনাঞ্চল সমূহৰ ঠাই দিনক দিনে কমি অহাৰ ফলত বন্য জন্তুবোৰ দিশহাৰা হৈ য'তে ত'তে বিচৰণ কৰিছে। হয়তো ইয়াৰ ফলত মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাতে দেখা দিছে। বন্যপ্ৰাণীৰ পৰা নিজেৰ প্ৰাণ ৰক্ষা কৰিবৰ বাবে মানুহে উপায়বীহিন হৈ বন্যপ্ৰাণী হত্যা কৰিছে। কোনো কোনো কাৰণত বনাঞ্চল সমূহৰ ঠাই দিনক দিনে কমি অহাৰ ফলত বন্য জন্তুবোৰ দিশহাৰা হৈ য'তে ত'তে বিচৰণ কৰিছে। হয়তু, ইয়াৰ ফলত মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাতে দেখা দিছে। বন্যপ্ৰাণীৰ পৰা নিজৰ প্ৰাণ ৰক্ষা কৰিবৰ বাবে মানুহে উপায়বিহীন হৈ বন্যপ্ৰাণী হত্যা কৰিছে। বিগত বৰ্ষটোত বিশেষকৈ গঁড় হত্যা কৰা বিষয়টো চৰম দুচিন্তাৰ বিষয়ত

পৰিণত হৈছে। গঁড়ৰ বহুমূলীয়া খৰ্গই হৈ পৰিছে ইহঁতৰ জীৱনৰ আতংক। কিয়নো আন্তৰ্জাতিক বজাৰত ইয়াৰ মূল্য বহু বেছি। বিগত বছৰটোত প্ৰায় একুৰি নাহৰফুটুকী বাঘ, একুৰিতকৈ অধিক হাতী, একুৰিতকৈ অধিক গঁড়ৰ হত্যা চলিছে। ইমান সুৰক্ষা ব্যৱস্থা থকা স্বত্বেও বন্যপ্ৰাণীৰ হত্যাৰ বিষয়টো সচাঁয় বেদনাদায়ক। বিগত সময়ছোৱাত কাজিৰঙাত চোৰাং চিকাৰীয়ে প্ৰায় ডেৰশ গঁড় হত্যা কৰিছে। আমাৰ জাতীয় প্ৰতীক 'গঁড়' বৰ্তমান বিপদত পৰিছে। কাজিৰঙাৰ কটকটীয়া সুৰক্ষাৰ মাজতো ই নিৰাপদ নহয়। বছৰটোৰ আৰম্ভ হওঁতেই ৪ জানুৱাৰী তাৰিখে কাজিৰঙাত গঁড় হত্যা কৰি চোৰাংচিকাৰীয়ে ব্ৰহ্মপুত্ৰৰ বালিত পুতি থৈ গৈছে। এই বিষয়ৰ পুনৰ সূচনা নহ'বৰ বাবে ৰাজ্যপালে (পদ্মনাভ বালাকৃষ্ণ আচাৰ্য) ইয়াৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাৰ ব্যৱস্থা কৰিছে।

অসমৰ বন্যপ্ৰাণী অসমৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। যি অসমৰ গৌৰৱ। এই বন্যপ্ৰাণী সমূহ চাবৰ বাবে দূৰ দূৰণিৰ পৰা পৰ্যটক অসমলৈ আহে। ইয়াৰ পৰা অসমে বহু আয় উপাৰ্জন কৰে। কিন্তু এই বন্যপ্ৰাণীৰ এতিয়া সংকটাপন্ন অৱস্থা। বন্যপ্ৰাণী সংৰক্ষণৰ বাবে কেৱল বন বিভাগ, বনমন্ত্ৰীৰেই কৰণীয় আছে এনে নহয়। ইয়াৰ বাবে জনসাধাৰণৰ ভূমিকাৰো প্ৰয়োজন। 'ৰাইজে নখ জোকাৰিলে যি দৰে নৈ বয়' ঠিক সেইদৰে জনসাধাৰণৰ ঐক্যবদ্ধ প্ৰচেষ্টাতহে চৰকাৰৰ বন্যপ্ৰাণী সংৰক্ষণ ব্যৱস্থা সফল হ'ব। ইয়াৰ বাবে সচেতন হ'ব লাগিব জনসাধাৰণ। বৰ্তমান এই বিষয়টো অৰ্থাৎ বন্যপ্ৰাণী সংৰক্ষণক লৈ কিছুমান পদক্ষেপ গ্ৰহণ কৰা হৈছে। সৰ্বপ্ৰথমে গঁড় হত্যা বিষয়ত ৰাজ্যপালে কটকটীয়া তথা সুদৃঢ় শাসনৰ পোষকতা কৰিছে। কৰ্মীসকলক ন্যায় নিষ্ঠতাৰে কৰ্তব্য কৰিবলৈ অনুৰোধ জনাইছে। দ্বিতীয়তে, বৰ্তমান সৰ্বোচ্চ ন্যায়ালয়ে প্ৰাচীন কালৰ পৰা চলি অহা ভোগালী বিহু সংক্ৰান্তীয় ম'হ যুঁজ। বুলবুলি চৰাইৰ যুঁজ আইনৰ ধাৰা মতে বন্ধ কৰিছে। কিয়নো প্ৰাণীক প্ৰাণীৰ বিৰোধ বা মানুহৰ বিৰোধ যুঁজিবলৈ প্ৰৰোচনা কৰা বিষয়টো আইনমতে দণ্ডনীয়। আকৌ কোনো কোনোৱে বন্যপ্ৰাণী সংৰক্ষণৰ সন্দৰ্ভত সেনা বাহিনী নিয়োগ কৰাৰ পৰামৰ্শ প্ৰদান কৰিছে। অসমৰ বন্যপ্ৰাণী সংৰক্ষণক লৈ বহুতো আন্দোলন গঢ়ি উঠিছে। এই বিষয় লৈ নাটক তথা কবিতা ৰচনা কৰিছে। ইয়াৰ পৰা জনসাধাৰণে বিষয়টোত সজাগ হোৱাৰ ইংগিত পোৱা গৈছে।

**সামৰণি ঃ**

অসমৰ বন্যপ্ৰাণী সমূহ সংৰক্ষণ কৰাত জনসাধাণৰ গুৰু দায়িত্ব আহি পৰিছে। সকলো জনসাধাৰণ সতৰ্ক হৈ যাতে ইয়াৰ পদক্ষেপ গ্ৰহণ কৰে। আৰু যাতে চোৰাংচিকাৰী তথা উন্মত্ত এচামৰ হাতত আমাৰ গৌৰৱ বন্যপ্ৰাণী সমূহ বলী নহয়। আমি সকলোৱে দৃঢ় প্ৰচেষ্টা হাতত ল'ব লাগে যাতে প্ৰকৃতিৰ সুন্দৰ সৃষ্টি গঁড়টোৰ খৰ্গ কাটি আপচু নকৰে। আমাৰ সকলোৰে লগতে যাতে বন্যপ্ৰাণী সমূহেও এক নিৰাপদ জীৱন লাভ কৰে। জনসাধাৰণৰ অগ্ৰণী ভূমিকা তথা ঐক্যবদ্ধ প্ৰচেষ্টাত হে অসমৰ বন্যপ্ৰাণী সমূহ ভৱিষ্যতৰ বাবে সংৰক্ষণ সম্ভৱ হৈ উঠিব। ইয়াৰ বাবে চৰকাৰ তথা জনসাধাৰণ একমত হ'ব লাগিব।

*(বাৰ্ষিক কলেজ সপ্তাহত ৰচনা প্ৰতিযোগিতাত নিৰ্বাচিত)*

সোণসেৰীয়া কথা

# ছক্ৰেটিছেনো মানুহক কি শিক্ষা দিছিল?

ঋতুপৰ্ণা বৰ্মণ
স্নাতক প্ৰথম ষাণ্মাষিক
অসমীয়া বিভাগ

১। পৃথিৱীত এটা মাত্ৰ মংগল আছে - জ্ঞান। এটা মাত্ৰ অমংগল আছে - অজ্ঞতা।

২। মই কাকো একো কথা শিকাব নোৱাৰো; মই কেৱল মানুহক চিন্তা কৰিবলৈ বাধ্য কৰিব পাৰো।

৩। মানুহে মোৰ বিষয়ে কি কয় তালৈ মই ভ্ৰূক্ষেপ নকৰো; মই চিন্তা কৰো কেৱল মোৰ ভুলবোৰৰ বিষয়েহে।

৪। তুমি যে একো নাজানা সেইটো জনাই হ'ল প্ৰকৃত জ্ঞান।

৫। আটাইতকৈ ওপৰত স্থান দিব লাগিব ন্যায়ক; তাৰ ওপৰত আন একো নাই।

৬। মানুহে কি বিচৰা উচিত সেইটো জানিবলৈ প্ৰজ্ঞাৰ প্ৰয়োজন।

৭। জীৱনটো যদি পৰীক্ষা কৰি চোৱা নহয় তেন্তে তেনে জীৱন জীয়াই থকাৰ যোগ্য নহয়।

৮। যি মানুহে গোটেই পৃথিৱীখন পৰিচালনা কৰিব খোজে তেওঁ প্ৰথমে পৰিচালনা কৰিব লাগিব নিজক।

৯। আনৰ কিতাপ পঢ়ি নিজৰ স্বভাৱ-চৰিত্ৰ উন্নত কৰিবলৈ চেষ্টা কৰিবা; তেতিয়া আনৰ কঠিন পৰিশ্ৰমৰ ফল তুমি নিজে একো পৰিশ্ৰম নকৰাকৈয়ে পাবা।

১০। জীৱনৰ উদ্দেশ্য হ'ল ঈশ্বৰৰ নিচিনা হোৱাটো; আত্মাই যদি ঈশ্বৰক অনুসৰণ কৰে তেন্তে সি ঈশ্বৰৰ নিচিনাই হ'ব।

১১। আটাইতকৈ সুখী মানুহ হ'ল সেইজন - যিজনে অতি কম বস্তুক লৈয়েই সন্তুষ্ট হৈ থাকিব পাৰে।

১২। কেৱল জীৱনৰ একো মূল্য নাই; আচল মূল্যৱান বস্তু হ'ল সৎ জীৱন।

১৩। যিবোৰ মানুহে তোমাক প্ৰশংসা কৰে সেইবোৰ মানুহক বন্ধু বুলি নাভাবিবা; আচল বন্ধু হ'ল মৰমৰ মাতেৰে দোষ দেখুৱাই দিয়া মানুহবোৰ।

১৪। তুমি কেৱল নিজে সৎ হ'লে নহ'ব; তুমি হ'ব লাগিব আনৰো সততাৰ প্ৰেৰণা।

১৫। সততে এই কথা মনত ৰাখিবা যে মানুহৰ জীৱনত স্থিৰ আৰু স্থায়ী বস্তু একো নাই। সকলোৰেই পৰিৱৰ্তনশীল। সেই কাৰণে সুখত উতলা আৰু দুখত অধীৰ নহ'বা।

১৬। তোমাৰ সুনামেই হ'ল তোমাৰ আটাইতকৈ মূল্যৱান সম্পদ। ইয়াক জুইৰ লগত তুলনা কৰিব পাৰি। জুই এবাৰ জ্বলাই ল'লে বহুত পৰ জ্বলা অৱস্থাত ৰাখিব পাৰি। কিন্তু জুই নুমাই গ'লে তাক পুনৰ জ্বলাবলৈ কষ্ট হয় আৰু সময় লাগে।

১৭। জীৱিত বা মৃত কোনো অৱস্থাতেই এজন প্ৰকৃত সৎ মানুহৰ একো অমংগল হ'ব নোৱাৰে।

১৮। বহুতো কাম বেয়াকৈ কৰাতকৈ অলপমান কাম ভালকৈ কৰাটো বেছি ভাল।

চিঠি



# ভোগালী বিহুৰ উদ্‌যাপন সম্পৰ্কে জনাই বিদেশী বন্ধুলৈ......

মৰমৰ তাং ঃ ২১-০১-২০১৫

বন্ধু ৰাটছন,

হিয়াৰ নিভৃত কোণত গভীৰ ভাৱে সোমাই থকা চেনেহৰ টোপোলাটি তোমাৰ বাবে....। চিঠিৰ আৰম্ভণিতেই কলম থমকি ৰৈছে। নাজানো এয়া সুখ নে দুখ। তোমাৰ সদায় যত্ন লোৱা মাইকেল, চাংকালৈ মোৰ মৰমৰ টোপোলাটিৰ পৰা অলপ মৰম দি দিবাচোন। আমাৰ ইয়াত বহুত ঠাণ্ডা পৰিছে জানা? জুহালৰ কাষত হাতত এটা কলম, এখন কাগজ লৈ মই বহি আছোঁ। দিনটোৰ বেছিভাগ সময় যে মোৰ জুহালৰ কাষতে পাৰ হৈ যায়। কেনেকৈ?? মই নাজানো। কিন্তু তোমাৰ অবিহনে মোৰ সময়বোৰ যে নাযায় নুপুৰায় লাগে। এতিয়া তুমি কি কৰিছা?? নিশ্চয় চাংকাই বনাই দিয়া কফিকাপ খাই-খাই কৈ আছা, "Sanka, nice coffee, thank you." নতুবা মই নাম নজনা কোনোবা আলোচনীৰ পৃষ্ঠাবোৰ লুটিয়াই আছা। হয়তো ৰাতিৰ আকাশৰ তৰাবোৰ গণি-গণি ভাবিছা, "Where is my Mom, Dad??" বাৰু বা দিয়া, ময়ো যে ৰাতি-ৰাতি বিচনাত শুই শুই বেৰৰ জলঙাইদি ধুনীয়া জোনবাইটো চাই থাকোঁ, মোৰ মা যে তেনেকুৱাই আছিল, ধুনীয়া। বহুত ধুনীয়া আৰু জোনবাইটোৰ কাষত সদায় মোৰ দেউতাক বিচাৰি ফুৰোঁ। বাৰু ৰাটছন, কথাবোৰ কৈ কৈ গ'লে যে শেষেই নহয়। ছেঃ তোমাকটো আজি মই বিহুৰ কথা কম বুলি ভাবিছোঁ। ভোগালী বিহু হৈ গ'ল নহয়। তুমি যে যোৱাবছৰ খ্ৰীষ্টমাচ উদ্‌যাপনৰ বিষয়ে জনাই চিঠি লিখিছিলা, তেতিয়াই মই ভাবি থৈছিলোঁ, ভোগীল বিহু উদ্‌যাপনৰ বিষয়ে জনাই ময়ো চিঠি লিখিম বুলি। হয়তো তুমি ভাল পাবা....।

এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ জুইকুৰা বৰ ৰঙাকৈ জ্বলিছিল। ৰাতিপুৱাই বৰমায়ে গা ধুৱাই দিলে। বৰতাই নতুন কাপোৰ পিন্ধাই দিলে আৰু মই যে কওঁ চেনেহীৰ কথা..... তাই মোক হুইল চেয়াৰ থেলি -থেলি মেজি জ্বলোৱা

ঠাইলৈ লৈ গ'ল। ৰামধন ককা, বীৰেশ্বৰ ককাহঁতৰ লগত মই জলপান খালোঁ। সকলোৱে মোক আশীৰ্বাদ কৰিলে। আৰু কি জানা? উৰুকাৰ দিনত ৰাতি চেনেহীৰ লগত ভেলা ঘৰলৈও গ'লোঁ। বিহুৰ দিনা মেজিক সেৱা কৰোঁতে কিন্তু মোৰ বৰ দুখ লাগিছিল অ'। যোৱাবছৰ মা আৰু দেউতাৰ লগত ইয়াতে সেৱা কৰিছিলোঁ। চেনেহীহঁতৰ লগত দৌৰি- দৌৰি টাংগুটি খেলিছিলোঁ। যদি বজাৰত বোমা নুফুটিলহেতেঁন, হয়তো আজিও যোৱাবাৰৰ নিচিনাকৈয়ে মই .....। বাৰু বা দিয়া সেইবোৰ কথা। এইবাৰ বুজিছা, আমাৰ ইয়াত ম'হৰ যুঁজ, মতা কুকুৰাৰ যুঁজ হ'ল। মোৰ ৰঙা ৰঙৰ পিলিকাটো যুঁজত মৰি থাকিল। বৰ মৰমৰ আছিল সি মোৰ। দুদিন ধৰি ভাত নাখালো। জানা, ৰাটছন, সময়বোৰ যে কেনেকুৱা, কিমান নিষ্ঠুৰ। সপোনবোৰ কেনেকৈ থান-বান হৈ যায়। ফুল ফুলুতেই পাহি সৰি যায়। তোমাক এবাৰ চাবলৈ, এবাৰ ওচৰত থাকি কথা পাতিবৰ বৰ মন যায় অ'। কিন্তু আমি যে দুয়ো বিকলাংগ। খোজ কাঢ়িবলৈ ভৰি দুখনো নাই। বৰমায়ে কৈছে, মোৰ হেনো এদিন ভৰি দুখন ভগৱানে ঘুৰাই দিব। তেতিয়া মই তোমাৰ ওচৰলৈ যাম দেই। একেলগে বহুত কথা পাতিম। আমি একেলগে ঘুৰি ফুৰিম বহুত সময় বহুদূৰ।

আৰু কি লিখিম? বিশেষ একো নাই। পুনৰবাৰ তোমালৈ অশেষ মৰমৰ এটি মিঠা হাঁহি যাচি।

মৰমেৰে —

তোমাৰ বিদেশী বন্ধু

**শ্ৰুতি**

প্ৰতি,

**ৰাটছন লিকছন**

ষ্টকহোম, পিন ঃ .... ৱাড নং ঃ .... হাউচ নং ঃ—

**নিকুমণি দিহিঙ্গীয়া**

উচ্চতৰ মাধমিক দ্বিতীয় বৰ্ষ

*(২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক যুৱ মহোৎসৱৰ চিঠি লিখা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)*

# মৰমৰ সোণপাহী-ৰূপাই

১ ফাগুন, ১৯৩৬ শক

মৰমৰ

সোণপাহী,

প্ৰথমে মোৰ মৰম ল'বা। আশাকৰো তোমাৰ ভাল। ঈশ্বৰৰ কৃপাত মোৰ ভালেই। তোমাৰ মা-দেউতাক মোৰ সেৱা জনাবা। সোণপাহী, যাওঁ যাওঁ বুলি বহুদিন ঘৰলৈ যাবলৈ পোৱাই নাই, তোমাৰ হয়তো খুব খং মোৰ ওপৰত উঠিছে। কি কৰিবা চৰকাৰী চাকৰি ..... যাওঁ বুলিলেই যাব নোৱাৰি। ব'হাগ বিহুৰ আগে আগে হয়তো ঘৰলৈ যাম। যোৱাবাৰ ঘৰলৈ যাওঁতে আইক তোমাৰ কথা কৈছিলো, বোপাইকহে কোৱা নাই। আয়ে তোমাৰ কথা কৈছে ..... ছোৱালীজনী কাজী। তোমাক হয়তো চাপৰিত মাহ তুলিবলৈ যাওঁতে দেখিছে। ভনীয়ে তোমাৰ কথা কৈ মাৰ কাণ ঘোলা কৰি দিয়ে..... জানাই আৰু তাইৰ কথা .... কথা চহকী.....

এইবাৰ বোলে ধান নহ'লেই, প্ৰায়ভাগেই পানীয়ে মাৰিলে। ভদাইয়ে চিঠিত লিখিছিল .... অ' ভদাইক চিনি পাইছানে নাই? .... দেখিছা ছাগে। মোৰ তাঁৰৈৰ ল'ৰা .... কেতিয়াবা তোমালোকৰ সেইফালে যায়। সি আগতে এবছৰমান টাউনৰ মানুহ এঘৰত আছিল, তাতে অলপ লিখা-পঢ়া শিকিলে।

চৰকাৰী চাকৰিটো কৰি খুব বেয়া পাইছো... তোমালৈ খুউব মনত পৰি থাকে। এইবাৰ ঘৰলৈ একেবাৰে যামগৈ। ঘৰৰ যি কেইপুৰা মাটি আছে খেতিয়েই কৰিম। তোমাক আনিলে ৰোৱনী-দাৱনীৰ চিন্তাই নাই। তুমি পিছে ঘৰত আমাৰ কথাটো কৈছানে নাই? অহা ব'হাগত মোৰ আই-পিতাইক তোমালোকৰ ঘৰত ছোৱালী খুজিবলৈ পঠিয়াম। .... বিয়া বুলিলেই বহুত নীতি-নিয়মৰ কথা আহে, তাতে তোমাৰ দৰে লখিমীজনীক ঘৰত সোমোৱাবলৈ বহুত বস্তু যোগাৰ কৰিব লাগিব।

পাহী .... নৈ ঘাটলৈ আহোঁতে অকলে নাহিবা। মোৰ খুউব ভয় লাগে.... তোমাৰ ৰূপ-লাৱণ্যত ভোল গৈ কোনোবাই চিলনীয়ে থপিওৱা নিচিনাকৈ যদি লৈ যায়.... মোৰ কি হ'ব? ... মই থাকোতে তুমি বেলেগৰ কথা নাভাবিবা, নহ'লে মই??? নহ'লে মই দিচাঙত জাঁপ দি মৰিম।

সোণপাহী, মালতীয়ে মোৰ কথা তোমাক সুধিছিল হেনো.... তুমি বোলে কৈছিলা, "সেই পগলাটোক কোনোবাই ভাল পাই নি, দেখিবলৈ মন নাযায়।" কথাটো শুনি দুখ লাগিল। বেলেগৰ আগত তুমি যে মোক পগলা বুলি কোৱা মই জানো.... ক'লেও কৈ থাকা.... তুমি যিয়ে নোকোৱা মোৰ গাত নালাগে, তুমি অন্তৰৰ পৰা নাইকোৱা বুলি জানো.......

পাহী, এইবাৰ পিতাইয়ে উজানৰ মাছ ধৰিবলৈ গৈছিল নে নাই... মোৰ কিন্তু মনত পৰি আছে উজানৰ মাছ ধৰাৰ মজাই বেলেগ......

এইবাৰ গাঁওৰ মানুহে আহু খেতি কৰিছে নাই? অ' বহুত লিখিলো আৰু বহুত কথা লিখিবলৈ থাকিল। আজিলৈ সামৰিলো। বহুত মৰমেৰে —

ইতি

তোমাৰ

**'ৰূপাই'**

**জুৰী বৰগোহাঁই**
স্নাতক দ্বিতীয় ষাণ্মাষিক
ৰাজনীতি বিজ্ঞান বিভাগ

নাটক



# ডাঃ সুনীতা

নাট্যকাৰ ঃ মধুস্মিতা বৰগোহাঁই

চৰিত্ৰসমূহ ঃ
১। ডাঃ সুনিতা
২। ডাঃ সিদ্ধাৰ্থ
৩। ডাঃ প্ৰিয়ংকা
৪। ডাঃ বিকাশ
৫। মেনকা
৬। ভদ্ৰকান্ত
৭। পুলিচ

*(ডাঃ সুনিতাৰ চেম্বাৰ। মঞ্চত টেবুল, চকী, বেৰত কেলেণ্ডাৰ। টেবুলত ফাইল, পেনষ্টেণ্ড আৰু অন্যান্য ডাক্তৰৰ প্ৰয়োজনীয় সামগ্ৰী। মেনকা গান গাই গাই সোমাই আহি ৰুম সাৰিবলৈ আৰম্ভ কৰে। হাতত কাগজ এখন লৈ ভদ্ৰকান্ত সোমাই আহে)*

ভদ্ৰকান্ত ঃ অ' সেইজনী মেনকা নহয়নে? আও আজিকালি তোক নেদেখাই হ'লো দেখোন। পিছে বৰ ধুনীয়াজনী হৈছ কিন্তু দেই। ইমান ধুনীয়াকৈ সাজি-কাছি আহিছ যে?

মেনকা ঃ তোৰ নিচিনাটোক চেহেৰা দেখুৱাবলৈ মই ইয়ালৈ অহা নাই নহয়।

ভদ্ৰকান্ত ঃ ইস্ ৰাম, কেলৈনো খং কৰিছ অ'? আজি ইমান দিনৰ মূৰত লগ পাইছোঁ। ভালকৈ মাত এষাৰটো দিব পাৰ।

মেনকা ঃ হয়নে? কুলিৰ দৰে কুউ-কুউকৈ মাত মাতিব লাগে নেকি? এই ঝাডুটো দেখিছ নহয়, পিঠি বহল কৰি দিম তোৰ। ঘৰত ঘৈনী নাই? ল'ৰা-ছোৱালী নাই? নে আকৌ ঘৈনীয়েৰৰ লগত ৰাম-ৰাৱণৰ যুদ্ধ লাগি মাকৰ ঘৰলৈ খেদালি? ইস্ ইস্ ইস্ বেয়াই লাগে হেৰ' বেচেৰীজনীলৈ.....।

ভদ্ৰকান্ত ঃ ঐ, বেয়া লাগিবলৈ কিডাল আছে?

মেনকা ঃ কাৰণ, তাই যে তোৰ নিচিনা লম্পট এটাৰ লগত বিয়া হ'ল। কি যে পাপৰ ফলত তাই তোৰ ঘৰৰ লখিমী হ'লহি! তই নামতহে ভদ্ৰ, কথা কাণ্ডত, ব্যৱহাৰত পিছে তেনেই অভদ্ৰ।

ভদ্ৰকান্ত ঃ ইস্, কিহতনো অভদ্ৰ দেখিলি? তয়ো যে আৰু দেই মেনকা। কেলৈনো মানুহজনীৰ কথা মনত পেলাই দিছ?

মেনকা ঃ কিয় নক'ম? টেঙা আমাৰ এবাৰেই বেচিব পাৰি।

ভদ্ৰকান্ত ঃ এস্ হ'ব বাৰু দে। ঐ মেনকা, তোক যে মোৰ বৰ ডাঙৰ কথা এটা ক'বলৈ আছে।

মেনকা : কি কথা?

ভদ্ৰকান্ত : এ.... এতিয়া নকওঁ আৰু পিছত ক।

মেনকা : তই কবিনে? নে মই চেণ্ডেল খুলিব লাগিব?

ভদ্ৰকান্ত : কৃষ্ণ নক'লেও নোৱাৰো ফটা মুখ, ক'লেও লাগিব এতিয়া মেনকাৰ দুখ। অ' মেনকা, তোক দেখিলে জান, মোৰ যে হিয়াখন একেবাৰে সাতখন-আঠখন কৰে।

মেনকা : কি ক'লি?

ভদ্ৰকান্ত : নহয় মানে, তোক দেখিলে মোৰ হিয়াখন একেবাৰে ৰাই-জাই কৰে অ'।

মেনকা : অ' হয় নেকি প্ৰভু? পিছে তোক দেখিলে মোৰ গাটো বিছাই ডকাদি ডাকে।

ভদ্ৰকান্ত : ধেৎ এইজনী। ঐ শুনচোন কথা এটা - ঠাণ্ডা পানী যিমান ঠাণ্ডা, তোলৈ ও মোৰ খোজে প্ৰতি ধান্দা।

মেনকা : তেন্তে তয়ো শুনি ল' - সৰুজিৰ ভিতৰ পটল খাবি, মাছৰ ভিতৰত চিতল আৰু মাৰৰ ভিতৰত হালোৱা এছাৰি, হ'বনে?

ভদ্ৰকান্ত : হুহ, বান্দৰে কি বুজে নাৰিকলৰ মোৰ? হোটেলৰ চাহ যিমান গৰম, তোলৈওে মোৰ সিমানে মৰম। আজি বতৰটোও ইমান ভাল। ব'ল তেন্তে ৰুবুল দাৰ কেণ্টিনতে চাহ আৰু চিঙৰা খাওঁগৈ।

মেনকা : এনেকুৱা গছত গৰু উঠা কথাবোৰ নক'বি কিন্তু দেই। তোৰ লগত চাই নেখালেহে পাইছে। এনেও মোৰ ঢেৰ কাম আছে।

ভদ্ৰকান্ত : মেনকা অ'? খং উঠিলে যে তোক ইমান ধুনীয়া দেখি। তোৰ লগত ধেমালি নকৰি আৰু কাল লগত কৰিম কচোন। মোৰ আছেই বা কোন? তোৰ বেজাৰত কোনোবাদিনা বাপ্লেকে টিউবেলতে সোমাই দিম ৱাছাৰে নিব মোক টানি। পাইপেদি সোমাই ফিল্টাৰত ওলামগৈ তেজ হৈ ওলাব পানী।

মেনকা : মানুহে থিকেই কয় দেই। চোৰে নেৰে চোৰৰ প্ৰকৃতি, কুকুৰে নেৰে ছুঁই, যাৰ যি প্ৰকৃতি মৰিলে লগত যায়।

ভদ্ৰকান্ত : ইমান বুজালেও নুবুজে এইজনীয়ে। অ' কি মানুহ অ' তই?

মেনকা : মাইকী মানুহ ....।

ভদ্ৰকান্ত : ব'লচোন মোৰ লগত (হাতত ধৰি নিবৰ চেষ্টা কৰে)

(ডাঃ সুনীতাৰ প্ৰৱেশ)

সুনীতা : কিহে ভদ্ৰকান্ত, ক'লৈ যোৱা?

ভদ্ৰকান্ত : বা...বা...বাইদেউ। হেঃ হেঃ, আমি মানে... মই মানে আপোনাক বিচাৰিয়েই আহিছিলোঁ।

সুনীতা : ৰাতিপুৱাই মোৰ বিচাৰি? কিন্তু..... কিয়?

ভদ্ৰকান্ত : নহয় মানে, মোক বিকাশ ছাৰেহে পঠাইছিল। আপোনাক এইখন দি দিবলৈ কৈছিল।

সুনীতা : কি হয়নো এইখন?

ভদ্ৰকান্ত : নহয় মানে, মোক বিকাশ ছাৰেহে পঠাইছিল। আপোনাক এইখন দি দিবলৈ কৈছিল।

সুনীতা : কি হয়নো এইখন?

ভদ্ৰকান্ত : নাজানো বাইদেউ, অকল আপোনাৰ হাতত দিবলৈ ক'লে।

সুনীতা : হয় নেকি? ঠিক আছে, দিয়া বাৰু।

ভদ্ৰকান্ত : তেনেহ'লে মই যাওঁ বাইদেউ। (মেনকা কাণে-কাণে) চাহ কাপৰ ধাৰ থাকিল কিন্তু। আহিব আক' অলপ পিছত। মই ৰৈ থাকিম দেই।

(ভদ্ৰকান্ত যায়গৈ)

মেনকা : অ' বাইদেউ, এই ভদ্ৰকান্তৰ কিবা এটা ব্যৱস্থা কৰিবচোন। বিয়া-বাৰু পাতি ল'ৰা-ছোৱালীৰ বাপেক হ'ল, কিন্তু স্বভাৱ-চৰিত্ৰবোৰ যে .... আচলতে কোনেও একো নকয় বাবেই সি বৰকৈ চল পাই গৈ আছে। কেতিয়াবা কিবা অঘটন নঘটালেহে ৰক্ষা।

সুনীতা : এহ্ হ'ব দিয়া। কিনো কৰিব পাৰিব সি? মইতো তাক কোনো দিনে চল দিয়া নাই। আচলতে আমি ডাক্তৰ মানুহ যে। চব্ কথা প্ৰেক্টিকেলি ভাবিব লগা হয়। ডাক্তৰ বিকাশে ইটো-সিটো কামত মোৰ ওচৰলৈ পঠায় বাবে মাতো আৰু ..... সিমানেই।

বাৰু বাৰু। সেইবোৰ বাদ দিয়া। এতিয়া কোৱাচোন; মায়ে কঁকালৰ বিষটো অলপ ভাল পাইছেনে? আৰু ভৰিৰ বিষ? কিবা অসুবিধা হ'লে কিন্তু নোকোৱাকৈ নাথাকিব।

মেনকা : নাই, নাই বাইদেউ। অসুবিধা এতিয়া একো নাই। আপুনি মাৰ কাৰণে ইতিমধ্যে যথেষ্ট কৰিছে। টকা-পইচা দিও যে কিমানবাৰ সহায় কৰিছে। আপোনাৰ এইবোৰ ধাৰ মই জীৱনত কেতিয়াও পুৰাব নোৱাৰিম। আপোনাৰ কৃপাত মা ইতিমধ্যে বহুখিনি সুস্থও হৈছে।

সুনীতা : তেনেকৈ ক'ব নাপায় মেনকা। মোৰ কৃপাত বুলি ক'বলৈ মইনো কি ডাঙৰ কামটো কৰিলো? সেয়া ভগৱান আৰু অন্য ডাক্তৰৰ কৃপাত বুলি ক'লেহে শুদ্ধ হ'ব। আচলতে কি জানা? মা সকলোৰে কাৰণে সমান। সেয়ে মাৰ কষ্ট সহ্য নহয়। লাগিলে সেয়া তোমাৰ মা হওঁক বা মোৰ মা। কিমান কষ্ট কৰি আমাক জন্ম দিয়ে, ডাঙৰ দীঘল কৰে, ভাবি বেয়া লাগে। এগৰাকী ভাল মাতৃয়ে এটা সুসভ্য জাতি উপহাৰ দিব পাৰে জানা। পৰিয়াল সমাজত গঠনত মহিলা তথা মাতৃৰ এক গধুৰ দায়িত্ব থাকে।

মেনকা : হয় বাইদেউ, আপুনি ঠিক কথাই কৈছে।

সুনীতা : বাৰু মেনাক, তুমি ডাঃ প্ৰিয়ংকাক মই মাতিছোঁ বুলি ক'ব পাৰিবা নেকি? মানে ৰূম নং - ৭ ৰ পেচেণ্টগৰাকীৰ প্ৰগেছ ৰিপ'টটো লাগিছিল।

মেনকা : থিক্ আছে বাইদেউ, মই মাতি দিছোঁ ৰ'ব। আপুনি চাহ এতিয়া খাবনে?

সুনীতা : নাই নালাগে। অলপ পিছত আনিলেও হ'ব।

মেনকা : থিক্ আছে বাইদেউ।

(মেনকা যায়গৈ। ডাঃ বিকাশে দিয়া চিঠিখন পঢ়ে)

সুনীতা : আচৰিত! সকলো কথা জানি শুনিও ডাঃ বিকাশে মোৰ কথা এনেকৈ ভাবে। মইতো তেওঁক কোনোদিনে বন্ধুতকৈ বেছি ভবা নাই। (নেপথ্যত ডাঃ সিদ্ধাৰ্থ ঃ ......) (সিদ্ধাৰ্থৰ প্ৰৱেশ)

সিদ্ধাৰ্থ : হাই সুনীতা।

সুনীতা : অ' তুমি। আহা, বহা।কেতিয়া পালাহি?

সিদ্ধাৰ্থ : অলপ আগত। ৰুমত সোমাই বেগ থৈ চিধাই তোমাৰ কাষলৈ আহিছোঁ। কি হ'ল? মন বেয়া নেকি?

সুনীতা : নাই, ক'তা। মইচোন থিকেই আছোঁ।

সিদ্ধাৰ্থ : অ' বুজিছোঁ। বাইদেউ আন কাৰোবাৰ প্ৰেমত পৰিছে যেন পাইছোঁ। নহ'লেনে ইমান মন মাৰি থাকেনে? হে ভগৱান, মোৰ কি হ'ব এতিয়া? তুলসীৰ লগতে এই কলপটুৱাৰো মুক্তি হ'ব বুলি ভাবি থাকোঁতে চোন মোৰেই কাল হ'ব এতিয়া। প্ৰভু, বচাবা আৰু তুমিয়েই। মই সন্যাস ল'ব লাগিব মানে?

সুনীতা : ধেমালী নকৰিবাচোন সিদ্ধাৰ্থ। মোৰ একেবাৰে ভাল লগা নাই।

সিদ্ধাৰ্থ : আৰে, হৈছে কি? গা বেয়া নেকি? মইচোন সদায়ে ধেমালি কৰোঁ। কিন্তু তুমিটো এনেকুৱা কোনোদিনে নকৰা। কি হৈছে তোমাৰ?

সুনীতা : নাই, বিশেষ একো নাই।

সিদ্ধাৰ্থ : তেন্তে, ব'লা অলপ ফুৰি আহোঁ।

সুনীতা : এতিয়া? নাই, নাই, এতিয়া নাযাওঁ। পাছত যাম নহ'লে। অন্য এদিন।

সিদ্ধাৰ্থ : থিক আছে, তেনেহ'লে এই চানডেট চিনেমা চাবলৈ যাম।

সুনীতা : থিক আছে দিয়া।

সিদ্ধাৰ্থ : অন্য দিনত চিনেমা চাবলৈ যোৱাৰ কথা ওলালে সাত জাঁপ মৰা ছোৱালীজনীয়ে ইমান গহীনত 'থিক আছে' বুলি ক'লা যে? তাৰমানে কথা কিছু চিৰিয়াছেই। হুম্‌ম্, পিছে তোমাক কেনেকৈ থিক কৰিব পাৰি মই জানো....

(সিদ্ধাৰ্থই ম'বাইলত গান বজায়। দুয়ো নাচে)

সুনীতা : তুমি বাৰু মোক কিয় ইমান ভালপোৱা সিদ্ধাৰ্থ?

সিদ্ধাৰ্থ : কাৰণ, তুমি বহুত ভাল। শান্ত, গহীন, বুজন, স্মাৰ্ট, মৰমলগা, ভদ্ৰ....।

সুনীতা : হাঃ হাঃ, ইমানখিনিও নহয় নেকি? পিছে অতি

ভক্তি চোৰৰ লক্ষণ বুলিও কথা এষাৰ আছে।

সিদ্ধাৰ্থ : উফ্ ৰক্ষা! চোৰেই হওঁক বা ডকাইতেই হওঁক, তোমাৰ মুখৰ পৰা হাঁহি এটা যে ওলাল। যথেষ্ট কষ্টকৰ কাম এইটো। অৱশ্যে, হাঁহিলে তোমাক ধুনীয়া লাগে। সদায় হাঁহি থাকিবা। তুমি হাঁহিলে মোৰ মনটোও ভাল লাগি থাকে।

সুনীতা : (হুমুনিয়াহ কাঢ়ি) হাঁহিবোৰচোন জীৱনলৈ একো খবৰ নিদিয়াকৈ আহে। একো খবৰ নিদিয়াকৈয়ে গুচি যায় কোনোবা অচিন দেশলৈ। বাৰু, মোক এটা কথা কোৱাচোন তুমি নজনাকৈ মই যদি এদিন হঠাৎ নোহোৱা হৈ যাওঁ, তেতিয়া তুমি কি কৰিবা?

সিদ্ধাৰ্থ : নোহোৱা হৈ যাওঁ মানে? কি বাজে কথাবোৰ কৈ আছা।

সুনীতা : নহয় অ'। মই বাজে কথা কোৱা নাই। সঁচায়ে কোৱাচোন, মই বিহীন দিনবোৰ বাৰু তোমাৰ আগৰ দৰেই হৈ থাকিবনে? তুমিটো জানাই, তোমাৰ এটা হাঁহিৰ মাজতেই মই গোটেই মানুহজনী। তুমি হাঁহিলেই মই হাঁহো। তোমাক কেতিয়াবা দুখত দেখিলে মইজনীও কোনাবাখিনিত সেমেকি যাওঁ। সেয়ে কৈছোঁ, মই নোহোৱা হৈ গ'লেও তুমি কিন্তু সদায় একে থাকিবা দেই।

সিদ্ধাৰ্থ : কিয় এনেকুৱা কথাবোৰ কৈছা তুমি? তুমি আৰু মই ... আমি হ'ব পাৰো দুটা সত্তা, কিন্তু আমাৰ আত্মা এটাই। দুটা দেহ, কিন্তু এটা মন। চোৱাচোন তুমি আৰু মই চিনাকী হোৱানো কেইদিন হৈছিল? কিন্তু দুয়োৰে ইজনৰ সিজনৰ প্ৰতি ইমান দুৰ্বলতা, ইমান টান, যেন আমি বহু যুগৰহে চিনাকী। মোৰ আশা নহয়, বিশ্বাস আছে। আমাৰ চিনাকী আৰু গভীৰ হৈ গৈ থাকিব আৰু খুব সোনকালেই স্থায়ীৰূপ পাব। আমাক কোনেও ভাগ কৰিব নোৱাৰে। তোমাৰ অনামিকাত থকা এই আঙুঠিটোৱে তোমাৰ আৰু মোৰ আত্মাক বান্ধি ৰখা নাই জানো? .... বাৰু এতিয়া কোৱাচোন, কিয় মন মাৰি আছিলা?

সুনীতা : আচলতে, ডাঃ বিকাশে মোক ভালপোৱাৰ প্ৰস্তাৱ দিছে। বহুত দিনাৰ পৰাই তেওঁ মোক বুজাবলৈ চেষ্টা কৰি আছে। মই আচৰিত হৈছোঁ যে সকলো জানি-শুনিও তেওঁ কিয় এনেকুৱা কুৰিছে। সেইকাৰণে মই বৰ চিন্তাত পৰিছোঁ। কি কৰিম কি নকৰিম ভাবি পোৱা নাই। বন্ধুতকৈ বেছি তেওঁক কোনোদিনেই ভবা নাই। মোৰ দেখোন কিবা ভয়-ভয়হে লাগিছে সিদ্ধাৰ্থ।

সিদ্ধাৰ্থ : ডাঃ বিকাশ....। ধেৎ এইজনী, একো নহয় দিয়া। তুমি কিয়া ভয় কৰিছা? আপোন ভালেই জগত ভাল আৰু মই দেখোন আছোঁৱেই তোমাৰ লগত। তাৰ লগত মই কথা পাতিম। তুমি চিন্তা নকৰিবা। ছাঁটোকে বাঘ বুলি ভয় কৰিব নালাগে। হ'বনে?

(দুৱাৰত টোকৰ মাৰি ডাঃ প্ৰিয়ংকা আহে)

প্ৰিয়ংকা : আৰে ৱাহ! আজি আমাৰ ৰোমিঅ'-জুলিয়েট দেখোন! ভালে আছা।

সিদ্ধাৰ্থ : আমাৰটো ভালেই। পিছে তোমাকহে বহুতদিন দেখা নাই। আহা, বহা।

প্ৰিয়ংকা : নক'বা আৰু। ঘৰত অলপ অসুবিধা চলি আছিল। মানে দেউতাৰ গাটো ভাল নাছিল। সেয়ে এইকেইদিন ছুটীত আছিলো। জানাই নহয়, ঘৰত মানুহৰ অভাৱ।

সুনীতা : অহ্, কি হৈছিল? এতিয়া ভাল পাইছেনে?

প্ৰিয়ংকা : ডেটচ্ গ্ৰেট। ব'লা তেন্তে অহা চানদে চিনেমা চাবলৈকে যাওঁ চ'হামত। অলপ ফুৰাও হ'ব।

প্ৰিয়ংকা : যাব পাৰি। পিছে তোমালোকৰ লগত 'কাবাব মে হদ্দী' হৈ যাওঁ জানো?

সুনীতা : কি যে তুমি প্ৰিয়ংকা। কিয় তেনেকৈ কৈছা বাৰু? নহ'ব, মুঠতে তুমি যাবই লাগিব। নহ'লে কিন্তু আমাৰ বিয়ালৈও নামাতিম তোমাক।

প্ৰিয়ংকা : ইমান ডাঙৰ শাস্তি। থিক আছে, যাম বাৰু

দিয়া।

সিদ্ধাৰ্থ : এয়াহে ভাল ছোৱালীৰ লক্ষণ। তেন্তে অহা দেওবাৰে ১১-৩০ বজাত ৰেডী হৈ থাকিব। আচ্ছা, মই এতিয়া যাওঁ। এনেও এতিয়া তোমালোকৰ হ'বলগীয়া মহিলা মেলৰ পৰা মই পলোৱাই ভাল। মানুহে থিকেই কয়, ছোৱালী লাগিলে ডাক্তৰেই হওঁক বা হাউচৱাইফ। কথাৰ অন্ত ক'তো নহয়। মই যাওঁ এতিয়া। আকৌ লগ পাম কিন্তু। বাই সুনীতা, প্ৰিয়ংকা।
(সিদ্ধাৰ্থৰ প্ৰস্থান)

প্ৰিয়ংকা : সিদ্ধাৰ্থ যেন সঁচাকৈয়ে ইমান ভাল। ইমান কেয়াৰ লয় তোমাৰ। হিংসাই লাগে জানা? আমাৰহে কেয়াৰ লবলৈ কোনো নাই। (অলপ ৰৈ) অহ মই পাহৰিছিলোৱেই। এইটো ৰুম নাম্বাৰ - ৭ৰ পেছেন্টগৰাকীৰ প্ৰগেছ ৰিপৰ্ট।

সুনীতা : পাবা, পাবা। কেয়াৰ কৰা মানুহো সোনকালেই পাবা ৰ'বা। ভাল মানুহৰ লগত সদায় ভালেই হয়। (ৰিপ'টটো ক্ষন্তেক সময় চাই) পেচেন্টগৰাকীৰ ৰিপ'টটো দেখি ভাল লাগিছে। যথেষ্ট ইমপ্ৰ'ভ হৈছে আগতকৈও। তেওঁৰ হাজবেণ্ডৰ ধৰ্য্য কিন্তু মানিবলগীয়া।

প্ৰিয়ংকা : সঁচাকৈয়ে। বাৰু সুনীতা, বহুদিনৰ পৰা তোমাক কিবা এটা কম বুলি ভাবি আছো। কিন্তু কবহে পৰা নাই।

সুনীতা : আৰে, কোৱা আকৌ কি কথা? আমি সকলো কথাই ইজনীয়ে সিজনীক কওঁ দেখোন। ইয়াত আকৌ ক'ব নোৱাৰা কি কথা হ'ল?

প্ৰিয়ংকা : সুনীতা, তুমিটো জানাই মই কেনেকুৱা ছোৱালী। সৰুৰে পৰা প্ৰায় অকলশৰীয়া নিচিনাই। বন্ধু-বান্ধৱো যথেষ্ট কম। আচলতে মোৰ ভাল লগাবোৰ সদায় মোৰ পৰা আঁতৰি যায়। সেইকাৰণে, বেছিকৈ বাবিবলৈ ভয় লাগে। ষ অকলশৰীয়া মুহূৰ্ত্তবোৰত দেখোন নিজৰ ছাঁটোকো বিশ্বাস কৰিবৰ মন নাযায়। সন্ধ্যা হোৱাৰ লগে-লগে ছাঁটো আন্ধাৰৰ মাজত নাইকিয়া হৈ যায়। তথাপিও মই হাৰি যোৱা মানুহ নহয়। বহুত চকুপানী টুকিলো। আৰু টুকিবৰ মন নাই।

সুনীতা : চকুৰ পানীয়ে দুখবোৰ ধুৱাই নিব পাৰিব জানো? কি হৈছে খোলাঁলৈ কোৱাচোন। মই একো বুজা নাই।

প্ৰিয়ংকা : কৈছো ৰ'বা। সৰুতেই মায়ে এৰি থৈ গ'ল। তাৰপিছত দাদাই বিয়া পাতি চাকৰিৰ ঠাইতে চেটেল হ'ল। ইমানবোৰৰ পাছতো সাহস কৰিছোঁ। আই থিংক আই এম ইন লাভ উইড্ চাম্‌ৱান।

সুনীতা : কি....? সঁচা? তুমি সঁচাই কৈছানে? ইমান এটা ডাঙৰ গুড নিউজ। উফ্। আই এম ৰিয়েলি হেপ্পী ফৰ্ ইউ। তুমি চিন্তা নকৰিবা। চব থিক হৈ যাব।

প্ৰিয়ংকা : ময়ো তাকে আশা কৰোঁ। জানো, কেতিয়াবা যে ভাল গাজনৰ অনুভৱ বা উপস্থিতিয়ে অসহনীয় মুহূৰ্ত্তবোৰকো অন্তৰংগ কৰি তুলে। মোৰ এনেকুৱা লাগিছে যেন এমুঠি জোনাকে পোহৰ চটিয়াই দিলে মোৰ সেমেকা চোতালত। কণমাণি জোনাকিটিওটো হ'ব পাৰে আন্ধাৰৰ মাজত অলপমান পোহৰ।

সুনীতা : হয়, হয়। একেবাৰে থিক্ কথা কৈছা। চিন্তা কৰিব নালাগে, এই চকুপানীবোৰ তোমাৰ জীৱনত আহিবলগীয়া হাঁহিবোৰে শুকুৱাব। পিছে, সেই লাকী পাৰচন বা কোন জানিব পাৰিমনে? মই তেখেতক চিনি পাওঁ নেকি?

প্ৰিয়ংকা : পোৱা, পোৱা। খুব ভালকৈয়ে পোৱা। কাৰণ তেওঁ ইয়াৰে।

সুনীতা : যদি ইয়াৰে হয় ডেন লেট মি গেচ্। ডাঃ প্ৰকাশ।

প্ৰিয়ংকা : নহয়, ধেৎ... কি যে কোৱা নহয়।

সুনীতা : তেন্তে, ডাঃ গৌৰৱ? তেওঁ যদি হয় কি যে ভাল লাগিব।

প্ৰিয়ংকা : আৰে নহয় অ'।

সুনীতা : ডেন আই এম চিঅ'ৰ ডাঃ অম্লান? এইবাৰটো

হয়েই ছাগৈ। কোৱানা প্লিজ....।

প্ৰিয়কা : নহয় অ'। আচলতে তেওঁ... ডাঃ বিকাশ।

সুনীতা : আহ! খুব ভাল চইচ্।

প্ৰিয়ংকা : হয়নে? মই জানিছিলোৱেই তুমি জানি ভাল পাবা বুলি।

সুনীতা : তুমি বাৰু তেওঁক মনৰ কথা ক'লানে?

প্ৰিয়ংকা : নাই, নাইকোৱা। ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। এই কণা বিধিটোক পোৱা হ'লে যে মাৰি পেলালোহেতেঁন। হাঃ হাঃ, সুনীতা, এটা কাম কৰিলে কেনে হয়? দেওবাৰে চিনেমা চাবলৈ বিকাশকো লগ ধৰোঁ নেকি? কিজানি বা তেওঁক মনৰ কথা ক'ব পাৰোৱেই।

সুনীতা : থিক আছে। তুমি যি ভাল দেখা। চিন্তা নকৰিবা, ঘহি থাকিলে শিলো ক্ষয় যায়।

প্ৰিয়ংকা : থিক আছে। তেন্তে মই বিকাশক চিনেমা চাবলৈ যোৱাৰ কথা কওঁগৈ। যাওঁ দেই। বাই সুনীতা।

(প্ৰিয়ংকাৰ প্ৰস্থান)

সুনীতা : উস্ ভগৱান, তুমি আচলতে কি কৰিব বিচাৰিছা? প্ৰিয়ংকা সৰুৰে পৰা কেৱল দুখৰ মাজতেই ডাঙৰ হৈছে। বহু দিনৰ মূৰত তাইক ইমান আনন্দত থকা দেখিছোঁ। মই কোনহতে বিকাশৰ চৰিত্ৰৰ কথা তাইক বুজাও। প্ৰভু, মোক সহায় কৰা। প্ৰিয়ংকাক আৰু দুখ নিদিবা প্ৰভু।

(ফোনত কথা পাতি পাতি বিকাশ আহে)

বিকাশ : নাই, নাই আপুনি চিন্তা নকৰিব। সকলো সময়মতে আৰু বহুত ভালকৈয়ে হ'ব। চব মোৰ ওপৰত এৰি দিয়ক। থিক আছে। ভাল বাৰু।

ডাঃ সুনীতা, ফাইনেলি তেন্তে তুমি মোৰ প্ৰপ'জলটো মানি ললা। ডেটচ লাইক এ গুড গাৰ্ল। মইটো আগতেই জানিছিলো। তুমি অতদিনে অযথা সময় নষ্ট কৰি আছিলা। দেওবাৰে চিনেমা চাবলৈ যোৱাৰ আইডিয়াটো তোমাক নহয় জানো?

সুনীতা : কাৰোবাৰ ৰুমত সোমোৱাৰ আগতে অনুমতি ল'ব লাগে বুলি সামান্যতম ভদ্ৰতাকণো তোমাৰ নাই নেকি বিকাশ। ভুল ধাৰণাত নাথাকিব। চিনেমা চাবলৈ যোৱাৰ প্লেন সিদ্ধাৰ্থৰহে। তুমি তেওঁক সোধাগৈ। আৰু তোমাৰ সেই নীচ প্ৰপ'জেলটো মই মানি লম বুলি তুমি কেনেকৈ ভাবিব পাৰিলা?

বিকাশ : মই ভাবিছিলো, তুমি মান্তি হ'লা বুলি। প্লিজ, সুনীতা মানি লোৱাচোন।

সুনীতা : সকলো জানি শুনিও তুমি কিয় এনেকুৱা কৰিছা?

বিকাশ : জানি শুনি? ক'তা মইচোন একোৱেই নাজানো।

সুনীতা : নাজানা? তুমি মোৰ আৰু সিদ্ধাৰ্থৰ সম্পৰ্কৰ কথা নাজানা? তুমি প্ৰিয়ংকাৰ তোমাৰ প্ৰতি থকা ফিলিংচবোৰৰ কথা নাজানা? আৰু কি নাজানা? কোৱা।

বিকাশ : কি কলা, ডাঃ প্ৰিয়ংকাৰ মোৰ প্ৰতি ফিলিংচ আছে? হাঃ হাঃ ডাঃ প্ৰিয়ংকা, হাঃ হাঃ, যিজনী ছোৱালীৰ মুখত এটা হাঁহি নাই। যি অলপ হাঁহে, সেইয়াও শুকান জেওৰা খৰি চেপি উলিওৱা ৰসৰ নিচিনা। সদায় মন মাৰিয়েই থআকে। সেই ডাঃ প্ৰিয়ংকাৰ মোৰ প্ৰতি ফিলিংচ আছে? থাকক দিয়া। তুমি নিজকে তাইৰ লগত তুলনা নকৰিবা। তুমিটো...... হাঃ হাঃ। ডাঃ প্ৰিয়ংকাৰ নিচিনা কিমানজনী মোৰ পাছত পৰি আছে, হিচাপ নাই। আৰু বাকী তোমাৰ আৰু সিদ্ধাৰ্থৰ সম্পৰ্কৰ কথা। জানো। মই সকলো জানো। কিন্তু মইতো তেওঁৰ লগত সম্পৰ্ক নাৰাখিবলৈ কোৱা নাই। মোৰ কোনো আপত্তি নাই। তুমি হয়তো বুজি পাইছা মই কি ক'ব বিচাৰিছো।

সুনীতা : তোমাৰ মনটো ইমান কু-চিন্তাৰে ভৰা বুলি মই জনা নাছিলো। তোমাক নিজৰ বন্ধু বুলি কবলৈ বেয়া লাগিছে মোৰ।

বিকাশ : বেয়া লাগিবলৈ কি আছে? আজিৰ যুগতটো এয়া কোনো ডাঙৰ কথা নহয়। চিন্তা-ধাৰাবোৰ

অলপ বহল কৰিবলৈ শিকা। আধুনিক হোৱা আৰু যদি ইমানেই বেয়া লাগিছে তেন্তে এৰি দিয়া সিদ্ধাৰ্থক।

সুনীতা : ভাল পোৱা জানো কাৰোবাৰ কথাত লাগি এৰিব পৰা যায়? এনে আধুনিকতাৰ কি কাম, য'ত মানৱীয় মূল্যবোধেই নাথাকে। মানুহ মানুহ হৈ নাথাকে। হাজাৰ আধুনিকতাই কিন্তু মোৰ মনৰ পৰা সিদ্ধাৰ্থক আঁতৰাব নোৱাৰে।

বিকাশ : সিদ্ধাৰ্থ-সিদ্ধাৰ্থ। কিয়? তোমালোকৰ প্ৰেমত এনেকুৱা কি আছে যিটো মই ভাঙিব নোৱাৰিম? মই সিদ্ধাৰ্থতকৈ কিহত কম?

সুনীতা : প্ৰেমক আনৰ লগত তুলনা কৰিব পৰা নাযায়। প্ৰেমৰ কোনো ব্যাকৰণ নাই, কোনো সংজ্ঞা নাই। মই সিদ্ধাৰ্থক ভালপাওঁ আৰু তোমাক কেৱল বন্ধু বুলি ভাবো।

বিকাশ : সিদ্ধাৰ্থক ভালপাওঁ আৰু তোমাক কেৱল বন্ধু বুলি ভাবো। শুনা সুনীতা। এই সতী সাবিত্ৰীৰ নাটকখন তুমি সিদ্ধাৰ্থৰ আগতেই কৰিবা। কিন্তু মই সিদ্ধাৰ্থ নহয়, যি তোমাৰ মিঠা-মিঠা কথা শনি তোমাৰ পিছে-পিছে নেজ লৰাই লৰাই ঘুৰি ফুৰিম। মই বিকাশ হয়। মোৰ এবাৰ যিটো পছন্দ হয়। মই সেয়া নিজৰ কৰিহে এৰো। বাই হোক অৰ বাই ক্ৰোক। শিলত চিকুটিলে নিজৰ নখতেই দুখ পাবা। গতিকে, তুমি ভালে-ভালে মান্তি হ'লে আমাৰ সকলোৰে কাৰণে ভাল হ'ব। সিদ্ধাৰ্থৰ লগত সম্পৰ্ক ৰাখা। মোৰ কোনো আপত্তি নাই। কিন্তু মোক অলপমান মৰম দিলেই হ'ব। বিশ্বাস কৰা, মই এই বিষয়ে কাকো নকওঁ। হাঃ হাঃ মাত্ৰ তোমাৰ সন্মতি হ'লেই হ'ল।

সুনীতা : তুমি সীমা চেৰাই গৈছা। ইমানপৰে তোমাৰ অসভ্যালি সহ্য কৰিলোঁ। এই আঙুঠিটো দেখিছা? ইয়ে মোৰ আৰু সিদ্ধাৰ্থক একেডাল সুতাৰে বান্ধি ৰাখিছে। তুমি ইয়াক ইমান সহজে ভাঙিব নোৱাৰা।

বিকাশ : মাত্ৰ এই সামান্য আঙুঠিটোৰে? ইয়াতকৈ দামী আৰু ধুনীয়া আঙুঠি মই তোমাক দিম। সেইটো মোক দিয়া। দিয়া।

(দুয়ো আঙুঠিটো লৈ টনা আজোৰা কৰে)
(সুনীতাই বিকাশক চৰিয়াই) (ভদ্ৰকান্ত সোমাই আহে)

সুনীতা : ছোৱালী হ'লো বুলিয়েই ইমান দুৰ্বল বুলি নাভাবিবা। ইমান পৰে শান্ত ৰূপ দেখি আছিলা যাৰ বাবে মুৰৰ ওপৰত উঠিব গৈছিলা। মনত ৰাখিবা, ছোৱালী প্ৰয়োজন হ'লে জয়মতীৰ ৰূপো পাব পাৰে, দুৰ্গা বা কালিৰ ৰূপো ল'ব পাৰে। ওলাই যোৱা ইয়াৰ পৰা।

ভদ্ৰকান্ত : ব'লক, চাৰ ব'লক।

বিকাশ : অ'ই (সুনীতাৰ পেটত চুৰি ভৰাই দিয়ে) এটা কথা পাহৰিছিলোৱেই। এই বিকাশৰ এবাৰ যিটো পছন্দ হয়, নিজৰ কৰিব নোৱাৰিলে আনৰো হ'বলৈ নিদিয়ে। তুমি মোৰ হয় সুনীতা।

ভদ্ৰকান্ত : চাৰ, এয়া কি কৰিলে আপুনি? সুনীতা বাইদেউক মাৰি দিলে।

বিকাশ : চু.......! মনে মনে থাক। ভদ্ৰকান্ত, তই এটা সাধাৰণ ৱাৰ্ড বয়হে। কিন্তু তোৰ লাইফটো চাচোন। মই আছো বাবে ইমান ভালকৈ জীয়াই থাকিব পাৰিছ তই। মনত পেলা তোৰ আগৰ দিনবোৰৰ কথা; যেতিয়া তোৰ পত্নী আৰু ল'ৰা-ছোৱালীকেইটাৰ লগতে তই নিজেই ভোকত থাকিবলগীয়া হৈছিলি। অভাৱেই স্বভাৱ নষ্ট কৰে বুজিছ। এতিয়া দিনবোৰ চাচোন। দৰৱৰ দুই নম্বৰী কামবোৰৰ পৰা টকা মই আছো কাৰণেই বিনা কষ্টত পাই আছ। এইবোৰ কথা কাকো ক'ব নালাগে। টকা যিমান লাগে পাই যাবি। ভাবি চা, যদি মই কেনেবাকৈ ধৰা পৰি যাওঁ, তোৰ কি হ'ব? তয়ো কিন্তু হাৰি যাব নোৱাৰিবি। লে যাবলৈ মন আছে? যদি নাই, তেন্তে মুখ বন্ধ কৰি ৰাখিবি। ব'ল এতিয়া।

(ডাঃ বিকাশ যায়গৈ)

ভদ্ৰকান্ত : বাইদেউ, মোক ক্ষমা কৰি দিব। মই আপোনাক বচাব নোৱাৰিম। বিকাশ চাৰৰ দৰৱৰ দুই নম্বৰী ব্যৱসায়ত মোৰো হাত আছে। আপুনি বাচি গ'লে আমি হয়তো ফঁচি যাম। নাই, নাই, সাপ মাৰি নেগুৰত বিষ থব নোৱাৰি। আপুনি মৰিবই লাগিব।

(ভদ্ৰ যায়কৈ। যোৱাৰ আগতে সুনীতাৰ ম'বাইল ফোনটো নিজৰ পকেটত ভৰাই লয়। মৃত্যুৰ সৈতে যুঁজি-যুঁজি সুনীতাই হাৰ মানে) (মেনকা আহে)

মেনকা : (চিঞৰ মাৰি) বাইদেউ, বাইদেউ, চকু মেলক বাইদেউ। অ'ই কোন ক'ত আছ আহচোন। (মেনকা ওলাই যায়) (সিদ্ধাৰ্থ আহে)

সিদ্ধাৰ্থ : সুনীতা, সুনীতা, কোনে তোমাৰ এই অৱস্থা কৰিলে। উঠা, সুনীতা উঠা। (কান্দিবলৈ ধৰে) (প্ৰিয়ংকা আহে)

প্ৰিয়ংকা : হেল্ল' পুলিচ ষ্টেচন (প্ৰিয়ংকা ওলাই যায়) (বিকাশ আহে)

বিকাশ : ইচ্ ইচ্ ইচ্। দিন দুপৰতে এনেকৈ কৰ্তব্যৰত চিকিৎসকক কোনোবাই হত্যা কৰি থৈ গৈছে। এনেকৈ হ'লে দেখোন আমাৰ জীৱনৰ একো নিৰাপত্তাই নাথাকিব। নহ'ব। এয়া কোনোপধ্যেই সহ্য কৰা নহ'ব। ইয়াৰ তীব্ৰ প্ৰতিবাদ হ'ব লাগে। সিদ্ধাৰ্থ তুমি চিন্তা নকৰিবা। আমি ডাঙৰ-ডাঙৰ দল-সংগঠনৰ কাষ চাপিম। মিডিয়া আনিম। আমাক নিৰাপত্তা লাগে। আমি বন্ধ আহ্বান কৰিম। সুনীতাৰ হত্যাকাৰীক বিচাৰি উলিয়াব লাগিব। দৰকাৰ হ'লে আমি ডাঙৰ মন্ত্ৰী-নেতাৰ সহায় বিচাৰিম। (প্ৰিয়ংকা আহে)

প্ৰিয়ংকা : নাকান্দিবা সিদ্ধাৰ্থ। ধৈৰ্য ধৰা। মই পুলিচ কল কৰিছো। অলপ পাছতে পাবহি।

বিকাশ : পুলিচ? পুলিচ আকৌ কিয়?

প্ৰিয়ংকা : কিয়, মানে? ইয়াত এটা মাৰ্ডাৰ কেছ হৈছে। গতিকে এইটো পুলিচ কেছ্। পুলচটো মাতিবই লাগিব। এতিয়া থিকৰে পুলিচেই কৰিব।

বিকাশ : তুমি কি জানা? পুলিচৰ একো কাম নাই। আজিলৈকে কেইটানো মাৰ্ডাৰ কেছ্ চলভ্ হৈছে। পুলিচ মাতিব নালাগিছিল। চিনেমাৰ পুলিচহে সময়ত আহি পায়, অসম পুলিচ নহয়।

প্ৰিয়ংকা : কিন্তু মইতো মাতিলোৱেই। সৌৱা পালেহিয়েই তেওঁলোক।

(পুলিচ আহে)

পুলিচ : চাওঁ, আঁতৰি দিয়ক, আঁতৰি দিয়ক। ডেডবডিৰ ওচৰৰ পৰা আঁতৰি আহক। সকলো চাইড হওঁক। বাৰু প্ৰথমেই ডেডবডিটো কোনে দেখিছিল?

মেনকা : হয়, মই দেখিছিলো।

পুলিচ : আপুনি? বাৰু কওঁকচোন আপুনি কি দেখিছিল?

মেনকা : মেডাম, বাইদেউৰে সদায়ে এইটো সময়ত চাহ বিচাৰে। মইও আনদিনাৰ দৰেই আজি চাহ লৈ আহিছিলো। আহি দেখিলো, বাইদেউ.....। বাইদেউ বৰ ভাল মানুহ আছিল। কাৰোৰে লগত কোনো কথাতে খং কৰা নাছিল। দুখীয়াক সদায় সহায় কৰে। নাজানো, কানোনে তেওঁক ইমান বেয়াকৈ মাৰিলে।

পুলিচ : (প্ৰিয়ংকাৰ ফালে চাই) আপোনালোক সহকৰ্মী নেকি?

প্ৰিয়ংকা : হয়, আমি একে লগৰে আছিলো। এওঁ ডাঃ বিকাশ, মই ডাঃ প্ৰিয়ংকা। ময়ে আপোনাক ক'ল কৰিছিলো। এওঁ ডাঃ সিদ্ধাৰ্থ। সুনীতাৰ সৈতে এওঁৰ বিয়া থিক হৈ আছিল।

পুলিচ : সিদ্ধাৰ্থ, আপুনি শেষবাৰৰ বাবে তেওঁক লগ পাওঁতে তেওঁৰ মনৰ অৱস্থা কেনে আছিল?

সিদ্ধাৰ্থ : তাইৰ আজি মন বেয়া আছিল। বহুত বুজাই, বঢ়াই মই শান্ত কৰিছিলোঁ। অৱশ্যে সেয়া ব্যক্তিগত সমস্যা আছিল। মই যোৱাৰ সময়ত তাই আৰু প্ৰিয়ংকা একেলগেই হাঁহি মাতি আছিল।

পুলিছ : আপোনাৰ কাৰোবৰ ওপৰত সন্দেহ? আপোনাৰ লগত কাৰোবাৰ শত্ৰুতা আছিল নেকি? যি

আপোনাক আগাত কৰিবৰ বাবে সুনীতাক বাছি ল'লে?

সিদ্ধাৰ্থ : নাই, তেনকুৱাটো কোনো নাই। সকলোকে বন্ধু বুলিয়ে ভাবো।

পুলিচ : বহুসময়ত আকৌ আপোন বন্ধুৱে কেতিয়া শত্ৰুৰ ৰূপ লয়, গমেই পোৱা নাযায় নহয়। নে কি কয় ডাঃ বিকাশ?

বিকাশ : হয়, হয় আপুনি থিকেই কৈছে। কোনে যে এনেকুৱা জঘন্য কাম কৰিলে নহয়। আপুনি তাক উচিত শাস্তি দিব কিন্তু।

পুলিচ : আপুনি নিশ্চিন্ত থাকক। হত্যাকাৰীক পালো বুলিয়েই ধৰক আৰু। অ'হ, এয়া কি? (সুনীতাৰ হাতত থকতা খাৰুপাটটৈলে চাই) এইডাল নিশ্চয় হত্যাকাৰীৰ। কোনোবাই চিনিব পাৰিছে নেকি এইপাত কাৰ?

মেনকা : এইডাল ভদ্ৰকান্তৰ হয়। হয়, হয়, মই ভালকৈয়ে চিনি পাইছোঁ। সি সদায়ে পিন্ধি থাকে।

পুলিচ : ভদ্ৰকান্ত, ক'ত সি? মাতি আনক তাক।
(ভদ্ৰকান্ত সোমাই আহে)
তাৰমানে আপুনিয়েই ভদ্ৰকান্ত?

ভদ্ৰকান্ত : হয় ছাৰ।

পুলিচ : এইডাল আপোনাৰ? (খাৰুপাটটৈলে দেখুৱাই)

ভদ্ৰকান্ত : হয় ছাৰ।
(পুলিচে ভদ্ৰকান্তক দুটা চৰ মাৰে। গাত চেকিং কৰোঁতে সুনীতাৰ ম'বাইল ফোনটো পায়।)

পুলিচ : এটা সামান্য ৱাৰ্ডবয়ৰ জেপত ইমান দামী ফোন।

প্ৰিয়ংকা : এইটো সুনীতাৰ হয়।

সিদ্ধাৰ্থ : তাৰমানে, তয়ে মোৰ সুনীতাক মাৰিলি? তোক মই।

পুলিচ : ডাঃ সিদ্ধাৰ্থ, আইন হাতত তুলি নল'ব। এশ গৰু মাৰিলে বাঘৰো মৰণ হয়। আপুনি আঁতৰি আহক। (ভদ্ৰক আকৌ চৰিয়াই) ক', সঁচা কথা ক'।

ভদ্ৰকান্ত : মোক নামাৰিব ছাৰ, মোক নামাৰিব। মই বৰ দুখীয়া মানুহ। মোৰ সৰু-সৰু ল'ৰা-ছোৱালী আছে। তাহঁতৰ পঢ়া-শুনা, ঘৰ চলাবলৈ মোক বহুত টকা লাগে। বিকাশ ছাৰে সুনীতা বাইদেউক ভাল পাইছিল। কিন্তু সুনীতা বাইদেউৱে সিদ্ধাৰ্থ ছাৰকহে ভাল পায়। সেইকাৰণে আজি বিকাশ ছাৰ আৰু সুনীতা বাইদেউৰ মাজত কাজিয়া হৈছিল। বিকাশ ছাৰেই সুনীতা বাইদেউক মাৰিলে। বিকাশ ছাৰৰ দৰৱৰো দুই নম্বৰী কাৰবাৰ আছে। মই তাৰ পৰাও টকা পাওঁ। আজি মোক মনে-মনে থাকিলে ছাৰে বহুত টকা দিম বুলি কৈছিল।

পুলিচ : ডাঃ বিকাশ, এইখন নাটকৰ মূল খলনায়ক তেন্তে আপুনিহে। মইতো প্ৰথমেই সন্দেহ কৰিছিলোঁ যে, এইখন ৰামলীলা ৰাৱণ আপুনিয়েই হ'ব। কাৰণ এই চিঠিখন, যিখন আপুনি সুনীতাক দিছিল। এতিয়া নিজেই সকলো খুলি ক'বনে নে মই মোৰ নিজৰ ষ্টাইলত সুধিম?

বিকাশ : ইন্সপেক্টৰ, ইন্সপেক্টৰ.... কাম ডাউন। এটা চিম্পল কেচ্। আপুনি অযথা ডাঙৰ কৰি পেলাইছে। কিবা এটা মিলাই মেলি কিমান লাগে কওঁক মই বাকীবোৰ সব থিক্ কৰি দিম। আপুনি চিন্তা নকৰিব।

পুলিচ : কিবা এটা মিলাই মেলি কিমন লম ক'ব লাগে? কিমান দিব পাৰিব আপুনি? (চৰিয়াই) পুলিচক ঘোচ দিবলৈ আহিছ? কি বুলি ভাবিছ নিজকে চিনেমাৰ হিৰ'? মনত ৰাখিবি, পুলিচ মানেই ঘোচখোৰ নহয়।।

বিকাশ : ইন্সপেক্টৰ, আপুনি হয়তো নাজানে, আপুনি কাৰ গাত হাত তুলিছে। মোৰ দেউতা কোন জানেনে? আপোনাৰ নিচিনা সাধাৰণ ইন্সপেক্টৰ মোৰ দেউতা পাৰ হৈ গ'লে চেল্যুট মাৰে।

পুলিচ : তোৰ দেউতা, ডি.চি. হওক, চি.এম. হওক, পি.এম হওক, তাতে কি আহে যায়। ক্ৰাইম কৰিলি যেতিয়া শাস্তিটো হ'বই।

বিকাশ ঃ মোক মাফ কৰি দিয়ক ইন্সপেক্টৰ। হয় ময়েই, সুনীতাক মাৰ্ডাৰ কৰিছিলোঁ। মই তাইক বহুত ভাল পাইছিলো। কিন্তু তাই মোক কথা বুজিবই নিবিচাৰে। কেৱল সিদ্ধাৰ্থ, সিদ্ধাৰ্থ। সেয়েহে, মোৰ ওচৰত অন্য কোনো উপয়া নাছিল।

সিদ্ধাৰ্থ ঃ তোক মই মোৰ বন্ধু বুলি ভাবিছিলো। সুনীতাই ইমানখিনি কোৱাৰ পাছতো মই কিন্তু তোক সদায় ভাল চকুৰেই চাই আহিছিলো। তাইৰ কথা শুনা হ'লে কিজানি তাই আজি মোৰ লগত থাকিলহেতেঁন তোৰ শত্ৰুতা যদি মোৰ লগতেই আছিল, তেনেহ'লে তই মোক নামাৰিলি কিয়? মোৰ সকলো সপোন তই ভাঙি চুৰমাৰ কৰি দিলি বিকাশ। মই জনা নাছিলোঁ, পানীৰ তলৰ কাঁইট হৈ তই মোক অপকাৰ কৰিবি বুলি।

মেনকা ঃ ছিঃ ছিঃ ছিঃ। মানুহ ইমান নীচ হ'ব নাপায়। আৰে, আমি মাইকী মানুহবোৰ দুৰ্বল কাৰণে পুৰুষৰ কাষ চাপি নাযাওঁ। সমাজখন জীয়াই ৰাখিবৰ বাবে পুৰুষ-মহিলাৰ সমানেই গুৰুত্ব আছে। নহ'লে সমাজখন থাকিব কেনেকৈ? কিন্তু তোমালোকৰ নিচিনা ভাল মানুহ বুলি মুখা পিন্ধা মানুহবোৰৰ কাৰণেই সমাজত দিনে-নিশাই অপৰাধ হয়। যিখন দেশতে মহিলাক পূজা কৰা হয়, সদায় উচ্চ স্থানত ৰখা হয়, সেইখন দেখতে যদি এনে জঘন্য কাণ্ড হ'বলৈ হয়, তেন্তে ক'ত আমাৰ উচ্চ স্থান? ক'ত আমাৰ সন্মান? আমি এতিয়া পাতৰ তলৰে লাও নেকি?

প্ৰিয়ংকা ঃ তোমালোক পুৰুষ জাতিয়ে নাৰীক কি বেৰৰ মাটি বুলি ভাবা নেকি? নে তোমালোকৰ হাতৰ পুতলা, যেনেকৈ মন যায়, তেনেকৈয়ে নচুৱাবা আৰু আমি নাচি যাম। মনত ৰাখিবা, নাৰীয়ে যেতিয়া তোমাক জন্ম দিব পাৰে, তেনে নাৰীয়ে যিকোনো কামেই কৰিব পাৰে। পুতৌ লাগিছে নিজলৈ যে, মই তোমাৰ নিচিনা কাৰোবাক ভাল পাইছিলো।

পুলিচ ঃ শুনিলে নহয়। আমাৰ সমাজখন পুৰুষকেন্দ্ৰিক হ'লেও কিন্তু ইয়াৰ প্ৰধান চালিকাশক্তি নাৰীহে। নাৰীৰ সুৰক্ষা আমাৰ প্ৰধান কৰ্তব্য। দেশত আইন এতিয়াও শেষ হৈ যোৱা নাই। সংবিধানেই নাৰীক উচ্চ মৰ্যদা দিছে। নাৰীয়ে ইচ্ছা কৰিলে দেশ শাসনৰ পৰা পাকঘৰলৈকে চম্ভালিব পাৰে। আপুনি তেনে অদম্য শক্তিৰ নাৰীক শোষণৰ ব্যৰ্থ চেষ্টা কৰিছিল। এতিয়া ব'লক, আপোনাৰ উচিত শাস্তি আদালতে দিব। ব'ল।

**(সমাপ্ত)**



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

ইতিহাসে গৰকা শিৱসাগৰ ... তাহানিৰ কলঙ্গুপাৰ আৰু তাৰ পাছৰ ৰংপুৰ। প্ৰকৃতিৰ সেউজ পৰিৱেশ, আহোম স্বৰ্গদেউসকলৰ প্ৰাচীন কীৰ্তিচিহ্নৰে ভৰপুৰ ঐতিহ্যমণ্ডিত শিৱসাগৰ চহৰৰ আকৰ্ষণৰ কেন্দ্ৰস্থল শিৱদ'ল, দেৱীদ'ল আৰু বিষ্ণুদ'লৰ মন্ত্ৰধ্বনিত জীপাল হৈ থকা স্ত্ৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠানেই হ'ল 'শিৱসাগৰ ছোৱালী কলেজ।' সৰ্বপ্ৰথমে সেইসকল ব্যক্তিক প্ৰণাম যাচিছো যিসকল ব্যক্তিয়ে অশেষ কষ্ট স্বীকাৰ কৰি এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিছিল আৰু যিসকলে আজিকোপতি এই মহাবিদ্যালয়খন জীয়াই ৰখাই নিৰলস প্ৰচেষ্টা চলাই আছে।

সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা স্ত্ৰী শিক্ষাৰ সাফল্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ সাধাৰণ সম্পাদিকাৰূপে নিজৰ পৰিচয় দাঙি ধৰাৰ আগতে মোৰ পৰিচয় আন দহগৰাকীৰ ছাত্ৰীৰ দৰে; যি সোণালী জয়ন্তীবৰ্ষৰ আৰম্ভণিত অযুত আশা লৈ এই মহাবিদ্যালয়ৰ বাট বুলিছিলো। মহাবিদ্যালয় এখনৰ ছাত্ৰী হিচাপে দায়িত্ব পালন কৰাটো যিদৰে ডাঙৰ কথা, সাধাৰণ সম্পাদিকা হৈ এই দায়িত্ব পালন কৰাটো মোৰ সামান্য চেষ্টা মাথোন।

যেতিয়াৰে পৰা (২০১৩ চন) এই মহাবিদ্যালয়ত মোৰ শিক্ষাগ্ৰহণ আৰম্ভ হয় ঠিক তেতিয়াৰ পৰা মোৰ কলেজখনৰ লগত এক এৰাব নোৱাৰা টান গঢ় লৈ উঠিছিল। যিহেতু মোৰ কৈশোৰত্তীৰ্ণ অৱস্থাৰ এক সপোন আছিল; যাৰ নাম 'শিৱসাগৰ ছোৱালী কলেজ।' কলেজখনৰ হকে কিবা এটা কৰাৰ মানস মোৰ গঢ়ি উঠিছিল আৰু সাধাৰণ ছাত্ৰী হিচাপে এই কিবাটো কৰাৰ উদ্দেশ্যে মই কলেজৰ প্ৰতিটো কামত নহ'লেও দুই এটা কামত জড়িত হৈ পৰিছিলো। আৰু মোৰ এই যাত্ৰা আৰম্ভ হৈছিল মোৰ বিভাগীয় শিক্ষা গুৰুসকলৰ প্ৰেৰণাত। ক্ৰমশঃ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু সমূহ শিক্ষাগুৰু অনুপ্ৰেৰণাত মই মহাবিদ্যালয়ৰ স'তে সাঙুৰ খাই পৰিলো এৰাব নোৱাৰাকৈ। কিন্তু মোৰ উদ্দেশ্য সাধাৰণ সম্পাদিকা হোৱাৰ নাছিল। আকস্মিকভাৱে ২০১৪-১৫ বৰ্ষৰ নিৰ্বাচন সন্ধিক্ষণত মোৰ শুভাকাংক্ষী তথা মোৰ বান্ধৱী ভাগ্য, প্ৰিয়া, মূৰ্চনা, বিস্মিতা আদিকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ বহুতো ছাত্ৰীৰ প্ৰস্তাৱত আৰু ইতিহাস বিভাগৰ অধ্যাপক প্ৰবীন শৰ্মা ছাৰ, শিক্ষা বিভাগৰ ড° ৰণ্টু গোহাঁই ছাৰ আদিকে ধৰি বহু কেইজন অধ্যাপক-অধ্যাপিকা পৰামৰ্শ লৈ উক্ত পদটিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়ী হৈ শিৱসাগৰ ছোৱালী কলেজৰ বাবে আৰু অধিক কিবা কৰাৰ সুযোগ পাইছিলো।

২৯/৯/২০১৪ তাৰিখে ২০১৪-১৫ বৰ্ষৰ ছাত্ৰী একতা সভাই আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰে আৰু সেই সময়খিনিৰ পৰাই ২০১৪-১৫ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সকলো সদস্যই একেলগে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো।

২২/১০/২০১৪ তাৰিখে Communual Harmony দিৱস উপলক্ষে আগতীয়াকৈ ৰচনা ও চিত্ৰাংকন প্ৰতিযোগিতা এখন অনুষ্ঠিত কৰা হয় আৰু তাৰ লগত সংগতি ৰাখি ছাত্ৰী একতা সভাৰ সদস্যসকলে ছাত্ৰীসকল আৰু শিক্ষাগুৰু সকলৰ পৰা বৰঙণি তুলি, মুঠ পাঁচ হাজাৰতকৈ অধিক অৰ্থ Communual Harmonyৰ এক শিতানলৈ পঠায়।

মহাবিদ্যালয়খনিত যিহেতু শিক্ষাৰ্থীসকলৰ শৈক্ষিক দিশৰ লগতে শাৰীৰিক, মানসিক, আৰেগিক দিশকো গুৰুত্ব দিয়া হয়। সেই উপলক্ষে ১৭/১/২০১৫ দিশকো গুৰুত্ব দিয়া হয়। সেই উপলক্ষে ১৭/০১/২০১৫ৰ পৰা মহাবিদ্যালয়ৰ বাৰ্ষিক যুৱ মহোৎসৱ আৰম্ভণি ২২/০১/২০১৫ তাৰিখে বাৰ্ষিক যুৱ মহোৎসৱৰ অন্ত পৰে। আৰু উক্ত সামৰণি অনুষ্ঠানত এজন বিশিষ্ট অতিথি ৰূপে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত কামাখ্যা প্ৰসাদ তাচাদেৰ উপস্থিত

থাকে।

উক্ত দিনা বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে নিৰ্মাণ কৰি উলিওৱা আভ্যন্তৰীণ ক্ৰীড়াগৃহটি তেওঁ উন্মোচিত কৰে।

ইয়াৰ পাছতে অনুষ্ঠিত হয় উত্তৰ লখিমপুৰ মহাবিদ্যালয়ত ২০১৪-১৫ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ। য'ত আমাৰ মহাবিদ্যালয়ৰ ২৫ গৰাকী ছাত্ৰীয়ে কেইবাটাও পুৰস্কাৰ পাবলৈ সক্ষম হয়।

তাৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰীসকলে আন আন বিভিন্ন মহাবিদ্যালয়ত পতা বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি বিভিন্ন পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়।

২৫ জানুৱাৰী তাৰিখে অনুষ্ঠিত হয় সৰস্বতী পূজা। মহাবিদ্যালয়ত এই পূজা অতি ডাঙৰকৈ পতা হয়। উক্ত দিনা ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয়ৰ আলোচনী 'প্ৰবাহিনী' শুভ উন্মোচন কৰা হয়। উন্মোচক দিপালী বৰঠাকুৰ বাইদেউ।

২০/০৪/১৫ তাৰিখে বহু বছৰ ব্যৱধানৰ অন্তত ষষ্ঠ ষান্মাসিকৰ ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে বিদায় প্ৰদান কৰা হয়। উক্ত বিদায় সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন আৰু প্ৰাক্তন অধ্যক্ষ দিলীপ কুমাৰ চক্ৰৱৰ্তী ছাৰৰ বহুমূলীয়া উপদেশমূলক ভাষণেও সকলোকে উপকৃত কৰে।

২১/৬/১৫ তাৰিখে নৱাগতাসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। উক্ত সভাত বিশিষ্ট অতিথিৰূপে শিৱসাগৰ কলেজৰ প্ৰাক্তন মুৰব্বী গ্ৰন্থাগাৰিক দেৱ হাজৰিকা ছাৰ উপস্থিত থাকে। তেওঁ প্ৰদান কৰা বহুমূলীয়া বক্তৃতাই ন-পুৰণি ছাত্ৰীক সহায় কৰিছিল।

ইয়াৰ পাছতেই শিক্ষক দিৱসৰ সতে সংগতি ৰাখি এখন ৰচনা প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰা হয়।

তাৰোপৰি অৰণ্য মানৱখ্যাত যাদৱ পায়েঙদেৱক ১/০৯/১৫ তাৰিখে বিশেষভাৱে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সম্বৰ্ধনা জনোৱা হয়।

সাধাৰণ সম্পাদিকাৰ দায়িত্ব যিহেতু অতি গধুৰ। হাজাৰ সংখ্যক ছাত্ৰীৰ শিক্ষাস্থল এই মহাবিদ্যালয়খনিত কি মই দিব পাৰিলো নাজানো, কিন্তু যি দিছো সি নগণ্য। তথাপিও আৰু দুটামান খতিয়ান তলত উল্লেখিছো—

১। মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে সভাপতি আৰু সহঃ সভাপতি ছাত্ৰীৰ পৰা নিৰ্বাচন।

২। মহাবিদ্যালয়ৰ সৰস্বতী বেদীৰ সুৰক্ষাৰ বাবে এক কাঁচৰ ফ্ৰেমৰ ব্যৱস্থা (অধ্যক্ষ মহোদয়ৰ সম্পূৰ্ণ সহযোগত)।

তাৰোপৰি মোৰ কাৰ্যকালত মোৰ বাবে আন এটি গৌৰৱৰ কথা মহাবিদ্যালয়খনে এখন আৰ্হি কলেজ (Model College) হিচাপে স্বীকৃতি লাভ কৰে।

কৃতজ্ঞতা স্বীকাৰ ঃ

সৰ্বপ্ৰথমে অধ্যক্ষ মহোদয় ছাৰ আৰু উপাধ্যক্ষা মহোদয়া বাইদেউলৈ। কাৰ্যকালৰ শেষত উপাধ্যক্ষা মহোদয়া ভাৰপ্ৰাপ্ত অধ্যক্ষা হয়। মোৰ অতি শ্ৰদ্ধাৰ ড° হেমন্ত কুমাৰ ফুকন ছাৰে অৱসৰ গ্ৰহণ কৰে। তেওঁলোকে মোৰ কাৰ্যকালত উপযুক্ত সহায় পৰামৰ্শ আগবঢ়াইছিল।

দ্বিতীয়তে, মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, গ্ৰন্থাগাৰৰ বিষয়ববীয়া, কাৰ্যালয়ৰ সমূহ বিষয়ববীয়া আৰু মোৰ প্ৰতিটো কাৰ্যৰ সহায় চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকললৈ। কেন্টিনৰ সকলো বিষয়ববীয়ালৈও মোৰ অশেষ ধন্যবাদ।

তৃতীয়তে মোৰ জ্যেষ্ঠ, কণিষ্ঠ আৰু সহপাঠী সকলক বিশেষ ধন্যবাদ। যাৰ সহায়-সহযোগিতা অবিহনে মই সফল হ'ব নোৱাৰিলোহেঁতেন। ইয়াৰোপৰি মহাবিদ্যালয়ৰ বাহিৰৰ সকলো কৰ্মচাৰী, যতীন দা, মাইনা দা আদিকে ধৰি সকলোলৈ মোৰ ধন্যবাদ।

তাৰোপৰি ছাত্ৰী একতা সভাৰ আনসমূহ সদস্যক মোক অশেষ ধন্যবাদ। যাৰ অবিহনে মই অকলশলীয়া হ'লোহেঁতেন।

পৰিশেষত ঐতিহ্যপূৰ্ণ আৰু শিৱসাগৰ ছোৱালী কলেজখনীয়ে সাফল্যৰ উচ্চ শিখৰত আৰোহন কৰি উজ্জ্বল নক্ষত্ৰৰ দৰে জিলিকি ৰওঁক। তাৰে কামনাৰে মোৰ প্ৰতিবেদন সামৰিলো।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ'
'জয়তু ছাত্ৰী একতা সভা'

ধন্যবাদেৰে —

পাপৰি শেনছোৱা
সাধাৰণ সম্পাদিকা
২০১৪-১৫ বৰ্ষ



# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

"জীৱনটো এক বোৱতী সুঁতি
প্ৰতিটো দিনেই অনুপম দিন
প্ৰতিটো দিনৰে আছে সুকীয়া প্ৰত্যাহ্বান
আমি নিজ নিজ কৰ্মক ভাল পাবলৈ শিকিব লাগিব
আৰু তাৰ প্ৰতিটো মুহূৰ্ত
উপভোগ কৰিব লাগিব।"

— এ.পি.জে. আব্দুল কালাম

উক্ত কথাষাৰক সাৰোগত কৰি জীৱন নামৰ বোৱঁতী নদীৰ প্ৰতি অনুপম দিনত প্ৰত্যাহ্বানৰ আহ্বানক আকোঁৱালী লোৱাৰ ক্ষুদ্ৰ ইচ্ছা কৰিছিলো এই শিক্ষা মন্দিৰত। কৰ্মক ভালপোৱাৰ স্পৃহা আৰু সপোন দেখাৰ তাগিদাত সাঙোৰ খাই পৰিছিলো শিৱসাগৰ ছোৱালী কলেজত পৰিয়ালত। গতানুগতিক আনুষ্ঠানিক শিক্ষাৰ মাজেদি এই মহাবিদ্যালয়ত ভৰি দি একাত্ম হোৱাৰ প্ৰচেষ্টাৰে খাপ খাই পৰিছিলো ইয়াৰ পৰিবেশত। সেই একাত্ম হোৱাৰ সুযোগ পাইছিলো ছাত্ৰী একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা পদৰ যোগেদি। যাৰ বাবে মহাবিদ্যালয়ৰ পৰিয়ালক সৰ্বপ্ৰথমে ধন্যবাদ, জ্ঞাপন কৰিছো।

মোৰ এবছৰীয়া কাৰ্যকালৰ চমু বিৱৰণ দাঙি ধৰাৰ প্ৰাকমুহূৰ্ত্তত মই সেইসকল নসম্য ব্যক্তিক একাঁজলি শ্ৰদ্ধা জ্ঞাপন কৰিছো, যাৰ আপ্ৰাণ সহৃদয়তাৰ ত্ৰুটি মুক্ত চেষ্টাৰ ফলশ্ৰুতি এই ঐতিহ্যমণ্ডিত নাৰী শিক্ষাৰ অন্যতম স্থিতি লাভ কৰে "শিৱসাগৰ ছোৱালী কলেজ"। ইয়াৰ পিছত আমাৰ দেশৰ বাবে নিজৰ প্ৰাণাহুতি দিয়া মহান ব্যক্তিসকল যি নিজৰ বলিদানৰ দ্বাৰা জাতীয় জীৱন সংৰচনৰ চেষ্টা চলালে তেখেতলোকক প্ৰণাম জনাইছো আৰু আমাৰ মহাবিদ্যালৰ সমূহ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ সমূহ শুভাকাংক্ষী ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিলো।

২৭ ছেপ্তেম্বৰ, সোমবাৰে ২০১৪-১৫ বৰ্ষৰ নৱ নিৰ্বাচিত ছাত্ৰী একতা সভাৰ আনুষ্ঠানিক ভাৱে শপত গ্ৰহণ হৈছিল। কাৰ্যভাৰ গ্ৰহণ কৰা দিনাই আমি ছাত্ৰী একতা সভাৰ সদস্যাসকলে কলা আৰু বিজ্ঞান শাখাৰ ছাত্ৰীসকলৰ মাজত যি দূৰত্ব আছে তাক আমি নোহোৱা কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলো। এই ক্ষেত্ৰত আমি সম্পূৰ্ণকৈ সফল নহ'লেও এই দূৰত্ব কিছু পৰিমাণে হ্ৰাস কৰিলো।

তাৰ পিছত আমাৰ দায়িত্ব আছিল উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ শ্ৰেণী প্ৰতিনিধি নিৰ্বাচন। সেয়েহে আমি ছাত্ৰী একতা সভাৰ সমূহ সদস্যা আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰীৰ সহায়ত তেওঁলোকৰ মাজৰ পৰায়ে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ এগৰাকী শ্ৰেণী প্ৰতিনিধি নিৰ্বাচিত কৰিছিলো।

কলেজীয়া জীৱনৰ মনোমোহা 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ" আৰম্ভ হৈছিল প্ৰথমে ১৬ আৰু ১৭ ডিচেম্বৰত আৰু পুনৰ ১৭ জানুৱাৰী পৰা ২৭ জানুৱাৰীলৈকে বাৰ্ষিক ক্ৰীড়া সপ্তাহ আয়োজন কৰা হৈছিল। কিন্তু এই বাৰ্ষিক সপ্তাহত অংশগ্ৰহণ কৰিবলৈ প্ৰতিযোগীৰ অভাৱ। এমুঠিমান প্ৰতিযোগীৰ ওপৰত নিৰ্ভৰ কৰিয়ে প্ৰতিযোগিতাৰ কাৰ্য সম্পাদন কৰিব লগা হয়। এই ক্ষেত্ৰত মোৰ বিনম্ৰ অনুৰোধ যাতে ছাত্ৰীসকলে উক্ত দিনকেইটা বন্ধ দিন হিচাপে নলৈ তেওঁলোকে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি অৰ্ন্তনিহিত প্ৰতিভাক উচিত ধৰণেৰে প্ৰদৰ্শন কৰি কেৱল কলেজৰ ভিতৰতে নহয় বহুল ক্ষেত্ৰতো উচ্চত স্থান দখল কৰি কলেজৰ গৌৰৱ অক্ষুন্ন ৰাখিব পাৰিলে তাৰ বাবে চেষ্টা কৰক। মোৰ দৃঢ় বিশ্বাস যে আমাৰ মহাবিদ্যালয়ত যথেষ্ট প্ৰতিভাসম্পন্ন ছাত্ৰী আছে। তেওঁলোকে আন্তঃ মহাবিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতাত পদক বুটলিবলৈ সক্ষম

হওঁক।

২৪ জানুৱাৰী তাৰিখে অনুষ্ঠিত কৰা হৈছিল মহাবিদ্যালয়ৰ আটাইতকৈ ডাঙৰ উৎসৱ 'সৰস্বতী পূজা'। বিগত বছৰৰ দৰে এইবাৰো অতি আনন্দ উল্লাসেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হয় আৰু এই পবিত্ৰ দিনটোতে ২০১৩-১৪ বৰ্ষৰ বাৰ্ষিক আলোচনী 'প্ৰৱাহিনী' উন্মোচন কৰা হৈছিল।

আমাৰ কাৰ্যকালতে ২১ এপ্ৰিলত সমূহ ছাত্ৰী একতা সভাৰ সহযোগত ষষ্ঠ ষাণ্মাষিকৰ ছাত্ৰীসকলৰ 'বিদায় সভা' আয়োজন কৰা হৈছিল।

২৭ জুন তাৰিখে 'নৱাগতা আদৰণি সভা' অনুষ্ঠিত কৰা হয়। ছাত্ৰী একতা সভাৰ তৰফৰ পৰা নৱাগতা সকলক আনুষ্ঠনিক ভাৱে আদৰণি জনোৱাৰ লগতে কৃতি ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হৈছিল।

১ ছেপ্তেম্বৰ তাৰিখে আমি 'পদ্মশ্ৰী অৰণ্য মানৱ' যাদৱ পায়েং ডাঙৰীয়াক সম্বৰ্দ্ধনা জনাইছিলো।

আমাৰ এবছৰীয়া কাৰ্যকালত যিমানদূৰ সম্ভৱ আমাৰ সমূহীয়া প্ৰচেষ্টাৰে মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰি যাবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিলো। আমি কিমান দূৰ সফল হ'ব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়, তথাপি মই সহকাৰী সাধাৰণ সম্পাদিকা পদত অধিষ্ঠিত হৈ সাধ্যানুসাৰে মোৰ সোৱা আগবঢ়াবলৈ চেষ্টা কৰিছিলো। যদি মোৰ এই এবছৰীয়া কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে অনিচ্ছাকৃত ভুল-ক্ৰটি হৈছে, তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিলো।

সদৌ শেষত ৰংপুৰৰ বাকৰিত জন্ম লোৱা নাৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান 'শিৱসাগৰ ছোৱালী কলেজ'ৰ সৰ্বাংগীন উন্নতি ও উত্তৰোত্তৰ কামনা কৰি মোৰ এবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ'

"জয়তু ছাত্ৰী একতা সভা"

**শ্ৰী ঋচীকা কোঁৱৰ**
সহকাৰী সাধাৰণ সম্পাদিকা
ছাত্ৰী একতা সভা



# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই যিসকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ, অশেষ যত্ন, কঠোৰ পৰিশ্ৰম, প্ৰচেষ্টাৰ জৰিয়তে এই উচ্চ শিক্ষাৰ পবিত্ৰ জ্ঞান মন্দিৰ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা হ'ল সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধা প্ৰণাম গভীৰ শ্ৰদ্ধা আৰু ভক্তি নিবেদিছোঁ। লগতে এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়াকে প্ৰমুখ্য কৰি শিক্ষাগুৰু বৃন্দ, কৰ্মচাৰী বৃন্দ, অগ্ৰজ-অনুজ তথা সতীৰ্থ বৃন্দলৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো যিসকল ছাত্ৰীয়ে মোক ২০১৪-১৫ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক বিভাগত নিৰ্বাচিত কৰিছিল, সেই সকল ছাত্ৰীলৈ কৃতজ্ঞতা জনালো।

মোৰ কাৰ্যকালত প্ৰতিটো সময়তে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় কৰা তথা সু দিহা-পৰামৰ্শ আগবঢ়োৱা মোৰ বিভাগৰ গৃহ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° ৰাজশ্ৰী ফুকন বাইদেউলৈ আৰু অধ্যাপক প্ৰাঞ্জল ৰাজখোৱা ছাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৪-১৫ বৰ্ষৰ সাংস্কৃতিক বিভাগৰ পদত অধিষ্ঠিত হৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটিৰ পৰিসৰ দুখোজ আগবঢ়াই লৈ যোৱাৰ অভিপ্ৰায়ৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ লগত জড়িত হৈ ভাল লাগিল। আশাকৰোঁ পিছলৈয়ো মহাবিদ্যালয়ৰ সাংস্কৃতিকৰ ক্ষেত্ৰত যি গৌৰৱ আছে, সেয়া অটুট থাকিব। এটা কথা উনুকিয়াব লাগিব যে মহাবিদ্যালয়খনিৰ এই পদত কাৰ্যভাৰ লোৱাৰ পাছৰে পৰা এটা কথা ভালদৰে উপলব্ধি হৈছিল যে মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত ছাত্ৰীসকলৰ সংখ্যা অধিক নহয় যদিও মহাবিদ্যালয়খনিৰ সাংস্কৃতিক ক্ষেত্ৰত পিছপৰা নহয়। মোৰ কাৰ্যকালত ছাত্ৰীসকলে নাট প্ৰতিযোগিতাৰ ক্ষেত্ৰত Best Director আৰু Best Actor হিচাপে তেওঁলোকৰ পাৰদৰ্শিতা দেখুওৱাবলৈ সক্ষম হয়। আৰু লগতে অন্যান্য প্ৰতিযোগিতাৰ ক্ষেত্ৰতো ছাত্ৰীসকলে প্ৰতিভাৰে পাৰদৰ্শিতা দেখুওৱাবলৈ সক্ষম হয়।

মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ বিভিন্ন দিশত সহায় কৰা বিভাগীয় উপদেষ্টাৰ লগতে বুৰঞ্জী বিভাগৰ শ্ৰীযুত প্ৰবীন শৰ্মা ছাৰৰ লগতে অন্যান্য ছাৰ-বাইদেউসকলক মোৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰোপৰি বিভিন্ন সময়ত ঘনিষ্ঠভাৱে জড়িত থকা তথা সহায় কৰা মোৰ মৰমৰ মেৰী গগৈ, জিম্পী লাহন, দীপশিখা শৰ্মা, পাপৰি শেনচোৱা, ৰিচিকা কোঁৱৰ, সুজাতা গগৈ আদি সকলোকে মোৰ মৰম আৰু আন্তৰিকতা যাচিলো।

এইখিনিতে এটা কথা ক'ব লাগিব, যিটো মনত থাকিব, এটা চিৰস্মৰণীয় দুখ লগা কাহিনী। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত দিনৰ সেইদিন আছিল ১৯ জানুৱাৰী সোমবাৰ, ২০১৫ তাৰিখ, উক্ত দিনা সাংস্কৃতিক প্ৰতিযোগিতা দিহানাম বিয়ানাম, কিন্তু সেইদিনা দিহানাম, বিয়ানাম প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগী আছিল তেনেই নগণ্য। তেনেক্ষণত বিচাৰকক নিমন্ত্ৰণ কৰাৰ সময় মতেই বিচাৰক আহি মহাবিদ্যালয়ত উপস্থিত হৈছিলহি। কিন্তু সেই মুহূৰ্তত বিয়ানাম, দিহানামৰ বাবে কোনো ছাত্ৰীয়েই প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত নাছিল। তেনেস্থলত মোৰ মনতো কি কৰো কি নকৰো অৱস্থা। তাৰ পাছতে উপদেষ্টাৰ পৰামৰ্শত মই ছাত্ৰী সকলক বিয়ানাম, দিহানাম প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছিলো। তেনেস্থলত দুটা দলে প্ৰতিযোগিতাত ভাগ ল'বৰ বাবে আগ্ৰবাঢ়ি আহিছিল যদিও প্ৰতিযোগিতাৰ নিৰ্ধাৰিত সময় বহু পাৰ হৈ যোৱাৰ বাবে প্ৰতিযোগিতাখনি

বাতিল কৰা হ'ল। তেনে সময়ত মোৰ মনতো কান্দো-হাঁহো অৱস্থা, সেই সময়খিনি আছিল ২-৩০ যিহেতু ১০-৩০ বজাত বিয়ানাম, দিহানাম প্ৰতিযোগিতাৰ নিৰ্ধাৰিত সময় আছিল। সেই সময়ত বিচাৰক বাইদেউ দুগৰাকীৰ ওচৰলৈ লাজ সংকোচেৰে গৈছিলো। আৰু বাইদেউহঁতক মোৰ সমস্যাবোৰ কোৱাত এই দায়িত্বৰ বাবে মোৰ অনুৰোধ ৰক্ষা কৰিছিল, এই দুগৰাকী মহান বাইদেউলৈ শ্ৰদ্ধা, ভালপোৱা থাকিব আৰু চিৰকৃতজ্ঞ হৈ ৰ'ম। এয়াই আছিল মোৰ কাৰ্যকালৰ এটি ঘটনা। এইখিনি কথাৰে আপোনালোকৰ বাবে কিমান হৃদয়ংগম হ'ব সেয়া নাজানো। কিন্তু মোৰ এই কথা বা ঘটনাই মোক বাৰুকৈয়ে ক্ৰিয়া কৰিছিল।

সাংস্কৃতিক সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয় ছাত্ৰী একতা সভাই ২০১৪-১৫ বৰ্ষৰ 'মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ, অনুষ্ঠিত 'মহাবিদ্যালয়ৰ সপ্তাহ' সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তেনে কিছুমান মোৰ বিভাগৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল ভেশচন, আধুনিক নৃত্য, শাস্ত্ৰীয় নৃত্য, দলীয় নৃত্য, মুকাভিনয়, একক অভিনয়, পৰম্পৰাগত সাজ-পাৰ, বিয়ানাম, দিহানাম, একাংকিকা নাট, বিহু নৃত্য, বাদ্যবাদন, ঢোল, পেঁপা, গগনা আদি।

ইয়াৰোপৰি মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাকে আৰম্ভ কৰি বিভিন্ন উৎসৱ, দিৱস আদিত মহাবিদ্যালয়ৰ ছাত্ৰীৰ দ্বাৰা বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

ইয়াৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰীৰ ইচ্ছা আৰু গভীৰ চেষ্টাৰ ফলত ছাত্ৰীয়ে 'Dibrugarh University' অন্তৰ্গত কলেজ সমূহৰ মাজত অনুষ্ঠিত হোৱা Inter College Youth Festivalত সংগীত, নৃত্য আৰু একাংকিকা নাট আদি কাৰ্যসূচীত অংশ গ্ৰহণ কৰে আৰু লগতে আমাৰ ছাত্ৰীয়ে এক বৃহৎ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ অভিজ্ঞতা লাভ কৰে। ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়ে সুনাম অৰ্জন কৰিবলৈও সক্ষম হয়।

মোৰ কাৰ্যকালৰ সময়ত কি দিব পাৰিলো নোৱাৰিলো, বিচাৰ কৰিব। বিভিন্ন সময়ত বিভিন্ন ভুল ক্ৰটি হৈ যাব পাৰে তাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো। কিন্তু মহাবিদ্যালয় হৈ এই পদত কাম কৰি যাবৰ বাবে সুবিধা দিয়াৰ বাবে তথা সহায় সহযোগিতা কৰাৰ বাবে সকলোলৈকে অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

যি কি নহওঁক ভৱিষ্যতৰ দিশত জ্ঞানৰ পোহৰে আগুৱাই যোৱা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ যি গৌৰৱ সেয়া আৰু অধিক সাফল্য মণ্ডিত হওঁক, ৰঙীন হওঁক, উজ্জ্বল হওঁক ভোটাতৰাৰ দৰে জিলিকি ৰওঁক তাৰে আশাৰে মোৰ প্ৰতিবেদনখনি ইমানতেই সামৰণি মাৰিছোঁ।

ধন্যবাদৰে—

জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়
জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয় ছাত্ৰী একতা সভা

**প্ৰিয়াঙ্কী মহন**
সাংস্কৃতিক সম্পাদিকা



# সাংস্কৃতিক বিভাগৰ সহকাৰী সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে এই প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত দেশ ৰক্ষা আৰু জাতি তথা সমাজৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ বিসৰ্জন দিয়া সেই সকল মহান ব্যক্তিক গভীৰ শ্ৰদ্ধাৰে সুঁৱৰিছো লগতে যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাত সমাজৰ কল্যাণৰ বাবে ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনি গঢ়ি উঠিছে তেওঁলোকৰ মহান দূৰদৰ্শী চিন্তাত আজি মহাবিদ্যালয়খনে সুদীৰ্ঘ ৫০টা বছৰ অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। সেইসকলকো মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয় তথা সমূহ অধ্যাপক অধ্যাপিকা, সতীৰ্থসকল আৰু মোৰ অনুজসকললৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

ইতিহাসৰ গৰিমাৰে সৌন্দৰ্যমণ্ডিত শিৱসাগৰ জিলাৰ মাজমজিয়াত অৱস্থিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে মই অধ্যয়ন কৰিবলৈ পাই সুখী হৈছো। মহাবিদ্যালয়খনিৰ লগতে ইয়াৰে এক অংশ 'ৰংপুৰ ছাত্ৰী নিবাস'ত থাকিবলৈ পাই মই যথেষ্ট গৌৰৱ অনুভৱ কৰিছো। মই এই ক্ষণতে নিবাসৰ অধ্যক্ষিকা নিবেদিতা বৰুৱা বাইদেউক শ্ৰদ্ধা জ্ঞাপন কৰিছো। ২০১৪-১৫ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক বিভাগৰ সহকাৰী সম্পাদিকা ৰূপে মোক নিৰ্বাচন কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী তথা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

ছাত্ৰী একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, বিভাগীয় উপদেষ্টাসকল, বিভাগীয় বিষয়ববীয়াসকলৰ উপৰিও মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা বান্ধৱীসকলৰ পৰা বহুতো মূল্যৱান পৰামৰ্শ তথা সহযোগিতা লাভ কৰিছিলো। লগতে মোৰ এবছৰীয়া কাৰ্যকালত সম্পাদিকা হিচাপে যি দায়িত্ব পালন কৰিবলৈ সক্ষম হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

**২০১৪-১৫ বৰ্ষৰ কাৰ্যসমূহ ঃ**

প্ৰথমতে, বাৰ্ষিক ক্ৰিয়া সপ্তাহৰ সাংস্কৃতিক বিভাগৰ তত্বাৱধানত নানা প্ৰতিযোগিতাসমূহ আয়োজন কৰা হ'ল।

দ্বিতীয়তে, ২০১৫ চনৰ ২৫, ২৬, ২৭ জানুৱাৰী তাৰিখে উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে প্ৰতিদ্বন্দিতা আগবঢ়াই বিশেষ পাৰদৰ্শিতাৰে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

মই বিভাগীয় কামৰ উপৰিও সৰস্বতী পূজা, নৱাগতা আদৰণী সভা, বিভিন্ন আলোচনা চক্ৰৰ লগতে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানসমূহত সুচাৰুৰূপে পৰিচালনা হোৱাত সাধ্যানুসৰি সহায়-সহযোগিতা আগবঢ়াইছিলো।

মই ছাত্ৰী একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰ, বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ প্ৰাঞ্জল ৰাজখোৱা ছাৰ আৰু ৰাজশ্ৰী ফুকন বাইদেউক মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। যিসকলে মোক সকলো ধৰণৰ কাৰ্যসূচীত দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়াই মোক উৎসাহিত কৰিছিল। তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত, মই শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী-

একতা সভাৰ 'সাংস্কৃতিক বিভাগ'ৰ সহকাৰী সম্পাদিকা হিচাপে দায়িত্ব সুচাৰুৰূপে পালন কৰিলো তথাপি সেয়া আপোনালোকৰ ওচৰত বিচাৰৰ বাবে অৰ্পণ কৰিলো। কৰ্তব্যৰ খাতিৰত অজানিতে কাৰোবাক কঠোৰ বাক্যবাণ প্ৰয়োগ আৰু অনিচ্ছাকৃতভাৱে কৰা ভুল-ক্ৰটিৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী একতা সভাৰ সমূহ সম্পাদিকাৰ লগতে ছাত্ৰীসকলৰ ওচৰত অজানিত ক্ৰটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতিৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

**মেৰী গগৈ**
সাংস্কৃতিক বিভাগৰ সহকাৰী সম্পাদিকা



# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

"আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী
পোহৰৰ দিশে উৰা মাৰি যোৱা
যেন এজাক পখীৰ কাকলি...." -
ড° কৰবী ডেকা হাজৰিকা

শিৱসাগৰ ছোৱালী কলেজৰ ২০১৪-১৫ বৰ্ষৰ সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন লিখাৰ প্ৰাক্মুহূৰ্ততে যিসকল মহান মণিষীৰ আপ্ৰাণ প্ৰচেষ্টাত স্ত্ৰী-শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান 'শিৱসাগৰ ছোৱালী কলেজ'এ প্ৰাণ পাই উঠিছিল, যাৰ ছাঁৰ পৰশত আলোকিত হৈ উঠিছে তাৰ সহস্ৰ জ্ঞান পিপাসুৰ শিক্ষা জীৱন, সেই বৰেণ্য ব্যক্তিসকললৈ আমাৰ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছো। লগতে মহাবিদ্যালয়খনক প্ৰাণোচ্ছল কৰি ৰখাত অৱদান আগবঢ়োৱা সদস্য-সদস্যা তথা সমূহ ছাত্ৰীক আমাৰ আন্তৰিক অভিনন্দন যাচিছোঁ। এই জ্ঞানৰ মন্দিৰত অংশীদাৰ হোৱাৰ সুযোগ পাই নিজকে এগৰাকী সৌভাগ্যৱতী বুলি জ্ঞান কৰিছো।

শিৱসাগৰ ছোৱালী কলেজৰ ৪৭তম ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোৰ প্ৰস্তাৱক আৰু সমৰ্থক আৰিফা আহমেদ আৰু বৰ্ণালী গগৈৰ উৎসাহত আৰু বিভাগীয় সতীৰ্থসকলৰ অনুৰোধত নিৰ্বাচনত মই সংগীত বিভাগৰ সম্পাদিকাৰ পদটিত প্ৰতিদ্বন্দিতা আগবঢ়াইছিলো যদিও বিনা প্ৰতিদ্বন্দ্বিতাৰেই মই জয়লাভ কৰিছিলো।

নিৰ্বাচনৰ পাছত সম্পাদিকাৰ গুৰু দায়িত্বলৈ অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নতিৰ বাবে সংকল্পবদ্ধ হৈছিলো। আমাৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী হিচাপে ৮ ছেপ্তেম্বৰ দিনটোত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম বাৰ্ষিকী পালন কৰা হৈছিল।

ইয়াৰ পাছতেই ১৭ জানুৱাৰীৰ পৰা সকলোৰে হেঁপাহৰ মহাবিদ্যালয়ৰ 'বাৰ্ষিক যুৱ মহোৎসৱ" অনুষ্ঠিত হয়। এই মহোৎসৱত সংগীত বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ পিছতেই উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত বিভিন্ন প্ৰতিযোগিতাসমূহৰ লগতে সংগীত প্ৰতিযোগিতাতো ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি সুনাম কঢ়িয়াই আনিছিল। এনেদৰেই বিভিন্নজন লোকৰ প্ৰচেষ্টা উৎসাহ, অনুপ্ৰেৰণা আৰু ছাত্ৰীসকলৰ প্ৰচেষ্টাত আন্তঃমহাবিদ্যালয়ত আমাৰ শিৱসাগৰ ছোৱালী কলেজে সৰ্বমুঠ ১০টা পুৰস্কাৰ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। আশাকৰো আগলৈকো এই সাফল্য অক্ষুন্ন থাকক।

মই মোৰ বিভাগীয় সম্পাদিকা হিচাপে সংগীতৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা সকলো সুবিধা ছাত্ৰীসকলক দিবলৈ চেষ্টা কৰিছিলো। কলেজৰ যিকোনো অনুষ্ঠানতে গীতৰ অনুষ্ঠান অনুষ্ঠিত কৰিবলগীয়া হ'লে আগতীয়াকৈ সকলো ছাত্ৰীকে জনাইছিলো আৰু জাননী দিছিলো, যাতে সকলোবোৰ ছাত্ৰীয়ে সমানে সুবিধা প্ৰদান কৰিব পাৰে। ইয়াৰোপৰি কলেজৰ বাহিৰ যিকোনো গীতৰ অনুষ্ঠানত আমাৰ কলেজৰ ছাত্ৰীক অংশ গ্ৰহণ কৰিবলৈ সুবিধা দিয়া হৈছিল। বিশেষকৈ কলেজৰ বাহিৰত বিভিন্ন সংগঠনে আয়োজন কৰা 'অ' মোৰ আপোনাৰ দেশ সমন্বয়ৰ যাত্ৰা'ত বিভিন্ন ভাষাত জাতীয় সংগীত পৰিৱেশনৰ সুযোগ প্ৰদান কৰা হৈছিল। এনেদৰেই মোৰ কাৰ্যকালত যিমানখিনি কৰিব লগীয়া আছিল সকলোবোৰ নিয়াৰিকৈ কৰি

যাবলৈ চেষ্টা কৰিছিলো।

কৃতজ্ঞতা ঃ আমাৰ কাৰ্যকালত সকলো দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় প্ৰাক্তন অধ্যক্ষ ড° হেমন্ত কুমাৰ ছাৰ আৰু বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° লীলা মহন্ত বৰচেতিয়া বাইদেউৰ ওচৰত আমি চিৰকৃতজ্ঞ। লগতে বিভাগীয় কাম-কাজ পৰিচালনা কৰোতে বিভিন্ন নীতি-নিৰ্দেশনা দি লগতে সকলো ক্ষেত্ৰতে সহায় কৰা মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত কিশোৰ কুমাৰ দেউৰী ছাৰ আৰু শ্ৰীযুত মহান ৰঞ্জন দত্ত ছাৰৰ লগতে সমূহ শিক্ষাগুৰুলৈ শ্ৰদ্ধা ও কৃতজ্ঞতা জনাইছো। সংগীত প্ৰতিযোগিতাসমূহত বিচাৰকৰ আসন অলংকৃত কৰা শ্ৰীযুত জয়ন্ত দত্ত ছাৰ, শ্ৰীযুতা অজন্তা শইকীয়া বাইদেউ আৰু শ্ৰীযুত জিতেন্দ্ৰ স্বৰ্ণকাৰ ছাৰলৈ কৃতজ্ঞতা জনাইছো।

বিভাগীয় কাম-কাজত সহায় কৰা ছাত্ৰী একতা সভাৰ সমূহ সদস্যা আৰু মোৰ বান্ধৱীসকল আৰু লগতে বিভিন্ন ক্ষেত্ৰত আমাৰ ছায়াৰ দৰে থাকি আমাক সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দক এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিছো।

অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পাঠক মণ্ডলীৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী। অনুজ জ্ঞান কৰি ক্ষমা কৰি দিয়ে যেন।

বুৰঞ্জী প্ৰসিদ্ধ ৰংপুৰৰ বাকৰিত নাৰীশক্তিৰ বাটকটীয়া শিৱসাগৰ ছোৱালী কলেজ সাফল্যতাৰ চৰম শিখৰত উপনীত হওঁক আৰু সদৌশেষত কলেজৰ সৰ্বাংগীন উন্নতি আৰু উজ্বল ভৱিষ্যত কানাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু ছাত্ৰী একতা সভা"
জয়তু শিৱসাগৰ ছোৱালী কলেজ

**দীপশিখা শৰ্মা**
সম্পাদিকা
সংগীত বিভাগ

# ২০১৪-১৫ বৰ্ষৰ শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক যুৱ মহোৎসৱৰ সংগীত বিভাগৰ ফলাফল

১। বৰগীত ঃ
প্ৰথম ঃ ময়ুৰপংখী চেতিয়া
দ্বিতীয় ঃ কাবেৰী চেতিয়া
তৃতীয় ঃ অংকিতা কোঁৱৰ

২। খেয়াল ঃ
প্ৰথম ঃ ময়ূৰপংখী চেতিয়া
দ্বিতীয় ঃ বাগ্মীতা বৰগোহাঁই
তৃতীয় ঃ বিবেচিত নহ'ল।

৩। ভজন ঃ
প্ৰথম ঃ ময়ূৰপংখী চেতিয়া
দ্বিতীয় ঃ বাগ্মীতা বৰগোহাঁই
তৃতীয় ঃ অংকিতা কোঁৱৰ

৪। গজল ঃ
প্ৰথম ঃ ময়ূৰ পংখী চেতিয়া
দ্বিতীয় ঃ বাগ্মীতা বৰগোহাঁই

৫। লোকগীত ঃ
প্ৰথম ঃ বিপাশা চুতীয়া
দ্বিতীয় ঃ ময়ূৰপংখী চেতিয়া
তৃতীয় ঃ অংকিতা কোঁৱৰ

৬। জ্যোতি সংগীত ঃ
প্ৰথম ঃ ময়ূৰপংখী চেতিয়া
দ্বিতীয় ঃ বাগ্মীতা বৰগোঁইই
তৃতীয় ঃ অংকিতা কোঁৱৰ

৭। ৰাভা সংগীত ঃ
প্ৰথম ঃ ময়ূৰপংখী চেতিয়া
দ্বিতীয় ঃ কাবেৰী চেতিয়া
তৃতীয় ঃ কৃতাঞ্জলী শইকীয়া চেতিয়া

৮। পাৰ্বতী প্ৰসাদৰ গীত

প্ৰথম : ময়ূৰপংখী চেতিয়া
দ্বিতীয় : অংকিতা কোঁৱৰ
তৃতীয় : বাগ্মীতা বৰগোঁহাই
৯। ভূপেন্দ্ৰ সংগীত :
প্ৰথম : ময়ূৰপংখী চেতিয়া
দ্বিতীয় : অংকিতা কোঁৱৰ
তৃতীয় : ভায়লীনা গগৈ
১০। জয়ন্ত সংগীত :
প্ৰথম : ময়ূৰপংখী চেতিয়া
দ্বিতীয় : ভায়লীনা গগৈ
তৃতীয় : বাগ্মীতা বৰগোহাঁই
১১। আধুনিক গীত
প্ৰথম : ময়ূৰপংখী চেতিয়া
দ্বিতীয় : ভায়লীনা গগৈ
তৃতীয় : বাগ্মীতা বৰগোহাঁই
২০১৪-১৫ বৰ্ষৰ শ্ৰেষ্ঠ গায়িকা
শ্ৰীমতী ময়ূৰপংখী চেতিয়া

# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



জয়জয়তে শিৱসাগৰ ছোৱালী কলেজৰ ২০১৪-১৫ বৰ্ষৰ ছাত্ৰী একতা সভাৰ ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন লিখাৰ প্ৰাকমুহূৰ্তত মই মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকল, সমূহ কৰ্মচাৰীবৃন্দ, অগ্ৰজ, অনুজ আৰু সহবাঠীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছো।

শিৱসাগৰ! তাহনিৰ ৰংপুৰ। এই ৰংপুৰতেই ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰিছিল ক্ৰীড়াই। ঐতিহাসিক ৰূপহী পথাৰত আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৬ চনত ৰংঘৰ নিৰ্মাণ কৰোৱাই উত্তৰণ ঘটাইছিল খেল আৰু খেলুৱৈৰ। এছিয়াৰ প্ৰথম ক্ৰীড়া পেভিলিয়নটোৰ পৰাই ৰজাঘৰীয়া লোকে আৰু ডা-ডাঙৰীয়াসকলে খেল-ধেমালি উপভোগ কৰিয়েই দায়িত্ব সামৰা নাছিল, বিজয়ী প্ৰতিযোগীসকলক বঁটা, বাহন প্ৰদান কৰি অনুপ্ৰাণিত কৰিছিল। ইয়াৰ উপৰিও বিশেষ বিশেষ খেলৰ উত্তৰণৰ বাবে বিষয়া কৰ্মচাৰী আনকি প্ৰশিক্ষকো নিয়োগ কৰিছিল। সঁচা কথা ক'বলৈ গ'লে সেই সময়ছোৱা আছিল অসমৰ ক্ৰীড়া ইতিহাসৰ সোণালী যুগ।

৬০০ বছৰ আহোম ৰাজত্বৰ এই অসমৰ ইতিহাসত প্ৰসিদ্ধ শিৱসাগৰ জিলাৰ মাজমজিয়াত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজ। উচ্চ স্ত্ৰী শিক্ষাৰ এই মহাবিদ্যালয়খনি ৫০তম বছৰ গৰিক ৫১তম বৰ্ষৰ ২০১৪-১৫ৰ ৪৯তম ছাত্ৰী একতা সভাৰ নিৰ্বাচনৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি নিজকে গৌৰৱান্বিত অনুভৱ কৰো। আমাৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় মাননীয় ড° হেমন্ত কুমাৰ ফুকন ছাৰৰ "কলেজখন আমাৰ বুলি নক'বা, মোৰ বুলি ক'বা।" — এইষাৰ কথায়ে মোক কলেজৰ কাম কৰাত অনুপ্ৰেৰণা দিছিল আৰু কাম সমূহ মই মোৰ বিভাগীয় উপদেষ্টা ড° বিমল দত্ত ছাৰ আৰু শ্ৰীযুত প্ৰণৱ ভৰালী ছাৰৰ সহায়-সহযোগত নিয়াৰিকৈ কৰি গৈছিলো। কলেজৰ বাবে কৰিবলৈ বহুতো কাম হাতত লৈছিলো, কিন্তু কিছুমান অসুবিধাৰ হেতুঁকে কাম সমূহ সম্পূৰ্ণ হৈ নুঠিল। কেইবা বছৰৰ মূৰত এই বছৰ আন্তঃমহাবিদ্যালয় এথলেটিক প্ৰতিযোগিতাত ৭ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰি পদক অৰ্জন কৰিলে আৰু টাই-কোৱান-ডো প্ৰতিযোগিতাত প্ৰথমবাৰ অংশগ্ৰহণ কৰি সোণৰ পদক অৰ্জন কৰিলে।

কলেজৰ বাৰ্ষিক সপ্তাহ দুইদিনিয়াকৈ ডৰবাৰ ফিল্ডত অনুষ্ঠিত কৰা হ'ল। ক্ৰীড়া প্ৰতিযোগিতাসমূহৰ ফলাফল হৈছে —

১। ১০০ মিটাৰ দৌৰ ঃ
প্ৰথম ঃ জুমি দত্ত
দ্বিতীয় ঃ চিম্পী বেগম
তৃতীয় ঃ পল্লৱী শইকীয়া

২। ২০০ মিটাৰ দৌৰ ঃ
প্ৰথম ঃ জুমি দত্ত
দ্বিতীয় ঃ পল্লৱী শইকীয়া
তৃতীয় ঃ চিম্পী বেগম

৩। ৮০০ মিটাৰ দৌৰ ঃ
প্ৰথম ঃ জুমি দত্ত
দ্বিতীয় ঃ পল্লৱী শইকীয়া
তৃতীয় ঃ চিম্পী বেগম

৪। Shotput ঃ
প্ৰথম ঃ ডিম্পী সোণোৱাল
দ্বিতীয় ঃ মণিমালা বৰুৱা
তৃতীয় ঃ পল্লৱী শইকীয়া

৫। Javelin throw ঃ
প্ৰথম ঃ পল্লৱী শইকীয়া
দ্বিতীয় ঃ জুমি দত্ত
তৃতীয় ঃ মণিমালা বৰুৱা

৬। High Jump ঃ
প্ৰথম ঃ জুমি দত্ত
দ্বিতীয় ঃ পল্লৱী শইকীয়া
তৃতীয় ঃ ডিম্পী সোণোৱাল
৭। Long Jump ঃ
প্ৰথম ঃ জুমি দত্ত
দ্বিতীয় ঃ পল্লৱী শইকীয়া
তৃতীয় ঃ চিম্পী বেগম
৮। Tag of War ঃ
প্ৰথম ঃ আৰিফা আহমেদৰ দল
দ্বিতীয় ঃ জুমি দত্তৰ দল
তৃতীয় ঃ প্ৰিয়কা বড়াৰ দল
৯। Kabadi ঃ
প্ৰথম ঃ আৰিফা আহমেদৰ দল
দ্বিতীয় ঃ জুমি দত্তৰ দল

Best player of Sivasagar Girls' College ঃ
জুমি দত্ত

শেষত মোৰ এবছৰীয়া কাৰ্যকালত কৰ্তব্যৰ তাড়নাত পৰি অজানিতে কৰা ত্ৰুটিৰ বাবে কলেজৰ কৰ্মচাৰীবৃন্দ, তথা অগ্ৰজ, অনুজ আৰু সহপাঠী সকললৈ ক্ষমা বিচাৰিছো। ইয়াকে কৈ মই মোৰ এবছৰীয়া কাৰ্যকালৰ ক্ৰীড়া বিভাগৰ প্ৰতিবেদনৰ যৱনিকা পেলাইছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

শ্ৰী সুজাতা গগৈ
ক্ৰীড়া সম্পাদিকা

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ২০১৪-১৫ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল চিৰ নমস্য ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো, যাৰ আপ্ৰাণ চেষ্টা আৰু ত্যাগৰ ফলত নাৰী শিক্ষাৰ এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটিয়ে বৰ্তমানৰ পৰ্যায় পাইছেহি। ইয়াৰ লগতে মই মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দক মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কৰ্মই মানুহৰ জীৱন সুন্দৰ কৰে, কৰ্মহীন জীৱনৰ কোনো মাদকতা নাই। উক্ত কথাষাৰকে সাৰোগত কৰি মই সমাজসেৱা বিভাগৰ সম্পাদিকা হিচাপে মোৰ কৰ্মস্পৃহাৰ ক্ষুদ্ৰমান পদক্ষেপ লোৱাৰ সুবিধা পাইছিলো।

বিভাগীয় সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি মোৰ কাৰ্যসমূহ সম্পাদন কৰি যাওঁ। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত মই মোৰ বিভাগীয় দায়িত্বসমূহ সুকলমে পালন কৰিবৰ বাবে চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ চৌপাশ পৰিষ্কাৰ পৰিছন্নকৈ ৰখাটো প্ৰত্যেক ছাত্ৰীৰে কৰ্তব্য আৰু মোৰ কাৰ্যকালৰ দিনকেইটাত মই সাধ্যানুসাৰে ইয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিলো। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ সৌন্দৰ্য বৃদ্ধি আৰু আকৰ্ষণীয় কৰিবৰ বাবে শিক্ষাগুৰুসকলৰ সহযোগত বাগিছা স্থাপন কৰি তাত পৰ্যাপ্ত পৰিমাণৰ ফুল ৰোপণৰ চেষ্টা কৰিছিলো। ইয়াৰোপৰি মাহেকে-পষেকে অনুষ্ঠিত হোৱা বিভিন্ন সভা, অনুষ্ঠান ইত্যাদিত মোৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিছিলো। তদুপৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৰণিক আঁতৰাই নতুন পৰ্দা লগোৱাৰ ব্যৱস্থা কৰিছিলো। এইদৰে সাধ্যানুসাৰে মোৰ কাৰ্যকাল দিন কেইটা সকলোৰে সহযোগত দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰি গৈছিলো।

এই প্ৰতিবেদনৰ জৰিয়তে মোৰ কাৰ্যকালত দিহা-পৰামৰ্শ আৰু কাৰ্য পদ্ধতিৰে আগুৱাই যোৱাত সহায় কৰা বিভাগীয় উপদেষ্টাবৃন্দ গৈৰিকা দেৱী বাইদেউ আৰু নিবেদিতা বৰুৱা বাৰুৱাতী বাইদেউক মোৰ অযুত কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক এই পদটিত জয়যুক্ত কৰি মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুবিধা কণ দিয়াৰ বাবে মোৰ সহপাঠী, অগ্ৰজ, অনুজ সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে কলেজৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, সমন্বিতে সমূহ কলেজৰ পৰিয়ালবৰ্গ, মোৰ কাৰ্যকালত সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰী একতা সভাৰ সমূহ সদস্যা আৰু বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌশেষত, অজানিতে বৈ যোৱা ভুলৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

**জিম্পী লাহন**
সম্পাদিকা
সমাজসেৱা বিভাগ



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

'স্বপ্ন স্বপ্ন কেৱল স্বপ্ন
স্বপ্নই আকাৰ লয় চিন্তাৰ
আৰু চিন্তাৰ ফল হ'ল কাৰ্য।'

— ড° এ.পি.জে. আব্দুল কালাম

শিৱসাগৰ ছোৱালী কলেজৰ বিগত ২০১৪-১৫ বৰ্ষৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে শ্ৰদ্ধা নিবেদন কৰিছো শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিষ্ঠা আৰু উন্নতিৰ লগত সৰ্বতো প্ৰকাৰে জড়িত থকা ব্যক্তিসৱক, যিসকলৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত মহাবিদ্যালয়খনে ৫১টা বসন্ত গৰকিবলৈ সক্ষম হ'ল। লগতে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° হেমন্ত ফুকন ছাৰ আৰু বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়া ড° লীলা মহন্ত বৰচেতিয়া বাইদেউ তথা মোৰ চিৰপূজ্য শিক্ষাগুৰু সকললৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো।

১৯ ছেপ্তেম্বৰ, ২০১৫ তাৰিখে মই অগ্ৰজ আৰু অনুজ ভগ্নীবৃন্দাৰ ভোটদানৰ তুলাচনীৰ সৰ্বোচ্চ মাপকাঠীত উত্তীৰ্ণ হৈ শিৱসাগৰ ছোৱালী কলেজৰ "ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা" ৰূপে নিৰ্বাচিত হৈছিলো। এই আপাহতে মোৰ প্ৰস্তাৱক পাপৰি আৰু সমৰ্থক সংগীতা তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিলো।

২৭ চেপ্তেম্বৰ তাৰিখে নবনিৰ্বাচিত ছাত্ৰী একতা সভাৰ বিষয়ববীয়া সকলে আনুষ্ঠানিক শপত গ্ৰহণ কৰিছিলো। তেতিয়াৰে পৰা বহুবোৰ পৰিকল্পনা হাতত লৈছিলো আৰু অধ্যক্ষ মহোদয়ক অৱগত কৰিছিলো যদিও সকলোবোৰ বাস্তৱায়িত কৰিবলৈ সক্ষম নোহোৱাৰ বাবে মই ছাত্ৰী-বান্ধৱীসকলৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

প্ৰথম কাৰ্যভাৰ হাতত লৈয়ে মই ছাত্ৰী জিৰণী কোঠাটো পৰিষ্কাৰ কৰি চকী মেজসমূহ ছাত্ৰীসকলে বহিবৰ সুবিধাৰ বাবে সজাই ৰখাৰ ব্যৱস্থা কৰিছিলো। এই শৃংখলাবদ্ধতা বৰ্তি থাকিবলৈ ছাত্ৰী জিৰণী কোঠাটো পৰিষ্কাৰ কৰি ৰাখিবৰ বাবে জাননী দিছিলো। কোঠাটোৰ লগত সংলগ্ন টয়লেটকেইটা চাফা কৰি ৰখাৰ ব্যৱস্থা কৰিছিলো। লগতে জিৰণী কোঠাত আজৰি সময়ত খেলিব পৰাকৈ কেৰম বৰ্ড, চেচ্ আদি উলিয়াই দিছিলো। মোৰ কাৰ্যকালতে জিৰণী কোঠাৰ পৰ্দাবোৰ সলনি কৰি নতুন পৰ্দা লগাইছিলো।

ইয়াৰ পাছতেই ২০১৪-১৫ বৰ্ষৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠান 'বাৰ্ষিক ক্ৰিয়া সপ্তাহ'ত ছাত্ৰী একতা সভাৰ সকলো বিষয়ববীয়া ব্যস্ত হৈ পৰিছিলো। ১৭-০১-২০১৫ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰিয়া সপ্তাহ আৰম্ভ হৈছিল যদিও বিশেষ কাৰণবশত মোৰ বিভাগৰ অন্তৰ্গত বেডমিণ্টন, কেৰম, ডবাখেল আৰু চাইনিজ চেকাৰৰ প্ৰতিযোগিতা ১৬-০২-২০১৫ তাৰিখে অনুষ্ঠিত কৰা হয়। ছাত্ৰী জিৰণী কোঠাৰ অন্তৰ্গত অন্যান্য প্ৰতিযোগিতা যেনে — ইনষ্টলেচন, ক্লে মডেলিং, পষ্টাৰ মেকিং, মেহেন্দী, ৰংগুলী, ৰন্ধন প্ৰতিযোগিতা আদি ১৭-০১-২০১৫ তাৰিখৰ পৰাই অনুষ্ঠিত কৰিছিলো। এই বৰ্ষতেই শিক্ষক-কৰ্মচাৰী সকলৰ বাবে বেডমিণ্টন আৰু ডবাখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এই আপাহতে প্ৰতিযোগিতা সুচাৰুৰূপে পালন কৰাত সহায় কৰা সমূহ ছাত্ৰী আৰু প্ৰতিযোগীসকললৈ ধন্যবাদ জনাইছো।

বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ পাছত সকলোৰে সহযোগত আমি স্বৰস্বতী পূজা, বিদায় সম্বৰ্দ্ধনা সভা, নবাগত আদৰণি সভা উদ্‌যাপন কৰিছিলো আৰু বিষয়ববীয়াসকলে সকলো দায়িত্ব সুচাৰুৰূপে চলাই নিয়াৰ চেষ্টা কৰিছিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ—

সৰ্বপ্ৰথমে মোৰ কাৰ্যকালত মোক সকলো সময়তে সহায় কৰা মোৰ বিভাগীয় উপদেষ্টাদ্বয় শ্ৰীযুক্তা কাকলি

সোণোৱাল বাইদেউ আৰু শ্ৰীযুক্তা গায়ত্ৰী মহন বাইদেউলৈ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা-কৃতজ্ঞতা জ্ঞাপন কৰিছো। তদুপৰি কাৰ্যকালৰ বিভিন্ন সময়ত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ ৰাজকুমাৰ শ্ৰী কনচেং ছাৰ তথা আন সকলো শিক্ষাগুৰুবৃন্দ তথা কৰ্মচাৰীবৃন্দলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো। লগতে বিভাগীয় বিভিন্ন কামত সহায় আগবঢ়োৱা সমূহ ছাত্ৰী একতা সভাৰ সদস্যবৃন্দা আৰু বান্ধৱী প্ৰিয়ংকা, মনালিছা, কাশ্মিৰী, ৰুণজুন, শিল্পীলৈ ধন্যবাদ জনাইছো। এই কাৰ্যকালত কিমানদূৰ সফল হ'ব পাৰিলো সেয়া ছাত্ৰীসকলৰ বিচাৰ্য বিষয়। অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

সদৌ শেষত, "শিৱসাগৰ ছোৱালী কলেজ" নামৰ সোণৰ সঁফুৰাখনে উত্তৰণৰ জখলাত দোপতদোপে আগুৱাই যাওঁক, "শিৱসাগৰ ছোৱালী কলেজ" যেন সদায় চিৰযৌৱনা হৈ থাকক, তাৰেই কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"
ধন্যবাদেৰে —

নীলাক্ষী বৰগোহাঁই
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা

# ছাত্ৰী জিৰণি কোঠাৰ অন্তগৰ্ত ২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ ফলাফল

১। ডবা খেল ঃ
চেম্পিয়ন ঃ আটলাণ্টা বৰা
ৰাণাৰ্চ আপ ঃ বিন্নী বৰপাত্ৰ গোহাঁই
২। কেৰম ঃ
একক শাখা ঃ
প্ৰথম ঃ পল্লৱী শইকীয়া
দ্বিতীয় ঃ পুজা বৰুৱা
দ্বৈত শাখাত ঃ
প্ৰথম ঃ পল্লৱী শইকীয়া, বিন্নী বৰপাত্ৰ গোহাঁই
দ্বিতীয় ঃ তাচমিন আলম, বিস্মীতা কাকতি
৩। চাইনিজ চেকাৰ ঃ
প্ৰথম ঃ চ'নিয়া আগৰৱালা
দ্বিতীয় ঃ চয়নিকা চাউলকৰা
তৃতীয় ঃ চয়নিকা সোণোৱাল
৪। বেডমিণ্টন ঃ
একক শাখা ঃ
চেম্পিয়ন ঃ পুজা বৰুৱা
ৰাণাৰ্চ আপ ঃ তাচমিন আলম
দ্বৈত শাখাত ঃ
চেম্পিয়ন ঃ পুজা বৰুৱা, প্ৰতীক্ষা কুমাৰী
ৰাণাৰ্চ আপ ঃ তাচমিন আলম, জুমি দত্ত
৫। ইনষ্টলেচন প্ৰতিযোগিতা ঃ
প্ৰথম ঃ হিমাদ্ৰী বৰা
দ্বিতীয় ঃ নিকিতা গগৈ
তৃতীয় ঃ যামিনী মহন্ত
উদগণিমূলক ঃ দিপশিখা আচাৰ্য, মধুস্মিতা বৰগোহাঁই
৬। ক্লে মডেলিং প্ৰতিযোগিতা
প্ৰথম ঃ যামিনী মহন্ত
দ্বিতীয় ঃ হিমাদ্ৰী বৰা
তৃতীয় ঃ দীপশিখা আচাৰ্য
৭। পষ্টাৰ মেকিং প্ৰতিযোগিতা
প্ৰথম ঃ হিমাদ্ৰী বৰা

দ্বিতীয় ঃ দিপশিখা আচাৰ্য
তৃতীয় ঃ যামিনী মহন্ত
উদ্গণিমূলক ঃ নিকিতা গগৈ
৮। কলাজ প্ৰতিযোগিতা ঃ
প্ৰথম ঃ যামিনী মহন্ত
দ্বিতীয় ঃ নিকিতা গগৈ
তৃতীয় ঃ দিপশিখা আচাৰ্য
৯। মেহেন্দী প্ৰতিযোগিতা ঃ
প্ৰথম ঃ চনু শৰ্মা
দ্বিতীয় ঃ মাৰ্জিয়ানা ৰয়, চুবেৰিয়া বেগম
তৃতীয় ঃ নিকিতা দে, ফাৰ্জিয়া হাচিন ৰহমান
১০। ৰংগোলী প্ৰতিযোগিতা ঃ
প্ৰথম ঃ চনু শৰ্মাৰ দল - যামিনী, নিকিতা আৰু জিমলী
দ্বিতীয় ঃ সোণমণি বৰাৰ দল — চয়নিকা, ঈষাণী আৰু বৰ্ণালী
তৃতীয় ঃ নীলাক্ষী বৰগোহাঁইৰ দল — হিমাদ্ৰী, মেৰী আৰু ৰিয়া
চতুৰ্থ ঃ ডলী উপাধ্যায়ৰ দল — ৰাণা, চ'নী আৰু দিপশিখা
১১। ৰন্ধন প্ৰতিযোগিতা
প্ৰথম ঃ চিৰিণ পাৰৱেজ
দ্বিতীয় ঃ নীলাক্ষী বৰগোহাঁই
তৃতীয় ঃ ৰিয়া তাবচ্ছুম
চতুৰ্থ ঃ ৰাখী দেৱী
১২। কেশসজ্জা প্ৰতিযোগিতা ঃ
প্ৰথম ঃ হিমাদ্ৰী বৰা
দ্বিতীয় ঃ পুজা ৰয়, অংকৃতা গগৈ
তৃতীয় ঃ প্ৰিয়া গুপ্তা, টুৰিংকল গুপ্তা, নিভাশ্ৰী নেওঁগ।

**শিক্ষক-কৰ্মচাৰীসকলৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফলাফল ঃ**

১। বেডমিণ্টন
চেম্পিয়ন ঃ ৰাজকুমাৰ শ্ৰী কনচেং, শ্ৰী শান্তনু দত্ত
ৰাণাৰ্চ্ আপ ঃ শ্ৰী অচিন্ত বৰা, শ্ৰী বিপ্লৱ দত্ত
২। ডবা প্ৰতিযোগিতা ঃ
চেম্পিয়ন ঃ ড° ৰণ্টু গোহাঁই
ৰাণাৰ্চ্ আপ ঃ শ্ৰী বিপ্লৱ দত্ত, শ্ৰীযুতা গায়ত্ৰী মহন

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



"আজি কাঠ ভেদি কুঁহিপাত ফুটি উঠিবৰ
উন্মেষ গোপন,
নিৰস ৰসত লাল ফুল ফুলিবৰ
তীব্ৰ জাগৰণ।"

— প্ৰসন্নলাল চৌধুৰী

হৃদয় উন্মুক্ত বসন্ত; মইও তেতিয়া যৌৱনৰ দুৱাৰদলিত, এজাক জ্ঞানসন্ধানী কলেজীয়া গাভৰুৰ লগত মইও আহি ভৰি দিছিলোঁ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ পদুলিত। সেইদিনা আছিল ০৬ জুন, ২০১৩; দুচকুত আছিল জীৱনত কিবা এটা কৰাৰ দুৰ্বাৰ আশা আৰু তাৰেই তাড়নাত আহি ভৰি দিছিলোঁ ঐতিহ্যমণ্ডিত শিৱদ'লৰ কাষৰীয়া নাৰী শিক্ষাৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত। মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সম্পাদিকা হোৱাৰ সৌভাগ্য উদয় হৈছিল — ১৯-৮-২০১৪ তাৰিখে। সম্পাদিকাৰ দায়িত্বভাৰ কিমানদূৰ সফলতাৰে আগবঢ়াই নিব পাৰিলো সেয়া নাজানো। কিন্তু নিজৰ ফালৰ পৰা যৎপৰোনাস্তি চেষ্টা কৰিলো।

সম্পাদিকাৰ প্ৰতিবেদন লিখাৰ আগতে যিসকল চিৰনমস্য ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত ঐতিহ্যমণ্ডিত বুৰঞ্জীয়ে পৰশা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিলে, সেইসকলৰ চৰণত একাঁজলি শ্ৰদ্ধা নিবেদিছোঁ।

মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদিকা হিচাবে নিজকে সৌভাগ্যবান যেন অনুভৱ কৰিলোঁ; কিয়নো তৰ্ক, বক্তৃতা, কুইজ, আকস্মিক বক্তৃতা আদিয়ে ব্যক্তিৰ কথনশৈলীৰ বিকাশৰ লগতে ব্যক্তিৰ সাহস, ধৈৰ্য আৰু নিজৰ বাক্ স্পষ্টতাৰ বিকাশত সহায় কৰে। এই প্ৰতিযোগিতাসমূহে ব্যক্তিৰ আত্মবিশ্বাস বৃদ্ধিতো অৰিহণা যোগায়।

আমাৰ অতিকৈ হেঁপাহৰ মহাবিদ্যালয়ৰ "বাৰ্ষিক যুৱ মহোৎসৱ" ১৭-০১-২০১৫ তাৰিখে অনুষ্ঠিত হয়। তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ অধীনত তৰ্ক, বক্তৃতা, আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তাৰোপৰি ১৫-১২-২০১৪ শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাই পতা সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা, ৭-০২-২০১৫ তাৰিখে শিৱসাগৰ যুৱদলে পতা চতুৰ্বিংশতম্ বাৰ্ষিক কুইজ প্ৰতিযোগিতা, ৩-৪-২০১৫ তাৰিখে ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন উপলক্ষে আয়োজন কৰা তৰ্ক আৰু চিত্ৰাঙ্কণ প্ৰতিযোগিতা আদিত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও শিৱসাগৰ দিৱস উপলক্ষে আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা কুইজ আৰু বক্তৃতা প্ৰতিযোগিতাত ছাত্ৰীসকলে অংশগ্ৰহণ কৰে আৰু পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।

মোৰ এই কাৰ্যকালত এই প্ৰতিযোগিতাসমূহৰ উপৰিও ছাত্ৰী একতা সভাৰ সৈতে অন্যান্য বহুতো অনুষ্ঠান আয়োজন কৰা হ'ল। মুঠতে এক কথাত ক'বলৈ গ'লে — এই কাৰ্যকাল মোৰ জীৱনৰ সোণালী পৃষ্ঠা হৈ ৰ'ব। মোৰ এই এবছৰীয়া কাৰ্যকালত যদি ক'ৰবাত কেনেবাকৈ ভুল হৈ গৈছে, তেন্তে সকলোৱে সেয়া ক্ষমা কৰে যেন।

কৃতজ্ঞতা ঃ

মোৰ এই এবছৰীয়া কাৰ্যকালত মোক প্ৰতিটো খোজতে সহায়ৰ হাত আগবঢ়োৱা তথা উপযুক্ত নীতি-নিৰ্দেশনা প্ৰদান কৰা মোৰ শ্ৰদ্ধাৰ বিভাগীয় উপদেষ্টামণ্ডলী - ড° ৰণ্টু গোহাঁই ছাৰ আৰু ড° ৰশ্মি ৰেখা গগৈ বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। লগতে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰ, বৰ্তমানৰ অধ্যক্ষা ড° লীলা মহন্ত বৰচেতিয়া বাইদেউ আৰু উপাধ্যক্ষা নাজৰিণ

বাইদেউ তথা মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু, বান্ধৱী, ভণ্টি আৰু মহাবিদ্যালয়ৰ সকলো কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত, সকলোৰে পৰা বিদায় বিচাৰি শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। শিখৰৰ শীৰ্ষত থিয় হওঁক মোৰ মৰমৰ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, তাৰে কামনাৰে —

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"
"জয়তু প্ৰৱাহিনী"
ধন্যবাদেৰে —

**ৰুবী দিহিঙীয়া**
**সম্পাদিকা**
**তৰ্ক আৰু আলোচনাচক্ৰ বিভাগ**

তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ ফলাফল

১। তৰ্ক প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ দেৱাশ্ৰী দীক্ষা চাণ্ডিল্য
দ্বিতীয় ঃ পাপৰি শেনচোৱা
তৃতীয় ঃ ৰুবী দিহিঙীয়া, কৰিস্মিতা বৰুৱা
উদগণিমূলক বঁটা ঃ নৱাব তবচ্ছুম য়াচমিন

২। কুইজ প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ যুটীয়াভাৱে - ব্ৰহ্মপুত্ৰ দ'ল - দেৱাশ্ৰী দীক্ষা চাণ্ডিল্য, বৰ্ণালী গগৈ
কৃষ্ণা দল - অনিন্দিতা কটকী, ৰুবী দিহিঙীয়া
দ্বিতীয় ঃ দিখৌ দল - নিকিতা গগৈ, জিমলী চিৰিং ফুকন
তৃতীয় ঃ গংগা দল - নিকুমনি দিহিঙীয়া, উদিতা বৰগোহাঁই

৩। বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ নৱাব তবচ্ছুম য়াচমিন
দ্বিতীয় ঃ অনিন্দিতা কটকী
তৃতীয় ঃ মূৰ্চনা চুতীয়া
উদ্‌গণিমূলক বঁটা ঃ ৰীয়া তবচ্ছুম

৪। আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ মূৰ্চনা চুতীয়া
দ্বিতীয় ঃ ৰীয়া তবচ্ছুম
তৃতীয় ঃ যুটীয়াভাৱে - পাপৰি শেনচোৱা, ৰুবী দিহিঙীয়া
উদগণিমূলক বঁটা ঃ কৰিস্মিতা বৰুৱা।

# আলোচনী বিভাগৰ প্ৰতিবেদন



প্ৰৱাহিনী ঃ নিজস্ব গৰিমাৰে প্ৰৱাহিত ......

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰৱাহিনী'য়ে অতীত গৌৰৱেৰে আজিও 'শিৱসাগৰ ছোৱালী কলেজ'ৰ গৰিমা বোৱাই নিছে ... অতীতৰ পৰা বৰ্তমানক সামৰি ভৱিষ্যতলৈ। আমি সকলো ছাত্ৰীয়ে 'প্ৰৱাহিনী'ক প্ৰতিভা বিকাশৰ প্ৰেক্ষাপট বুলিব পাৰো। অৱশ্যে সহস্ৰাধিক ছাত্ৰীৰ সামগ্ৰিক উত্তৰণত প্ৰৱাহিনীৰ পৰিসৰ সীমিত। তথাপি প্ৰৱাহিনীৰ বাবে সময় উলিয়াই কলম ধৰা প্ৰতিজনলৈ আন্তৰিক ধন্যবাদ ও শুভেচ্ছা জ্ঞাপন কৰিছো। তেওঁলোকৰ প্ৰচেষ্টা আগবাঢ়ক ... তাৰেই কামনাৰে।

"মহাবিদ্যালয়ৰ কিছু কথা ......"

ঐতিহাসিক শিৱসাগৰৰ ঐতিহ্যমণ্ডিত শিৱদ'ল আৰু শিৱসাগৰ পুখুৰীৰ সমীপত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়। এই মহাবিদ্যালয়ে সুদীৰ্ঘ ৫১টা বছৰ অতিক্ৰম কৰিলে। ইয়াতে বহুগৰাকীয়ে নিজৰ প্ৰতিভাৰ সৈতে পৰিচয় হয়। কোনোৱে জীৱনৰ প্ৰথমটো কবিতা লিখে। দৈনন্দিন পাঠ্যক্ৰমৰ উপৰিও মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, মহান ব্যক্তিৰ স্মৃতিচাৰণ অনুষ্ঠান, বক্তৃতানুষ্ঠান, নবাগত আদৰণি সভা, বিদায় সম্বৰ্দ্ধনা সভা আদি বিভিন্ন অনুষ্ঠান পালন কৰা হয়। প্ৰতিগৰাকী ছাত্ৰীৰ ঐকান্তিক প্ৰচেষ্টাই অনুষ্ঠানবোৰৰ সফল ৰূপায়ণত সহায় কৰে। "ৰাইজে নখ জোকাৰিলে নৈ বয়" কথাষাৰৰ যথাৰ্থতা প্ৰতিটো ক্ষেত্ৰতে উপলব্ধি কৰিব পাৰি। শিৱসাগৰ ছোৱালী কলেজৰ কঠিয়াতলিত সকলোৰে আত্ম-কৰ্ষণৰ প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি আশা ৰাখিলো।

ব্যক্তিগত কিছু প্ৰয়াস ......

২০১৩ চনত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত ভৰি থৈছিলো। বহুতৰ মুখতে মহাবিদ্যালয়খনৰ গৌৰৱৰ বিষয়ে অৱগত হৈছিলো। কিন্তু মই প্ৰথমে বিভিন্ন কাৰণত মহাবিদ্যালয়খনলৈ আহিবলৈ সংকোচ কৰছিলো। অথচ, ঘৰুৱা কাৰণত মই বাধ্য হ'লো। শিক্ষালাভৰ প্ৰথম বৰ্ষতে মহাবিদ্যালয়খন আপোন হৈ পৰিল। আপোন ভাৱতে বিভোৰ হৈ ৰংপুৰ ছাত্ৰী নিবাসৰ মোৰ নিকট বান্ধৱীহঁতে দাইনিঙ হলত দিয়া প্ৰস্তাৱটো গ্ৰহণ কৰিলো। কিন্তু সঠিক সিদ্ধান্ত লোৱা নাছিলো। বিভাগৰ মুৰব্বী সংগীতা বাইদেউক মই সুধিলো। পঢ়া চম্ভালিব পৰাৰ ক্ষমতা থাকিলে গ্ৰহণ কৰিব পাৰি বুলি সকলোৰে কোৱাৰ পাছত মই প্ৰতিদ্বন্দ্বিতা নকৰাকৈ ২০১৪ চনৰ ২৯ ছেপ্তেম্বৰ তাৰিখে "আলোচনী বিভাগৰ সম্পাদিকা" হিচাপে শপত গ্ৰহণ কৰিলো। যোগ্যতাৰ মাপকাঠিৰে সামান্য হ'লেও মোৰ প্ৰবল ইচ্ছা আছিল মহাবিদ্যালয়ৰ হকে কিবা এটা কৰাৰ। সেইয়ে "প্ৰৱাহিনী'ক শিৰত লৈ আগবাঢ়িলো...। এই যাত্ৰাত আলোচনী বিভাগৰ উপদেষ্টাদ্বয় প্ৰবীণ শৰ্মা ছাৰ আৰু জাকিৰ হুছেইন ছাৰৰ স্থান সৰ্বাগ্ৰণী। প্ৰতিটো পদক্ষেপতে মই দুয়োজন শিক্ষাগুৰুৰ নাম ল'ব লাগিব। তাৰোপৰি, অসমীয়া বিভাগৰ সংগীতা বাইদেউ আৰু কাকলি বাইদেউৰে দিয়া পৰামৰ্শই মোক আগবাঢ়ি যোৱাত বহুত সহায় কৰিলে।

ছাত্ৰী একতা সভাৰ প্ৰথম কাৰ্যসূচী আলোচনী বিভাগে আৰম্ভ কৰে। ২০১৪ চনৰ ২২ অক্টোবৰ তাৰিখে 'কমিউনেল হাৰমণি'ৰ লগত সঙ্গতি ৰাখি এখনি ৰচনা আৰু চিত্ৰাংকণ প্ৰতিযোগিতা আয়োজন কৰা হয়। ছাত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণেৰে প্ৰতিযোগিতাখনি সফল কৰে।

১৭ জানুৱাৰী, ২০১৫ তাৰিখৰ পৰা ২২ জানুৱাৰী ২০১৫ তাৰিখলৈকে 'বাৰ্ষিক যুৱ মহোৎসৱ (কলেজ সপ্তাহ)' অনুষ্ঠিত কৰা হয়। ২১ আৰু ২২ তাৰিখে আলোচনী বিভাগৰ বিভিন্ন প্ৰতিযোগিতা - কবিতা আবৃত্তি, চিত্ৰাংকণ, চিঠি লিখা, গল্প লিখা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰা সকলৰ উপৰিও কিছুমান

ছাত্ৰীক মই নিৰ্দিষ্ট সময়ৰ আগে আগে ব্যস্ততাৰ মাজতো মাতি আনিছিলো প্ৰতিযোগিতাৰ বাবে। বিশেষকৈ আমাৰ বিভাগৰ (অসমীয়া) ছাত্ৰীসকলক। সকলোৰে অংশ গ্ৰহণে বাৰ্ষিক কলেজ সপ্তাহৰ 'আলোচনী বিভাগৰ প্ৰতিযোগিতা'সমূহ সুচাৰুৰূপে সম্পন্ন হোৱাত সহায় কৰে।

**অন্যান্য .. আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠান**

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ'তো আমাৰ মহাবিদ্যায়ৰ ছাত্ৰীসকলে অংশ গ্ৰহণ কৰে আৰু বিভিন্ন ক্ষেত্ৰত পুৰস্কৃত হৈ মহাবিদ্যালয় সুনাম অৰ্জন কৰে। এই সময়ছোৱাত মহাবিদ্যালয়ৰ এগৰাকী সক্ৰিয় অধ্যাপিকা শ্ৰদ্ধাৰ অজন্তা বাইদেউ (অৰ্থনীতি বিভাগ)ৰ দুৰাৰোগ হৈ অকাল বিয়োগ ঘটে। আনন্দৰ মাজতো মহাবিদ্যালয়খনত গভীৰ শোকৰ ছাঁ পৰে।

৭ ফেব্ৰুৱাৰী তাৰিখে নাজিৰা কলেজত শিৱসাগৰ যুৱ দলৰ উদ্যোগত অনুষ্ঠিত কুইজ আৰু কবিতা আবৃত্তি প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ কেইবাগৰাকী ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

১০ ফেব্ৰুৱাৰী তাৰিখে কৰ্কট ৰোগ সজাগতা বিষয় বক্তৃতা অনুষ্ঠান আয়োজন কৰা হয়। বক্তৃতা প্ৰদান কৰে, মৃত্যুক জিনিব পৰা চাৰিবাৰকৈ কৰ্কট ৰোগত আক্ৰান্ত হোৱা দুৰ্দান্ত সাহসী মহিলা তথা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'দৰ্শন বিভাগ'ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰণতি বৰঠাকুৰ বাইদেউৱে। তেখেতে কৰ্কট ৰোগৰ বিজাণুৰ পৰা শৰীৰক কেনেদৰে বচাই ৰাখিব পাৰি, ৰোগটোৰ কাৰণ, নিৰাময়ৰ উপায়, সাৱধনতা আদিৰ সম্পৰ্কে বিতংকৈ বৰ্ণনা কৰে।

২৬ ফেব্ৰুৱাৰীত মহাবিদ্যালয়ত কেৰিয়াৰ সম্পৰ্কীয় কৰ্মশালা এখন অনুষ্ঠিত হয়। ২ জুনৰ পৰা ৫ জুন তাৰিখলৈকে "দুৰ্যোগ ব্যৱস্থাপনা" সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত হয়। ৫ জুন বিশ্ব পৰিৱেশ দিৱসৰ দিনটোত আমাৰ মহাবিদ্যালয়ত একেলগে তিনিটা অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ত বৃক্ষ ৰোপন কাৰ্যসূচীৰ লগতে আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। শিৱসাগৰ জিলাৰ সাংবাদিক সমিতিৰ উদ্যোগত "প্ৰয়াত সাংবাদিক সঞ্জীৱ বৰুৱা সোঁৱৰণি বঁটা" প্ৰদান অনুষ্ঠান আৰু দুৰ্যোগ ব্যৱস্থাপনা সমিতিৰ উদ্যোগত কৰ্মশালাৰ সামৰণি অনুষ্ঠান সম্পন্ন কৰা হয়।

বহু বছৰৰ পিছত আমাৰ ছাত্ৰী একতা সভাৰ কাৰ্যকালত পুনৰ ২১ এপ্ৰিল তাৰিখে, মহাবিদ্যালয়ৰ "বিদায় সভা" অনুষ্ঠিত কৰা হয়। সভাখনিত ৬ষ্ঠ ষাণ্মাষিকৰ সমূহ ছাত্ৰী উপস্থিত থাকে। আনুষ্ঠানিকতাৰ মাজতো সকলোৰে আৱেগ উথলি উঠে, মহাবিদ্যালয়খন এৰি যোৱাৰ বেদনাত। এই দিনটোতে অসমীয়া বিভাগৰ হাতে লিখা আলোচনী "শিপা" উন্মোচন কৰে অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰে।

২৩ জুনৰ পৰা ২৬ তাৰিখলৈ আমাৰ মহাবিদ্যালয়ত "শিৱসাগৰ দিৱস" উপলক্ষত জিলা প্ৰশাসনে আয়োজন কৰা কুইজ, বক্তৃতা, অন্তৰংগ আলাপ আদি অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ লগতে শিৱসাগৰ অন্যান্য মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। একেটা মাহৰ ২৭ তাৰিখে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাঙ্গণত উদুলি-মুদুলি লগোৱা উৎকণ্ঠিত নৱাগতসকলক আনুষ্ঠানিকভাৱে আদৰি লোৱা হয়।

৮ জুলাই আমাৰ মহাবিদ্যালয়ৰ "ওপজা দিন", অনুষ্টুপীয়াকৈ কেইজনমান গণ্য-মান্য ব্যক্তিৰ সৈতে অন্তৰংগ আলাপেৰে অনুষ্ঠিত কৰা হয়। ৩১ জুলাই দিনটোত আমাৰ ছাত্ৰী একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় সন্মানীয় ড° হেমন্ত কুমাৰ ফুকন ছাৰে অৱসৰ লয়। ছাৰৰ দীৰ্ঘদিনীয়া কাৰ্যকালৰ অন্তত সকলোৰে ছাৰক বিদায় দিবলৈ পায় দুখ অনুভৱ কৰে।

২০১৫ চনৰ আগষ্ট মাহৰ ৮ তাৰিখে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত "Sexual Harasment" বিষয়ক বক্তৃতানুষ্ঠানত অধিবক্তা নিৰু বৰগোহাঞি বাইদেউৱে সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে।

২৭ আগষ্ট তাৰিখে শিক্ষক দিৱসৰ লগত সঙ্গতি ৰাখি আলোচনী বিভাগৰ উদ্যোগত "পৰিৱেশ সংৰক্ষণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা" শীৰ্ষক বিষয়ত এখনি ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

চেপ্তেম্বৰ মাহৰ ১ তাৰিখে ভাৰতৰ 'অৰণ্য মানৱ' পদ্মশ্ৰী শ্ৰীযুত যাদৱ পায়েং মহোদয়ক আমাৰ মহাবিদ্যালয়ত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই সভাতে আন এজন শিৱসাগৰৰ প্ৰকৃতিপ্ৰেমী পঙ্কজ আগৰৱালকো সম্বৰ্ধনা জনোৱা হয়। একেটা মাহৰে ১০ তাৰিখৰ পৰা ২৪ তাৰিখলৈকে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত "জ্ঞানম্ গ্ৰন্থমেলা'ৰ আয়োজন কৰা হয়। উক্ত দিনটোত (১৪) নৱ নিৰ্বাচিত প্ৰতিনিধসকলৰ ছাত্ৰী একতা সভাই শপত গ্ৰহণ কৰে, আমাৰ ছাত্ৰী একতা সভাই তেওঁলোকক

দায়িত্বভাৰ অৰ্পণ কৰে।

ছাত্ৰী একতা সভাৰ এবছৰীয়া কাৰ্যকালত বিভিন্ন দায়িত্ব পালন কৰোতে বহুত অভিজ্ঞতা হ'ল। ৰাজনীতিৰ ভিতৰ স্বৰূপ সম্পৰ্কে অলপ আভাস পাৰো। মুখৰ আঁৰতো অনেক মুখ দেখাৰ সৌভাগ্য হ'ল। যি কি নহওক ছাত্ৰী একতা সভাৰ দায়িত্বত থাকোতে সকলো ছাত্ৰীৰ সহযোগিতা স্বীকাৰ কৰিছো। অজানিতে হৈ যোৱা ত্ৰুটি তথা আধৰুৱা কামসমূহ পাছৰ প্ৰজন্মই শুদ্ধৰূপে লৈ ভালদৰে কৰি যাব। সকলো ছাত্ৰী প্ৰতিনিধিয়ে "মই" বোলাতকৈ "আমি" মনোভাৱেৰে কাম কৰি মহাবিদ্যালয়ৰ গৌৰৱ অটুত ৰাখক আৰু মহাবিদ্যালয়ৰ নাম অধিক উজ্জ্বল কৰি তোলক।

**কৃতাজ্ঞতা স্বীকাৰ ঃ**

"প্ৰৱাহিনী"ৰ জয়যাত্ৰাত মোক আগবাঢ়াই নিয়া প্ৰবীণ শৰ্মা ছাৰ আৰু জাকিৰ হুছেইন ছাৰৰ প্ৰতি মই আজীৱন কৃতজ্ঞ। আলোচনী বিভাগৰ দায়িত্ব গ্ৰহণৰ প্ৰাক্‌ক্ষণত পৰামৰ্শ দান কৰা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা সংগীতা বাইদেউৰ ওচৰতো মই কৃতজ্ঞ হৈ ৰম। হোষ্টেলত মোক এই দায়িত্ব গ্ৰহণৰ বাবে প্ৰথম অনুৰোধ কৰা ভাগ্যলক্ষ্মী, বৰ্ষা চেতিয়া, বৰ্ষা দিহিঙ্গীয়া, প্ৰিয়া গগৈ, তন্ময়ী, যামিনী বা টুলুমণি বালৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আলোচনীৰ বিভিন্ন কামত মোক উপদেশ আৰু আৰ্হি দেখুওৱা অসমীয়া বিভাগৰ কাকলি বাইদেউ আৰু বান্ধৱী অনিন্দিতাৰ প্ৰতি কৃতজ্ঞতাৰ ভাষা নাই। অসমীয়া বিভাগৰ সমূহ ছাৰ-বাইদেউ, সহপাঠী, হোষ্টেলৰ আবাসী, অধীক্ষিকা বাইদেউ, আলোচনী বিভাগৰ প্ৰতিযোগিতাত বিচাৰকৰ আসন অলঙ্কৃত কৰা শিক্ষাগুৰুসকল আৰু শেষত, আলোচনীখন প্ৰকাশত লেখাসমূহ পৰীক্ষা কৰি দিয়া ড° ৰণ্টু গোহাঁই ছাৰ, ড° কিশোৰ কুৰ্মাৰ দেউৰী ছাৰ আৰু সঞ্জয় দাস ছাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো। ছাত্ৰী একতা সভাৰ (২০১৪-১৫) সমূহ বিষয়ববীয়া, মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা বাইদেউ, কলেজৰ সমূহ কৰ্মকৰ্তা, ঘৰৰ সকলো আৰু ৰুমমেট, সুনীতা, সুস্মিতা, মণিষা, নিকু, ময়ুৰী, মধুবা, অঙ্কিতা, কৃষাঙ্গী, নমস্যা, চিমি, জিতা, হেমা, আৰু কলেজৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। "প্ৰৱাহিনী" স্বকীয় গৰিমাৰে চিৰ প্ৰৱাহমান হৈ ৰওক... তাৰেই আশাৰে আলোচনী বিভাগৰ প্ৰতিবেদন সামৰিছো। নমস্কাৰ।

জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা।
জয়তু শিৱসাগৰ ছোৱালী কলেজ।

**ৰ্ণালী গগৈ**
আলোচনী বিভাগৰ সম্পাদিকা
২০১৪-১৫ বৰ্ষ
শিৱসাগৰ ছোৱালী কলেজ

# ২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক যুৱ মহোৎসৱৰ সাহিত্য ও আলোচনী বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

শ্ৰেষ্ঠ সাহিত্যিক — চিমি কোঁৱৰ

**১। প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা ঃ**

শ্ৰেষ্ঠ সম্পাদকীয়ঃ শ্ৰীমতী মেঘালী বৰুৱা

**প্ৰাচীৰ পত্ৰিকা ঃ** "স্থিত প্ৰজ্ঞা" (ইতিহাস বিভাগ)

শ্ৰেষ্ঠ অলকংকৰণঃ শ্ৰীমতী যামিনী মহন্ত

**প্ৰাচীৰ পত্ৰিকা ঃ** "সঞ্চাৰিণী দীপশিখ" (ৰংপুৰ ছাত্ৰী নিবাস)

প্ৰথম ঃ "সঞ্চাৰিণী দীপশিখা" (ৰংপুৰ ছাত্ৰী নিবাস)

দ্বিতীয় ঃ "স্পেকট্ৰাম" (বিজ্ঞান বিভাগ)

তৃতীয় ঃ "চুপহী" (অসমীয়া বিভাগ)

**প্ৰবন্ধ ঃ**

প্ৰথম ঃ মেঘালী চেতিয়া "স্ৰোতস্বিনী" (ৰাজনীতি বিজ্ঞান বিভাগ)

দ্বিতীয় ঃ চুবেৰা বেগম "কামধেনু" (গাৰ্হস্থ্য বিজ্ঞান বিভাগ)

তৃতীয় ঃ গীতাশ্ৰী বৰা "স্পেকট্ৰাম" (বিজ্ঞান শাখা)

**গল্প ঃ**

প্ৰথম ঃ বিবেচিত নহ'ল।

দ্বিতীয় ঃ প্ৰণীতা গগৈ "সঞ্চাৰিণী দীপশিখা" (ৰংপুৰ ছাত্ৰী নিবাস)

তৃতীয় ঃ স্বপ্নালী গগৈ "চুপহী" (অসমীয়া বিভাগ)

**কবিতা ঃ**

প্ৰথম ঃ শুভলক্ষ্মী দিহিঙ্গীয়া "সঞ্চাৰিণী দীপশিখা" (ৰংপুৰ ছাত্ৰী নিবাস)

দ্বিতীয় ঃ যামিনী মহন্ত "সঞ্চাৰিণী দীপশিখা" (ৰংপুৰ ছাত্ৰী নিবাস)

তৃতীয় ঃ প্ৰিয়ংকা দে "স্পেকট্ৰাম" (বিজ্ঞান বিভাগ)

**২। কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ দেৱাশ্ৰী দীক্ষা চাণ্ডিল্য

দ্বিতীয় ঃ যামিনী মহন্ত

তৃতীয় ঃ মূৰ্চ্ছনা চুতীয়া

**৩। চিত্ৰাঙ্কণ প্ৰতিযোগিতা**

প্ৰথম ঃ যামিনী মহন্ত

দ্বিতীয় ঃ নিকুমণি দিহিঙ্গীয়া

তৃতীয় ঃ দীপশিখা আচাৰ্য

**৪। ৰেটুপাত অঙ্কণ প্ৰতিযোগিতা**

প্ৰথম ঃ যামিনী মহন্ত

দ্বিতীয় ঃ শিৰোমণি কোঁৱৰ

তৃতীয় ঃ বিনি বৰপাত্ৰ গোহাঁই, উপমা কলিতা

**৫। মৌলিক প্ৰতিযোগিতা**

**প্ৰবন্ধ** ঃ

প্ৰথম ঃ চিমি কোঁৱৰ

দ্বিতীয় ঃ স্বপ্নালী গগৈ, পাপৰি শেনচোৱা

তৃতীয় ঃ অন্বেষা ৰাজকুমাৰী

**গল্প** ঃ

প্ৰথম ঃ চিমি কোঁৱৰ

দ্বিতীয় ঃ শতাব্দী দত্ত

তৃতীয় ঃ নিকুমণি দিহিঙ্গীয়া

**কবিতা** ঃ

প্ৰথম ঃ যামিনী মহন্ত

দ্বিতীয় ঃ ডিম্পী সোণোৱাল

তৃতীয় ঃ পৰী বৰগোহাঁই

উদগণিমূলক ঃ টুলুমণি গগৈ, মৌতৃষ্ণা কোঁৱৰ

**৬। থলিতে লিখা প্ৰতিযোগিতা**

**চিঠি** ঃ

প্ৰথম ঃ নিকুমণি দিহিঙ্গীয়া

দ্বিতীয় ঃ চিমি কোঁৱৰ, হিমাদ্ৰী ফুলকোঁৱৰ

তৃতীয় ঃ ৰাখী দেৱী।

**ৰচনা** ঃ

প্ৰথম ঃ স্বপ্নালী গগৈ

দ্বিতীয় ঃ মৃদুস্মিতা গগৈ, চিমি কোঁৱৰ

তৃতীয় ঃ যামিনী মহন্ত, অনিন্দীতা কটকী

**কবিতা** ঃ

প্ৰথম ঃ চিমি কোঁৱৰ

দ্বিতীয় ঃ যামিনী মহন্ত, শতাব্দী শিখা কোঁচ

তৃতীয় ঃ দিম্পী সোণোৱাল, অনিন্দিতা কটকী

উদগণিমূলক ঃ নবাব তবচ্ছুম য়াচমিন।

**গল্প** ঃ

প্ৰথম ঃ চিমি কোঁৱৰ

দ্বিতীয় ঃ স্বপ্নালী গগৈ, হিমাদ্ৰী ফুলকোঁৱৰ

তৃতীয় ঃ গীতিমণি লাহন, জুলি বৰগোহাঁই

# List of Principals Sivasagar Girls' College

| | Name | Tenure |
|---|---|---|
| 1. | Tosheswar Dutta | 08/07/1964 - 24/05/1969 |
| 2. | Muhiram Saikia | 16/08/1969 - 23/11/1970 |
| 3. | Nilima Baruah I/c | 24/11/1970 - 30/06/1971 |
| 4. | Biren Borkatoky | 01/07/1971 - 28/02/1985 |
| 5. | Md. Hafizur Rahman | 01/03/1985 - 02/02/1998 |
| 6. | Birendra Kr. Talukdar | 03/02/1998 - 28/02/2001 |
| 7. | Sahabuddin Ahmed I/c | 01/03/2001 - 31/08/2001 |
| 8. | Sonaram Baruah I/c | 01/09/2001- 30/06/2003 |
| 9. | Jamuna Borgohain I/c | 01/07/2003 - 31/01/2004 |
| 10. | Dilip Kr. Chakravarty I/c | 01/02/2004 - 17/09/2004 |
| 11. | Dr. Hemanta Kr. Phukan | 17/09/2004 - 31/07/2015 |
| 12. | Dr. Leela Mahanta Borchetia I/c | 31/07/2015- - - - - |

# Various Departments of the College

## Science

**Department of Chemistry**
Estd. : 1989
**Courses Offered :** Honours at UG Level
**Add on Courses/Programme :** Fruit Preservation
Dr. Marjiana Begum, Assistant Prof.
Mr. Pranabjyoti Bharali, Assistant Prof.(HOD)
Mr. Pranjal Rajkhowa, Assistant Prof.
Miss Sabnam Swabaka Ullah

**Department of Mathematics**
Estd. : 1989
**Courses Offered :** Honours at UG Level
Mr. S. J. Chowdhuri, Assistant Prof.
Mr. Bidyut Baruah, Assistant Prof.(HOD)
Mr. Ranjan Das, Assistant Prof.

**Department of Botany**
Estd. : 1989
**Courses Offered :** Honours at UG Level
**Add on Courses/Programme :** Natural Dyeing, Biotech Hub
Dr. Bimal Dutta, Assistant Prof.
Mr. Inamul Hussain, Assistant Prof.(HOD)
Mrs. Nibedita Baruah, Assistant Prof.

**Department of Physics**
Estd. : 1989
**Courses Offered :** Honours at UG Level
Mr. Bhaskar Dutta, Assistant Prof.(HOD)
Mr. Pranjal P. Baruah, Assistant Prof.
Mrs. Gayatri Mohan, Assistant Prof.

**Department of Zoology**
Estd. : 1989
**Courses Offered :** Honours at UG Level
Mrs. D. D. Bhuyan, Assistant Prof.
Mr. Zakir Hussain, Assistant Prof.(HOD)
Mrs. Chitralekha Gogoi, Assistant Prof.

**Department of Computer Science**
Estd. 2005
Rajib Karmakar (H.O.D.)

## Arts

**Department of Assamese**
Estd. : 1964
**Courses Offered :** Honours at UG Level
Mr. Ranjit Ranjan Tamuli, Associate Prof.
Dr. Rashmi Rekha Gogoi, Associate Prof.
Mrs. Sangeeta Hazarika, Associate Prof.(H.O.D.)
Mrs. Kakali Sonowal, Assistant Prof.(Sr)
Mrs. Santana Dowarah Handique, Assistant Prof.
Miss Bijoylakshmi Das

**Department of Economics**
Estd. : 1964
**Courses Offered :** Honours at UG Level
**Add on Courses/Programmes :** Apparel Construction
Ms. T. M. Baruah, Associate Prof.
Mr. Buddhin Misra, Associate Prof. (H.O.D.)
Mrs. S.B. Doullah, Associate Prof.
Mrs. Alfique F. Rohman
Mrs. Priti Rekha Kalita

**Department of History**
Estd. : 1964
**Courses Offered :** Honours at UG Level
**Add on Courses/Programmes :** Beautician Training
Mrs. M.D. Borkakati, Associate Prof.
Mrs. U.G. Chamuah, Associate Prof. (H.O.D.)
Mrs. D.J. Bhuyan, Assistant Prof. (Sr)
Mr. Probin Sarmah

**Department of Geopraphy**
Estd. : 1964
**Courses Offered :** Honours at UG Level

**Add on Courses/Programmes :** Geo-Information Technology
Mr. Phanin Ch. Maut, Associate Prof.
Mr. Sanjay Das, Assistant Prof.(Sr) (H.O.D.)
Mr. Madine Hazarika, Assistant Prof.
Mrs. Papumoni Dutta

**Department of English**
Estd. : 1964
**Courses Offered :** Honours at UG Level
**Add on Courses/Programmes :** Spoken English
Dr. L.M. Borchetia, Vice Principal
Mr. Abdul Hamid, Associate Prof. (H.O.D.)
Mr. Shiva Prasad Milli, Assistant Prof.(Sr)
Mrs. Kritanjali Konwar, Assistant Prof.(Sr)
Miss Rajashree Dutta, Assistant Prof.
Miss Sabiha Nahid
Miss Nibedita Hazarika
Mrs. Kakoli Bonya Gogoi

**Department of Education**
Estd. : 1964
**Courses Offered :** Honours at UG Level
**Add on Courses/Programmes :** Montessori Teachers Training
Mrs. Anu Sarmah, Associate Prof. (HOD)
Mrs. Gairika Devi, Associate Prof..
Dr. Rantu Gohain, Assistant Prof.(Sr)
Mrs. Bornali Lahkar, Assistant Prof.
Mrs. Jury Guhain

**Department of Political Science**
Estd. : 1964
**Courses Offered :** Honours at UG Level
Dr. Kishore Kr. Deuri, Associate Prof. (HOD)
Dr. Jimli Borah, Associate Prof.
Dr. Salma Nasrin, Assistant Prof.(Sr)
Mr. Mahan Ranjan Dutta, Assistant Prof.
Miss Gitimoni Borthakur

**Department of Home Science**
Estd. : 1964
**Courses Offered :** Honours at UG Level
**Add on Courses/Programmes :** Food Processing, Interior Decoration, Play School
Dr. Nazrin Ahmed, Associate Prof.
Dr. Rita Borkotoki, Associate Prof. (HOD)
Dr. Rajashree Phukan, Assistant Prof.
Miss Sikhamoni Borgohain

**Department of Sociology**
Miss. Kokoli Boruah (H.O.D.)
Miss Richa Borthakur

**Library Staff**
Estd. : 1964
**Courses Offered :** User Orientation Programme
**Books :** 32000, Journals : 19 Nos, Magazine : 17Nos
**Reading Room Capacity :** 120 at a time
Mr. Abhijit Borpuzari, Librarian
Mrs. Sangeeta Das Baruah, Library Assistant
Mrs. Susmita Borah (Asstt. Librian)

**Administrative Staff**
Estd. : 1964
Mr. Pramod Gogoi, Supervisory Assistant
Mr. Gagan Ch. Kakoti, Senior Asstt. (Recently Retired)
Mrs. Chitralekha S. Neog, Senior Asstt.
Ms. Gitanjali Borthakur, Junior Assistant (Certificate Branch)
Mr. Biren Gogoi, Junior Assistant, (Examination Branch)
Mr. Rajkumar S. Koncheng, Junior Assistant (Accountant)
Mr. Ankur Hazarika, Junior Assistant (Cashier)
Mr. Achinta Borah, Junior Assistant
Mr. Bhaskar Borah, Junior Assistant (Examination Branch, Science Section)
Mr. Santanu Dutta, Junior Assistant
Mr. Manuranjan Yein, Junior Assistant

**Other Staff**

Sri Sonpowal Kalita (Lib. Bearer)
Sri Debajyoti Kalita, IV Grade
Sri Srikanta Baruah (Lab. Bearer)
Sri Pranab Phukon, IV Grade
Sri Prasanta Saikia, Drafty
Mrs. Amiya Konwar, Lib Bear
Sri Parmananda Konwar, Lab. Bearer
Sri Putul Saikia, IV Grade
Sri Bubu Borah, Lab. Bearer
Sri Amrit Konwar, Lab. Bearer
Sri Rajesh Chetia, Lab. Bearer
Sri Pankaj Saikia, Lab. Bearer
Sri Bitupan Das, IV Grade
Sri Biplob Dutta, Peon
Sri Brojen Dutta, IV Grade
Sri Hemanta Borah, IV Grade
Sri Bijay Shill, Lib. Bearer (Science)
Sri Babul Saikia, Night Chowkidar
Sri Bijoy Saikia, Night Chowkidar
Sri Jatin Talukdar, Electrician
Sri Sushil Das, Night Chowkidar
Mrs Tuni Das, Sweeper
Mrs Halima Begum, Sweeper
Sri Rajesh Basfar, Sweeper

**Hostel Department**

Prof. Nibedita Baruah, Superintendent
Basanti Baruah, Matron.
Ranu Borah, Cook
Puspa Borah, Cook
Anil Khanikar, Cook
Nibha Duwarah, Cook
Bogi Kumari, Manual
Bipul Saikia, Day Chowkidar
Bikash Saikia, Night Chowkidar

**Special Vocational Course :** "Beauty and Wellness" (Under UGC sponsored Community College scheme)
Nodel advisor Prof. Zakir Hussain, Dept. Zoology

# Academic success of the students

## H.S. Final Examination Result Declared on 30.05.2015

| **Total Candidate Appeared** | **Art** | **Science** |
|---|---|---|
| | 79 | 37 |
| Total Passed | 75 | 36 |
| Betterment Appeared | - | 20 |
| Betterment Passed | - | 01 |
| Pass Percentage of College | 95% | 97% |
| AHSEC Result | 74.07% | 86.76% |

| Division | Arts | Science |
|---|---|---|
| First Division | 41 | 35 |
| Second Division | 25 | 01 |
| Third Division | 09 | - |

Letter Marks Obtained

**Arts 40 Nos.**

| | |
|---|---|
| English | 03 |
| Assemese | 37 |
| Education | 10 |
| Pol.Science | 08 |
| Home Science | 07 |
| Geography | 04 |
| Alte - | 1 |

**Science 27 Nos.**

| | |
|---|---|
| English | 10 |
| Assamese | 16 |
| Alte | 02 |
| CSCA | 02 |
| Biology | 13 |
| Physic | 01 |

# 'They Came, they saw, the conquered'

**Degree Result, 6th Semester (Final) 2015**
**(1st Class in the Departments)**

**MAJOR : ASSAMESE**

| Rank | Name |
|---|---|
| 9 | RODALI CHETIA |
| 11 | GITIMONI BORUAH |
| 13 | MOUSUMI GOGOI |
| 23 | PALLAVI HANDIQUE |
| 73 | RAJASHREE BORAH |
| 76 | DIMPAL SONOWAL |
| 86 | MADHUSMITA KONWAR |
| 107 | ANAMIKA BORUAH |
| 108 | SHAMIKHYAJYOTI BORGOHAIN |
| 112 | JYOTSHNA JYOTI DAS |
| 121 | RANJUMONI BORAH |
| 150 | JUNA HAZAR1KA |
| 157 | PROPRITI GOGOI |
| 160 | KANKANA BQRGOHAIN |

**MAJOR : ECONOMICS**

| | |
|---|---|
| 60 | KARABE BORUAH |
| 69 | DIKSHA RAJKHOWA |
| 72 | SANGEETA CHETIA |
| 74 | DIKSHITA KAKOTI |
| 102 | PRIYAKHI BARUAH |
| 115 | KIMIEAL SHARMA |
| 141 | GREETISHNA GOGOI |
| 144 | NIBEDITA KAKOTY |

**MAJOR : EDUCATION**

| | |
|---|---|
| 9 | MRIDUSMITA PHUKAN |
| 21 | ADARSHEE GOGOI |
| 45 | DEEPSIKHA GOGOI |
| 62 | HIMADRI BURAGOHAIN |
| 72 | UPASHANA CHOWHAN |
| 74 | RASHMIREKHA GOGOI |
| 84 | RASHMI SAIKIA |
| 89 | WASHIYA RAHMAN |
| 90 | ARCHANA DEVI |
| 96 | RINKUMONI GOGOI |
| 121 | MOUSUMI GOGOI |
| 121 | MOWBARASHA DUTTA |
| 135 | JURISMITA SAHU |
| 138 | CHRISTINA YOUAH |
| 138 | MONALISHA GOGOI |
| 141 | MUN MUN SARMAH |
| 146 | RAJUMONI CHETIA |
| 155 | HUNSANG PHUKON |
| 157 | HIMAKHI KALITA |
| 193 | RASHMI REKHA GOGOI |
| 203 | BOBYSMITA GOGOI |
| 219 | ANIMA BORUAH |

**MAJOR : ENGLISH**

| | |
|---|---|
| 12 | KABYSHREE RA3KUMARI |
| 28 | ANAMIKA SARMAH |
| 70 | NEHA SHARMA |
| 99 | JAHNABI CHETIA |

**MAJOR : GEOGRAPHY**

| | |
|---|---|
| 4 | ANGSHUMITA SAIKIA |
| 16 | RUBI BARUAH |
| 25 | CHINMOYEE GHARPHALIA |
| 33 | KRISHTI DAS |
| 34 | MOONMI BORAH |
| 49 | JURI BORUAH |
| 51 | RUMI GOGOI |
| 64 | BOROSHA BORAH |
| 66 | PRERONA DUTTA |
| 67 | INDRANI GOGOI |
| 71 | BORNALI SAIKIA |
| 73 | MORZINA ROHMAN |
| 75 | NAYAN MONI BORA |
| 82 | SUKLA KARMAKAR |

88 PRIYAKSHI BORGOHAIN

**MAJOR : HOME SCIENCE**

3 JUGAMAYA GOGOI
6 BONDANA HAZARIKA
9 POMPI CHETIA
12 POLI GOGOI

**MAJOR : POLITICAL SCIENCE**

2 SEHNAZ FARHANA BEGUM
4 KANGKANA DUTTA
6 SHEHNAZ SULTANA ROHMAN
10 RUBI KAKOTI
23 SUSMITA BHAGAWATI
31 PRARTHANA GOGOI
43 RITA SARMAH
70 MONDAKINI GOGOI
96 CHANDRIKA DUTTA
99 SONGITA LAHON
110 PRARTHANA KONWAR
112 JUNE MONI DAS
116 SUKONYA BORTHAKUR
119 RAJASHREE BORAH
123 SHAYANIKA CHETIA
145 INDRAMAYA LAMA
150 DEVIKA GHOSH
176 PROTIVA BORAH
188 DIPLY HATIBORUAH
191 SALEHA AHMED
211 ANAMIKA GOGOI
212 PRATILIPI DUTTA

**MAJOR : HISTORY**

56 LUCKY BURAGOHAIN
99 PROMUDIN DEVI
116 HIMAKSHI CHARUKIA

**MAJOR : BOTANY**

2 MINAKSHI KONWAR
20 SUNAYNA BORDOLI

**MAJOR : CHEMISTRY**

46 PARINETA DAS
63 JOLY GOGOI
73 PRETI SHIKHA BORUAH

**MAJOR : ZOOLOGY**

18 SNEHA KRI SHAU
39 KARABI RISONG
51 SANGHAMITRA HANDIQUE

# ছাঁ-পোহৰত কলেজৰ কিছু দৃশ্যাংশ



ই লাইব্ৰেৰী



কলেজৰ কেন্দ্ৰীয় লাইব্ৰেৰীত কিতাপ সজাই থোৱা চেলফ্



কলেজৰ কেন্টিন পৰিচালক - ৰুবুল পাঠক আৰু সহযোগীসকল- জুৰি পাঠক, বিতু সৎনামী, পটেচ সিং।



কেন্দ্ৰীয় লাইব্ৰেৰীৰ ভিতৰ অংশ



মুখ্য লাইব্ৰেৰীৰ কম্পিউটাৰ Section



কলেজৰ মা সৰস্বতীৰ প্ৰতিমূৰ্তি

# শিল্পীৰ পৃথিৱীত



অংকন ঃ যামিনী মহন্ত



অংকন ঃ নিকুমণি দিহিঙ্গীয়া

‘আঘোনৰ পথাৰৰ দাৱনীৰ কাম আছে
মুঠি মুঠি কাঁচি ডাঙৰি ডাঙৰি
কাম আছে
আঘোনৰ পথাৰত কাম আৰু কাম’ — কেশৱ মহন্ত



অংকন - যামিনী মহন্ত

"A flowery band to bind us to the earth,
Spite of despondence, of the inhuman death
of noble natures of the gloomy days,
of all the unhealthy and O'er– darkened ways;"
- John Keats

'আজি জনতাৰ আলোক বিজয়ী
অপূৰ্ব অভিযান
আজি পৃথিৱীত আকাশে বতাহে
জনতাৰ আহ্বান;
নৱ জীৱনৰ মহা সংঘাতে
কঁপায় বৰ্তমান।'
—জ্যোতি প্ৰসাদ আগৰৱালা


অংকন - দীপশিখা আচাৰ্য

# কলেজৰ বিভিন্ন ঘৰ-দুৱাৰ


অধ্যক্ষৰ কাৰ্যালয়


বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা নিৰ্মিত ইনড'ৰ ষ্টেডিয়াম



বিজ্ঞান শাখাৰ ভৱন


ৰংপুৰ ছাত্ৰী নিবাস


কলা শাখাৰ ভৱন


দুই মহলীয়া গ্ৰন্থাগাৰ


অসম চৰকাৰৰ আৰ্থিক সাহায্যৰে নিৰ্মিত বিজ্ঞান ভৱন


গাৰ্হস্থ্য বিজ্ঞান বিভাগ

## 'প্ৰবাহিনী'ৰ প্ৰবাহমান গতি.....



ী

কলেজ

